

দৈনিক

# বাতৰি কাকত

সত্য আৰু ন্যায়ৰ সপক্ষে

PUBLISHED SIMULTANEOUSLY FROM GUWAHATI & JORHAT

RNI REGD. NO. ASSASS/2003/15035 • E-paper: centralread.com • email: dainikbatorikakot@gmail.com

VOL XXIII, No. 232 ত্ৰিবিংশ বছৰ, সংখ্যা- ২৩২, ২১ জুলাই, মঙলবাৰ, ২০২৬, ৪ শাওন, ১৯৪৫ শক, BATORI KAKOT, Tuesday, 21 July, 2026, Guwahati Edition / গুৱাহাটী সংস্কৰণ মূল্য ঃ ৭.০০ টকা




নাগালেণ্ডৰ পাহাৰত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত চৰাইদেউ-শিৱসাগৰ- যোৰহাটত হাহাকাৰ

## উজনিৰ ৩ জিলাত বানৰ ভয়ংকৰ ৰূপ

### পৰিস্থিতিৰ বুজ ল'বলৈ বাহৰ পাতিছে মন্ত্ৰী কেশৱ মহন্ত- বিমল বৰা- সুশান্ত বৰগোহাঁই





**ষ্টাফ ৰিপ'ৰ্টাৰ, ২০ জুলাই ঃ** নগালেণ্ডৰ পাহাৰত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত উজনি অসমৰ চৰাইদেউ, শিৱসাগৰ জিলাৰ উপৰি যোৰহাট জিলাৰো বিস্তীৰ্ণ অঞ্চলত দেখা দিয়া শেহতীয়া বান পৰিস্থিতিৰ বুজ ল'বলৈ আজি পুৱাৰ ভাগতে উজনি অসমত উপস্থিত হয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্ত। মুখ্যমন্ত্ৰীৰ নিৰ্দেশানুসৰি মন্ত্ৰী মহন্তই যোৰহাটৰ টিয়ক, কাকজানৰ লগতে শিৱসাগৰৰ নাজিৰাৰ একাধিক বান প্ৰভাৱিত এলেকালৈ গৈ শেহতীয়া বান পৰিস্থিতিৰ চাক্ষুক বুজ লয়। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰীগৰাকীয়ে দুপৰীয়া সতীৰ্থ মন্ত্ৰী বিমল বৰাৰ সৈতে নাজিৰাৰ বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি বান প্ৰভাৱিত লোকৰ অৱস্থাৰ বুজ লয়। বানাক্ৰান্ত লোকসকলক দেখা কৰি তেওঁলোকক যাতে পৰ্যাপ্ত সা-সুবিধাসমূহ লাভ কৰে তাৰ বাবে জিলা প্ৰশাসনৰ বিষয়াসকলক মন্ত্ৰীদ্বয়ে নিৰ্দেশ দিয়ে। নাজিৰাৰ বান ক্ষতিগ্ৰস্ত এলেকা পৰিদৰ্শনকালত মন্ত্ৰীদ্বয়ৰ লগত শিৱসাগৰৰ ■ *এঘাৰ পৃষ্ঠাত*

দিল্লী আৰক্ষীৰ লাঠি-কন্দুৱা গেছেও ৰখাব নোৱাৰিলে ককৰোচ জনতা পাৰ্টিৰ অভিযান

# চি জে পিৰ প্ৰতিবাদত স্তব্ধ সংসদ ভৱন



### বেৰিকেড অতিক্ৰমী সংসদ ভৱনত প্ৰতিবাদী কণ্ঠ ঃ জে পি নাড্ডাৰে হোৱা বৈঠকত তিনিটা দাবীত অটল প্ৰতিবাদকাৰী ঃ শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে পদত্যাগ কৰিবই লাগিব

**নতুন দিল্লী, ২০ জুলাই ঃ** লাঠি আৰু কন্দুৱা গেছ ব্যৱহাৰ কৰিও আৰক্ষীয়ে ককৰোচ জনতা পাৰ্টিৰ সংসদ অভিযান সম্পূৰ্ণৰূপে বন্ধ কৰিব নোৱাৰিলে। ইয়াৰ বিপৰীতে আৰক্ষীৰ বেৰিকেড অতিক্ৰম কৰি সোমবাৰে বিয়লি সংসদ ভৱনত উপস্থিত হয় প্ৰতিবাদকাৰীসকল। প্ৰতিবাদকাৰীৰ শোভাযাত্ৰা ওচৰ চাপি অহাৰ লগে লগে নিৰাপত্তাজনিত কাৰণত সংসদৰ মূল দুৱাৰখন বন্ধ কৰি দিয়া হয়। সোমবাৰৰ পৰা আৰম্ভ হৈছে সংসদৰ মুকলি অধিৱেশন। সংসদ ভৱনত বিভিন্ন দলৰ সাংসদ উপস্থিত থাকে। প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় কেবিনেটৰ অন্যান্য সদস্যসকলো উপস্থিত থাকে। এনে পৰিস্থিতিত ইতিমধ্যে চিজেপিৰ সংসদ অভিযানক লৈ সজাগ হৈ আছিল দিল্লী আৰক্ষী। সংসদ ভৱনলৈ যোৱাৰ পথত শ্ৰম শক্তি ভৱনৰ সমীপত আৰক্ষীয়ে লাঠি-চাৰ্জ কৰি প্ৰতিবাদকাৰীক ছত্ৰভংগ দিয়ে। কন্দুৱা গেছৰ গোলাও নিক্ষেপ কৰা হয়। ইয়াৰ পিছতো প্ৰতিবাদকাৰীৰ এটা অংশ সংসদ ভৱনৰ দিশে আগবাঢ়িছিল। অৱশ্যে শেষত সংসদ ভৱনত উপস্থিত হ'ব নোৱাৰিলে। পূৰ্বে আৰক্ষীয়ে ■ *এঘাৰ পৃষ্ঠাত*

আঁচনিৰ সঠিক ৰূপায়ণৰ আহ্বান তুলিৰাম ৰংহাঙৰ

## ৰাজহ সংগ্ৰহ-উন্নয়নমূলক কাম-কাজৰ পৰ্যালোচনা মুখ্য কাৰ্যবাহী সদস্যৰ

**বাতৰি কাকত, ডিফু, ২০ জুলাই ঃ** কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ চি ই এম ড° তুলিৰাম ৰংহাঙে আজি পৰিষদৰ প্ৰশাসনিক নিয়ন্ত্ৰণত থকা সকলো ৰাজহ আহৰণ বিভাগক ৰাজহ সংগ্ৰহ শক্তিশালী কৰাৰ লগতে ৰচিদৰ পদ্ধতিগত নিৰীক্ষণ নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। ডিফুৰ আৰ্বৰেটাম-কম-ক্ৰাফট চেণ্টাৰৰ কনফাৰেন্স হলত অনুষ্ঠিত এক উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকৰ অধ্যক্ষতাত ড° ৰংহাঙে যোৱা তিনিটা বিত্তীয় বৰ্ষ আৰু চলিত বিত্তীয় বৰ্ষৰ প্ৰথম তিনিমাহৰ ভিতৰত ■ *এঘাৰ পৃষ্ঠাত*

ত্ৰিপুৰা আৰক্ষীৰ মুখ্য কাৰ্যালয়ত চাঞ্চল্যকৰ ঘটনা

## চাৰ্ভিচ ৰিভলভাৰেৰে নিজকে শেষ কৰিলে ডি জি পি অনুৰাগ ধনকৰে

**আগৰতলা, ২০ জুলাই ঃ** ত্ৰিপুৰাত সংঘটিত হৈছে এক চাঞ্চল্যকৰ ঘটনা। ৰাজ্যখনৰ এজন জ্যেষ্ঠ আৰক্ষী বিষয়াক কাৰ্যালয়ৰ ভিতৰতে মৃত অৱস্থাত ■ *এঘাৰ পৃষ্ঠাত*




# মৰিগাঁৱত স্বাধীনতা দিৱস উদ্‌যাপনৰ প্ৰস্তুতি সম্পৰ্কীয় বৈঠক

**মৰিগাঁও, ২০ জুলাই ঃ** আগন্তুক ৮০ সংখ্যক স্বাধীনতা দিৱস, ২০২৬ উদ্‌যাপন উপলক্ষে আজি মৰিগাঁও জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলা আয়ুক্ত শ্ৰীমতী অনামিকা তেৱাৰীৰ সভাপতিত্বত এখন প্ৰস্তুতিমূলক বৈঠক অনুষ্ঠিত হয়। বৈঠকত অতিৰিক্ত আয়ুক্ত নীতিশা বৰা, ৰাকেশ দাস আৰু অনুসূয়া শৰ্মা, আৰক্ষী অধীক্ষক পৰেশ সোণোৱাল, বিভিন্ন চৰকাৰী বিভাগৰ মুৰব্বী বিষয়াসকল, লাইন বিভাগৰ প্ৰতিনিধিসকল আৰু সমাজৰ বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। বৈঠকত জিলা আয়ুক্তগৰাকীয়ে স্বাধীনতা দিৱস উদযাপনৰ বিভিন্ন দিশৰ প্ৰস্তুতিৰ বিতৃত পৰ্যালোচনা কৰি সংশ্লিষ্ট




সকলো বিভাগক পাৰস্পৰিক সমন্বয়ৰ জৰিয়তে নিৰ্ধাৰিত দায়িত্বসমূহ সময়মতে সম্পন্ন কৰাৰ নিৰ্দেশ দিয়ে। বৈঠকত কুচকাৱাজ, আনুষ্ঠানিক কাৰ্যসূচী, নিৰাপত্তা ব্যৱস্থা, যান-বাহন নিয়ন্ত্ৰণ, পৰিষ্কাৰতা, স্বাস্থ্য আৰু জৰুৰীকালীন সেৱা, সাংস্কৃতিক অনুষ্ঠান, জনসাধাৰণৰ সুবিধা আৰু অন্যান্য প্ৰয়োজনীয় ব্যৱস্থাসমূহৰ ওপৰত বিশদভাৱে আলোচনা কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে স্বাধীনতা দিৱসৰ মৰ্যাদা অক্ষুণ্ণ ৰাখি উৎসৱটি শান্তিপূৰ্ণ, সুশৃংখল, সুকলমে আৰু গাম্ভীৰ্যপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ উদ্দেশ্যে সকলো বিভাগ আৰু সংশ্লিষ্ট পক্ষক আন্তৰিকতা, দায়বদ্ধতা আৰু সময়ন্বয় সৈতে দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়।

# তামুলপুৰত সুধাকণ্ঠৰ জন্ম শতবৰ্ষ উপলক্ষে আছুৰ চিত্ৰাংকন প্ৰতিযোগিতা

**বাতৰি কাকত, তামুলপুৰ, ২০ জুলাইঃ** সদৌ অসম ছাত্ৰ সন্থা (আছু) আৰু ড° ভূপেন হাজৰিকাৰ সাংস্কৃতিক ন্যাসৰ আহ্বানত, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ পবিত্ৰ জন্ম শতবৰ্ষ উপলক্ষে আজি তামুলপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত এক চিত্ৰাংকন প্ৰতিযোগিতা সফলতাৰে অনুষ্ঠিত হৈ যায়। তামুলপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয় প্ৰাংগনত আয়োজিত এই বিশেষ প্ৰতিযোগিতাখন সুচাৰুৰূপে পৰিচালনা কৰে অঞ্চলটোৰ বিশিষ্ট চিত্ৰশিল্পী নিতু তালুকদাৰ আৰু নৃপেন নাৰ্জাৰীয়ে। সমগ্ৰ অঞ্চলটোৰ অলেখ উদীয়মান প্ৰতিভাই অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাৰ 'ক' শাখাত ক্ৰমে উপাসনা কলিতাই প্ৰথম, জ্যোতিস্মিতা দাসে দ্বিতীয় আৰু সুবাসিতা ৰাজবংশীয়ে তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। অনুৰূপ ধৰণে প্ৰতিযোগিতাৰ 'খ' শাখাত ক্ৰমে মৌৰিমা মেধিয়ে প্ৰথম, দৃশা মহন্তই দ্বিতীয় আৰু গীতাশ্ৰী শইকীয়াই তৃতীয় স্থান অধিকাৰ কৰিবলৈ সক্ষম হয়। প্ৰতিযোগিতাৰ সামৰণি অনুষ্ঠানত উপস্থিত থকা ছাত্ৰ সংগঠনটোৰ বিষয়ববীয়া তথা গণ্য-মান্য ব্যক্তিসকলে বিজয়ী কৃতী প্ৰতিযোগীসকলক একোখনকৈ মানপত্ৰ আৰু জ্ঞানবৰ্ধক কিতাপেৰে আনুষ্ঠানিকভাৱে পুৰস্কৃত কৰি তেওঁলোকৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে।

# নলবাৰীত এ আই ডি এছ অ'ৰ প্ৰতিবাদী কাৰ্যসূচী

**ষ্টাফ ৰিপৰ্টাৰ, নলবাৰী, ২০ জুলাই ঃ** যন্তৰ মন্তৰৰ পৰা অনশনৰত সোণম ৱাংচুকক বলপূৰ্বকভাৱে আঁতৰাই প্ৰতিবাদ বিফল কৰাৰ বাবে দিল্লী আৰক্ষীয়ে কৰা প্ৰচেষ্টাক তীব্ৰ গৰিহণা দিয়াৰ লগতে এই আন্দোলনৰত অনশনকাৰীসকলৰ লগত চৰকাৰে গণতান্ত্ৰিকভাবে আলাপ-আলোচনাৰ পৰিৱেশ সৃষ্টি কৰাৰ দাবীৰ লগতে দেশৰ ছাত্ৰ সমাজৰ দাবী চৰকাৰে অতিশীঘ্ৰে মানি লোৱা, অতিশীঘ্ৰে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে পদত্যাগ কৰা, এন টি এ বাতিল কৰা, ৰাজহুৱা শিক্ষা ব্যৱস্থা ৰক্ষা কৰাৰ দাবীত দেওবাৰে এ আই ডি এছ অ'ৰ নলবাৰী জিলা কমিটিৰ পক্ষৰ পৰা প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হয়। কেন্দ্ৰীয় চৰকাৰে তৎকালীনভাৱে সোণম ৱাংচুকৰ লগতে অন্যান্য অনশনকাৰীৰ সৈতে গণতান্ত্ৰিকভাৱে আলোচনাৰ উদ্যোগ গ্ৰহণ কৰক আদি দাবী সমূহৰ সমৰ্থনত আজি নলবাৰী জিলা এ আই ডি এছ অ'ৰ কমিটিৰ পক্ষৰ পৰা স্বাক্ষৰ সংগ্ৰহ কৰা কাৰ্যসূচীত নলবাৰী আৰক্ষীয়ে বাধা প্ৰদান কৰাৰ লগতে কৰ্মী সকলে বিভিন্ন দাবী সম্বলিত পোষ্টাৰ লিখি থকা অৱস্থাতে জোৰজুলুম কৰি পোষ্টাৰ বিলাক কাঢ়ি লৈ যায়। সমগ্ৰ দেশতে গণতান্ত্ৰিক পৰিৱেশ সম্পূৰ্ণ বাবে বিনষ্ট কৰা হৈছে বুলি দাবী কৰি সেয়া গণতান্ত্ৰিক দেশৰ বাবে অত্যন্ত দুখজনক বুলি মন্তব্য কৰে এ আই ডি এছৰ নেতৃত্বই। এই কাৰ্যক তীব্ৰ গৰিহণা দি ভাষণ প্ৰদান কৰে এ আই ডি এছ অ'ৰ প্ৰাক্তন কোষাধ্যক্ষ মুনীন্দ্ৰ দলেয়ে । তেওঁ ভাষণত কয় যে গণতান্ত্ৰিক আন্দোলনত পুলিচি হস্তক্ষেপ কৰা নচলিব বুলি কয়। এই কাৰ্যক তীব্ৰ ভাষাৰে নিন্দা প্ৰদান কৰে। এই কাৰ্যসূচীত উপস্থিত থাকি বক্তব্য ৰাখে শিক্ষাবিদ জিতেন্দ্ৰ কুমাৰ জৈনে ভাষণ প্ৰদান কৰে। তাৰ পিছত নলবাৰী জিলা কমিটিৰ সম্পাদক কুশল পেগুৱে এই ধৰণৰ প্ৰতিবাদী কাৰ্যসূচীত বাধা প্ৰদান কৰাক তীব্ৰ প্ৰতিবাদ কৰে। বহুএ আই ডি এছ অ'ৰ নলবাৰী জিলা কমিটিয়ে গণতান্ত্ৰিক আন্দোলনৰ ওপৰত পুলিচ প্ৰশাসনে দমনমূলক কাৰ্যকলাপৰ বিৰুদ্ধে গৰ্জি উঠাৰ বাবে নলবাৰী তথা ৰাজ্যৰ ছাত্ৰ -ছাত্ৰী তথা শুভবুদ্ধিসম্পন্ন ৰাইজক আহ্বান জনায়।

# দৰঙৰ পিঠাখোৱাত যোগাসন ক্ৰীড়া প্ৰতিযোগিতা

**ইন্দাদুল হক, ছিপাঝাৰ, ২০ জুলাই ঃ** দৰং জিলা যোগাসন ক্ৰীড়া সন্থাৰ উদ্যোগত পঞ্চম বাৰ্ষিক যোগাসন ক্ৰীড়া প্ৰতিযোগিতাখনি সুকলমে দেওবাৰে অনুষ্ঠিত হৈ যায়। দৰং জিলা যোগাসন ক্ৰীড়া সন্থাৰ সম্পাদক বিপুল গোস্বামীয়ে পৰিচালনা কৰা প্ৰতিযোগিতাখনিত প্ৰথমে বন্তি প্ৰজ্বলন কৰি খেল উদ্ধোধন কৰে পিঠাখোৱা ৰাজহ গাঁৱৰ গাঁও প্ৰধান ৰাজীৱ বনিয়াই। উক্ত প্ৰতিযোগিতাখনিত ১০ বছৰ অনুৰ্ধ্বৰ ল'ৰা শাখাত প্ৰথম স্থান লাভ কৰে - পাৰ্থিৱ শইকীয়াই দ্বিতীয় স্থান লাভ কৰে - হীৰক জ্যোতি ভৰদ্বাজ তৃতীয় স্থান লাভ কৰে নুপুৰ চহৰীয়া- ছোৱালী শাখাত প্ৰথম স্থান লাভ কৰে - ভিতালী শইকীয়া দ্বিতীয় স্থান যুটীয়া ভাৱে লাভ কৰে - সমৃদ্ধি হাজৰিকা আৰু ধৃতিশিখা শইকীয়া তৃতীয় স্থান লাভ কৰে কৃশাঙ্গী প্ৰিয়ম। ১০-১৪ বছৰৰ ল'ৰা শাখাত প্ৰথম স্থান লাভ কৰে - চিন্ময় বৰা দ্বিতীয় স্থান লাভ কৰে গীতাৰ্থ কাশ্যপ-- তৃতীয় স্থান লাভ কৰে - ময়ুৰেশ কাশ্যপ। ছোৱালী শাখাত প্ৰথম স্থান লাভ কৰে -- জিলমিল ডেকা দ্বিতীয় স্থান লাভ কৰে ঠানভি ভাৰতী তৃতীয় স্থান লাভ কৰে - দীপশিখা ডেকা। ১৪-১৮ শাখাত প্ৰথম স্থান লাভ কৰে মীনাক্ষী গোস্বামী, দ্বিতীয় স্থান লাভ কৰে সুস্মিতা ডেকাই। ১৮-২৮ বছৰৰ ছোৱালী শাখাত প্ৰথম স্থান লাভ কৰে উদেষ্ণা ডেকাই। ১০ বছৰৰ অনুৰ্ধৰ আৰ্টিষ্টিক ছিংগল লৰা শাখাত প্ৰথম স্থান লাভ কৰে হিয়ান ৰয়, দ্বিতীয় স্থান লাভ কৰে - হীৰক জ্যোতি ভৰদ্বাজ,তৃতীয় স্থান লাভ কৰে - সুৰজিৎ বৰুৱা। ছোৱালী শাখাৰ আৰ্টিষ্টিক ছিংগলত প্ৰথম স্থান লাভ কৰে - সমৃদ্ধি হাজৰিকা, দ্বিতীয় স্থান লাভ কৰে - নিহাৰিকা ডেকা আৰু তৃতীয় স্থান লাভ কৰে - গিতাংশী কলিতা। ১০-১৪ বছৰৰ ল'ৰাৰ শাখাত প্ৰমথ স্থান ময়ুৰেশ কাশ্যপ দ্বিতীয় স্থান ষ্ঠ গীতাৰ্থ কাশ্যপ আৰু তৃতীয় স্থান - হিমাংশু ডেকা ছোৱালী শাখাত প্ৰথম স্থান দীক্ষিতা ডেকা। দ্বিতীয় স্থান- জিলমিল ডেকা আৰু তৃতীয় স্থান- ঠানভি ভাৰতী অদিতি নাথ। ১৪-১৮ ছোৱালী শাখাত প্ৰথম স্থান মীনাক্ষী গোস্বামী আৰু সুস্মিতা ডেকাই। স্কুল ইভেণ্টত ১০ বছৰ অনুৰ্ধ্বৰ শাখাত প্ৰথম স্থান যুটীয়াভাৱে শিৱৰাজ শৰ্মা আৰু বৰ্ণিল দ্বীপ শিৱম, দ্বিতীয় স্থান বৰ্ণিল শৰ্মা আৰু ত্ৰিনাভ শইকীয়া, তৃতীয় স্থান দিব্যাঞ্চ শৰ্মা আৰু গীতাৰ্থ শৰ্মা লগতে ছোৱালী শাখাত নানাস্যা ৰাজবংশী, দ্বিতীয় স্থান ৰাগিনী ৰাজবংশী আৰু তৃতীয় স্থান আয়ুসি শিৱম,কাব্যশি শিৱম আৰু দিশা বৰুৱাই লাভ কৰে। ১০-১৪ বছৰৰ ল'ৰা শাখাত স্কুল ইভেন্টত প্ৰথম স্থান লাভ কৰে কৌস্তভ ডেকা আৰু দ্বিতীয় স্থান লাভ কৰে মঞ্জিল ডেকাই। দৰং জিলা যোগাসন সন্থাৰ সহকাৰী সম্পাদক দিপাংকৰ নাথৰ তৎপৰতাত আৰু সম্পাদক বিপুল গোস্বামীদেৱৰ সঞ্চালনাত অনুষ্ঠিত হোৱা খেল খনত বিচাৰক হিচাপে উপস্থিত থাকে বুবুল কুমাৰ চহৰীয়া, জিতু মহন্ত, অৰূপ ডেকা, জয়ন্ত ডেকা, দিব্যজ্যোতি ডেকা, সুদৰ্শন নাথ, হিৰামনি গোস্বামী, হিমনয়নী শৰ্মা,সৰোজনী কলিতা। উক্ত খেলখনত দৰং জিলা যোগাসন সন্থাৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈ ধীৰাজ ডেকা, কৃষ্ণমণি ডেকা, ৰূপজ্যোতি ডেকা, ধ্ৰুৱজ্যোতি কলিতা, জ্যোতিপ্ৰসাদ ডেকা আৰু কৌস্তভমণি চহৰীয়াই খেলখনি সুচাৰুৰূপে পৰিচালনা কৰাত বিশেষভাবে সহায় সহযোগিতা আগবঢ়ায়।

# চামগুৰিৰ শিঙিমাৰী উন্নয়ন খণ্ডত মহিলা উদ্যমিতা আঁচনিক কেন্দ্ৰ কৰি মহিলাৰ উত্তাল প্ৰতিবাদ

**বাতৰি কাকত, লাওখোৱা, ২০ জুলাই ঃ** চামগুৰি সমষ্টিৰ অন্তৰ্গত শিঙিমাৰী উন্নয়ন খণ্ডত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ হিতাধিকাৰী বাছনি প্ৰক্ৰিয়াক কেন্দ্ৰ কৰি আজি দুপৰীয়া সৃষ্টি হয় এক উত্তপ্ত পৰিস্থিতিৰ। আঁচনিৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ উত্থাপন কৰি অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ শিঙিমাৰী কাৰ্যালয়ত কেইবা শতাধিক আত্মসহায়ক গোটৰ মহিলাই উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰী মহিলাসকলে অভিযোগ কৰে যে, কণী, হাঁহ আদি বিক্ৰী কৰি দীৰ্ঘদিন ধৰি আত্মসহায়ক গোট সফলভাৱে চলাই অহাৰ পিছতো এল আৰ জি, চি আৰ পি তথা শিঙিমাৰী কাৰ্যালয়ৰ দায়িত্বপ্ৰাপ্ত বিষয়াসকলৰ গাফিলতি আৰু পক্ষপাতমূলক আচৰণৰ ফলত তেওঁলোকক আঁচনিৰ সুবিধাৰ পৰা বঞ্চিত কৰা হৈছে। ইয়াৰ উপৰিও জীৱিকা সখী, সংযোগ সখী আৰু বৃত্ত সখীয়ে প্ৰতিটো গোটৰ পৰা ২,০০০ টকাকৈ ধন দাবী কৰিছিল বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে প্ৰতিবাদকাৰীসকলে। অভিযোগ অনুসৰি, ধন দিবলৈ অস্বীকাৰ কৰাসকলক উদ্দেশ্য প্ৰণোদিতভাৱে মহিলা উদ্যোমিতা আঁচনিৰ সুবিধাৰ পৰা বাদ দিয়া হৈছে।ইফালে, কেইবা শতাধিক বঞ্চিত মহিলা কাৰ্যালয়ত উপস্থিত হৈ বিষয়াসকলৰ সৈতে কথা পাতিবলৈ বিচাৰিলে বিভিন্ন অজুহাত দেখুৱাই বিষয়া-কৰ্মচাৰীসকলে কাৰ্যালয় এৰি গুচি যায় বুলি অভিযোগ কৰে প্ৰতিবাদকাৰীসকলে। ঘটনাক কেন্দ্ৰ কৰি উন্নয়ন খণ্ডটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। প্ৰতিবাদকাৰী মহিলাসকলে সমগ্ৰ বিষয়টোৰ এক নিৰপেক্ষ তদন্ত কৰি দোষীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে যোগ্য হিতাধিকাৰীসকলক আঁচনিৰ সুবিধা নিশ্চিত কৰাৰ দাবী জনায়।

# ওদালগুৰিত অসম গোৰ্খা সন্মিলন কেন্দ্ৰীয় সমিতিৰ অধিবেশনৰ প্ৰস্তুতি

**ওদালগুৰি,২০ জুলাইঃ** অসম গোৰ্খা সন্মিলন কেন্দ্ৰীয় সমিতিৰ ২৮ সংখ্যক অধিবেশন অহা ১০, ১১, ১২ আৰু ১৩ ডিচেম্বৰ ২০২৬ত ওদালগুৰি জিলাৰ মনপুৰ ষ্টেডিয়ামত অনুষ্ঠিত কৰিবলৈ ইতিমধ্যে অভ্যৰ্থনা সমিতি গঠনৰ পাছতেই যোৱা কেইদিনমান আগতে পুনৰ অভ্যৰ্থনা সমিতিৰ আহ্বানত অনুষ্ঠিত সাধাৰণ সভাত বিভিন্ন বিভাগত সৰ্বমুঠ ৩৫টা উপ সমিতি গঠন কৰা হয়। উক্ত উপ সমিতি সমুহক ১৯ জুলাই তাৰিখে সম্পন্ন হোৱা সাধাৰণ সভাত দায়িত্বভাৰো অৰ্পণ কৰা হয়। ১৯ জুলাই দেওবাৰে আবেলি ৩ বজাৰ পৰা ওদালগুৰি স্থিত বিশ্বশান্তি নেপালী বিদ্যা মন্দিৰ পৰিসৰত থকা গোৰ্খা ভৱনত অনুষ্ঠিত সাধাৰণ সভাত সভাপতিত্ব কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি ৰিহন দৈমাৰীয়ে। অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি ড° ৰমেশ দাহালে আঁত ধৰা সভা পৰিচালনা কৰে অভ্যৰ্থনা সমিতিৰ সাধাৰণ সম্পাদক সঞ্জীৱ বুড়াথোকীয়ে। উক্ত সভাত বহি থকা কেন্দ্ৰীয় সমিতিৰ অধিবেশন কেনেকৈ সাফল্য মণ্ডিত কৰিব লাগে সেই বিষয়ত বিভিন্ন ব্যক্তিয়ে মতামত আগবঢ়ায়ে। প্ৰায় তিনি কোটি টকাতকৈ অধিক বাজেটেৰে আয়োজন কৰা কেন্দ্ৰীয় অধিবেশনৰ সুক্ষ্ম সুক্ষ্ম বিষয়তো বিশেষ গুৰুত্ব দি সভা সফল কৰিবলৈ অভ্যৰ্থনা সমিতিৰ সভাপতি ৰিহন দৈমাৰীয়ে অভ্যৰ্থনা সমতিকে ধৰি বিভিন্ন বিভাগত গঠিত উপ সমিতি সমুহক নিজ নিজ সমিতিৰ দায়িত্ব সমুহ নিয়াৰিকৈ কৰাৰ লগতে উপ সমিতি সমুহে অভ্যৰ্থনা সমিতিৰ লগত সু-সম্পৰ্ক বজাই ৰাখি নিজ নিজ বিভাগৰ দায়িত্ব সমুহ নিগাজিকৈ কৰিবলৈ দায়িত্বভাৰ অৰ্পণ কৰে। উল্লেখনীয় যে অহা ১০, ১১,১২ আৰু ১৩ ডিচেম্বৰ ২০২৬ত অনুষ্ঠিত হ'বলগীয়া অসম গোৰ্খা সন্মিলন কেন্দ্ৰীয় সমিতিৰ ২৮ সংখ্যক অধিবেশনৰ মুকলি সভাত কমেও এক লাখ জনসাধাৰণ উপস্থিত থাকিব বুলি কোৱাৰ লগতে মুকলি সভাত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, চিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং তামাং, দাৰ্জিলিংৰ সাংসদ ৰাজু বিষ্টৰ লগতে অসমৰ চুবুৰীয়া ৰাজ্যৰ বিশিষ্ট প্ৰশাসনিক বিষয়া সকলো উপস্থিত থাকিব বুলি অভ্যৰ্থনা সমিতিয়ে জানিবলৈ দিয়ে। উক্ত অভ্যৰ্থনা সমিতিৰ সাধাৰণ সভাত অসম গোৰ্খা সন্মিলন কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক ৰাজু ঢকাল, অসম নেপালী সাহিত্য সভা কেন্দ্ৰীয় সাহিত্য সম্পাদক লক্ষ্মণ অধিকাৰী, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা কেন্দ্ৰীয় সমিতিৰ নব নিৰ্বাচিত সাধাৰণ সম্পাদক সোমৰাজ সোনাৰ, আগছু ওদালগুৰি জিলা সমিতিৰ সাধাৰণ সম্পাদক কিশোৰ চিৰ্পালী, অসম গোৰ্খা সন্মিলন ওদালগুৰি জিলা মহিলা প্ৰকোষ্ঠকে ধৰি বিশিষ্ট ব্যক্তি সকল উপস্থিত থকা সভাত অভ্যৰ্থনা সমিতিৰ সভাপতি ৰিহন দৈমীৰীয়ে অধিবেশন সৰ্বাংগ সুন্দৰ আৰু আতিথ্য পৰায়ণেৰে সফল কৰি তুলিবলৈ ৰাইজক আহ্বান জনায়ে। উক্ত সভাতেই সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা কেন্দ্ৰীয় সমিতিৰ নব নিৰ্বাচিত সাধাৰণ সম্পাদক সোমৰাজ সোনাৰক অসম গোৰ্খা সন্মিলন আৰু ওদালগুৰি বিধানসভাৰ বিধায়ক তথা বিটিচিৰ উপ মুখ্য কাৰ্য্যবাহী সদস্য ৰিহন দৈমাৰীয়ে সম্বৰ্ধনা জনায়।

# বগুৰিহাটীত শ্ৰীশ্ৰীমহাৰুদ্ৰ যজ্ঞৰ আয়োজন

**বাতৰি কাকত , বৰনদী, ২০ জুলাই ঃ** নলবাৰী জিলাৰ আদৰ্শ গাঁও বগুৰিহাটীৰ বগুৰিহাটী বাৰোৱাৰী পুৰণি শ্ৰীশ্ৰীবাসন্তী মন্দিৰ প্ৰাঙ্গণত শ্ৰীশ্ৰীবাসন্তী পূজা সমিতিৰ সমূহ সদস্যবৃন্দ আৰু ধৰ্মপ্ৰাণ ৰাইজৰ সহযোগত ২৪, ২৫ আৰু ২৬ জুলাইত তিনিদিনীয়াকৈ জগত কল্যানৰ উদ্দেশ্যে শ্ৰশ্ৰীমহাৰুদ্ৰ যজ্ঞৰ আয়োজন কৰিছে। এই যজ্ঞ আয়োজক মণ্ডলীৰ ভিতৰত আছে ক্ৰমে শান্তনু গোস্বামী, জ্যোতিৰ্ময় ডেকা, ইন্দ্ৰজিৎ দাস, বিকি শৰ্মা আৰু সৌৰভ হাজৰিকা ।কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱা ৭ বজাত জল যাত্ৰা, ১১ বজাত পূজা মণ্ডপ স্থাপন ও পূজা আৰম্ভ আৰু সন্ধিয়া ৬ বজাত আৰতি প্ৰদান। দ্বিতীয় দিনা পুৱা ৮ বজাত মঙ্গলাচৰণ, ৯-৩০ বজাত পূজা আৰম্ভ, আবেলি ২-৩০ বজাত যজ্ঞ আৰম্ভ, সন্ধিয়া ৬ বজাত, সন্ধিয়া ৬ বজাত স্তোত্ৰ পাঠ আৰু ৭-৩০ বজাত আৰতি প্ৰদান। শেষৰ দিনা পুৱা ৮ বজাত মঙ্গলাচৰণ, ৯ বজাত পূজা আৰম্ভ, আবেলি ২ বজাত পূৰ্ণাহুতি আৰু ৩ বজাত ৰাজহুৱা ভোগ বিতৰণেৰে যজ্ঞৰ সমূহ কাৰ্যসূচীৰ সামৰণি পৰিব।

# নাথকুছি শিৱ মন্দিৰত অগণন ভক্তৰ সমাগম

**কুমুদ বৰ্মন, টিহু, ২০ জুলাইঃ** শাওণ মাহৰ প্ৰথম সোমবাৰ উপলক্ষে ৰাজ্যৰ শিৱ মন্দিৰ সমূহত দেওবাৰৰ নিশাৰে পৰা দেখা গ'ল ভক্তৰ অগণন ভিৰ। ব্যতিক্ৰম নহয় নলবাৰী জিলাৰ টিহু নাথকুছিৰ চ'কৰ ১৮৩৪ শকাব্দত স্থাপিত শতবৰ্ষ গৰকা নাথকুছি শিৱ মন্দিৰ । ব'লবম উপলক্ষে আজি অগণন ভক্তৰ ভিৰ পৰিলক্ষিত হয় নাথকুছিৰ শিৱ মন্দিৰত । শাওণ মাহটো মহাপ্ৰভু শিৱক উৎসৰ্গিত কৰা হয়। এই মাহত ভগৱান শিৱক পূজা কৰা হয়। এই মাহত সোমবাৰ সমূহৰ যথেষ্ট গুৰুত্বপূৰ্ণ বুলি মনা হয়। প্ৰত্যেক বছৰে ঐতিহ্যমণ্ডিত টিহু নাথকুছিৰ শিৱ মন্দিৰত অগনন ভক্তৰ সমাৱেশ দেখিবলৈ পোৱা যায়।প্ৰবাদ অনুসৰি অতি পুৰণি এই মন্দিৰত মনৰ কামনা সিদ্ধিৰ বাবে সেৱা আগবঢ়ালে সেই সেয়া পূৰ্ণ হয়। যাৰ বাবে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে অসমৰ বাহিৰৰ পৰাও এই মন্দিৰলৈ ভক্ত দৰ্শনাৰ্থীৰ ভিৰ পৰিলক্ষিত হয়। নাথকুছি শিৱ মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি জগত পাঠক উপ-সভাপতি গগন দাস, নাৰায়ণ চন্দ্ৰ দাস সম্পাদক কল্যাণ মজুমদাৰ সহকাৰী সম্পাদক ফুলকুমাৰ দাস ভগৱান মেধিকে ধৰি বিষয়ববীয়া সকলে পাৰ্য্যমানে ভক্তপ্ৰাণ ৰাইজক সেৱা আগবঢ়ালৈ চেষ্টা কৰা পৰিলক্ষিত হয়। উল্লেখ্য দেৱাদিদেৱ মহাদেৱৰ স্থায়ী ব্ৰঞ্জৰ মূৰ্তি নিৰ্মাণৰ কাম চলি আছে। কোনো ভক্তই দান বৰঙনি আগবঢ়াবলৈ বিচাৰিলে সভাপতি/সম্পাদক নাথকুছি শিৱ মন্দিৰ পৰিচালনা সমিতি নাইবা ৯৪৩৫৩-১০৬২০/৯৯৫৪১-২১৬৯১ নম্বৰত যোগাযোগ কৰিবলৈ পাৰিব।

# পবিত্ৰ শাওণ মাহৰ প্ৰথমটো সোমবাৰে ধমধমাৰ ঐতিহাসিক শিৱমন্দিৰত ভক্তৰ লানি নিছিগা ভিৰ

**বাতৰি কাকত, ধমধমা, ২০ জুলাই,** আজি শাওণ মাহৰ প্ৰথমটো সোমবাৰ। শিৱ ভক্তসকলৰ পুৱাৰে পৰা শিৱ মন্দিৰ সমূহত স্ৰোত বোৱা পৰিলক্ষিত হয়। ব্যতিক্ৰম নহয় নলাৰীৰ ধমধমা।ৰাজ্যৰ আন আন শিৱমন্দিৰৰ দৰে আজি পবিত্ৰ শাওণ মাহৰ প্ৰথমটো সোমবাৰ উপলক্ষে ধমধমাৰ ঐতিহাসিক শিৱমন্দিৰতো পুৱাৰে পৰা ভক্তৰ ব্যাপক সমাগম পৰিলক্ষিত হৈছে। পুৱতি নিশাৰে পৰা ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা শতাধিক ভক্তই শিৱমন্দিৰত উপস্থিত হৈ বাবা মহাদেৱৰ শ্ৰীচৰণত ধূপ-দ্বীপ, চাকি-বন্তি, নৈবেদ্য আগবঢ়াই বছৰটো মঙ্গলময় হোৱাৰ কামনাৰে সেৱা আগবঢ়ায়। শাওণৰ প্ৰথম সোমবাৰৰ বাবে মন্দিৰ চৌহদত এক ভক্তিময় পৰিৱেশৰ সৃষ্টি হৈছে।

# ডিব্ৰুগড়ত উপাসনা কলাকেন্দ্ৰৰ গ্ৰীষ্মকালীন কৰ্মশালা

**ষ্টাফ ৰিপৰ্টাৰ ডিব্ৰুগড়, ২০ জুলাই** ডিব্ৰুগড়ৰ উপাসনা কলাকেন্দ্ৰৰ উদ্যোগত আৰু সন্ধানী মহিলা চ'ৰা, ডিব্ৰুগড় তথা সৃষ্টি প্ৰভাত, গুৱাহাটীৰ সহযোগত অনুষ্ঠিত সাতদিনীয়া গ্ৰীষ্মকালীন কৰ্মশালাৰ বৰ্ণাঢ্য কাৰ্যসূচীৰে সামৰণি পৰে। মুখ্য অতিথি, বিশিষ্ট অতিথি আৰু আন আন আমন্ত্ৰিত অতিথিসকলক আদৰণি জনোৱাৰ পাছতে পৰম্পৰাগতভাৱে বন্তি প্ৰজ্বলন আৰু মঙ্গলাচৰণ ধ্বনিৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে বিশিষ্ট অতিথি তথা প্ৰাক্তন উপাচাৰ্য, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° কন্দৰ্প কুমাৰ ডেকাই ।অনুষ্ঠানৰ আৰম্ভণিতে উপাসনা কলাকেন্দ্ৰৰ অধ্যক্ষ তৰুণ কুমাৰ গগৈয়ে আদৰণি ভাষণ আগবঢ়াই কৰ্মশালাৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ লগতে কৰ্মশালাখন সফল কৰি তোলাত সহযোগিতা আগবঢ়োৱা সকলো অতিথি,প্ৰশিক্ষক, অভিভাৱক আৰু শুভাকাংক্ষীৰ কৃতজ্ঞতা জ্ঞাপন কৰে। মুখ্য অতিথি, বিশিষ্ট অতিথি আৰু উপস্থিত অন্যান্য বিশিষ্ট ব্যক্তিসকলক ফুলাম গামোচা, চেলেঙ ,শৰাই আদি আগবঢ়াই সম্বৰ্ধনা জ্ঞাপন কৰা হয়। মুখ্য অতিথি হিচাপে উপস্থিত থাকে মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° নিৰোদ বৰুৱা। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকা। বিশিষ্ট কবি-সাহিত্যিক সাহিত্যচাৰ্য ড° কৰবী ডেকা হাজৰিকা, সমাজসেৱক আত্মাৰাম আগৰৱালাকে ধৰি বহু গণ্য-মান্য ব্যক্তি অনুষ্ঠানত উপস্থিত থাকে।কৰ্মশালা কমিটিৰ সভাপতি ড° পংকজ



কুমাৰ শ্ৰুতিকৰে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি শিল্প-সংস্কৃতিৰ চৰ্চাৰ জৰিয়তে শিশু-কিশোৰসকলৰ সৃজনশীল প্ৰতিভা বিকাশৰ ক্ষেত্ৰত এনে কৰ্মশালাৰ গুৰুত্ব আলোকপাত কৰে। ড° কৰবী ডেকা হাজৰিকাই অনুষ্ঠানৰ প্ৰথম প্ৰদৰ্শন নাট মেলা অৰ্থাৎ ঝুমৰ (অংকীয়া নাট) বিষয়ে সংক্ষিপ্ত বক্তব্য আগবঢ়াই মঞ্চ মুকলি কৰে। কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলে এক মনোমোহা উদ্বোধনী নৃত্য পৰিৱেশন কৰি অনুষ্ঠানৰ সাংস্কৃতিক পৰ্ব আৰম্ভ কৰে। মুখ্য অতিথি ড° নিৰোদ বৰুৱাই তেওঁৰ আশীৰ্বাদমূলক ভাষণত উপাসনা কলাকেন্দ্ৰই দীৰ্ঘদিন ধৰি শিল্প-সংস্কৃতিৰ বিকাশ আৰু নতুন প্ৰজন্মৰ ব্যক্তিত্ব গঠনত আগবঢ়াই অহা অৱদানৰ উচ্চপ্ৰশংসা কৰে। তাৰ পিছতে কৰ্মশালাত বিভিন্ন বিষয়ত প্ৰশিক্ষণ প্ৰদান কৰা সকলো প্ৰশিক্ষকক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানৰ পৰৱৰ্তী কাৰ্যসূচীত প্ৰশিক্ষাৰ্থীসকলে দেশপ্ৰেম মূলক সমবেত সংগীত পৰিৱেশন কৰে। ২০০৪ চনৰ পৰা ২০২৬ চনলৈ উপাসনা কলাকেন্দ্ৰৰ গৌৰৱোজ্জ্বল যাত্ৰাৰ বিভিন্ন দিশ সামৰি প্ৰস্তুত কৰা এখনি স্মৃতিগ্ৰন্থ 'এক বৰ্ণিল যাত্ৰা'ৰ বিষয়ে প্ৰতিষ্ঠাপক সভানেত্ৰী ঝৰ্ণা শইকীয়াই উল্লেখ কৰে আৰু বিশিষ্ট অতিথি ড° কন্দৰ্প কুমাৰ ডেকাই আনুষ্ঠানিকভাৱে উন্মোচন কৰে আৰু সকলোকে অভিনন্দন জনায়। এনে এক মহৎ কাৰ্যৰ বাবে ড° ডেকাই এই পত্ৰিকাখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত গ্ৰীষ্মকালীন কৰ্মশালা কমিটিৰ সকলোকে প্ৰশংসা কৰে। প্ৰশিক্ষাৰ্থী সকলে এখন চুটি নাটক 'অৰণ্যৰ চকুলো' প্ৰদৰ্শন কৰে । পৰীক্ষাৰ্থী সকলে সত্ৰীয়া নৃত্য, ঝুমুইৰ নৃত্য, চাহ জনগোষ্ঠীৰ ঢোল বাদন আদি মনোমোহা সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰি উপস্থিত দৰ্শকৰ প্ৰশংসা লাভ কৰে। সমল ব্যক্তি কৃষ্ণা পংকজা দত্ত, চুমি ফুকন, অজয় দত্ত, সোনাৰয় ঘাটোৱাৰ আদি কৰি কেইবাগৰাকীও ব্যক্তিয়ে এই প্ৰশিক্ষণত ভাগ লয়। অনুষ্ঠানত উপস্থিত সন্মানীয় অতিথিসকলেও নিজৰ অনুভৱ ব্যক্ত কৰি উপাসনা কলাকেন্দ্ৰৰ শিল্প-সংস্কৃতিৰ বিকাশ, মানৱীয় মূল্যবোধৰ প্ৰচাৰ আৰু শিশু-কিশোৰৰ সৰ্বাংগীণ বিকাশৰ ক্ষেত্ৰত আগবঢ়াই অহা অনবদ্য অৱদানৰ প্ৰশংসা কৰে। ইয়াৰ ভিতৰত ডিব্ৰুগড় জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নোমল গগৈ, বৰ্তমান সভাপতি বদন গগৈ আৰু পৰমেশ্বৰ নলবৰীয়া অন্যতম ।এই ক্ষেত্ৰত সন্ধানী মহিলা চ'ৰাৰ সভানেত্ৰী নিহাৰীকা শ্ৰুতিকৰেও তেওঁৰ বক্তব্য আগবঢ়ায়। কৰ্মশালাত অংশগ্ৰহণ কৰা সকলো প্ৰশিক্ষাৰ্থীক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। শেষত উপাসনা কলা কেন্দ্ৰৰ সভাপতি দীপক কুমাৰ দত্তই সকলোকে ধন্যবাদ জ্ঞাপন কৰে আৰু ইয়াৰ পাছতেই জাতীয় সংগীত পৰিৱেশনেৰে সাতদিনীয়া গ্ৰীষ্মকালীন কৰ্মশালাৰ সফল সামৰণি ঘোষণা কৰা হয়। উপস্থিত অভিভাৱক, শুভানুধ্যায়ী আৰু শিল্প-সংস্কৃতিপ্ৰেমী ৰাইজৰ উৎসাহপূৰ্ণ অংশগ্ৰহণে অনুষ্ঠানটো অধিক সাৰ্থক আৰু স্মৰণীয় কৰি তোলে।কাৰ্যসূচী পৰিচালনা কৰে সন্ধানী মহিলা চ'ৰাৰ সম্পাদিকা লক্ষহীৰা গগৈয়ে।

## Affidavit

I, MORIOM BEGUM, W/o- Shahajamal Khan, R/o Vill- Kachukata, P.O- Aminkata, P.S- Gossaigaon, Dist.- Kokrajhar, Assam, Pin-783337, declare that my correct name is MORIOM BEGUM. In my Assam Gramin Vikash Bank A/c No. 7132026025444, my name is wrongly recorded as MARIYAM BIBI. Both MORIOM BEGUM and MARIYAM BIBI refer to one and the same person. Declared vide affidavit dated 09.07.2026 before Notary Public, Kokrajhar

## ভুল শুধৰণি

মোৰ নামটো ভুলক্ৰমে নৃপেন দাস হৈ আছে। কিন্তু শুদ্ধ নামটো হ'ব লাগে শ্ৰী নৃপেন ৰাজবংশীহে। মোৰ গাঁও- ক্ষুদ্ৰ পলহা, জিলা (কামৰূপ) অসম।

**শ্ৰী নৃপেন ৰাজবংশী**
পিতা- প্ৰতাপ ৰাজবংশী
গাঁও- ক্ষুদ্ৰ পলহা,
উত্তৰ গুৱাহাটী ৰাজহ চক্ৰ
থানা- বাইহাটা চাৰিআলি।

## Affidavit

BARNALI BHATTACHARJEE Daughter of Late Ramesh Chandra Bhattacharjee Wife of Sri Guruprasad Goswami by religion Hindu, resident of Kaylashpur, Jalukbari, Pin 781013 P.S. Jalukbari, Kamrup Metro, Assam do declare vide an Affidavit before Notary public at Guwahati Kamrup Metro that in my Aadhar Card bearing No 512307271244 my name has been recorded as BARNALI BHATTACHARYYA Instead of BARNALI BHATTACHARJEE. sl no- 4888.

## Lost

I, Safiqur Rahman, S/o Faizur Rahman, I have lost my ASTU B.Pharm 1st Semester (2021 Odd) Admit Card bearing Roll No. 212710071044 and Registration No. 005227121. If found, kindly contact 8011907348. Any misuse of the document shall be the sole responsibility of the finder.

Address:
**Safiqur Rahman**
S/o- Faizur Rahman
Vill- Mukalmua
P.o+ P/S- Mukalmua
Dist- Nalbari, Assam
Pin no. 781126
Mobile no. 8011907348

## নাম শুধৰণি

মই, নৰীন চন্দ্ৰ দাস, পিতৃ- প্ৰয়াত হৰিমল দাস, গৃহ নং- ৩৪, নামঘৰ পথ, শান্তিপুৰ হিল চাইড, ভৰলুমুখ, গুৱাহাটী-৭৮১০০৯, জিলা- কামৰূপ (মহানগৰ), অসম।

ইয়াৰ দ্বাৰা সৰ্বসাধাৰণৰ জ্ঞাতাৰ্থে জনাওঁ যে কামৰূপ (মহানগৰ) জিলাৰ গুৱাহাটী ৰাজহ চক্ৰৰ অন্তৰ্গত জালুকবাৰী মৌজাৰ ২ নং তেতেলীয়া ৰাজহ গাঁৱৰ কে পি পট্টা নং- ৭ৰ দাগ নং- ২ৰ মাটিকাটিৰ নথিপত্ৰত (Land Records) মোৰ প্ৰয়াত পিতৃৰ নাম ভুলবশতঃ 'হৰিমল দাস'ৰ পৰিৱৰ্তে 'মোহন দাস' বুলি লিপিবদ্ধ হৈছে।

মই শপতনামাত ঘোষণা কৰো যে 'হৰিমল দাস' আৰু 'মোহন দাস' একেজন ব্যক্তিয়েই হয়, যি মোৰ প্ৰয়াত পিতৃ। এই সন্দৰ্ভত মই ২০ জুলাই, ২০২৬ তাৰিখে গুৱাহাটীস্থিত কামৰূপ (মহানগৰ) জিলাৰ ন'টাৰী পব্লিকৰ সমুখত এখন শপতনামাযোগে মই উক্ত ভুল নামটো সংশোধন কৰিছোঁ।

**নৰীন চন্দ্ৰ দাস**
ঠিকনা- গৃহ নং- ৩৪,
নামঘৰ পথ, শান্তিপুৰ হিল চাইড, ভৰলুমুখ, গুৱাহাটী- ৭৮১০০৯
জিলা- কামৰূপ (মহানগৰ), অসম।

# বটদ্ৰৱাত দিন দুপৰতে বৃদ্ধি পাইছে চোৰৰ উপদ্ৰৱ

**বাতৰি কাকত, বটদ্ৰৱা, ২০ জুলাই ঃ** নগাঁও জিলাৰ পশ্চিমাঞ্চলৰ বটদ্ৰৱাকে প্ৰমুখ্য কৰি বৃহত্তৰ অঞ্চলটোত ব্যাপক ৰূপত বৃদ্ধি পাইছে চোৰৰ উপদ্ৰৱ। দিন দুপৰতে সংঘটিত হৈছে এই চোৰিকাণ্ডৰ ঘটনা। বিগত মাত্ৰ তিনিটা দিনত বৃহত্তৰ বটদ্ৰৱা অঞ্চলত একেৰাহে চাৰিটাকৈ ধাৰাবাহিক চুৰি কাণ্ড সংঘটিত হৈছে। কিন্তু আটাইতকৈ দুৰ্ভাগ্যজনক আৰু আশ্বৰ্যজনক কথাটো হৈছে এই চুৰি কাণ্ডসমূহ সংঘটিত হৈছে বটদ্ৰৱা আৰক্ষী থানাৰ পৰা মাত্ৰ ২০০-৪০০ মিটাৰ নিলগত। সাধাৰণ মানুহৰ বাবে এইটো হাঁহি উঠা আৰু একে সময়তে চকু পানী ওলোৱা কথা। যিখন আৰক্ষী থানাই গুৰুজনাৰ জন্মস্থান বৃহত্তৰ বটদ্ৰৱাৰ ৰাইজক সুৰক্ষা দিব লাগে, সেই থানাৰ নাকৰ তলতে চোৰে ইটোৰ পিছত সিটো কাণ্ড ঘটাই গৈছে, অথচ আমাৰ আৰক্ষী প্ৰশাসন সাৰ পাইও টোপনি যোৱাৰ ভাও জুৰিছে। চোৰ ধৰাত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে বটদ্ৰৱা আৰক্ষী। আৰক্ষীৰ এই নিষ্ক্ৰিয়তা আৰু ফোপোলা স্বৰূপটো আজি ৰাইজৰ সন্মুখত উদং হৈ পৰিছে। থানাৰ ইমান ওচৰত থাকিও যদি ৰাইজৰ সম্পত্তি সুৰক্ষিত নহয়, তেন্তে সাধাৰণ ৰাইজ ক'লৈ যাব? কাৰ ওচৰত নিৰাপত্তা বিচাৰিব? বিগত চাৰি দিনত ঘটা চুৰি কাণ্ড বোৰ প্ৰথমে বটদ্ৰৱা আৰক্ষী থানাৰ সন্মুখতে এখন সৰু হোটেল খুলি খুউব কষ্ট কৰি চলা লৰা তেঁওৰ চাৰিটাকৈ ছাগলী মুঠেই ৩০ হাজাৰ টকাৰ ওপৰত আৰু এখন চাইকেল চোৰে আজিৰ পৰা তিনিদিনৰ আগত লৈ যায় আৰু যোৱা পৰহি সুশীল কুমাৰ নামল এজন নাপিতৰ এখন চাইকেল লৈ যোৱাৰ পিছত যোৱাকালি জেষ্ঠ সাংবাদিক নিতুমণি গোস্বামীৰ প্ৰায় ১০০ মিটাৰ দৈৰ্ঘ্যৰ বৈদ্যুতিক ৰায়েৰ আৰু শ্ৰীশ্ৰী বটদ্ৰৱা থানৰ ভকত তথা থানৰ দেউৰী গিৰীশ কলিতাৰ ঘৰত চোৰে দিন দুপৰতে নগদ ধন আ অলংকাৰ আৰু চাউলকে প্ৰমুখ্য কৰী সকলো সামগ্ৰী লৈ যোৱাৰ ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। স্থানীয় ৰাইজৰ মাজত এক গভীৰ সন্দেহ আৰু ক্ষোভৰ সৃষ্টি হৈছে। সকলোৱে অনুভৱ কৰিছে যে বৃহত্তৰ বটদ্ৰৱা অঞ্চলত দিনক দিনে বৃদ্ধি পাই অহা ড্ৰাগছৰ ক্ৰমবৰ্ধমান প্ৰভাৱৰ বাবেই এনেধৰণৰ চুৰি-ডকাইতিৰ ঘটনা বৃদ্ধি পাবলৈ ধৰিছে। নিচাসক্ত যুৱকৰ দলে নিজৰ নিচা পূৰণ কৰিবলৈ এতিয়া কাৰোৱে ঘৰ-দুৱাৰ বাকী ৰখা নাই। আনহাতে দালালৰূপী হালধীয়া সাংবাদিকতা কৰা দুই এজনে অপৰাধীক ৰক্ষণাবেক্ষণ দিবলৈ আৰক্ষীৰে মিতিৰালি কৰি থকাটো সচেতন মহলৰ চকুত পৰিছে। তদুপৰি ভি ডি পি ৰূপী দালাল নিজাম কে প্ৰমুখ্য কৰি বহু কেইজন ভি ডি পিয়ে আৰু থানাৰ গাড়ী চলোৱা ড্ৰাইভাৰ তামুলীয়ে থানাৰ সকলো কেছ সমাধান কৰে। কেইবাখনো মুছলমান বসতিপ্ৰধান গাওঁৰ ভি ডি পিয়ে আন কাম বাদ দি আৰক্ষী থানাৰ দালালি কৰাৰ অভিযোগ উত্থাপিত হৈছে। আমাৰ হাতত থকা তথ্য অনুসৰি বটদ্ৰৱা থানালৈ সাধাৰণ লোক গ'লে ন্যায় নাপায়। এনে প্ৰেক্ষাপটত সচেতন মহলৰ মাজত গুনাগঠা চলিছে গুৰুজনাৰ এই পৱিত্ৰ জন্মভূমিক আমি এনেদৰে অপৰাধীৰ ৰম্যভূমি হ'বলৈ দিব নোৱাৰোঁ। ইয়াক অপৰাধমুক্ত, ড্ৰাগছমুক্ত আৰু সুৰক্ষিত কৰি তোলাটো আমাৰ সকলোৰে দায়িত্ব আৰু কৰ্তব্য। কিন্তু যিহেতু স্থানীয় আৰক্ষীয়ে এই ক্ষেত্ৰত চকু মুদা কুলিৰ ভাও জুৰিছে, সেয়েহে আজি উপায়ন্তৰ হৈ বটদ্ৰৱাৰ সাধাৰণ ৰাইজ হিচাপে নগাঁও - বটদ্ৰৱাৰ বিধায়ক ৰূপক শৰ্মা আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পোনপটীয়া হস্তক্ষেপ দাবী কৰিছো। সচেতন মহলে চৰকাৰ আৰু প্ৰশাসনক স্পষ্টকৈ ক'ব বিচাৰিছে- আমাক সুৰক্ষা লাগে, আমাক ড্ৰাগছমুক্ত সমাজ লাগে আৰু এই চুৰি কাণ্ডৰ সৈতে জড়িত প্ৰতিটো অপৰাধীক অতি শীঘ্ৰে কৰায়ত্ত কৰিব লাগে।

# বকোৰ ৰূপনগৰ আয়ুষ্মান আৰোগ্য মন্দিৰেও লাভ কৰে এন কিউছ অ' এছ সন্মান

**বাতৰি কাকত, বকো, ২০ জুলাই ঃ** ৰাজ্য চৰকাৰে স্বাস্থ্য খণ্ডৰ আমূল পৰিৱৰ্তন সাধন কৰিবলৈ স্বাস্থ্য সেৱাৰ গুণগত মান নিশ্চিতকৰণ কৰাৰ অভিলাষী আঁচনি গ্ৰহণ কৰিছে। সেই উপলক্ষে ৰাষ্ট্ৰীয় গুণগত নিশ্চয়তা পৰীক্ষা কৰা বিষয়াৰ জৰিয়তে কামৰূপ জিলাৰ বকোৰ ৰূপনগৰ আয়ুষ্মান আৰোগ্য মন্দিৰতো পৰীক্ষা চলে। বকো সমুহীয়া প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অন্তৰ্গত ৰূপনগৰ আয়ুষ্মান আৰোগ্য মন্দিৰ (গ্ৰাম্য স্বাস্থ্য কেন্দ্ৰ)ৰে এই বৰ্ষত ৰাষ্ট্ৰীয় গুণগত নিশ্চয়তা মানদণ্ডৰ মুল্যাংকনত ৮৪.০৫ শতাংশ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। এই খবৰে বৃহত্তৰ অঞ্চলটোৰ ৰাইজে সন্তোষ প্ৰকাশ কৰে। উল্লেখ্য যে ৰূপনগৰ আয়ুষ্মান আৰোগ্য মন্দিৰৰ সমুহীয়া স্বাস্থ্য বিষয়া আমিনা পাৰবিন আৰু এম পি ডব্লিউ কৰ্মী সীমান্ত কুমাৰ ঠাকুৰীয়াই জনোৱা অনুসৰি ৰাষ্ট্ৰীয় গুণগত মান নিশ্চিয়তা সেৱা পৰীক্ষকৰ দলে যোৱা এমাহ ধৰি পৰীক্ষা কৰি স্বাস্থ্য সেৱাৰ গুণগত মান পৰীক্ষা কৰি প্ৰতিবেদন দাখিল কৰে। স্বাস্থ্য কেন্দ্ৰটোৰ পৰিচালনা সমিতিয়ে জনোৱা অনুসৰি ৰাষ্ট্ৰীয় পৰ্যায়ৰ মূল্যায়কে স্বাস্থ্য কেন্দ্ৰটো পৰিদৰ্শন কৰি সেৱাৰ মান, আন্তঃগাঁথনি, পৰিস্কাৰ পৰিচ্ছন্নতা, ঔষধ ব্যৱস্থাপনা, নথি পত্ৰ সংৰক্ষণ, ৰোগীসেৱাকে ধৰি বহু সংখ্যক গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত মানদণ্ডৰ ভিত্তিত বিস্তৃত মুল্যায়ন চলায়। সমুহীয়া স্বাস্থ্য বিষয়া আৰু এম পি ডব্লিউ গৰাকীয়ে জানিবলৈ দিয়া মতে চৰকাৰী ভাৱে পোৱা এই স্বীকৃতি স্বাস্থ্য কেন্দ্ৰটোৰ প্ৰতি গৰাকী স্বাস্থ্য কৰ্মীৰ নিষ্ঠা, একাগ্ৰতা আৰু দলীয় প্ৰচেষ্টাৰ ফল। লগতে অসম চৰকাৰে স্বাস্থ্য খণ্ডৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনি, আধুনিক আন্তঃগাঁথনি আৰু গুণগত স্বাস্থ্য সেৱা নিশ্চিত কৰাৰ পদক্ষেপসমূহেও এই সফলতাত বিশেষ ভূমিকা পালন কৰে। এই সন্দৰ্ভত স্থানীয় ৰাইজে জনোৱা মতে স্বাস্থ্য কেন্দ্ৰটোৰ আন্তঃগাঁথনিৰ লগতে নিয়মানুৱৰ্তিতা আৰু সামগ্ৰিক ব্যৱস্থাপনাৰ মান লক্ষণীয় ভাৱে উন্নত মানৰ হৈছে। ইফালে আধুনিক আন্তঃগাঁথনি, বিজ্ঞান ভিত্তিক চিকিৎসা সেৱা, উন্নত মানৰ সহজলভ্য জনমুখী সেৱা আগবঢ়াব পৰা এক আদৰ্শ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ ৰূপান্তৰিত হৈছে। প্ৰকাশ যে ৰূপনগৰ আয়ুষ্মান আৰোগ্য মন্দিৰত বৰ্তমান সমুহীয়া স্বাস্থ্য বিষয়া আমিনা পাৰবিন, এম পি ডব্লিউ সীমান্ত কুমাৰ ঠাকুৰীয়া, এ এন এম গীতাঞ্জলী কলিতা আৰু কনকলতা বড়ো লগতে আশাকৰ্মী চাহিদা বিবি, প্ৰভাতী কলিতা আৰু মিনতি ৰাভাই নিষ্ঠাৰে স্বাস্থ্যসেৱা আগবঢ়াই আহিছে।

### বনৰীয়া বেকপেকাৰছ অফ হাইলেণ্ডাৰ দল

# চাৰি অভিযাত্ৰীৰ দ্বাৰা অসমক প্ৰতিনিধিত্বৰে হিমাচল হিমালয়স্থিত চিনকূন শিখৰ আৰোহণ অভিযান

**গুৱাহাটী, ২০ জুলাই ঃ** বনৰীয়া বেকপেকাৰছ অফ হাইলেণ্ডাৰ দলৰ চাৰি অভিযাত্ৰীয়ে হিমাচল হিমালয়স্থিত চিনকূন শিখৰ (৬০৩০ মিটাৰ) আৰোহণ অভিযানৰ বাবে ১৯ জুলাইৰ পুৱা যাত্ৰা আৰম্ভ কৰে। এই শিখৰ অভিযানৰ অন্যতম বৈশিষ্ট্য হ'ল -পিতাপুত্ৰ ৰাজেশ ৰাভা আৰু দিব্যজ্যোতী ৰাভাৰ একেলগে শিখৰ আৰোহণ অভিযান যাত্ৰা। উক্ত শিখৰ অভিযান দলপতি ৰাজেশ ৰাভাৰ নেতৃত্বত দিব্যজ্যোতী ৰাভা, গৌৰাঙ্গ বড়ো আৰ ৰাজীৱ ৰাভাই হিমালয়স্থিত চিনকূন শিখৰলৈ বুলি আৰোহন অভিযান আগবঢ়াব।

## Affidavit

Vide an affidavit sworn before the Notary Public at Bilasipara, Kokrajhar on 08/07/2026, I Afruja Khatun, W/o Abdul Malek, D/o Aashraw Ali, R/O Vill.- Patiyalpara Ahmedpur, P.O.- Bhowraguri, P.S.- Gossaigaon, Dist.- Kokrajhar, BTC, Assam, hereby declare that due to a bona fide mistake, my name and my husband's name have been recorded in my Assam Gramin Vikash Bank (AGVB), Binnyakhata/Bhowraguri Branch, A/c No. 7132026013227 as "Afruja Bibi, W/o Abdul Mal k" instead of my correct name "Afruja Khatun, W/o Abdul Malek." Both the names Afruja Khatun, W/o Abdul Malek and Afruja Bibi, W/o Abdul Mal k refer to one and the same person.

# প্ৰজ্ঞা-মৈত্ৰী সাহিত্য সংস্কৃতি সাধনা মঞ্চৰ উদ্যোগত বিনামূলীয়া স্বাস্থ্য শিবিৰ সম্পন্ন



**গুৱাহাটী, ২০ জুলাই ঃ** প্ৰজ্ঞা-মৈত্ৰী সাহিত্য সংস্কৃতিৰ সাধনা মঞ্চৰ তৰফৰ পৰা সাংগাঠনিক সম্পাদক হিমাদ্ৰী ডেকা আৰু কাৰ্যকৰী সভাপতি ডঃ স্বৰ্ণলতা নাথ মহোদয়াৰ আহ্বান মৰ্মে আজি যোৱা ১৯ জুলাইত দিনযোৱা কাৰ্যসূচীৰে নৱজ্যোতি নগৰ জামে মছজিদৰ প্ৰাংগণত এখন বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰা হয়। দিচপুৰ হস্পিটেলৰ এটা অভিজ্ঞ ডাক্তৰ আৰু নাৰ্চৰ দলে সুন্দৰভাৱে শিবিৰৰ কাম সম্পন্ন কৰে। সভাৰ ফিটা কাটে সমাজ কৰ্মী ৰমেন্দ্ৰ চন্দ্ৰ বৰঠাকুৰ দেৱে। সভাৰ পৰিচালনাৰ কৰে নৱজ্যোতি নগৰ উন্নয়ন সমিতিৰ সম্পাদক খাইৰুল হক শয়কীয়া ডাঙৰীয়াই। সভাত উপস্থিত থাকে, বিশিষ্ট লেখিকা তথা সমাজ সেৱিকা মানসী আদিল ডাঙৰীয়ানী। বিশিষ্ট লেখক, গৱেষক ডঃ দিবাকৰ নাথ,যুৱ লেখক হিমাঞ্জু পাঠক, ডাঙৰীয়া। উক্ত অনুষ্ঠানৰ সম্পাদক হিমু শৰ্মা দেৱ, আৰু প্ৰতিষ্ঠা পক সভাপতি জ্যোৎস্না ৰানী বেগম।

### টিহু-বৰমা লোক নিৰ্মাণ পথৰ দূঅৱস্থাত জীয়াতু ভূগিছে ৰাইজে

# প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ বাবে যমৰ যাতনা ভূগিবলগীয়া হৈছে পথচাৰীয়ে

**কুমুদ বৰ্মন, টিহু, ২০ জুলাই ঃ** ৰাজ্য চৰকাৰ আৰু লোক নিৰ্মাণ বিভাগৰ চৰম অৱহেলাত শোচনীয় হৈ পৰিছে টিহু- বৰমা লোক নিৰ্মাণ পথৰ। টিহু বৰমা লোক নিৰ্মাণ পথ এটি সদা ব্যস্ত অতি গুৰুত্বপূৰ্ণ পথ। নলবাৰী জিলাৰ দ্বিতীয় প্ৰধান নগৰ টিহু আৰু বাকসা জিলাৰ অন্যতম নগৰ বৰমা সংযোগী এই পথেৰে টিহু অঞ্চলৰ বিভিন্ন গাঁৱৰ লগতে খলিহাগুৰি, ৰতনপুৰ, দীঘেলী, দহকাউনিয়া, শোলমাৰী, যমুনাট্টাৰী, বালাগ্ৰাম, ওহলচাপাৰা, নাথপাৰা, মহখুলি, হেৰামজাৰ, বিষ্ণুপুৰ আদিৰ লগতে বৰমা আৰু ইয়াৰ উত্তৰাঞ্চলৰ হাজাৰ হাজাৰ লোকে দিনে নিশাই চাইকেল,বাইক, ই-ৰিক্সা চাৰিচকীয়া বাহন,অটো,টেম্পু আদিৰে যাতায়ত কৰে। আনকি গুৱাহাটীৰ পৰা বৰমা দীঘেলী হৈ টিহু নগৰলৈ ৰাজ্যিক পৰিবহণ নিগমৰ বাছ চলাচল কৰে। কিন্তু প্ৰায় ৰচ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই পথটোৰ খলিহাগুৰি, হেলচাপাৰা, বালাগ্ৰাম, দীঘেলী,নাথপাৰা, মহখুলি,জুলুকী আদি গাঁৱৰ পথৰ মাজত এক-ডেৰ ফুট দ, চাৰিঙ্গপাচ ফুট বহল প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ সৃষ্টি যাতায়তৰ অনুপযোগী হৈ পৰিছে। তদুপৰি এজাক বৰষুণতে গাতবোৰ পানীৰে উপচি পৰি দ-বাম চিনি নোপোৱা অৱস্থা হোৱাত সঘনাই বাইক, চাইকেল আদি দুৰ্ঘটনাত পতিত হৈ আহিছে। এই পথেৰে উল্লেখিত গাওঁ সমূহৰ ছাত্ৰ-ছাত্ৰীয়ে স্কুল-কলেজলৈ, বিভিন্ন ৰোগাক্ৰান্ত আৰু দুৰ্ঘটনাত পতিত হোৱা লোক চিকিৎসালয়লৈ, বিভিন্ন চৰকাৰী চাকৰিয়ালে কৰ্ম স্থলীলৈ নিতৌ অহা-যোৱা কৰে। এনে অৱস্থাত সৰ্বস্তৰৰ ৰাইজে পথটোৰ দুৰৱস্থাৰ বাবে জীয়াতু ভুগিবলগীয়া হৈছে। আনহাতে পথটোৰ দুৰৱস্থাৰ বাবে নিশাৰ ভাগত সংকটাপন্ন ৰোগী অথবা দুৰ্ঘটনাত পতিত লোক চিকিৎসালয়লৈ নিব লাগিলে ডাঙৰ সমস্যাৰ সৃষ্টি হয়,কাৰণ কোনো ভাড়া গাড়ী এই পথেৰে নিশা আহিব নিবিচাৰে। গতিকে যিসকলৰ নিজা গাড়ী নাই তেনেলোকে ৰোগী বা দুৰ্ঘটনাত পতিত আত্মীয়ই ভগৱানক ধিয়াই নিশাটো কটাই পুৱাহে চিকিৎসাৰ বাবে ব্যৱস্থা কৰিবলগীয়া হয়। উল্লেখ্য যে পথটোৰ টিহুৰ পৰা বালাগ্ৰামলৈ পাচ কিলোমিটাৰ নলবাৰী জিলাৰ নৱগঠিত টিহু সমষ্টিৰ অন্তৰ্গত আৰু বাকীছোৱা বাকসা জিলাৰ বৰমা সমষ্টিৰ অন্তৰ্গত। এই দুয়োটা সমষ্টিতে বিজেপি আৰু বিপিএফ দলৰ বিধায়ক নিৰ্বাচিত হৈছে। অথচ ৰাইজে বহুত আশাৰে শাসনাধিষ্ঠ দলৰ প্ৰাৰ্থীক ভোট দি জয়যুক্ত কৰাৰ পাছতো পথটোৰ উন্নয়নত গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপিত হৈছে। ইফালে উন্নয়নৰ ফটাঢোল বজাই কথাৰ ফুলজাৰি মৰা চৰকাৰখনৰ লগতে বিয়াগোম লোকনিৰ্মাণ বিভাগে পথটোৰ দুৰৱস্থাৰ ক্ষেত্ৰত চকুমুদা কুলিৰ ভাও লোৱা পৰিলক্ষিত হৈছে। সেয়ে টিহু-বৰমা লোক নিৰ্মাণ পথৰ দুয়োপাৰৰ দাঁতি-কাষৰীয়া বৃহত্তৰ ৰাইজে শীঘ্ৰে পথটোৰ উন্নয়ন সাধন কৰি যাতায়তৰ উপযোগী কৰি তুলিবলৈ ৰাজ্য চৰকাৰ আৰু লোক নিৰ্মাণ বিভাগৰ ওচৰত দাবী জনাইছে।

# শিৱসাগৰত অপৰিৱৰ্তিত বান পৰিস্থিতি

**খাইৰুদ্দিন আহমেদ, শিৱসাগৰ, ২০ জুলাই ঃ** নাগালেণ্ডৰ ডাৱৰ বিস্ফোৰণ আৰু প্ৰৱল বৃষ্টিপাতৰ ফলত উজনি অসমৰ শিৱসাগৰ জিলাত কালিৰে আৰম্ভ হোৱা ভয়ংকৰ বান পৰিস্থিতি বতমানো অপৰিৱৰ্তিত হৈ আছে। শিৱসাগৰ জিলাৰ ব্ৰহ্মপুত্ৰ, দিখৌ, দিচাং, দৰিকা আৰু দিহিং নদী আজিও বিপদ সীমাৰ ওপৰেৰে প্ৰবাহিত হৈ আছে। শিৱসাগৰ নগৰৰ মাজেৰে প্ৰবাহিত হৈ ভয়ংকৰ ৰূপ ধাৰণ কৰা দিখৌ নদীৰ প্ৰৱল বানৰ খুন্দাত নগৰৰ দিখৌ নদীৰ ওপৰত বৃটিছ আমোলতে নিৰ্মিত কপীকলযুক্ত লোৰ দলংখন অস্তিত্বৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। এনে বানৰ তাণ্ডৱ অব্যাহত থাকিলে যিকোনো মুহূৰ্তে এই পুৰনি দলংখন নদীৰ বুকুত জাহ যোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। যোৱা নিশা এই দলংখনৰ তলেৰে এটা আৰ্ধগলিত মৃতদেহ উটি যোৱা স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰে। আনহাতে এই বানৰ প্ৰৱল সোতত জিলাখনৰ চন্টক পাঁচআলিৰ চিংকি বেগমৰ লগতে আন দুজন লোকৰ মৃত্যু হোৱাৰ বাতৰি পোৱা গৈছে। শিৱসাগৰ জিলা প্ৰশাসনে এই পৰ্যন্ত নিহত লোককেইজনৰ কোনো তথ্য প্ৰকাশ কৰা নাই। শিৱসাগৰৰ জিলাৰ কৌঁৱৰপুৰ, জয়সাগৰ, হাতীখোক, আমগুৰি, নাজিৰাৰ বিভিন্ন অঞ্চলৰ ২২৫ খন গাঁৱৰ ১৭,৮৬৬ টা পৰিয়ালৰ সা সম্পত্তি ধ্বংসৰ লগতে শতাধিক পশুধন বানত উটি গৈ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। এই প্ৰলয়ংকাৰী বানত ৮,৯০০ ৰো অধিক কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। শিৱসাগৰ জিলা প্ৰশাসনৰ উপৰিও দুৰ্যোগ ব্যৱস্থাপনা, এচ ডি আৰ এফ, এন ডি আৰ এফ বাহিনীয়ে যোৱা নিশাৰে পৰা আজি সন্ধিয়া পৰ্যন্ত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। এই উদ্ধাৰকাৰী দলসমূহে যোৱা নিশাৰে পৰা অভিযান চলাই শিৱসাগৰ, নাজিৰা আৰু ডিমৌ বিধানসভা সমষ্টিৰ বিভিন্ন বানাক্ৰান্ত অঞ্চলত গৃহবন্দী হৈ থকা ২৫০০ গৰাকী লোকক উদ্ধাৰ কৰি বান সাহায্য শিবিৰলৈ অনা বুলি জানিব পৰা গৈছে। শিৱসাগৰৰ জয়সাগৰ অঞ্চলত থকা বিশেষ ভাৱে সক্ষম শিশুসকলৰ আবাসগৃহ কৌমুদালয়ো বানৰ কবলত পৰাত শিৱসাগৰ জিলা প্ৰশাসনে এই শিশুসকলক উদ্ধাৰ কৰি নিৰাপদ স্থানলৈ অনা বুলি জানিব পৰা গৈছে। শিৱসাগৰলৈ অহা ৪ খন বায়ুসেনাৰ হেলিকপ্টাৰে শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ দুৰ্গম বানাক্ৰান্ত অঞ্চল আকাশমাৰ্গেৰে নিৰীক্ষণ কৰি আছে। এই হেলিকপ্টাৰ সমূহৰ জৰিয়তে বান পৰিস্থিতি অধিক জটিল হৈ পৰিলে উদ্ধাৰ অভিযান চলোৱাৰ লগতে দুৰ্গম বানাক্ৰান্ত অঞ্চলৰ ৰাইজৰ মাজত খাদ্য সামগ্ৰী বিতৰণৰ ব্যৱস্থা কৰা হ'ব বুলি জানিব পৰা গৈছে। আজি সন্ধিয়া পৰ্যন্ত মন্ত্ৰী বিমল বৰা, সুশান্ত বৰগোহাঁই আৰু কেশৱ মহন্তই শিৱসাগৰতে বাহৰ পাতি বান পৰিস্থিতি সম্পৰ্কে শিৱসাগৰ জিলা প্ৰশাসনৰ আৰু আৰক্ষী প্ৰশাসনৰ সৈতে আলোচনা অব্যাহত ৰাখিছে। আজি শিৱসাগৰত উপস্থিত হোৱা ভাৰতীয় সেনাবাহিনীৰ দলকেইটাক বান পৰিস্থিতিৰ মোকাবিলা কৰাৰ বাবে সেনা বিষয়াৰ সৈতে আলোচনা কৰা বুলিও জানিব পৰা গৈছে।।

# কঠিয়াতলীত সংঘটিত পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আহত দুজন

**বাতৰি কাকত, কঠিয়াতলী, ২০ জুলাই ঃ** আজি পুৱা নগাঁও জিলাৰ কঠিয়াতলী আৰক্ষী পহৰা চকীৰ অন্তৰ্গত উপৰবৰ গাঁৱৰ কঠিয়াতলী - কামপুৰ পথত হোৱা এক পথ দুৰ্ঘটনাত দুজনকৈ লোক গুৰুতৰভাৱে আহত হোৱাৰ বিপৰীতে এজন আংশিক ভাবে আঘাতপ্ৰাপ্ত হয়। প্ৰাপ্ত তথ্য অনুসৰি পথৰ মাজত বাইক আৰু মেজিকৰ মাজত মুখামুখি সংঘৰ্ষ হোৱাৰ ফলত লোক দুজন গুৰুতৰ ভাৱে আঘাতপ্ৰাপ্ত হয়। জানিব পৰা মতে কঠিয়াতলী দিশৰপৰা আহি থকা বাইক আৰোহী আৰু কামপুৰ দিশৰপৰা তীব্ৰ বেগেৰে আহি থকা মেজিক গাড়ীৰ মাজত এই মুখামুখি সংঘৰ্ষ হয়। দুৰ্ঘটনাটোত মেজিক গাড়ীখনে খুন্দা মাৰি কাষৰ নলাৰ ওপৰত উঠি যায়। দুয়োকে সংকটজনক অৱস্থাত স্থানীয় ৰাইজে চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আঘাতপ্ৰাপ্ত লোক দুজন ৰজা গাঁৱৰ ৰিংকু ৰয় আৰু ৰিণ্টু দেৱনাথ বুলি জানিব পৰা গৈছে। দুৰ্ঘটনা সংঘটিত হোৱা মেজিক গাড়ীখনৰ নম্বৰ এ এচ ০২ ডিচি ৭৬৭৭ আৰু বাইকখনৰ নম্বৰ হৈছে এ এচ ০২ কে ৭১৯৮ বুলি জানিব পৰা গৈছে।

# যন্তৰ মন্তৰত ছাত্ৰ-যুৱৰ সংসদ যাত্ৰাৰ প্ৰতি সংহতি নগাঁৱত কেইবাটাও বাওঁপন্থী সংগঠনৰ গণ বিক্ষোভ

**ষ্টাফ ৰিপ'ৰ্টাৰ, নগাঁও, ২০ জুলাই ঃ** দিল্লীৰ যন্তৰ মন্তৰত ছাত্ৰ-যুৱৰ সংসদ যাত্ৰাৰ প্ৰতি সংহতি আৰু কৃষক নেতা আদিত্য ৰাভা আৰু প্ৰণৱ দলে সহ গ্ৰেপ্তাৰ কৰা সকলক বিনাচৰ্তে মুক্তিৰ দাবীত আজি সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থা, নিখিল ভাৰত কৃষক সভা, অসম ৰাজ্যিক কৃষক সভা, চি আই টি ইউ, সদৌ অসম প্ৰগতিশীল নাৰী সন্থা, নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতি, ভাৰতীয় গণনাট্য সংঘ, মানৱ একতা মঞ্চ আৰু গণতন্ত্ৰ সুৰক্ষা মঞ্চৰ শতাধিক নেতা কৰ্মীয়ে নগাঁও মতিৰাম বৰা ক্ষেত্ৰত গণ অৱস্থান বিক্ষোভ কাৰ্যসূচী ৰূপায়ন কৰে। বৰষুণকো নেওচি প্ৰতিবাদ কাৰী সকলে দিনৰ ৰৰ বজাৰ পৰা ৰচবজালৈ এক ঘণ্টা ধৰি ধৰ্মেন্দ্ৰ প্ৰধানে তাৎক্ষণিক পদত্যাগ কৰক, এন. টি. এ. বাতিল কৰক, ধাৰাবাহিক ভাৱে প্ৰশ্ন কাকত বাতিল হৈছে কিয় বিজেপি চৰকাৰ জৱাব দিয়ক, কুৰি জনতকৈ অধিক ছাত্ৰই আত্মহত্যা কৰিব লগা হ'ল কিয় মোডী তুমি জৱাব দিয়া, আদিত্য ৰাভা - প্ৰণৱ দলে সহ গ্ৰেপ্তাৰ কৰা সকলো কৃষক নেতাক বিনাচৰ্তে মুক্তি দিয়ক আদি শ্ল'গানেৰে বিক্ষোভ স্থলীৰ লগতে নগাঁওৰ ৰাজপথ উত্তাল কৰি তোলে। সংস্কৃতি কৰ্মী বাহিনীয়ে প্ৰতিবাদী কবিতা আবৃত্তি আৰু বিপ্লৱী গীত পৰিৱেশনৰে বিক্ষোভ কাৰী সকলক অধিক অনুপ্ৰাণিত কৰি তোলে। বিক্ষোভত অংশগ্ৰহণ কৰা সংগঠন কেইটাৰ নেতৃবৃন্দই নতুন দিল্লীৰ যন্তৰ মন্তৰত ন্যায়ৰ দাবীত ছাত্ৰ-যুৱ সকলে চলাই থকা আন্দোলনৰ ওপৰত পুৱতি নিশা পুলিচে চলোৱা অত্যাচাৰৰ তীব্ৰ নিন্দা কৰে। ২১ দিন ধৰি অনশন কৰি থকা জলবায়ু কৰ্মী সোনম ৱাংচুকৰ অপহৰণ আৰু আইছাৰ অনশনকাৰীসকলক বলপূৰ্বক আঁতৰোৱাৰ ঘটনাই মোদী-বিজেপি চৰকাৰৰ ছাত্ৰ আৰু যুৱ সমাজৰ প্ৰতি থকা গভীৰ শত্ৰুতাক পুনৰ উন্মোচিত কৰিছে বুলিও গণ বিক্ষোভকাৰী সকলে মত প্ৰকাশ কৰে। গণ বিক্ষোভত অংশগ্ৰহণ কৰি সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থাৰ সাধাৰণ সম্পাদক অৰূপ কুমাৰ মহন্তই কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ চূড়ান্ত স্বৈৰাচাৰী নীতি বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিবলৈ আৰু দেশজুৰি জনগণ সংগঠিত হৈছে বুলি মন্তব্য কৰে। তেওঁ কয় যে মোদী চৰকাৰে অত্যাচাৰৰ আশ্ৰয় লব লগাৰ কাৰণ হৈছে দুৰ্নীতি, পেপাৰ লিক আৰু ৰাজহুৱা শিক্ষা ব্যৱস্থাৰ পদ্ধতিগত ধ্বংসৰ বিৰুদ্ধে বৃদ্ধি পোৱা ক্ষোভৰ কোনো উত্তৰ চৰকাৰৰ ওচৰত নাই। প্ৰতিবাদকাৰীসকলৰ ন্যায্য দাবীৰ সমাধান নকৰি চৰকাৰে ভীতি প্ৰদৰ্শন কৰি গণতান্ত্ৰিক সংগ্ৰামক দমনৰ দিশে আগবাঢ়িছে। বলপূৰ্বকভাৱে সোনম ৱাংচুকক আঁতৰোৱাৰ চেষ্টা কৰি আন্দোলনক বিফল কৰাবৰ বাবে আৰক্ষীয়ে গ্ৰহণ কৰা প্ৰচেষ্টা ছাত্ৰ- ছাত্ৰী সকলে ব্যৰ্থ কৰিছে। মহন্তই কয়— আমি সোনম ৱাংচুকৰ সৈতে থিয় দিছো আৰু তেওঁৰ সাহস আৰু সংকল্পক সন্মান জনাইছো। নিখিল ভাৰত কৃষক সভাৰ ৰাজ্যিক সভাপতি ৰাতুল বৰাই কয় বি জে পিৰ চৰকাৰ ক্ষমতাত অধিষ্ঠিত হোৱাৰ পাছৰ পৰাই দেশৰ সাধাৰণ জনতাই উশাহ-নিশাহ ল'ব নোৱাৰা এক পৰিস্থিতি উদ্ভৱ হৈছে। পৰীক্ষাৰ প্ৰশ্ন কাকত লীক, ই- ২০, আমাৰ ৰাজ্যখনৰ দৰিদ্ৰ লোকসকলে পুৰুষানুক্ৰমে যুগ যুগ ধৰি ভোগ দখল কৰি অহা কৃষিভূমিবোৰ আৰক্ষী মিলিটেৰী লগাই জোৰজবৰদস্তি দখল কৰি কৰ্পক্সৰেট গোষ্ঠীক গতাই দিয়া, ৰাজহুৱা শিক্ষা আৰু স্বাস্থ্য ব্যৱস্থা ভাঙি পেলোৱা আৰু নিবনুৱা যুৱক যুৱতীৰ কৰ্ম সংস্থাপনৰ ইত্যাদি অনেক জ্বলন্ত সমস্যাই সমগ্ৰ দেশখনকেই দুৰ্গন্ধময় কৰি তুলিছে। সেয়ে আজি দেশৰ ৰাজধানী দিল্লীত যি সংসদ মাৰ্চৰ আহ্বান জনাইছিল তাৰ সমৰ্থন আৰু ভূমি আন্দোলনৰ নেতাসকলৰ মুক্তি দাবীত নগাঁও চহৰৰ মাজমজিয়াত এই গণ অৱস্থান বিক্ষোভ সংগঠিত কৰিছোঁ আৰু অনাগত দিনত এই আন্দোলনত ব্যাপক অংশগ্ৰহণ কৰাৰ বাবে ৰাইজক বিনম্ৰ আহ্বান জনাইছো। অসম ৰাজ্যিক কৃষক সভাৰ নগাঁও জিলা সভাপতি গোবিন নাথে কয় বি জে পিৰ শাসনকালত প্ৰশ্ন কাকত পৰীক্ষাৰ আগতে বাহিৰ হোৱাতো এক নিয়মত পৰিণত হৈছে। ইয়াৰ বিৰুদ্ধে অনশন আৰম্ভ কৰা সকলৰ প্ৰতি বাবে ফেচিষ্ট চৰকাৰখনে কোনো ধৰণৰ সঁহাৰি প্ৰদৰ্শন নকৰি গণতান্ত্ৰিক পৰম্পৰাক জলাঞ্জলি দিছে। কাৰ্যসূচীত নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতিৰ জিলা সভানেত্ৰী মনোৱাৰা বেগম, সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ জিলা সম্পাদিকা আয়েফা বেগম, চিটুৰ জিলা সভাপতি মধু মণ্ডল, গণনাট্য সংঘৰ মোলান লস্কৰ, প্ৰাক্তন বিধায়ক মজিবুৰ ৰহমান আৰু গণতন্ত্ৰ সুৰক্ষা মঞ্চৰ মৃদুপৱন বৰা আৰু ডাঃ লক্ষীধৰ দাস, মনোজ সিংহ ৰাজাকে ধৰি বহু বাওঁ মতাদৰ্শৰ ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

# ধ্বংসকাণ্ড, ৰক্তপাতেও মানুহক আনন্দ দিয়ে নেকি ?

■ ড° দয়ানন্দ শ্বাহ



মানুহে যিকোনো সুন্দৰ সৃষ্টিৰ মাজত আনন্দ বিচাৰি পোৱাটো স্বাভাৱিক, কিন্তু আচৰিত কথাটো হ'ল যে কোনো বস্তুৰ পতন বা ধ্বংসলীলাৰ মাজতো মানৱ মনৰ এক গভীৰ আদিম উন্মাদনা সাৰ পাই উঠে। নিৰ্মাণৰ বাবে যিদৰে বহুত সময়, গভীৰ ধৈৰ্য আৰু অক্লান্ত শ্ৰমৰ প্ৰয়োজন হয়, ধ্বংসৰ বাবে প্ৰয়োজন হোৱা ক্ষিপ্ৰতা আৰু তাৰ আড়ম্বৰপূৰ্ণ নাটকীয়তাই মানুহৰ স্নায়ুক তাতকৈ বহু বেছি দ্ৰুত আৰু তীব্ৰভাৱে আকৰ্ষণ কৰিব পাৰে। আজিৰ কংক্ৰিটৰ পৃথিৱীখনত মানুহে নিজৰ দৈনন্দিন জীৱনৰ ক্লান্তি আৰু হতাশা দূৰ কৰিবলৈ কেতিয়াবা অজ্ঞাতসাৰে এক ভয়ংকৰ দুৰ্বোধ মানসিক প্ৰৱণতাৰ আশ্ৰয় লয়। এই আচৰিত মনস্তত্ত্ব আৰু তাৰ আঁৰত লুকাই থকা সমাজৰ এক নিদাৰুণ সত্যক বুজিবলৈ হ'লে আমাৰ চৌপাশৰ ডিজিটেল জগত আৰু বাস্তৱ পৃথিৱীখনৰ পিনে গভীৰভাৱে লক্ষ্য কৰাৰ প্ৰয়োজনীয়তা আজি দেখা গৈছে।

হাতুৰীয়েও বাৰু কেতিয়াও মনোৰঞ্জন যোগাব পাৰেনে? বুলড'জাৰ বাৰু কেনেকৈ হৈ পৰিব পাৰে বিনোদনৰ আহিলা? ধৰি লওক, কোনো এখন চহৰৰ এটা পুৰণি ধুনীয়া অট্টালিকা বুলড'জাৰ বা ক্ৰেনৰ প্ৰকাণ্ড লোৰ গোলকটোৱে সজোৰে আঘাত কৰি মুহূৰ্তৰ ভিতৰতে ধূলিসাৎ কৰি পেলোৱা হৈছে। এসময়ৰ একোখন সুন্দৰ বাসযোগ্য ঘৰ কেনেকৈ মাত্ৰ কেইটামান চেকেণ্ডৰ ব্যৱধানত এক ধ্বংসাৱশেষৰ স্তূপত পৰিণত হ'ল, সেই দৃশ্য মানুহে উপভোগ কৰে। অথবা ধৰি লওক, কেইবা শ টন ক্ষমতা সম্পন্ন এক হাইড্ৰ'লিক প্ৰেছ মেচিনৰ তলত একেৰাহে পিষ্ট কৰা হৈছে আপেল, জেলি বা আন দামী খাদ্যবস্তু, কিম্বা একেবাৰে ধূলিসাৎ কৰি পেলোৱা হৈছে আটাইতকৈ আধুনিক বা মূল্যবান মোবাইল ফোন বা লেপটপ। নতুবা কোনো ডাঙৰ গাড়ীৰ চকাৰ তলত পিষ্ট হোৱা পানীয়ৰ বটলৰ পৰা তীব্ৰ বেগত ছিটিকি ওলাই অহা ৰঙীন তৰল পদাৰ্থৰ দৃশ্য। আকৌ আনপিনে লোহা কটা যন্ত্ৰৰ চোকা ধাতৱ দাঁত সষ্টম হৈ ৰৈছে- বাইচাইকেল, পুৰণি আচবাব আদি কৰি আনকি একোখন অতি বহুমূলীয়া মটৰ গাড়ীও কেনেকৈ যন্ত্ৰৰ নিৰ্বিকাৰ গ্ৰাসত পৰি টুকুৰা-টুকুৰ হৈ ভাঙি গৈছে। ইণ্টাৰনেটৰ এই অদ্ভুত তৃপ্তিদায়ক ভিডিঅ'বোৰৰ এক বিৰাট অংশজুৰি বৰ্তমান সময়ত কেৱল এই ধ্বংসযজ্ঞৰ ছবিহে প্ৰদৰ্শিত হয়, যাৰ বাবে এইবোৰৰ দৰ্শন সংখ্যা লাখৰ ঘৰ অতিক্ৰম কৰে। অগণিত লাইকৰ লগতে বাৰ্তা আৰু মন্তব্যৰ ঘৰবোৰো অহৰহ উপচি পৰে।

কোনো বস্তু ভাঙি গুড়ি কৰাৰ এই দৃশ্যবোৰৰ মাজত আচলতে এনে কি বিশেষত্ব লুকাই আছে, যাৰ বাবে মানুহে মোবাইলৰ পৰা চকু আঁতৰাব নোৱাৰে? কেনেকৈ এটা নিখুঁত, সুগঠিত আৰু কাৰ্যক্ষম বস্তুক চকুৰ সমুখত ভাঙি টুকুৰা-টুকুৰ হোৱা দেখিলে মনৰ ভিতৰত এক আচৰিত তৃপ্তিৰ জোৱাৰ উঠে? মানুহ জানো কেৱল এক সুন্দৰ নিৰ্মাণপ্ৰিয় প্ৰাণী, নে তেওঁলোকৰ মনৰ ভিতৰত কোনো দুৰ্যোগ বা পতন উপভোগ কৰাৰ এক গুপ্ত মানসিকতাও সক্ৰিয় হৈ থাকে? বিশ্বৰ ইতিহাসক পৰ্যবেক্ষণ কৰিলে দেখা যায় যে ইয়াক কেৱল নিৰ্মাণ আৰু প্ৰগতিৰ এক ধাৰাবাহিক কাহিনী হিচাপেই সজাই তোলা হয়। কোনো সভ্যতাৰ পৰিচয় জুখি চোৱা হয় তাত থকা ওখ ওখ মিনাৰ, গম্বুজ আৰু স্তম্ভৰ গণনাৰে। অথচ সেই একেজন মানুহেই আকৌ কোনো বস্তু ধ্বংস কৰি পেলোৱাৰ মৰ্মান্তিক ছবি চায়ো মনতে এক নিষিদ্ধ আনন্দ লাভ কৰে। ভাঙি চূৰমাৰ হৈ যোৱাৰ মুহূৰ্তত তাৰ সত্তাত জাগি উঠে এক নিষিদ্ধ উন্মাদনা, এক অনস্বীকাৰ্য ধ্বংস। নিৰ্মাণৰ দীৰ্ঘদিনীয়া শ্ৰম আৰু ধৈৰ্যই মানুহক যিমান আকৰ্ষণ নকৰে, ধ্বংসৰ নাটকীয়তাই তাতকৈ বহু বেছি দ্ৰুততাৰে মানুহক গ্ৰাস কৰিব পাৰে। অৱশ্যে এই ক্ষেত্ৰত এক প্ৰধান চৰ্ত থাকে- সেই ধ্বংসলীলা নিজৰ জীৱনত নহয়, ঘটিব লাগিব আন কাৰোবাৰ জীৱনতহে।

কোনো পতন, ভাঙোন, ৰক্তপাত, জুইৰ লেলিহান শিখা বা নিৰ্যাতন- এইবোৰে যে মানুহক তাহানিৰে পৰা এক স্বাভাৱিক মানসিক আনন্দ যোগাই আমোদ দিয়াৰ ঐতিহাসিক নিদৰ্শন পৃথিৱীত বহু দেখিবলৈ পোৱা যায়। ধ্বংসৰ এই ভয়ানক সৌন্দৰ্য মানুহে যে বিস্ময় আৰু প্ৰায় লজ্জাহীন মুগ্ধতাৰে যুগে যুগে উপভোগ কৰি আজিৰ দিন পাইছেহি, সমাজ আৰু বুৰঞ্জী তাৰ অসংখ্য প্ৰমাণেৰে ভৰি আছে। প্ৰাচীন ৰোম চহৰৰ কলোচিয়ামৰ পাথৰৰ মজিয়াত হাজাৰ হাজাৰ মানুহ একগোট হৈছিল কেৱল যোদ্ধাসকলৰ নগ্ন ৰক্তাক্ত যুদ্ধ আৰু কৰুণ মৃত্যু স্বচক্ষে উপভোগ কৰিবলৈ। তাত এজন মানুহৰ মৃত্যুই আছিল সমবেত জনতাৰ বাবে আটাইতকৈ ডাঙৰ মনোৰঞ্জন। ফৰাচী বিপ্লৱৰ সময়তো পেৰিছ চহৰৰ ৰাজপথত মানুহৰ ডিঙি কাটিবলৈ ব্যৱহাৰ কৰা যন্ত্ৰটোৰ চাৰিওফালে উৎসৱৰ দৰে পৰিৱেশ সৃষ্টি হৈছিল, য'ত পৰিয়ালৰ সৈতে মানুহে ৰাষ্ট্ৰীয় হত্যাকাণ্ডক এক সামাজিক প্ৰদৰ্শনী হিচাপে উপভোগ কৰিছিল। এইবোৰ দৃশ্যৰ মাজত আচলতে এক নিৰাপদ ধৰণৰ দূৰত্বত থাকি মনৰ ভিতৰত ভয়, কৰুণা, ৰোমাঞ্চ আৰু আতংক অনুভৱ কৰাৰ এক মুকলি সুযোগ আছিল। কোনো এখন নগৰ জ্বলি ছাৰখাৰ হোৱা বা বিশাল সাম্ৰাজ্যৰ পতন হোৱা কাৰ্যকো মানুহে এক গভীৰ মুগ্ধতাৰে প্ৰত্যক্ষ কৰিছিল। গ্ৰীক দাৰ্শনিক এৰিষ্টটলে তেওঁৰ বিয়োগান্তক নাটক তত্ত্বত যি আৱেগ-পৰিশোধনৰ কথা উল্লেখ কৰিছিল, এয়া যেন তাৰেই এক অত্যন্ত অন্ধকাৰ সামাজিক সংস্কৰণ।

ইয়াত দৰ্শকজন নিজে কোনো বিপদ বা দুৰ্যোগৰ চিকাৰ হোৱা নাই, কিন্তু সন্মুখৰ সেই ভয়াৱহ দৃশ্য চাই তেওঁৰ মনৰ ভিতৰত দীৰ্ঘদিন ধৰি পুঞ্জীভূত ভয়, হিংসা, ক্ৰোধ আৰু উত্তেজনাৰ এক মিশ্ৰণ সুৰক্ষিত বাটেৰে নিৰ্গত হৈ যায়। তেওঁ মৃত্যু দেখিবলৈ পাইছে, কিন্তু নিজৰ আসনখন নিৰাপদ স্থানত ৰাখিছে। তেওঁ আনৰ তেজ অনুভৱ কৰিছে, নিজক সম্পূৰ্ণ অক্ষত ৰাখি। ফলস্বৰূপে, আনৰ ধ্বংসলীলা তেওঁৰ বাবে তেতিয়া এক মানসিক আৱেগ নিৰ্গমনৰ সামাজিক মাধ্যম হৈ পৰে। বিখ্যাত মনস্তত্ত্ববিদ চিগমুণ্ড ফ্ৰয়েডে তেওঁৰ এক গুৰুত্বপূৰ্ণ গৱেষণাত মানুহৰ এই অস্বস্তিকৰ মানসিক প্ৰৱণতাৰ সন্ধান দি জনাইছিল যে, মানুহ কেৱল জীৱন, সৃষ্টি আৰু সংৰক্ষণৰ প্ৰতিয়েই আকৰ্ষিত নহয়, বৰঞ্চ ভাঙোন, বিপদাশংকা, আক্ৰমণাত্মক মনোভাৱ আৰু শূন্যতাৰ প্ৰতিও তেওঁলোকৰ মনৰ ভিতৰত এক প্ৰবল টান থাকে। এই ধ্বংসাত্মক প্ৰৱণতাকে মনোবিজ্ঞানৰ ভাষাত মৃত্যুতাড়না বুলি কোৱা হয়, যাৰ বিপৰীতে থকা জীৱনতাড়নাই সমাজত কেৱল নতুন সৃষ্টি আৰু সংযোগ স্থাপন কৰে। কিন্তু যেতিয়া এই মৃত্যুতাড়না মানুহৰ মনৰ ভিতৰত বাৰুকৈয়ে সক্ৰিয় হৈ পৰে, তেতিয়া মানুহে চকুৰ সমুখত আনৰ পতন আৰু ধ্বংস দেখি মনতে এক গোপন উল্লাস কৰিবলৈ আৰম্ভ কৰে। আনৰ দুৰ্দশা তেতিয়া সহানুভূতিৰ বিষয় হৈ থকাৰ সলনি কেৱল আমোদৰ উপকৰণ হৈ পৰে। প্ৰকাশ্য ৰক্তপাত বা তেনে কোনো নিৰ্যাতনৰ প্ৰদৰ্শনী আজিৰ আধুনিক সমাজত হয়তো আইনীভাৱে নিষিদ্ধ, কিন্তু মানুহৰ মনৰ ভিতৰত থকা সেই পুৰণি ধ্বংসপ্ৰীতিয়ে বৰ্তমান সময়ত এক নতুন দৃশ্যমান ডিজিটেল পথ বিচাৰি উলিয়াইছে। অনলাইন ভিডিঅ'ৰ মাধ্যম বা অন্যান্য সামাজিক মাধ্যমসমূহ বৰ্তমান এই আসক্তিৰ এক অতিকৈ সুৰক্ষিত চৰণীয়া পথাৰ হৈ পৰিছে। যিকোনো বস্তু চূড়মাৰ হৈ যোৱাৰ ছবি চাই মানুহে বৰ্তমান যি দায়িত্বহীন সুখ বুটলি লয়, সেয়া আচলতে মনৰ ভিতৰত থকা সেই ঘাতক মৃত্যুতাড়নাৰে এক নিয়ন্ত্ৰিত সংস্কৰণ।

এই ভয়ংকৰ মানসিকতাৰ এক আটাইতকৈ ক্ৰূৰ আৰু বাস্তৱ প্ৰতিফলন বৰ্তমান আমাৰ সমাজ ব্যৱস্থাতো বৰ স্পষ্টকৈ দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপ, বৰ্তমান সময়ত আমাৰ অসম তথা ভাৰতৰ বিভিন্ন প্ৰান্তত চৰকাৰীভাৱে যিবোৰ উচ্ছেদ কাৰ্য চলোৱা হয়, য'ত বুলড'জাৰ বা ডাঙৰ যন্ত্ৰ ব্যৱহাৰ কৰি দৰিদ্ৰ আৰু অসহায় লোকসকলৰ ঘৰ-দুৱাৰ মুহূৰ্তৰ ভিতৰতে ভাঙি মাটিৰ সৈতে মিলাই দিয়া হয়, সেই সময়ত সমাজৰ একাংশ লোকৰ মাজত এক আচৰিত উল্লাস আৰু আনন্দৰ ভাব দেখিবলৈ পোৱা যায়। যি ঠাইত কোনো এজন নিষ্পাপ দুখীয়া মানুহৰ মূৰ গুজিবলৈ থকা একমাত্ৰ আশ্ৰয়স্থল ধ্বংস হৈ পৰিছে, তেঁওলোকৰ সন্তান আৰু পৰিয়ালে মুকলি আকাশৰ তলত চকুৰ পানী টুকি হাহাকাৰ কৰিবলগীয়া হৈছে, তেনে এক চৰম কৰুণ মুহূৰ্ততো সমাজৰ এটা শ্ৰেণীৰ মানুহে সামাজিক মাধ্যম বা জনসভাত সেই ধ্বংসলীলাক লৈ তীব্ৰ আনন্দ প্ৰকাশ কৰে আৰু তাক এক ডাঙৰ উৎসৱৰ দৰে উদযাপন কৰে। এয়া কেৱল কোনো আইনৰ শাসনৰ প্ৰতি থকা সমৰ্থন নহয়, এয়া হৈছে মানুহৰ মনৰ ভিতৰত গভীৰভাৱে খোপনি পুতি থকা সেই একেই আদিম ক্ৰূৰ ধ্বংস আৰু পতন-সুখৰ এক ভয়াৱহ বাস্তৱ ৰূপ। যেতিয়া কাৰোবাৰ মনৰ ভিতৰত আন নাগৰিকৰ প্ৰতি থকা মানৱীয় সহানুভূতি আৰু দয়া সম্পূৰ্ণৰূপে নিঃশেষ হৈ যায়, তেতিয়াই মানুহে আনৰ জীৱন আৰু সপোন ধ্বংস বা মচি যোৱা কাৰ্যৰ মাজতো এক অনৈতিক মানসিক খোৰাক বিচাৰি পাবলৈ লয়, যাৰ ফলত মানৱীয়তা বিপন্ন হয়।

বহু ক্ষেত্ৰত এই পতন-সুখৰ আঁৰত কেৱল ব্যক্তিগত ক্ৰূৰতা নাথাকে। ইয়াৰ আঁৰত ব্যৱহাৰকাৰীৰ বাবে লুকাই থাকে সমাজত থকা এক অৰ্থপূৰ্ণ অস্তিত্বগত স্বস্তি বা মানসিক সান্ত্বনা। যেতিয়া এজন সাধাৰণ দুখীয়া মানুহে দেখে যে কোনোবা ধনী মানুহৰ দামী বিলাসী গাড়ীখন লোহা কটা যন্ত্ৰত সোমাই এক জঞ্জালৰ স্তূপলৈ ৰূপান্তৰিত হৈছে, তেতিয়া তেওঁ অৱচেতন মনেৰে ভাবি উঠে যে, যিমানেই কাৰোবাৰ বৈভৱ বা অহংকাৰ নাথাকক কিয়, প্ৰকৃতিৰ নিয়মৰ সন্মুখত সকলো সম্পদেই আচলতে নশ্বৰ। এই আশ্বাসে সাধাৰণ নাগৰিকক ক্ষন্তেকৰ বাবে হ'লেও এক বিৰাট মানসিক পৰিতৃপ্তি প্ৰদান কৰে, কাৰণ পুঁজিবাদে ধনী মানুহৰ সম্পদৰ চাৰিওফালে যাক এক অমৰত্বৰ ভুৱা মায়াজালেৰে আৱৰি ৰাখে, বস্তুটো ভাঙি টুকুৰা-টুকুৰ হোৱা কাৰ্যই সেই মোহক এক চেকেণ্ডতে চূড়মাৰ কৰি দিয়ে। একে কাৰণতে, যেতিয়া দেশৰ কোনোবা এজন আটাইতকৈ সফল আৰু চহকী তাৰকা বা প্ৰতিপত্তিশালী ব্যক্তিয়ে তেওঁৰ বিলাসী অট্টালিকাত বহি নিজৰ ব্যক্তিগত জীৱনৰ চৰম নিসংগতা, বিচ্ছেদ বা চকুৰ পানীৰ কথা ৰাজহুৱাভাৱে স্বীকাৰ কৰে, তেতিয়া সাধাৰণ মানুহৰ মনত ঈৰ্ষাৰ সলনি এক অদ্ভুত মানসিক উষ্মতা বা স্বস্তিয়ে দেখা দিয়ে। কাৰণ সেই মুহূৰ্ততে সফলতাৰ সেই চমকিত মুখাখনৰ আঁৰৰ পৰা মানুহৰ আচল ভংগুৰ স্বৰূপটো ওলাই পৰে আৰু এইটো স্পষ্ট হৈ যায় যে, অৰ্থৰ প্ৰাচুৰ্যই কেৱল মনৰ শূন্যতাৰ বিৰুদ্ধে কোনো নিশ্চয়তা দিব নোৱাৰে আৰু বৈভৱে কেতিয়াও হৃদয় ভঙাৰ বিষ দূৰ কৰিব নোৱাৰে। যিজন সাধাৰণ মানুহ অনবৰতে ঋণৰ কিস্তি, কৰৰ বোজা আৰু দৈনন্দিন জীৱনৰ চৰম বঞ্চনাৰ মাজত পিষ্ট হৈ জীৱন কটাই আছে, তেওঁ আনৰ পতনৰ মাজত কেৱল কোনো প্ৰতিশোধৰ আনন্দই নিবিচাৰে, তাৰ পৰা বুটলি আনে সমগ্ৰ সৃষ্টিৰ বুকুত থকা এক চিৰন্তন সাম্য বা সমতাৰ আভাস। বিলাসী বাহনখন যেতিয়া ধূলিসাৎ হয় বা ক্ষমতাশালী মানুহজনৰ অভেদ্য দুৰ্গত যেতিয়া ভাঙোন দেখা দিয়ে, তেতিয়া অৱচেতন মনে তেওঁক এই বুলি আশ্বস্ত কৰে যে, ক্ষয় আৰু বিলুপ্তিয়েই হৈছে এই পৃথিৱীৰ একমাত্ৰ চিৰন্তন অনিবাৰ্য সমতা, যাৰ আদালতত বৈভৱৰ চৰম অহংকাৰ আৰু বঞ্চনাৰ গভীৰ ক্ষত- দুয়োৰে শেষ গন্তব্যস্থান সদায় একেটাই। অৰ্থাৎ সম্পূৰ্ণ শূন্যতা।

যান্ত্ৰিকতাৰ এই চৰম আৱৰ্তত হেৰাই যোৱাৰ পূৰ্বে আমি আমাৰ হেৰাই যাব ধৰা মানৱীয় অনুভূতি আৰু জীৱনৰ প্ৰকৃত মূল্যসমূহক পুনৰ আদৰি লোৱাৰ সময় আজি আহি পৰিছে। জীয়াই থকাৰ এই নিৰন্তৰ সংগ্ৰামখন তেতিয়াহে সাৰ্থক হ'ব, যেতিয়া আমি বজাৰৰ এই চৰম প্ৰতিযোগিতাৰ মাজতো ইজনে সিজনৰ প্ৰতি থকা আন্তৰিকতা সুৰক্ষিত কৰি ৰাখিব পাৰিম।

## মধুপুৰ সত্ৰত গুৰু দুজনাৰ সংৰক্ষিত দৰ্শনীয় বস্তুঃ এটি আলোকপাত

■ নাছিৰ আহমেদ

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰায় ৯৭ বছৰ বয়সত মহাপুৰুষ মাধৱদেৱ, নাৰায়ণ ঠাকুৰ,ৰামৰামগুৰু ,ৰামৰায় সহ শতাধিক শিষ্যক লৈ দ্বিতীয় বাৰৰ বাবে আনুমানিক ১৫৫০ খৃষ্টাব্দত পুৰীতীৰ্থৰ জগন্নাথ ক্ষেত্ৰৰ পৰা উভতি অহাৰ পথত বৰ্তমান কোচবিহাৰ চহৰৰ পশ্চিম দিশত প্ৰায় ৭ কিলোমিটাৰ নিলগত এটি বৃহৎ বৃক্ষৰ তলত বহি তেওঁ ভক্তসকলক ভাগৱত পুৰাণত বৰ্ণিত বৃন্দাবনৰ শ্ৰীকৃষ্ণৰ লীলাৰ কথা ব্যাখ্যা কৰি আছিল। সেই সময়ত এগৰাকী শিষ্যৰে গছটিত ওলমি থকা মৌচাকৰ পৰা মৌ আহৰণ কৰি সকলোকে খুৱাই তৃপ্তি প্ৰদান কৰিছিল। এই ঘটনাক স্মৰণীয় কৰি ৰাখিবলৈ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে এই ঠাইখনৰ নাম মধুপুৰ থান ৰাখে। পুৰ্বতে এই ঠাইখনৰ নাম আছিল চন্দনচৌৰা। গুৰু শঙ্কৰদেৱে ১৪৯০ শকৰ (১৫৬৮ খৃষ্টাব্দত) ভাদ্ৰ মাহৰ ২১ তাৰিখে শুক্লা দ্বিতীয়া তিথি, বৃহস্পতিবাৰে দিনৰ ডেৰ বজাত মধুপুৰ থানত নশ্বৰদেহ ত্যাগ কৰি বৈকুণ্ঠগামী হয়। তেওঁৰ পৰম ভক্ত কোচবিহাৰৰ মহাৰাজ নৰনাৰায়ণে শঙ্কৰদেৱক ঈশ্বৰ জ্ঞান কৰি মধুপুৰ থানৰ নামত দুশ বিঘা মাটি ব্ৰহ্মোত্তৰ হিচাপে প্ৰদান কৰে। তেতিয়াৰ পৰাই এই মধুপুৰ থানটি মধুপুৰ সত্ৰ হিচাপে পৰিগণিত হয়। মধুপুৰ সত্ৰৰ আন এটি নাম 'দহমুকুট' যিয়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দহজন প্ৰধান শিষ্যৰ (ভক্তসকলৰ) বাসস্থান বা ভেটি হিচাপে নিৰ্দেশ কৰে। বিশেষকৈ, অসমীয়া নৱ বৈষ্ণৱ ধৰ্মৰ অন্যতম প্ৰচাৰক শ্ৰীমন্ত শংকৰদেৱৰ প্ৰিয়তম শিষ্য তথা নামঘোষাৰ ৰচক মহাপুৰুষ মাধৱদেৱে মধুপুৰ সত্ৰত বাস কৰি গুৰুজনাৰ তিৰোভাৱৰ পিছত একশৰণ নামধৰ্মৰ গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰে আৰু ১৫৯৬ চনত এই মধুপুৰ সত্ৰতে ইহলীলা সম্বৰণ কৰে। বৰ্তমানো এই মধুপুৰ সত্ৰ একশৰণ নামধৰ্মৰ ঐতিহ্য আৰু অসমীয়া সংস্কৃতিৰ এক ঐতিহাসিক মিলনভূমি হিচাপে বিশেষ ভাৱে পৰিচিতি লাভ কৰিছে। আৰু ইয়াত গুৰু দুজনাৰ কেইবাবিধো দৰ্শনীয় বস্তু-সামগ্ৰী অতি সযতনেৰে সংৰক্ষিত কৰি ৰখা হৈছে। এই দৰ্শনীয় বস্তু-সামগ্ৰী হ'ল-গুৰুজনাৰ সমাধি মন্দিৰ, কীৰ্তনঘৰ আৰু মণিকূট। মূল সমাধি মন্দিৰত গুৰুজনাৰ দিনৰে কিছুমান সেৱাৰ বস্তু সংৰক্ষিত হৈ আছে। সেইবোৰ হ'ল- গুৰুজনাৰ বহাৰ কঠ বা পীৰা তেওঁৰ খৰম , ৰজাই দিয়া লাখুটি,

গুৰুজনাৰ হাতৰ জপমালা, গুৰুজনাই নিজ হাতে লিখা সাঁচিপাতৰ গুণমালা পুথি, তেওঁৰ বৃন্দাবনী বস্ত্ৰৰ অংশবিশেষ, গুৰুজনাই গুৱা-পান গ্ৰহণ কৰা টেমী-কটাৰী সহ সঁফুৰা, গুণমালা পুথিখন লিখা কাপ-মৈলাম ইত্যাদি। ইয়াৰ উপৰিও মাধৱদেৱে স্বহস্তে লিখা ঘোষাৰ পুথিখন, তেওঁ জলপান কৰা লোটা আৰু দুজনা গুৰুৰ শৰীৰৰ অংশ অস্থি ধৰ্মীয় পৰম্পৰাগতভাৱে পবিত্ৰ ভাৱে সংৰক্ষিত কৰা হৈছে। গুৰুজনাক ৰজাই দিয়া লাখুটিডাল আৰু বহাৰ কঠ বা পীৰাত পৰম্পৰাগত ভাৱে কাঠৰ আচবাব-পত্ৰ আদিত নানা আ-অলঙ্কাৰেৰে হস্তশিল্পৰ দ্বাৰা নিৰ্মিত দক্ষ কাঠ খোদাই কৰা, যাক খনিকৰ শিল্পী বুলি অভিহিত কৰা হয়, তেওঁলোকৰ দ্বাৰা অতি মনোৰম ভাৱে সাজ-সজ্জাৰে সজ্জিত কৰা হৈছে। নিপুণ কাৰুশিল্পীয়ে স্থানীয় মজবুত কাঠেৰে বা বাঁহ-বেতেৰে এই লাখুটিডাল বা কঠ বা পীৰা নিৰ্মাণ কৰোঁতে প্ৰাচীন কালৰে পৰা চলি অহা পদ্ধতি প্ৰয়োগ কৰি এইবোৰক মসৃণ কৰি তুলিছিল।

মধুপুৰ সত্ৰত সংৰক্ষিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আৰু মহাপুৰুষ মাধৱদেৱৰ ব্যৱহৃত জপমালাবোৰ তুলসী কাঠৰ বুলি জনমানসত আৰু সত্ৰীয়া পৰম্পৰাত বিশ্বাস কৰা হয়। এই জপমালাত সৰ্বমুঠ ১০৮ টি দানা বা গুটি আছে। সাঁচিপাতৰ পুথি হ'ল, প্ৰাচীন অসমীয়াৰ লিখিত ঐতিহ্যৰ এক অমূল্য সম্পদ। সাঁচি গছৰ বাকলি কাটি আনি ৰ'দত শুকুৱাই,তেল লগাই আৰু শিলত ঘঁহি লিখাৰ উপযোগী কোমল পাতল পৃষ্ঠালৈ ৰূপান্তৰ কৰা হৈছিল ।মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ সময়ত সত্ৰসমূহত এনে পুথি লিখাৰ ব্যাপক প্ৰচলন দেখা যায়। 'চিত্ৰ ভাগৱত', শ্ৰী হস্ত মুক্তাৱলী আৰু 'হস্তি বিদ্যাৰ্ণৱ'ৰ উপৰিও মধুপুৰ সত্ৰত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে জীৱনৰ শেষ বয়সত লিখা 'গুণমালা' বিশ্ববিখ্যাত সচিত্ৰ সাঁচিপতীয়া পুথিৰ উৎকৃষ্ট নিদৰ্শন। এই গুণমালা পুথিখন লিখিবলৈ শিলকাহ, গো-মূত্ৰ,আমলখি আৰু কেঁচা খাৰ আদি মিহলাই এক বিশেষ ধৰণৰ দীৰ্ঘস্থায়ী ক'লা চিয়াঁহী ব্যৱহাৰ কৰা হৈছিল। মূল লেখাৰ উপৰিও চিত্ৰাঙ্কণ কৰোঁতে হেঙুল আৰু হাইতাল ব্যৱহাৰ কৰা হৈছিল। গুণমালা পুথিখন ৰচনা কৰোঁতে ব্যৱহৃত কাপ-মৈলামসমূহ চন্দন কাঠ আৰু অগৰু কাঠেৰে নিৰ্মিত আছিল।

মধুপুৰ সত্ৰত বৃন্দাবনী বস্ত্ৰৰ অংশবিশেষ সংৰক্ষিত কৰা আছে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে পাটবাউসীত থকা সময়ত কোঁচ ৰজা মল্লদেৱ বা নৰনাৰায়ণ আৰু তেওঁৰ ভাতৃ শুক্লধ্বজ বা চিলাৰায়ৰ অনুৰোধক্ৰমে মহাপুৰুষ মাধৱদেৱৰ তত্বাৱধানত পাটকাপোৰত ভাগৱত বিশেষকৈ ভগৱান শ্ৰীকৃষ্ণৰ শিশুকালৰ আখ্যান বিলাক ফুল বাছি বৃন্দাবনী বস্ত্ৰ বৈছিল। প্ৰকৃততে, ৰজা নৰনাৰায়ণে শঙ্কৰদেৱৰ মুখেৰে শ্ৰীকৃষ্ণৰ শিশুকালৰ আখ্যান শুনিবলৈ পাই অভিভূত হৈ এই আখ্যানসমূহ চিত্ৰৰ জৰিয়তে চাবলৈ ইচ্ছা প্ৰকাশ কৰাৰ বাবে শংকৰদেৱে সেয়া কাপোৰত ৰং-বিৰঙৰ সূতাৰে ফুটাই তোলা সম্ভৱ হ'ব বুলি কোৱাৰ বাবে ৰজাই ৰং-বিৰঙৰ সূতাকে আদি কৰি যাৱতীয় ব্যৱস্থা যোগান দিয়াত মাধৱদেৱৰ তত্বাৱধানত বৰপেটাৰ তাঁতীকুছি নামে ঠাইত গোপাল আতাক মুখ্য তাঁতী হিচাপে লৈ বাৰজন মৰল আৰু ছকুৰি শিপিনীসকলৰ মাধ্যমেৰে বৃন্দাবনী বস্ত্ৰ প্ৰস্তুত কৰা হৈছিল। এই বস্ত্ৰ ১৫৬৭ চনৰ পৰা ১৫৬৯ চনৰ ভিতৰত বৈ উলিওৱা হৈছিল। মূল বৃন্দাবনী বস্ত্ৰখন প্ৰায় ১৮০ ফুট দীঘল আছিল। কিন্তু, বৰ্তমান এই বস্ত্ৰখনৰ আৱেশ খণ্ডিত হৈ বিভিন্ন ভাগত বিভক্ত হৈ পৰে। ইয়াৰ আটাইতকৈ ডাঙৰ অংশটো বিভিন্ন কাৰণত ভুটান হৈ তিব্বত পায়গৈ। তাৰ পৰা ইউৰোপীয় ব্যৱসায়ী সকলে এই বস্ত্ৰ উদ্ধাৰ কৰি ইউৰোপলৈ লৈ আহে। বৰ্তমান এই বৃন্দাবনী বস্ত্ৰ লণ্ডনৰ ভিক্টৰিয়া এলবাৰ্ট সংগ্ৰাহলয় আৰু পেৰিছৰ গুইমেট সংগ্ৰহালয়ৰ তত্বাৱধানত আছে। ইয়াৰ কেৱল এটা অংশবিশেষহে মধুপুৰ সত্ৰত সংৰক্ষিত হৈ আছে।

থুলমূল ভাৱে, মধুপুৰ সত্ৰত ৰক্ষিত গুৰুজনাৰ দৰ্শনীয় বস্তু-সামগ্ৰীৰ বিষয়ে আলোকপাত কৰা হ'ল।

দূৰভাষ ঃ ৯১০১৪৬৫৮০৫

# ব'ল ব'ম যাত্ৰা আৰু সাম্প্ৰতিক যুৱ প্ৰজন্ম

## এক ইতিবাচক পৰিৱৰ্তন নে কেৱল ফেশ্বন ?

■ জয়দীপ লস্কৰ

অসমকে ধৰি সমগ্ৰ দেশজুৰি এতিয়া পবিত্ৰ শাওন মাহৰ ভক্তিৰসৰ জোৱাৰ উঠিছে। ভক্তি, সংযম আৰু আত্মবিশ্লেষণৰ এক অপূৰ্ব ক্ষণবৰ্ষাৰ সিক্ত পৰশ আৰু প্ৰকৃতিৰ শ্যামলী ৰূপৰ মাজতেই ধৰালৈ নামি আহে পৱিত্ৰ শাওণ মাহ। ভাৰতীয় সংস্কৃতি আৰু সনাতন পৰম্পৰাত শাওণ মাহৰ গুৰুত্ব অপৰিসীম। সাধাৰণতে এই সময়ছোৱাক কেৱল এক ধৰ্মীয় মাহ বা পৰম্পৰা বুলি ধাৰণা কৰা হয় । কিন্তু দৰাচলতে ইয়াৰ অন্তৰালত লুকাই আছে ভক্তি, সংযম, আত্মবিশ্লেষণ আৰু আধ্যাত্মিক সাধনাৰ এক গভীৰ বিজ্ঞান। শাওণ মাহৰ মূল আধাৰ হৈছে ভক্তি আৰু সমৰ্পণ। এই মাহত ভগৱান শিৱৰ আৰাধনাৰ জৰিয়তে ভক্তই নিজৰ অহংকাৰ, খং আৰু নেতিবাচক ভাৱনাবোৰ ত্যাগ কৰিবলৈ শিক্ষা লাভ কৰে। ঈশ্বৰৰ ওচৰত সম্পূৰ্ণ আত্মসমৰ্পণ কৰাই হৈছে এই সাধনাৰ প্ৰথম খোজ। এই পৱিত্ৰ সময়ছোৱাৰ আটাইতকৈ ডাঙৰ বৈশিষ্ট্য হ'ল সংযম। শাওণ মাহত বহু লোকে নিৰামিষ আহাৰ গ্ৰহণ কৰে আৰু উপবাস পালন কৰে। ই কেৱল ধৰ্মীয় নিয়ম নহয়, ইয়াৰ এক বলিষ্ঠ বৈজ্ঞানিক ভিত্তিও আছে। বৰ্ষা ঋতুৰ এই সময়ছোৱাত আকাশ ডাৱৰীয়া হৈ থাকে আৰু সূৰ্যৰ পোহৰ কমকৈ পোৱা যায়, যাৰ ফলত মানুহৰ পাচন তন্ত্ৰ (Digestive system) স্বাভাৱিকতকৈ লেহেমীয়া হৈ পৰে। সেয়েহে, এই সময়ত লঘু আৰু নিৰামিষ আহাৰ গ্ৰহণ কৰিলে শৰীৰ বিষমুক্ত (Detoxify) হয় আৰু ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি পায়। অৰ্থাৎ, আমাৰ পূৰ্বপুৰুষ সকলে ধৰ্মৰ জৰিয়তে স্বাস্থ্য ৰক্ষাৰ এক সুন্দৰ নিয়মাৱলী বান্ধি দি থৈ গৈছে। ব্যস্ততাপূৰ্ণ জীৱনৰ কোলাহলৰ পৰা আঁতৰি আহি আত্মবিশ্লেষণ কৰাৰ বাবে শাওণ মাহ এক উত্তম সময়। ধ্যান, জপ আৰু নাম-কীৰ্তনৰ জৰিয়তে মানুহে নিজৰ অন্তৰ্নিহিত সত্তাটোৰ সন্ধান কৰিবলৈ সুযোগ পায়। নিজৰ ভুল-ত্ৰুটিবোৰ বুজি উঠি নিজক এগৰাকী শ্ৰেষ্ঠ মানুহ হিচাপে গঢ়ি তোলাৰ সংকল্প লোৱাতোৱেই হৈছে প্ৰকৃত আধ্যাত্মিকতা। কিন্তু বৰ্তমান সময়ত দেখিবলৈ পোৱা গৈছে একাংশ লোক গেৰুৱা বস্ত্ৰ পৰিধান কৰি আৰু কান্ধত কাৱৰ লৈ 'ব'ল ব'ম' তথা 'বম বম ভোলে' ধ্বনিয়ে গগণ ফালি লাখ লাখ ভক্ত ধাবিত হৈছে বিভিন্ন শিৱালয় সমূহলৈ। এই যাত্ৰাৰ আটাইতকৈ লক্ষণীয় দিশটো হৈছে ইয়াত যুৱ প্ৰজন্মৰ অভূতপূৰ্ব অংশগ্ৰহণ। এটা সময়ত যি ধৰ্মীয় যাত্ৰাত কেৱল প্ৰাপ্তবয়স্ক লোকৰহে আধিক্য দেখা গৈছিল কিন্তু আজিকালি ধৰ্মীয় যাত্ৰাৰ সিংহভাগেই হৈছে নৱপ্ৰজন্মৰ তৰুণ-তৰুণী, যিয়ে সমাজত এক নতুন চৰ্চাৰ জন্ম দিছে। বৰ্তমান সময়ত প্ৰতিযোগিতা পূৰ্ণ জীৱনশৈলী, কেৰিয়াৰৰ চিন্তা আৰু সামাজিক মাধ্যমৰ অতিমাত্ৰা প্ৰভাৱে যুৱ মানসিকতাক প্ৰায়ে ক্লান্ত আৰু মানসিক চাপগ্ৰস্ত কৰি তোলে। বহু সমাজ বিজ্ঞানীৰ মতে ভগৱান শিৱৰ এই আৰাধনা যুৱক-যুৱতী সকলৰ বাবে কেৱল ধৰ্মীয় বিশ্বাসেই নহয়, বৰঞ্চ এক প্ৰকাৰৰ মানসিক শান্তি আৰু মানসিক পুনৰুদ্ধাৰৰ মাধ্যম হৈ পৰিছে। শিৱৰ 'মহাকাল' বা বৈৰাগী অথচ শক্তিশালী ৰূপটোৱে সদায়েই তৰুণ প্ৰজন্মক গভীৰ ভাৱে আকৰ্ষিত কৰি আহিছে। একে সময়তে ব'ল ব'ম যাত্ৰা কেৱল এক উপাসনা নহয়, ই এক চৰম শাৰীৰিক পৰীক্ষাও। খালী ভৰিৰে কিলোমিটৰৰ পিছত কিলোমিটৰ খোজ কাঢ়ি নদীৰ পবিত্ৰ পানী আনি শিৱৰ শিৰত অৰ্পণ কৰা কাৰ্যত এক বিশেষ দুঃসাহসিকতা নিহিত থাকে। আজিকালিৰ ট্ৰেকিং বা ফিটনেছ ফ্ৰীক যুৱ প্ৰজন্মই এই কঠিন যাত্ৰাক এক প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰে যিয়ে তেওঁলোকৰ ধৈৰ্য্য আৰু সহনশীলতা বৃদ্ধি কৰাত সহায় কৰে। এই যাত্ৰাৰ আটাইতকৈ ডাঙৰ ইতিবাচক দিশটো হৈছে সামাজিক সংস্কাৰ। পবিত্ৰ শাওন মাহটোত এই যাত্ৰাত অংশ লোৱাৰ বাবে হাজাৰ হাজাৰ যুৱক দুব্যৱহাৰ, অপকৰ্ম আৰু নিচাজাতীয় দ্ৰব্য সেৱনৰ পৰা সম্পূৰ্ণ আঁতৰি থাকে। সতীৰ্থ সকলৰ সৈতে দল বান্ধি খোজ কঢ়াৰ ফলত তেওঁলোকৰ মাজত একতা, ভাতৃত্ববোধ আৰু পাৰস্পৰিক সহযোগিতাৰ ভাৱনা জাগ্ৰত হয়, যি সমাজ গঠনৰ বাবে এক অতি শুভ লক্ষণ। যিদৰে ইয়াৰ যোগাত্মক দিশ আছে, ঠিক সেইদৰে বৰ্তমান সময়ত কিছুমান ঋণাত্মক প্ৰৱণতাও দেখিবলৈ পোৱা গৈছে। একাংশ যুৱক-যুৱতীৰ বাবে এই পবিত্ৰ যাত্ৰা যেন কেৱল ছ'চিয়েল মিডিয়াত 'ৰিল্‌ছ' বা ফটো পোষ্ট কৰাৰ এক মাধ্যমহে হৈ পৰিছে। ধৰ্মীয় যাত্ৰাৰ নামত পথত তীব্ৰ শব্দৰ ডিজে বজোৱা, যাত্ৰীৰ নামত বিশৃংখলতা সৃষ্টি কৰা, আৰু কোনো কোনো ঠাইত নিচাগ্ৰস্ত হৈ পৰিৱেশ বিনষ্ট কৰাৰ ঘটনাই এই যাত্ৰাৰ পবিত্ৰতা ক্ষুণ্ণ কৰিছে। ধৰ্ম আৰু আড়ম্বৰতাৰ মাজৰ প্ৰভেদখিনি বুজি পোৱাটো যুৱ প্ৰজন্মৰ বাবে অতি প্ৰয়োজনীয়। যুৱ শক্তি হৈছে দেশ আৰু সমাজৰ মেৰুদণ্ড। ব'ল ব'ম যাত্ৰাত তেওঁলোকৰ এই স্বতঃস্ফূৰ্ত অংশগ্ৰহণ নিশ্চিতভাৱে আদৰণীয়। কিন্তু এই যাত্ৰা কেৱল অন্ধ অনুকৰণ বা ক্ষন্তেকীয়া 'ফেশ্বন' হ'ব নালাগে। যুৱ প্ৰজন্মই যদি ইয়াৰ প্ৰকৃত আধ্যাত্মিক অৰ্থ, সংযম, আৰু নিয়মানুবৰ্তিতা ৰক্ষা কৰি আগবাঢ়ে, তেন্তে ই তেওঁলোকৰ চৰিত্ৰ গঠনৰ লগতে সমাজলৈ এক সুস্থ আৰু ইতিবাচক বাৰ্তা কঢ়িয়াই আনিব। শেষত অনুভৱ কৰিব পাৰি যে শাওণ মাহ কেৱল এটা দিনপঞ্জীৰ মাহ নহয় । ই আমাৰ মন, মগজু আৰু শৰীৰক পৱিত্ৰ কৰাৰ এক বাৰ্ষিক ক্ষণ। প্ৰকৃতিৰ সজীৱতাৰ দৰেই এই পৱিত্ৰ মাহটোৱে প্ৰতিজন মানুহৰ জীৱনলৈ কঢ়িয়াই আনক ইতিবাচক শক্তি, মানসিক শান্তি আৰু সংযমৰ মহান বাৰ্তা।

# পি এম আঁচনিৰ অধীনত গোলাঘাটৰ অনুসূচিত জাতিৰ পৰিয়াললৈ আৰ্থিক সহায়



**বাতৰি কাকত, গোলাঘাট, ২০ জুলাই ঃ** গোলাঘাটত প্ৰধানমন্ত্ৰী অনুসূচিত জাতি অভ্যুদয় যোজনা, অৰ্থাৎ PM-AJAY আঁচনিৰ জৰিয়তে অনুসূচিত জাতিৰ পৰিয়ালসমূহক আৰ্থিকভাৱে স্বাৱলম্বী কৰি তোলাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, গোলাঘাটৰ উদ্যোগত আয়োজিত এক বিশেষ অনুষ্ঠানত আঁচনিখনৰ অধীনত নিৰ্বাচিত হিতাধিকাৰীসকলৰ মাজত আনুষ্ঠানিকভাৱে বিত্তীয় অনুদানপত্ৰ বিতৰণ কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিত্তীয় অনুদানপত্ৰ বিতৰণ কাৰ্যসূচীৰ শুভ উদ্বোধন কৰে অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন তথা আৱকাৰী বিভাগৰ মন্ত্ৰী অতুল বৰাই। আঁচনিখনৰ অধীনত গোলাঘাট জিলাৰ মুঠ ৩৩৪টা অনুসূচিত জাতিৰ আত্মসহায়ক গোট আৰু ৪৮গৰাকী অনুসূচিত জাতিৰ মহিলা সদস্যাক বিত্তীয় সাহায্য প্ৰদান কৰা হৈছে। উল্লেখ্য যে, নিৰ্বাচিত আত্মসহায়ক গোটৰ মহিলা সদস্যাসকলক সৰ্বাধিক ৫০ হাজাৰ টকা পৰ্যন্ত অথবা মুঠ প্ৰকল্প ব্যয়ৰ ৫০ শতাংশ-যিটো কম হয়-সেই অনুসৰি আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে।এই আৰ্থিক সাহায্যৰ জৰিয়তে হিতাধিকাৰী সকলে নিজৰ উপাৰ্জনৰ সুযোগ বৃদ্ধি কৰাৰ লগতে আত্মনিৰ্ভৰশীল হোৱাৰ সুযোগ লাভ কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।অনুষ্ঠানত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, দেৰগাঁও সমষ্টিৰ বিধায়ক মৃদুল দত্ত, গোলাঘাট জিলা পৰিষদৰ অধ্যক্ষা পূৰ্ণিমা দাস, উপাধ্যক্ষা গীতামণি বৰা, জিলা প্ৰশাসনৰ বিষয়াসকল, আত্মসহায়ক গোটৰ সদস্যাসকলৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## অসমীয়া প্ৰতিদিনৰ সাংবাদিক কনক বৈশ্যক শুৱালকুছি ক'লা সন্মান বঁটা

**বাতৰি কাকত, শুৱালকুছি, বাতৰি কাকত, সৰুপথাৰ, ২০ জুলাই ঃ** শুৱালকুছি নটৰাজ ক'লা কেন্দ্ৰৰ উদ্যোগত আৰু ৰাইভি ইন্টাৰনেছনেল সংস্থাৰ সহযোগত শুৱালকুছি ৰাজহুৱা প্ৰেক্ষাগৃহত ১৭ আৰু ১৮ জুলাইত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত শুৱালকুছি ক'লা মহোৎসৱৰ শনিবাৰে সিামৰণি পৰে। সামৰণি অনুষ্ঠানত আন কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ সৈতে অসমীয়া প্ৰতিদিনৰ শুৱালকুছিৰ সাংবাদিক কনক বৈশ্যক শুৱালকুছি ক'লা সন্মান বঁটা প্ৰদান কৰে। জ্যোষ্ঠ সাংবাদিক গৰাকীয়ে লাভ কৰা শুৱালকুছি প্ৰেছ এছোচিয়েচনৰ সভাপতি দিলীপ মেধী আৰু সম্পাদক বিশ্বজিৎ দাসে শুভেচ্ছা জনাইছে। ক'লা সন্মান বঁটা লাভ কৰা আন ব্যক্তিসকল ক্ৰমে শংকৰী ক'লা কৃষ্টিৰ সাধক মলিন কলিতা, বিশিষ্ট সাংস্কৃতিক কৰ্মী হেমন্ত কলিতা। শুৱালকুছি গ্ৰাম্য সূৰ্য বঁটা প্ৰদান কৰা হয় হাজো শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাস, শুৱালকুছি ক'লা শিৰোমণি সন্মান আগবঢ়োৱা হয় আন্তঃৰাষ্ট্ৰীয় সত্ৰিয় নৃত্য শিল্পী ৰামকৃষ্ণ তালুকদাৰ, সংগীত নাটক একাডেমী বঁটা প্ৰাপক বিশিষ্ট অভিনেত্ৰী চেতনা দাস আৰু সত্ৰীয়া নৃত্য শিল্পী ৰিজুমণি শইকিয়াক। সেইদৰে শুৱালকুছি নটৰাজ ক'লা সন্মান লাভ কৰে ইউ এছ এৰ সুনিতা চিকাৰ, দিল্লীৰ ডাক্টৰ মেঘাদীপা দাস, উত্তৰ প্ৰদেশৰ সুধিলে দত্ত বিশ্ব কমা, হাজোৰ ডাঃ পংকজ নমঃ শূদ্ৰ, শুৱালকুছিৰ নয়নমণি দাস, ৰঙিয়াৰ ৰূপম ডেকা, আৰু নলবাৰীৰ ধনজিত ডেকাক । উল্লেখ্য যে দুদিনীয়া কৈ অনুষ্ঠিত ক'লা মহোৎসৱৰ প্ৰথম দিনা বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে ডাঃ পংকজ নমঃ শূদ্ৰ, ডাঃ মেঘাদিপা দাস আৰু জগাদীশ কাকতিয়ে। তাৰ পিছত আন্তঃৰাষ্ট্ৰীয় নৃত্য, গীত, বাদ্য, আৰু অভিনয় প্ৰতিযোগিতা আৰু নিশা নৃত্য গীতৰ সমাৰোহ অনুষ্ঠিত হয়। দ্বিতীয় দিনা পুৱা ৰৰ বজাৰ পৰা বিয়লি ৪ বজালৈ নৃত্য আৰু সংগীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। আবেলি ৫ বজাৰ পৰা বিভিন্ন প্ৰতিযোগিতাৰ বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। নিশা নৃত্য গীতৰ সমাৰোহৰে ক'লা মহোৎসৱৰ সামৰণি পৰে। উল্লেখনীয় যে ক'লা মহোৎসৱত উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ, মহাৰাষ্ট্ৰৰ একোটিকৈ দলে তেওঁলোকৰ লোক নৃত্য প্ৰদৰ্শন কৰে।

## চৌতাৰাত বিদ্যুৎ উপ সংমণ্ডলত ছাড়েন ভিজিট বিধায়কৰ

**বাতৰি কাকত, কচুগাঁও, ২০ জুলাই ঃ** ৰাইজৰ অভাৱ-অভিযোগৰ ভিত্তিত বাওঁখুংগুৰী সমষ্টিৰ বিধায়ক ৰূপম চন্দ্ৰ ৰায়ে শনিবাৰে গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত চৌতাৰা-ঘোৰামাৰা বিদ্যুৎ উপ-সংমণ্ডলত আকস্মিক পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত ঘোৰামাৰাত চলি থকা নিৰ্মাণকাৰ্যৰ অগ্ৰগতি পৰ্যালোচনা কৰি বিভাগীয় কৰ্তৃপক্ষক এমাহৰ ভিতৰত সকলো কাম সম্পূৰ্ণ কৰি উপ-সংমণ্ডলটো মুকলি কৰাৰ কঠোৰ নিৰ্দেশ প্ৰদান কৰে। উল্লেখ্য যে, অঞ্চলটোৰ ২৮খন গাঁৱলৈ উন্নত বিদ্যুৎ যোগান নিশ্চিত কৰাৰ লক্ষ্যৰে চৌতাৰা-ঘোৰামাৰা বিদ্যুৎ প্ৰকল্পৰ কাম প্ৰায় দুবছৰ পূৰ্বে আৰম্ভ হৈছিল। কিন্তু নিৰ্ধাৰিত সময়ৰ পিছতো প্ৰকল্পটোৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ নোহোৱাত স্থানীয় ৰাইজে দীৰ্ঘদিন ধৰি বিদ্যুৎ সেৱাৰ ক্ষেত্ৰত নানা সমস্যাৰ সন্মুখীন হৈ আহিছে। পৰিদৰ্শনকালত বিধায়ক ৰূপম চন্দ্ৰ ৰায়ে




স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ সমস্যাসমূহ সমাধানৰ আশ্বাস প্ৰদান কৰে। লগতে অঞ্চলটোৰ জৰাজীৰ্ণ পথৰ অৱস্থাও তেওঁ পৰিদৰ্শন কৰে। বিধায়কৰ লগত স্থানীয় পাৰিষদ এন্তাজ আলিয়েও বিধায়কগৰাকীক সহযোগিতা কৰে। বিধায়কগৰাকীয়ে স্পষ্টভাৱে কয় যে, কোনো ঠিকাদাৰে যদি কাম আধৰুৱাকৈ এৰি থয় বা দায়িত্বত গাফিলতি কৰে, তেন্তে বিভাগীয়ভাৱে কঠোৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। নিৰ্মাণকাৰ্য সময়মতে সম্পূৰ্ণ কৰি ৰাইজক উন্নত বিদ্যুৎ সেৱা প্ৰদান নিশ্চিত কৰিবলৈ বিধায়ক গৰাকীয়ে সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

# ড° গণেশ্বৰ চহৰীয়াৰ জীৱন সুগন্ধি উন্মোচনী অনুষ্ঠান -স্মৃতিচাৰণ সভা

**বাতৰি কাকত, বকো, ২০ জুলাই ঃ** অসম মুলুকৰ এগৰাকী নক্ষত্ৰ যাৰ জীৱন দৰ্শনৰ ওপৰত আলোকপাত কৰি শেষ কৰিব নোৱাৰি । বিশাল গুণৰ অধিকাৰী গৰাকীক স্মৰণ কৰি এনেদৰে কয় অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা অসম বিধানসভাৰ ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে। এই গৰাকী অফুৰন্ত প্ৰতিভাৰ অধিকাৰী হৈছে ৰাজ্যৰ প্ৰসিদ্ধ কৃতী শিক্ষক, আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন শিক্ষাবিদ, সমাজসেৱক, সুবক্তা, বিজ্ঞান কৰ্মী কামৰূপ জিলাৰ বকোৰ ড° গণেশ্বৰ চহৰীয়া। এই গণেশ্বৰ চহৰীয়াৰ বিগত ১৭ জানুৱাৰীত অকাল বিয়োগ ঘটাত সৰ্বত্ৰে শোকৰ ছাঁ পৰিছিল। ইফালে কলেজ অৱ এডুকেশ্যনৰ বকো, বকো সাহিত্য সভা, বকো কণিষ্ঠ মহাবিদ্যালয়ৰ স্বপ্নদ্ৰষ্টা, বহু অনুস্থান প্ৰতিস্থানৰ ৰূপান্তৰৰ জনক, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহ তথা কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি গৰাকীৰ দেওবাৰে ৰাজহুৱা স্মৃতিচাৰণ সভা আৰু স্মৰণ গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। বকোস্থিত কলেজ অৱ এডুকেশ্যনৰ সভা কক্ষত বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছে ড° চহৰীয়াৰ স্মৃতিচাৰণ সভা খন। উল্লেখ্য যে কামৰূপ জিলা সাহিত্য সভা আৰু বকো সাহিত্য সভা শতদল শাখাৰ উদ্যোগত আয়োজিত অনুষ্ঠানত অসম সাহিত্য সভা, কামৰূপ জিলা সাহিত্য সভা আৰু অন্যান্য সামাজিক অনুষ্ঠানৰ বিষয় ববীয়াই সহযোগ আগবঢ়ায়। ইফালে বকোৰ শিক্ষাবিদ-সাহিত্যিক



ড° গণেশ্বৰ চহৰীয়াৰ স্মৃতিচাৰণ আৰু সোঁৱৰণ গ্ৰন্থ উন্মোচনী সভাৰ কাৰ্যসুচী অনুসৰি পুৱা সদ্য বৈকুণ্ঠলৈ গমণ কৰা গণেশ্বৰ চহৰীয়াৰ বৃহৎ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে বকো সাহিত্য সভা শতদল শাখাৰ সভাপতি নৃপেন ভাগৱতীয়ে। প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে বকোৰ প্ৰাক্তন বিধায়ক তথা কলেজ অৱ এডুকেশ্যন বকোৰ পৰিচালনা সমিতিৰ সভাপতি জ্যোতিপ্ৰসাদ দাসে। অসম সাহিত্য সভাৰ হিতৈষী সভ্য তথা কামৰূপ জিলা সাহিত্য সভাৰ সদ্য প্ৰয়াত সভাপতি ড° গণেশ্বৰ চহৰীয়াৰ স্মৃতিচাৰণ সভা আৰু সোঁৱৰণ গ্ৰন্থ উন্মোচনী সভাত পৌৰহিত্য কৰে কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি ৰমেশ চন্দ্ৰ মেধিয়ে। কামৰূপ জিলা সাহিত্য সভাৰ সাধাৰণ সম্পাদক ৰজনী শালৈয়ে আঁত ধৰা কাৰ্যসুচীত চিৰ চেনেহী মোৰ ভাষা জননী শীৰ্ষক অসম সাহিত্য সভাৰ গীতটি পৰিৱেশন কৰা হয়। ইফালে কামৰূপ জিলা সাহিত্য সভা আৰু বকো সাহিত্য সভা শতদল শাখাৰ যৌথ উদ্যোগত আয়োজন কৰা তাৎপৰ্যপূৰ্ণ কাৰ্যসুচীত বিশিষ্ট শিক্ষাবিদ-সাহিত্যিক ড° গণেশ্বৰ চহৰীয়াৰ শৈক্ষিক আৰু সামাজিক কৰ্মৰাজিক সোঁৱৰণ কৰি স্মাৰক বক্তৃতা প্ৰদান কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মা আৰু জৱাহৰলাল নেহৰু মহাবিদ্যালয় বকোৰ পৰিচালনা সমিতিৰ সভাপতি লক্ষ্মীকান্ত শৰ্মাই। চহৰীয়াৰ সোঁৱৰণী স্মৃতি চাৰণ সভা তথা সোঁৱৰণ গ্ৰন্থ উন্মোচনী সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে বিশিষ্ট শিক্ষাবিদ, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° পৰমানন্দ ৰাজবংশী। ড° ৰাজবংশীয়ে ভাষণ প্ৰসংগত গণেশৰ চহৰীয়াক উজ্জ্বল নক্ষত্ৰ বুলি অভিহিত কৰি শৈশৱ, কৈশৰ আৰু লৰালি কালৰ উপৰিও জীৱিত সময় চোৱাত কৰি যোৱা সামাজিক কৰ্মৰাজিক সোঁৱৰণ কৰে। অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° জগদীশ পাটগিৰি, বকো জে এন কলেজৰ অধ্যক্ষ ড° তপন দত্ত, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱকান্ত অধিকাৰী, কলেজ অৱ এডুকেশ্যনৰ অধ্যক্ষা শুভ্ৰা নাথ, ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কায্যবাহী সদস্য সুমিত ৰাভা, অৰ্জুন চেত্ৰী, কামৰূপ জিলা পৰিষদৰ সদস্য কাম্বু ৰাম ৰাভা, জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আৰু সম্পাদক সকলোৰ উপৰিও বকো সাহিত্য সভা শতদল শাখাৰ সভাপতি নৃপেন ভাগৱতীয়ে সভা সুৱনি কৰে। বকো সাহিত্য সভাৰ সাধাৰণ সম্পাদক তথা বিশিষ্ট সমাজকৰ্মী জনাৰ্দ্দন বড়োৰ তৎপৰতাত সদ্য প্ৰয়াত শিক্ষাবিদ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° গণেশ্বৰ চহৰীয়াৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, স্মৃতিচাৰণ সভা আৰু সোঁৱৰণ গ্ৰন্থ উন্মোচনী সভাত তেখেতৰ জীৱনৰ বিষদ আলোকপাত কৰা হয়। অতি গুৰুত্বপূৰ্ণ বিষয়টোৰ আলোচনা চক্ৰত কামৰূপ জিলা সাহিত্য সভাৰ আকাশ উপ সমিতিৰ কাৰ্য্যকৰী সভানেত্ৰী ড° বিজয়া ডেকা, বকো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি - সভানেত্ৰী আৰু বিষয় ববীয়া সকলে সহযোগ আগবঢ়ায়। সভাত ড° চহৰীয়া দেৱৰ শিক্ষা - সামাজিক আৰু সাংস্কৃতিক কৰ্মৰাজিৰ অৱদানক সোঁৱৰণ কৰি অনুষ্ঠিত কৰা মনোজ্ঞ কাৰ্ৰ্যসুচী বকোস্থিত কলেজ অৱ এডুকেশ্যনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা সভাত ড° গণেশ্বৰ চহৰীয়াৰ জীৱন সুগন্ধি শীৰ্ষক স্মাৰক গ্ৰন্থ আনুষ্ঠানিকভাৱে উন্মোচন কৰে ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া দেৱ কুমাৰ কলিতাই। অনুষ্ঠানত বহু বিশেষ কাৰ্যসুচী ৰূপায়ণ কৰা হয়।

## বিশুদ্ধ খোৱা পানীৰ পৰা বঞ্চিত উৰিয়ামঘাট বৰবিল শংকৰ গাঁৱৰ বাসিন্দা



**বাতৰি কাকত, সৰুপথাৰ, ২০জুলাই ঃ** সৰুপথাৰ বিধানসভা সমষ্টিৰ উৰিয়ামঘাটৰ বৰবিল শঙ্কৰ গাঁৱৰ প্ৰায় ২৫টা পৰিয়ালে আজিও দৈয়াং নদীৰ অপৰিষ্কাৰ ঘোলাপানী সেৱন কৰিয়েই তৃষ্ণা নিবাৰণ কৰিবলৈ বাধ্য হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। গাঁওখনত বসবাস কৰা উক্ত পৰিয়াল কেইটাৰ বাবে বৰ্তমানেও খোৱাপানীৰ একমাত্ৰ উৎস হ'ল গাঁওখনৰ কাষেৰে বৈ যোৱা দৈয়াং নদীখন । বছৰ বছৰ ধৰি দৈয়াং নদীৰ অপৰিষ্কাৰ পানীকে সেৱন কৰি আহিছে অঞ্চলটোৰ পৰিয়াল সমূহে। জনসাধাৰণৰ সুস্বাস্থ্যৰ বাবে বিশুদ্ধ খোৱাপানীৰ যোগানৰ দায়িত্বত থকা চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগে আজি পৰ্যন্ত উক্ত গাঁওখনৰ ৰাইজৰ বিশুদ্ধ খোৱা পানী যোগানৰ ব্যৱস্থা নকৰাৰ অভিযোগ উঠিছে। নদীখনৰ অপৰিষ্কাৰ পানী সেৱন কৰি বহু শিশু ৰোগাক্ৰান্ত হোৱা বুলিও অভিযোগ আছে। তথাপিও উপায় বিহীন উক্ত পৰিয়াল সমূহে একে অৱস্থাৰে জীৱন নিৰ্বাহ কৰি থাকিব লগাত পৰিছে। গ্ৰাম্য অঞ্চল একোটাৰ এনে ছবিয়ে সততে উন্নয়নৰ শ্ল'গান দিয়া চৰকাৰৰ এক প্ৰকৃত ছবি পোহৰলৈ অহা বুলি বিভিন্ন মহলে মত ব্যক্ত কৰিছে। অঞ্চলবাসীয়ে শীঘ্ৰে অঞ্চলটোত বিশুদ্ধ খোৱা পানী যোগানৰ ব্যৱস্থা গ্ৰহণৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছে।

## ইউ এচ আৰ্ট গেলাৰীৰ পঞ্চবৰ্ষপূৰ্তী



**বাতৰি কাকত, ধমধমা, ২০ জুলাই ঃ** নলবাৰী চহৰত ২০২১ চনত অলকেশ শৰ্মা আৰু কুইন দেৱীৰ কন্যা ড° উপাসনা শৰ্মাৰ নেতৃত্বত গঠন হৈছিল 'ইউ এচ আৰ্ট গেলাৰী' নামৰ এটা সংস্থা। বিশ্বৰ চিত্ৰ শিল্পীসকলৰ লগত একেলগে কাম কৰাৰ উদ্দেশ্যৰে গঠণ হোৱা অনুষ্ঠানটোৰ পঞ্চ বৰ্ষপূৰ্তী পূৰ্ণ হয়। দেওবাৰে নলবাৰী চহৰৰ নাহৰ ৰেষ্টুৰেণ্টত ইউ এচ আৰ্ট গেলাৰীৰ পঞ্চবৰ্ষপূৰ্তী অনুষ্ঠানটো অনুষ্ঠিত কৰা হয়। প্ৰথমতে ইউ এচ আৰ্ট গেলাৰীৰ স্বত্বাধিকাৰী উপাসনা শৰ্মাই এই পাঁচ বছৰীয়া বৰ্ণিল যাত্ৰা সন্দৰ্ভত আলোকপাত কৰে। লগতে উল্লেখ কৰে যে বিশ্বৰ ২০খন দেশৰ শিল্পী এই আৰ্ট গেলাৰীৰ লগত জড়িত হৈ আছে। লগতে বিশ্বৰ চিত্ৰ শিল্পীসকলৰ লগত একেলগে কাম কৰা হেপাহ। আজিৰ উক্ত অনুষ্ঠানত উপস্থিত থাকে নলবাৰীৰ জেষ্ঠ সাংবাদিক আব্দুল মজিদ,অসম টাইমৰ পৰিচালন সঞ্চালক এম মহিবৰ ৰহমান,কবি-শিক্ষক জয় চন্দ্ৰ শৰ্মা, যুৱ সাংবাদিক মৃদুল কলিতা,যুৱ নেতা অপূৰ্ব শৰ্মা আৰু ইউ এচ আৰ্ট গেলাৰীৰ সদস্য ৰাণা প্ৰতিম শৰ্মা।

## গোলাঘাটত মুষলধাৰ বৰষুণত জনজীৱন ব্যাহত

**বাতৰি কাকত, গোলাঘাট, ২০ জুলাই ঃ** বৰষুণে গোলাঘাট নগৰৰ জনজীৱন সম্পূৰ্ণৰূপে বিপৰ্যস্ত কৰি তুলিছে। প্ৰচণ্ড বৰষুণৰ ফলত নগৰৰ বহু অঞ্চলত ভয়াবহ জলাবদ্ধতাৰ সৃষ্টি হোৱাত সাধাৰণ ৰাইজে যথেষ্ট দুৰ্ভোগ ভুগিবলগীয়া হৈছে। অবিৰত বৰষুণৰ ফলত নগৰৰ নলাবোৰ সম্পূৰ্ণৰূপে পানীৰে উপচি পৰে। ফলস্বৰূপে বৰষুণৰ পানী ৰাজপথ আৰু গলিবোৰত বিয়পি পৰি নগৰৰ মাজমজিয়াত অৱস্থিত চক বজাৰ, শ্ৰীমন্ত নগৰ, কৃষ্ণ নগৰ, তপন নগৰ, শান্তিপুৰ, কুমাৰপট্টি আৰু হিন্দী স্কুল চাৰিআলিকে ধৰি কেইবাটাও অঞ্চলত কৃত্ৰিম বানৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। জলাবদ্ধতাৰ ফলত যান-বাহন চলাচল ব্যাহত হৈছে। বহু ঠাইত পথ-ঘাট পানীৰ তলত ডুব যোৱাত যানবাহন চালক আৰু পথচাৰীয়ে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। আনহাতে, উল্লিখিত অঞ্চলসমূহৰ বহু বাসগৃহতো বৰষুণৰ পানী সোমাই পৰাত স্থানীয় বাসিন্দাসকলৰ দুৰ্ভোগ অধিক বৃদ্ধি পাইছে। বহু পৰিয়ালে ঘৰুৱা সামগ্ৰী সুৰক্ষিত স্থানলৈ স্থানান্তৰ কৰাৰ লগতে দৈনন্দিন কাম-কাজ সম্পন্ন কৰাতো যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে। স্থানীয় ৰাইজে প্ৰশাসনক নলা-নৰ্দমাৰ পানী নিষ্কাশন ব্যৱস্থা উন্নত কৰাৰ লগতে জলাবদ্ধতাৰ সমস্যাৰ স্থায়ী সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। একে ধৰণে বৰষুণ অব্যাহত থাকিলে পৰিস্থিতি আৰু অধিক জটিল হোৱাৰ আশংকা প্ৰকাশ কৰা হৈছে।

## নলবাৰীত মুক্তি যুঁজাৰু সন্মিলনৰ জিলা অধিবেশন-নতুন জিলা সমিতি গঠন

**ষ্টাফ ৰিপ'ৰ্টাৰ, নলবাৰী, ২০ জুলাই ঃ** নলবাৰী জিলা মুক্তি যুঁজাৰু সন্মিলনৰ দেওবাৰে জিলা অধিবেশন সুচাৰুৰূপে সম্পন্ন হৈ যায়। নলবাৰী জিলা পুথিভঁৰালত দিনযোৰাকৈ আয়োজিত অধিবেশনৰ মুকলি সভাত সভাপতিত্ব কৰে জিলা মুক্তি যুঁজাৰু সন্মিলনৰ উপদেষ্টা সত্যেন শৰ্মাই। জিলা মুক্তি যুঁজাৰু সন্মিলনৰ সাধাৰণ সম্পাদক নৃপাল বৰ্মাই পৰিচালনা কৰা সভাত মুক্তি যুঁজাৰু সন্মিলনৰ ৰাজ্যিক সাধাৰণ সম্পাদক দীজেন্দ্ৰ মোহন শৰ্মা, ৰাজ্যিক পৰ্যবেক্ষক ৰোহিনী শৰ্মা দলৈ, নৱজিত ঠাকুৰীয়া উপস্থিত থকাৰ লগতে অতিথি হিচাপে উপস্থিত থাকে ড° বিনয় ৰঞ্জন শৰ্মা, কেন্দ্ৰীয় সমিতিৰ কোষাধ্যক্ষ কমল লহকৰ, কমলেশ্বৰ ডেকা, পৰেশ শৰ্মা, কামৰূপ গ্ৰাম্য জিলাৰ সাধাৰণ সম্পাদক অমৰজিত শইকীয়া, অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত বিষয়া অঞ্জন শৰ্মাকে ধৰি বিভিন্নজন লোক উপস্থিত থাকে। সভাৰ আৰম্ভণিতে দেশৰ স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰা সংগ্ৰামী সকলক স্মৰণ কৰা, তেওঁলোকৰ পৰিয়ালক সম্বৰ্ধনা জনোৱা হয়। এই সভাতে মুক্তি যুজাৰুসকলৰ পৰিয়ালৰ নিৰনুৱা সদস্যক 'সন্মান পেঞ্চন' আঁচনি শীঘ্ৰেই কাৰ্যকৰী কৰা, জিলা মুক্তি যুঁজাৰু কাৰ্যালয় গৃহৰ নামত ৫০ লাখ টকাৰ অনুদান আগবঢ়োৱাৰ দাবী জনায়। ইয়াৰ সমান্তৰালকৈ মুকুন্দ কাকতি আৰু ধৰ্ম ডেকাৰ নামত বিশেষ অনুষ্ঠান নামাংকৃত কৰাৰো আজিৰ সভাতে দাবী জনোৱা হয়। এই জিলা অধিবেশনতে নলবাৰীৰ একমাত্ৰ জীৱিত মুক্তিযোদ্ধা কনক বৰ্মনক সভাপতি আৰু কনক বৰ্মাক সাধাৰন সম্পাদক হিচাপে লৈ নতুন কমিটিখন গঠন কৰা হয়। উক্ত সভাতে মহেন্দ্ৰ মল্ল বুজৰ বৰুৱাক কাৰ্যকৰী সভাপতি হিচাপে, ভূপেন কলিতা,লক্ষীৰানী দাস, প্ৰশান্ত বৰ্মন আৰু কামাখ্যা বৰ্মনক উপসভাপতি, প্ৰশান্ত বৰ্মন আৰু প্ৰতুল কলিতাক সহকাৰী সম্পাদক হিচাপে লৈ নতুন কমিটিখন গঠন কৰা হয়।

# ধাৰাপুৰ চাৰিআলিত দৈনিক বজাৰ উদ্বোধন

**গুৱাহাটী,২০ জুলাইঃ** গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ ধাৰাপুৰ চাৰিআলিৰ পৰা গড়ল হৈ বিমানবন্দৰলৈ যোৱা মূল পথছোৱা সম্প্ৰসাৰণ কৰাৰ ফলত ধাৰাপুৰ চাৰিআলিত চলি থকা দৈনিক বজাৰখন বিলুপ্ত হৈ পৰে। দৈনিক বজাৰখন বিলুপ্ত হৈ পৰাৰ লগে লগে স্থানীয় ক্ৰেতা-বিক্ৰেতাসকল স্বাভাৱিকতে হাহাকাৰৰ সন্মুখীন হৈ পৰে। শেহতীয়াভাৱে প্ৰয়াত হৰেন্দ্ৰ চন্দ্ৰ বৰুৱা আৰু প্ৰয়াত কাচিম আলীৰ পৰিয়ালৰ এডোখৰ মাটি ভাৰাত লৈ বৃহত্তৰ ধাৰাপুৰ অঞ্চলৰ উদ্যমী যুৱক মানৱ কলিতা আৰু বিনোদ কলিতাই ধাৰাপুৰ চাৰিআলি চ'কত এখন দৈনিক বজাৰ স্থাপন কৰে। ১৭জুলাইৰ দিনা সন্ধিয়া দুই শতাধিক লোকৰ উপস্থিতিত ধাৰাপুৰ চাৰিআলি দৈনিক বজাৰখন উদ্বোধন কৰে গুৱাহাটী মহানগৰ জিলা বিজেপিৰ সভাপতি তপন চন্দ্ৰ দাসে। অনুষ্ঠানত ধাৰাপুৰ গাঁৱৰ চৰকাৰী গাঁও প্ৰধান ধৰ্মকান্ত কলিতা, ধাৰাপুৰ তালুক কমিটিৰ সভাপতি দ্বিজেন্দ্ৰ কলিতা, প্ৰাক্তন সভাপতি অধিবক্তা সত্য ভৰালী, সাধাৰণ সম্পাদক কৃষ্ণকান্ত দাস, বিশিষ্ট সমাজকৰ্মী অতুল মেধি, বৃহত্তৰ ধাৰাপুৰ ঐক্য মঞ্চৰ



সভাপতি তপন দাস প্ৰমুখ্যে কেবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে, নতুনকৈ স্থাপন কৰা বজাৰখনত প্ৰায় ৭০টা কোঠালি আটকধুনীয়াকৈ নিৰ্মাণ কৰা হৈছে। বজাৰখনত চৰনেহালি বালি চাপৰিৰ সতেজ শাক পাচলি আৰু দীপৰ বিলৰ সুস্বাদু মাছ উপলব্ধ হ'ব বুলি জানিবলৈ দিয়ে উদ্যমী যুৱক মানৱ কলিতা আৰু বিনোদ কলিতাই।

# উত্তৰ পুৰুষৰ মঞ্চৰ মাহিলি বৈঠক সফলতাৰে সম্পন্ন

**গুৱাহাটী, ২০জুলাইঃ** আমাক হেজাৰখন হাত লাগে, যাৰ মন এটাই- এই অমৃত বাক্যক আদৰ্শ হিচাপে লৈ সমাজ-সংস্কৃতিৰ ক্ষেত্ৰত এক সুকীয়া নিদৰ্শন দাঙি ধৰা উত্তৰ পুৰুষৰ মঞ্চ(উপুম)ৰ মাহিলি বৈঠকখন দেওবাৰে গুৱাহাটীৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ সঞ্চালকালয়ৰ চেনিকুঠীস্থ কাৰ্যালয়ৰ প্ৰাংগণত সফলতাৰে অনুষ্ঠিত হৈ যায়। বিশিষ্ট শিশু-সাহিত্যিক, চিত্ৰশিল্পী তথা উপুমৰ কাৰ্যকৰী সভাপতি সুৰেন্দ্ৰ মোহন দাসৰ সভাপতিত্বত অনুষ্ঠিত প্ৰায় অৰ্ধশতাধিক সদস্যৰ উপস্থিতিৰে বৈঠকখন উপুমৰ শীৰ্ষক সংগীতেৰে আৰম্ভণি কৰা হয়। বৈঠকত মঞ্চৰ আগন্তুক বাৰ্ষিক অধিৱেশনৰ তাৰিখ, স্থান, বাজেট আৰু দায়িত্ব বিতৰণৰ বিষয়ে বিস্তৃত আলোচনা কৰা হয়। একে সময়তে মঞ্চৰ মুখপত্ৰ 'উত্তৰ পুৰুষ' শীঘ্ৰে প্ৰকাশৰ বাবে প্ৰয়োজনীয় পদক্ষেপ লোৱাৰো সৰ্বসম্মত সিদ্ধান্ত গ্ৰহণ কৰা হয়। মঞ্চৰ সৰ্বোচ্চ সন্মান অক্লান্ত উত্তৰ পুৰুষ বঁটা, উত্তৰ পুৰুষ সমাজ প্ৰভাকৰ বঁটা আৰু নতুনকৈ প্ৰৱৰ্তন কৰা দিবাকৰ ৰেণু সাহিত্য বঁটাৰ মাপকাঠি আৰু বাছনি সমিতি গঠনৰ বিষয়েও বৈঠকত বিষদ আলোচনা কৰা হয় উপুমৰ সাধাৰণ সম্পাদক হৰেকৃষ্ণ হালৈয়ে ভাষণত মঞ্চৰ প্ৰতিষ্ঠাপক দিবাকৰ ৰেণুৰ সাহিত্য অৱদান আৰু বিগত এঘাৰ বছৰত মঞ্চই ৰূপায়ণ কৰা সামাজিক-সাংস্কৃতিক কাৰ্যসূচীৰ বিষয়ে বিতং বিৱৰণ দাঙি ধৰে। লগতে আগন্তুক বছৰৰ কৰ্ম-পৰিকল্পনা স্থিৰ কৰাৰ লগতে সংগঠনৰ সাংগঠনিক সম্প্ৰসাৰণৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে।বৈঠকৰ মাজতে সাংস্কৃতিক পৰিৱেশ এটিয়ে বিশেষ মাত্ৰা যোগায়। মঞ্চৰ মুখ্য উপদেষ্টা ড° অনিমা বৰাই এটি ভজন পৰিৱেশন কৰাৰ লগতে শিখামণি দত্তই এটি সুৰীয়া গান পৰিৱেশন কৰে। ইয়াৰ




উপৰি সাংবাদিক কমল কুমাৰ, হৰেকৃষ্ণ হালৈ, ফুকন ৰাজবংশী, পৰম প্ৰিয়ম ৰায় বৰুৱা আৰু পুলকেশ ৰায় বৰুৱাই কবিতা পাঠ কৰি সভাৰ মাজত পৰিৱেশটো সতেজ কৰি তোলে।সভাত অভিনৱ বৰা, জিতেন দৈমাৰী, প্ৰণিতা মৌপিয়া, অলকানন্দ গোস্বামী, ৰূপালী বড়ো, দিপিকা পাঠক, শৈলেন কলিতা, ৰঞ্জিত বৰ্মন, ৰুমী ঠাকুৰীয়া, অহিৰণ অন্তৰীপ হালৈ, ৰাজকমল কলিতা, অঞ্জন অৰ্ণৱ হালৈ আৰু সৰগম সংগীত বিদ্যালয়ৰ অধ্যক্ষ নিৰেন চন্দ্ৰ বৈশ্যকে ধৰি বিশিষ্ট সদস্যসকল উপস্থিত থাকে। অনুষ্ঠানৰ অন্তত কবিতা ডি ৰেণুৱে দিবাকৰ ৰেণুৰ ৰচনা আৰু সুৰাৰোপ কৰা এটি হৃদয়স্পৰ্শী গীত পৰিৱেশন কৰে। সভাৰ অন্তত উপুমৰ উপ-সভাপতি তথা সাহিত্য-সংস্কৃতিমূলক মাহেকীয়া আলোচনী 'জোনাক'ৰ মুখ্য সম্পাদক পুলকেশ ৰায় বৰুৱাই শলাগৰ শৰাই আগবঢ়ায়। লগতে উপস্থিত সকলোকে থলুৱা খাদ্য সামগ্ৰীৰে তৃপ্তিৰে এসাঁজ আপ্যায়ন কৰে।

# এক্সিছ বেংকৰ প্ৰথম ত্ৰৈমাসিকত নিকা লাভ ৭,১১৪ কোটি টকা

**গুৱাহাটী, ২০জুলাইঃ** ভাৰতৰ অন্যতম বৃহৎ ব্যক্তিগত খণ্ডৰ বেংক এক্সিছ বেংকে ২৭ বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰৈমাসিকত বেংকটোৱে ৭,১১৪ কোটি টকাৰ নিকা লাভ দেখুৱাইছে, যিটো যোৱা বছৰৰ একেটা ত্ৰৈমাসিকৰ তুলনাত ২৩শতাংশ বৃদ্ধি পাইছে। এই বৃদ্ধিৰ মূলতে আছিল উন্নত পৰিচালনা প্ৰদৰ্শন আৰু সুস্থিৰ সম্পত্তিৰ মানদণ্ড। নিকা সুতৰ আয় ৮শতাংশ বৃদ্ধি পাই ১৪,৬৪৬ কোটি টকা হয়। আনহাতে মূল পৰিচালনা লাভ ১০ শতাংশ (বছৰৰ পিছত বছৰ) আৰু ৫ শতাংশ (ত্ৰিমাসিকৰ পিছত ত্ৰৈমাসিক) বৃদ্ধি পাই ১১,১২২ কোটি টকা হয়। জমা আৰু অগ্ৰিম দুয়োটাতে বজাৰ অংশীদাৰিত্ব বৃদ্ধি কৰিছে বেংকটোৱে। বছৰৰ পিছত বছৰ ধৰি জমা ধন ১৮ শতাংশ আৰু অগ্ৰিম ধন ১৯শতাংশ বৃদ্ধি পাইছে। ইয়াৰ ফলত বেলেন্স শ্বীট ২০শতাংশ বৃদ্ধি পাই ১৯,২১,৯৬৬ কোটি টকা হয়। সম্পত্তিৰ মানদণ্ডও উন্নত হৈছে। গ্ৰাছ এনপিএ ১.২৮ শতাংশ (বছৰি ২৯ বিপিএছ হ্ৰাস) আৰু নেট এনপিএ ০.৩৯ শতাংশ (বছৰি ৬বিপিএছ হ্ৰাস)ত আছে।ইয়াৰ উপৰিও বেংকটোৱে ৰিটাৰ্ণ অন ইকুইটি ১৪.১৬ শতাংশলৈ উন্নত কৰিছে আৰু ১৬.৬৭ শতাংশ শক্তিশালী কেপিটেল এডেকুৱেচি ৰেচিঅ' বজাই ৰাখিছে। ডিজিটেল বেংকিঙৰ ক্ষেত্ৰত নিজৰ নেতৃত্ব শক্তিশালী কৰিছে এক্সিছ বেংকে। বেংকৰ কৰ্পৰেট ঋণৰ বুক বছৰৰ পিছত বছৰ ধৰি ৩৮ শতাংশ বৃদ্ধি পোৱাৰ বিপৰীতে মিড কৰ্পৰেট বুকত ২৭শতাংশ আৰু ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ ঋণ ২৫শতাংশ বৃদ্ধি পাইছে। বেংকটোৰ ঘৰুৱা সহযোগী কোম্পানীসমূহেও ভাল প্ৰদৰ্শন আগবঢ়াইছে, বিত্তীয় বৰ্ষ ২৭ৰ প্ৰথম ত্ৰৈমাসিকত ৫৪৬ কোটি টকাৰ নিকা লাভ দেখুৱাইছে, যিটো বছৰৰ পিছত বছৰ ধৰি ২১ শতাংশ বৃদ্ধি পাইছে। এই ত্ৰৈমাসিকত এক্সিছ বেংকে ডিজিটেল উদ্ভাৱন, এআই-নেতৃত্বাধীন ৰূপান্তৰ আৰু পৰিৱেশতন্ত্ৰৰ অংশীদাৰিত্বত বিনিয়োগ কৰি ভৱিষ্যতৰ বাবে সাজু ফ্ৰেঞ্চাইজি গঢ়ি তোলাৰ ওপৰত নিজৰ মনোনিৱেশ তীব্ৰতৰ কৰি তুলিছে। 'নিৰাপদ বেংকিং' প্ৰস্তাৱক শক্তিশালী কৰি বেংকটোৱে মোবাইল নম্বৰ ডিজিটেলভাৱে আপডেট কৰাৰ স্ব-সেৱা বৈশিষ্ট্য হিচাপে 'আধাৰ মুখ প্ৰমাণীকৰণ' প্ৰদান কৰা প্ৰথমটো বৃহৎ বেংক হিচাপে পৰিগণিত হয়। ইয়াৰ উপৰিও ই ফ্লিপকাৰ্ট আৰু পে ইউ কেৰ সৈতে অংশীদাৰিত্ব কৰি সুৰক্ষিত অটিপি-মুক্ত লেনদেনৰ জৰিয়তে কাৰ্ড পেমেণ্টৰ বাবে বায়'মেট্ৰিক প্ৰমাণীকৰণ প্ৰদান কৰে। ইয়াৰ উপৰিও ই স্মাৰ্ট আৰু কাগজবিহীন ৱৰ্কফ্ল'ৰ জৰিয়তে কাৰেণ্ট একাউণ্ট গ্ৰাহকৰ বাবে আৰইকেৱাইচি আৰু ব্যৱসায়িক প্ৰফাইল আপডেট প্ৰক্ৰিয়া সৰল কৰিবলৈ এআইভিত্তিক কম্প্লাইয়েন্স সমাধান আৰম্ভ কৰে। বেংকে ইয়াৰ প্ৰথমটো ডিজিটেল লকাৰ কেন্দ্ৰিক শাখাও মুকলি কৰে যিয়ে উন্নত স্বয়ংক্ৰিয়কৰণ, নিৰাপত্তা আৰু সুবিধাৰ সৈতে ভৱিষ্যতৰ বেংকিঙৰ এক পৃথক আৰু আধুনিক অভিজ্ঞতা প্ৰদান কৰে। বেংকৰ পৰিচালন সঞ্চালক আৰু মুখ্য কাৰ্যবাহী বিষয়া অমিতাভ চৌধুৰীয়ে কয়, 'গ্ৰাহকৰ আশা সলনি হোৱাৰ লগে লগে আৰু প্ৰযুক্তিয়ে বিত্তীয় সেৱাসমূহক পুনৰ গঢ় দিয়াৰ লগে লগে আমাৰ গুৰুত্ব হৈছে এনে এটা ফ্ৰেঞ্চাইজি গঢ়ি তোলাত, যিয়ে বিশ্বাস, উদ্ভাৱন আৰু শক্তিক এটা পৰিসৰত একত্ৰিত কৰে। এই ত্ৰৈমাসিকত আমি ডিজিটেল সুৰক্ষা শক্তিশালী কৰা, গ্ৰাহকৰ অভিজ্ঞতা সৰল কৰিবলৈ এআইৰ সহায় লোৱা, বৃদ্ধিৰ মঞ্চ সম্প্ৰসাৰণ কৰা আৰু অৰ্থনৈতিক অগ্ৰগতিৰ সূচনা কৰা পৰিৱেশতন্ত্ৰসমূহক সমৰ্থন কৰা অগ্ৰাধিকাৰসমূহত বিনিয়োগ অব্যাহত ৰাখিলোঁ।'

# পিয়াজিঅ' ভেহিকলছে আগবঢ়াইছে এপেৰেভ

**জুলাই,২০জুলাইঃ** পিয়াজিঅ' গ্ৰুপৰ সম্পূৰ্ণ মালিকানাধীন ভাৰতীয় সহযোগী প্ৰতিষ্ঠান পিয়াজিঅ' ভেহিকেলছ প্ৰাইভেট লিমিটেডে সম্পূৰ্ণ নতুন এপেৰেভ মুকলিৰ জৰিয়তে নিজৰ বৈদ্যুতিক যাত্ৰীবাহী বাহনৰ পৰ্টফলিঅ' সম্প্ৰসাৰণ কৰিছে। নতুন বৈদ্যুতিক তিনিচকীয়া বাহনখনে দ্ৰুতগতিত বৃদ্ধি পোৱা সুলভ মূল্যৰ যাত্ৰীবাহী ইভি শাখাক প্ৰতিনিধিত্ব কৰাৰ লগতে নগৰীয়া আৰু অৰ্ধনগৰীয়া গতিশীলতাৰ বাবে বৰ্ধিত আৰাম, সুৰক্ষা আৰু নিৰ্ভৰযোগ্যতা প্ৰদান কৰে। ভাৰতত প্ৰতিষ্ঠানটোৰ ইলেকট্ৰিক মবিলিটিৰ যাত্ৰা আৰম্ভ হৈছিল এপে ই-চিটি শ্বোৱাপেবল মডেলৰ প্ৰৱৰ্তনৰ জৰিয়তে, তাৰ পিছত এপে ই-চিটি এফএক্স আৰু পৰৱৰ্তী সময়ত এপে ই-চিটি মেক্স আৰু এপে ই-চিটি আল্ট্ৰা প্লেটফৰ্মৰ জৰিয়তে ইভি পৰ্টফলিঅ' উন্নীত হৈছিল। এই বিৱৰ্তন অব্যাহত ৰাখি এপেৰেভে ভাৰতীয় পৰিচালনাৰ পৰিস্থিতিৰ বাবে নিৰ্মিত ব্যৱহাৰিক আৰু বহনক্ষম গতিশীলতা সমাধান প্ৰদানৰ বাবে পিয়াজিঅ'ৰ দায়বদ্ধতাক শক্তিশালী কৰে।এই সন্দৰ্ভত পিয়াজিঅ' ভেহিকেলছ প্ৰাইভেট লিমিটেডৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক ডিয়েগো গ্ৰাফিয়ে কয়,'ভাৰতৰ বৈদ্যুতিক গতিশীলতাৰ পৰিৱেশ দ্ৰুতগতিত বিকশিত হৈছে, বিশেষকৈ যাত্ৰীবাহী তিনিচকীয়া বাহনৰ শাখা, য'ত গ্ৰাহকে নিৰ্ভৰযোগ্য আৰু অৰ্থনৈতিকভাৱে কাৰ্যক্ষম সমাধান বিচাৰিছে। এপেৰেভৰ জৰিয়তে আমি এনে এখন বাহন প্ৰৱৰ্তন কৰিছোঁ যিখন বিশেষভাৱে সুলভ মূল্যৰ মালিকীস্বত্ব বিচৰা চালকসকলৰ প্ৰয়োজনীয়তা পূৰণৰ লগতে উচ্চমানৰ আৰাম, সুৰক্ষা আৰু কাৰ্যকৰী নিৰ্ভৰযোগ্যতা পূৰণৰ বাবে বিকশিত কৰা হৈছে। বাহনখনে ভাৰতীয় গতিশীলতাৰ প্ৰয়োজনৰ বিষয়ে আমাৰ অভিজ্ঞতাক প্ৰতিফলিত কৰিছে আৰু সমগ্ৰ দেশতে বহনক্ষম পৰিবহণ আৰু জীৱিকা সৃষ্টিৰ প্ৰতি থকা আমাৰ দায়বদ্ধতাক শক্তিশালী কৰে।' পিয়াজিঅ' ভেহিকেলছ প্ৰাইভেট লিমিটেডৰ চিভি ডমেষ্টিক বিজনেছ এণ্ড ৰিটেইল ফাইনেন্সৰ কাৰ্যবাহী উপাধ্যক্ষ অমিত সাগৰে কয়, 'যাত্ৰীবাহী ইভি শাখাৰ চাহিদা দ্ৰুত গতিত বৃদ্ধি পাই আছে।বিশেষকৈ যিবোৰ বজাৰত শ্বেয়াৰড মবিলিটি আৰু কম দূৰত্বৰ পৰিবহণে দৈনন্দিন যাতায়তত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। গ্ৰাহকসকলক অধিগ্ৰহণ খৰচ, কাৰ্যকৰী সঞ্চয় আৰু যাত্ৰীৰ অভিজ্ঞতাৰ মাজত এক আদৰ্শ ভাৰসাম্য প্ৰদান কৰিবলৈ এপেৰেভৰ ডিজাইন কৰা হৈছে। শক্তিশালী গুণগত মান, কম ৰক্ষণাবেক্ষণৰ প্ৰয়োজনীয়তা, যাত্ৰাৰ আৰাম, আৰু এপেৰ নিৰ্ভৰযোগ্যতাৰ সৈতে, বাহনখনে চালক আৰু ফ্লীট অপাৰেটৰৰ বাবে একেদৰেই এক শক্তিশালী মূল্য প্ৰস্তাৱনা সৃষ্টি কৰিব বুলি আশা কৰা হৈছে।'

# কাৰ্গিল বিজয় দিৱসত জাৱা, য়েজদি মটৰ চাইকেল ৰাইডাৰসকলৰ সৈতে ফ্লেগ অফ ৰক্ষামন্ত্ৰীৰ

**গুৱাহাটী,২০জুলাইঃ**কাৰ্গিল বিজয় দিৱস ২০২৬ৰ দেশজোৰা স্মৃতিচাৰণ উপলক্ষে ৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে নতুন দিল্লীৰ নেচনেল ৱাৰ মেম'ৰিয়েলৰ পৰা 'শৌৰ্য বিজয় যাত্ৰা'ৰ পতাকা উত্তোলন কৰে। য'ত আৰোহীয়ে জাৱা আৰু য়েজদি মটৰ চাইকেলসমূহত তেৰদিনীয়া অভিযানৰ আৰম্ভণি কৰে। 'অ'ৱান ৰাইড, অ'ৱান নেচন, ৱান চেলুট' মূলমন্ত্ৰৰে ১৯০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই অভিযানত সেৱা আগবঢ়োৱা আৰু অৱসৰপ্ৰাপ্ত প্ৰতিৰক্ষা কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ লগতে নিৰ্ভীক শ্বহীদসকলৰ নিকটাত্মীয়কে ধৰি ২৮গৰাকী ৰাইডাৰে লাডাখৰ দ্ৰাছস্থিত কাৰ্গিল ৱাৰ মেম'ৰিয়েললৈ যাত্ৰা কৰিব। ১৯৯৯ চনৰ কাৰ্গিল যুদ্ধত জয় নিশ্চিত কৰা ভাৰতীয় অকুতোভয় ব্যক্তিসকলৰ সাহস, সংকল্প আৰু পৰম ত্যাগক এই অভিযানটোৱে সন্মান জনাব। চলিত বৰ্ষৰ ২৬ জুলাইত চূড়ান্ত স্থান কাৰ্গিল ৱাৰ মেম'ৰিয়েলত উপনীত হোৱাৰ পূৰ্বে চণ্ডীমন্দিৰ, ৰেজাং লা আৰু লেহৰাৰ মেম'ৰিয়েলৰ মাজেৰে পাৰ হৈ যাব। ৰাইডাৰসকলে লগতে বীৰ নাৰীসকলক তেওঁলোকৰ সহনশীলতাৰ বাবেও সম্বৰ্ধনা জনাব।ফ্লেগ অফ অনুষ্ঠানটো ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, চীফ অৱ ডিফেন্স ষ্টাফ জেনেৰেল এন এছ ৰাজা সুব্ৰমণি আৰু চীফ অৱ দ্য আৰ্মী ষ্টাফ জেনেৰেল ধীৰাজ ছেঠৰ লগতে জ্যেষ্ঠ সামৰিক বিষয়া, প্ৰবীণ সৈনিক আৰু আমন্ত্ৰিত অতিথিসকলৰ দ্বাৰা শোভায়মান হয়। সভাখনত ভাষণ প্ৰদান কৰাৰ লগতে ৰাজনাথ সিঙে কাৰ্গিল যুদ্ধত জাতীয় পতাকাৰ সন্মান ৰক্ষা কৰা ভাৰতীয় জোৱানসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।তেখেতে এই বিজয়ক ভাৰতৰ ভূমি আৰু পৰিচয় ৰক্ষাৰ চিৰস্থায়ী সংকল্পৰ প্ৰতীক বুলি অভিহিত কৰি পৰম বীৰ চক্ৰ বঁটা বিজয়ী কেপ্টেইন বিক্ৰম বাত্ৰা, লিউটেনেণ্ট মনোজ কুমাৰ পাণ্ডে, চুবেদাৰ মেজৰ (অনৰেৰী কেপ্টেইন) যোগেন্দ্ৰ সিং যাদৱ (অৱসৰপ্ৰাপ্ত) আৰু চুবেদাৰ মেজৰ (অনৰেৰী কেপ্টেইন) সঞ্জয় কুমাৰ (অৱসৰপ্ৰাপ্ত)ৰ অৱদানসমূহৰ কথা মনত পেলায়।ভাৰতৰ বীৰ জোৱানসকলৰ প্ৰেৰণাদায়ক কাহিনী আৰু জাতিটোলৈ তেওঁলোকৰ সেৱাক মটৰ চাইকেল চলোৱা সম্প্ৰদায়ক ওচৰলৈ অনাৰ বাবে জাৱা য়েজদি মটৰ চাইকেলে ২০২১ চনত এই শ্ৰদ্ধাঞ্জলি যাত্ৰা আৰম্ভ কৰিছিল। এই বছৰ জাৱা ৩৫০, ৪২, ৪২ এফজে আৰু য়েজদি এডভেঞ্চাৰ আৰু স্ক্ৰেম্বলাৰেৰে এই অভিযানটো সম্পন্ন কৰা হ'ব। ক্লাচিক লিজেণ্ডছৰ কো-ফাউণ্ডাৰ অনুপম থাৰেজাই কয়, 'শৌৰ্য বিজয় যাত্ৰা হ'ল আমাৰ কাৰ্গিলৰ বীৰসকলৰ লগতে তেওঁলোকৰ পৰিয়ালবৰ্গৰ ত্যাগৰ কথা আজিৰ প্ৰজন্মক মনত ৰখাত সহায় কৰাৰ উপায়। এই অভিযানটোৱে ভাৰতীয় সশস্ত্ৰ বাহিনীৰ সৈতে সংহতিৰে ৰাইড কৰি নতুন প্ৰজন্মক সাহস, অনুশাসন, সংকল্প আৰু নিস্বাৰ্থতাৰ মূল্যবোধৰ সৈতে পৰিচয় কৰাই দিয়া হৈছে যিয়ে মানুহক এগৰাকী প্ৰকৃত নায়ক কৰি তোলে। ভাৰতীয় সেনাৰ সমান্তৰালভাৱে আমি এই শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰি আমাৰ অকুতোভয়বীৰসকলক সন্মান প্ৰদৰ্শন কৰিবলৈ পাই সন্মানিত হৈ পৰিছোঁ।'

# ৩৩তম অসম ৰাজ্যিক একুৱেটিক চেম্পিয়নশ্বিপৰ সামৰণি

**গুৱাহাটী,২০জুলাইঃ** অসম সাঁতোৰ সংস্থাৰ উদ্যোগত গুৱাহাটীৰ ড° জাকিৰ হুছেইন একুৱেটিক কমপ্লেক্স, সৰুসজাইত ১৭ জুলাইৰ পৰা ১৯জুলাইলৈ অনুষ্ঠিত ৩৩তম অসম ৰাজ্যিক একুৱেটিক




চেম্পিয়নশ্বিপৰ সফল সামৰণি ঘটে। ১৭ জুলাই প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে অসম চৰকাৰৰ ক্ৰীড়া মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে। তিনিদিনীয়া এই প্ৰতিযোগিতাত অসমৰ বিভিন্ন জিলাৰ সাঁতোৰ, ডাইভিং আৰু ৱাটাৰ প'ল' শাখাৰ শতাধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰি নিজৰ প্ৰতিভাৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰে। সামগ্ৰিক দলীয় চেম্পিয়নশ্বিপত যোৰহাট জিলা ৪৭সোণ, ৩৬ ৰূপ,৩১ ব্ৰঞ্জৰে শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে। কামৰূপ জিলা সাঁতোৰ দলে সোণ ২৭, ৰূপ ৩৬, ব্ৰঞ্জ ৩৩ ৰে দ্বিতীয় স্থান আৰু তৃতীয় স্থান অধিকাৰ কৰা শিৱসাগৰ জিলা সাঁতোৰ দলে সোণ ১৩, ৰূপ ১৪, ব্ৰঞ্জ ৪ টা। অসম সাঁতোৰ সংস্থাৰ সাধাৰণ সম্পাদক ভাস্কৰ ৰঞ্জন দাসে প্ৰতিযোগিতাখনত শ্ৰেষ্ঠ প্ৰদৰ্শনেৰে পদক অৰ্জন কৰা সকলো খেলুৱৈৰ লগতে প্ৰতিগৰাকী অংশগ্ৰহণকাৰীক আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। তেওঁ লগতে ৰাজ্যত একুৱেটিক ক্ৰীড়াৰ অধিক বিকাশৰ বাবে সকলো জিলা সংস্থা, প্ৰশিক্ষক, বিচাৰক, স্বেচ্ছাসেৱক আৰু অভিভাৱকৰ সহযোগিতাৰ শলাগ লয়। অসম সাঁতোৰ সংস্থাৰ প্ৰচাৰ সচিব মুকুটেশ্বৰ গোস্বামীয়ে জানিবলৈ দিয়া মতে, এই চেম্পিয়নশ্বিপে অসমৰ উদীয়মান সাঁতোৰবিদ, ডাইভাৰ আৰু ৱাটাৰ প'ল' খেলুৱৈসকলৰ প্ৰতিভা বিকাশৰ এক উৎকৃষ্ট মঞ্চ হিচাপে পুনৰবাৰ নিজকে প্ৰতিষ্ঠা কৰিছে। তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক পুৰুষৰ ফাইনেলত শিৱসাগৰে ১১-০ গ'লত যোৰহাটক পৰাস্ত কৰে। মহিলা ৱাটাৰ প'ল শাখাত শিৱসাগৰে ৩-২ গ'লৰ ব্যৱধানত যোৰহাটক পৰাস্ত কৰি চূড়ান্ত বিজয়ী সন্মান লাভ কৰে। প্ৰতিযোগিতাৰ বিজয়ী খেলুৱৈসকলক বঁটা প্ৰদান কৰে স্থানীয় বিধায়ক বিজয় গুপ্তা, অসম অলিম্পিক এছ'চিয়েছনৰ সম্পাদক লক্ষ্য কোঁৱৰ,অসম সাঁতোৰ সন্থাৰ প্ৰণব বৰঠাকুৰ, প্ৰাঞ্জল ভট্টাচাৰ্য, চন্দন জ্যোতি ফুকন, যদু গগৈ, মুকুটেশ্বৰ গোস্বামী, ৰাজীৱ শৰ্মা, বাবুল গুৰুং, নৱজ্যোতি গগৈ অধিবক্তা তথা বিশিষ্ট সমাজকৰ্মী ড° পাৰ্থ কুমাৰ মেধি। প্ৰমুখ্যে অসমৰ কেইবাগৰাকী ক্ৰীড়া সংগঠক, সমাজকৰ্মী, প্ৰাক্তন খেলুৱৈয়ে বঁটা প্ৰদান কৰে। প্ৰতিযোগিতাখনৰ সফল আয়োজনৰ বাবে সকলো অংশীদাৰ, সহযোগী সংস্থা আৰু শুভাকাংক্ষীলৈ অসম সাঁতোৰ সংস্থাই কৃতজ্ঞতা জ্ঞাপন কৰিছে।

# লখৰাত বৃহত্তৰ বেতকুছি সাহিত্য সভাৰ কবি সন্মিলন

## অসমীয়া কবিতা অনুবাদ হ'লে ন'বেল বঁটা পাব ঃ কিশোৰ কুমাৰ জৈন



**গুৱাহাটী, ২০ জুলাই ঃ** অসম সাহিত্য সভাৰ অন্যতম শক্তিশালী শাখা বৃহত্তৰ বেতকুছি স্বৰ্ণদল শাখা সাহিত্য সভাৰ সৌজন্যত দেওবাৰে লখৰাস্থিত উদয়ন কৃষ্টি সংঘ প্ৰাংগনত এখন বৰ্ণিল কবি সন্মিলন অনুষ্ঠিত হৈ যায়। 'চিৰ চেনেহী মোৰ ভাষা জননী' শীৰ্ষক সমবেত সংগীত পৰিৱেশনেৰে আৰম্ভ কৰা সভাত সভাপতিত্ব কৰে শাখা সাহিত্য সভাৰ উপ-সভাপতি তথা বাণীকান্ত কাকতি কলেজ, বৰপেটাৰ অৱসৰী অধ্যাপক জ্যোতিষ চন্দ্ৰ কাকতিয়ে। শাখা সাহিত্য সভাৰ সম্পাদক তথা কবি হৰেণ দাসে আঁত ধৰা, উদ্দেশ্য ব্যাখ্যা কৰা কবি সন্মিলন সঞ্চালনা কৰে কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ প্ৰচাৰ সম্পাদক, কবি,সাংবাদিক দীপক শৰ্মাই। সন্মিলন উদ্ধোধন কৰি অসম সাহিত্য সভাৰ প্ৰাক্তন ধনভঁৰালী তথা কবি কিশোৰ কুমাৰ জৈনে কয়, 'অসমীয়া কবিতা অনুবাদ হ'লে ন'বেল বঁটা পাব। অসমীয়া কবিতা যথেষ্ট উন্নত। কবিসকলে যথেষ্ট অধ্যয়ন কৰিব লাগে।' সভাত ৰতিকান্ত ডেকাৰ কবিতা সংকলন 'ৰ'দে পুৱা জুই' উন্মোচন কৰি কইনাধৰা সাহিত্য সভাৰ সভাপতি ড° অৰুণ শৰ্মাই কয়, 'নৱপ্ৰজন্মক সাহিত্য সভাৰ প্ৰতি আকৰ্ষিত কৰিব লাগে। কিতাপ পঢ়িব লাগে। বৰ্তমান সময়ত গৰু পালন কৰা পালকৰ সংখ্যা হ্ৰাস পোৱাটো বৰ দুখজনক। ভীৰ বাঢ়িছে কুকুৰ পালকৰ সংখ্যা।' সভাত কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ সম্পাদক অৰুণ কুমাৰ মহন্ত, প্ৰাক্তন সম্পাদক দুৰ্গেশ্বৰ পাঠক, অন্নদা বড়ো ৰংপী, দীপ্তি বৰা, বিভা দেৱ চৌধুৰী, প্ৰশান্ত গগৈ, তাহেৰ উদ্দিন আহমেদ, ড° দীপালি নেওগ, ৰুমা নাথ, অঞ্জু তালুকদাৰ, সুশেন কুমাৰ ওজা, চিত্ৰা ডেকা, ঊষা ডেকা, দিনবন্ধু কলিতা, জগন্নাথ লালুং, গীতালি ইংতি, ভাস্কৰ শৰ্মা, ৰূপেন গগৈ প্ৰভৃতিয়ে কবিতা পাঠ কৰে। অনুষ্ঠানত ভোলা ক্ৰ'ই বাঁহী বজাই প্ৰাণবন্ত কৰে। সভাত অনুপ কুমাৰ দেউৰী, ড° বীৰেন্দ্ৰ কুমাৰ পাঠক আদিয়েও এষাৰ কয়। কবি সন্মিলনৰ সঞ্চালক দীপক শৰ্মাই কয়, 'কবি-সাহিত্যিকসকল ইতিবাচক হ'ব লাগে। সাহিত্যিকসমাজে সম্প্ৰীতি গঢ়িবৰ চেষ্টা কৰিব লাগে। সমাজ নিৰ্মাণত গুৰুত্ব আৰোপ কৰিব লাগে কবি,সাহিত্যিকসকলে। অসম সংগীতেৰে সন্মিলনৰ সামৰণি পেলোৱা হয়।

# দিশপুৰ শতদল শাখা সাহিত্য সভাৰ ৩০সংখ্যক প্ৰতিষ্ঠা দিৱস মুকলি সভা-গ্ৰন্থ উন্মোচন

**গুৱাহাটী,২০ জুলাইঃ** মথুৰা নগৰস্থিত নান্দনিক প্ৰাংগনত দেওবাৰে দিশপুৰ শতদল শাখা সাহিত্য সভাৰ ৩০ সংখ্যক প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত কৰা হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক অখিল চন্দ্ৰ দাসে। শাখাৰ সভাপতি ডাঃ তাৰা প্ৰসাদ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত কবি সন্মিলন, বিচিত্ৰা অনুষ্ঠানৰ লগতে হাস্য ব্যংগ সাহিত্যৰ বিষয়ে আলোচনা কৰা হয়। সভাত তিলক ডেকাৰ কাব্যগ্ৰন্থ 'পাখি লগা শব্দৰ গুঞ্জন' উন্মোচন কৰে পদ্মশ্ৰী ড° সূৰ্যকান্ত হাজৰিকাই। প্ৰকাশক কাবেৰী



দাসে কাব্যগ্ৰন্থখন প্ৰকাশৰ আঁৰৰ কিছু কথা ব্যক্ত কৰে। পৰ্যালোচক হিচাপে উপস্থিত থকা ভাষাবিদ নীল শৰ্মাই তিলক ডেকাৰ কবিতাই মন চুই যোৱা বুলি কয়। শাখাৰ উপ- সমিতি 'ৰামধেনু'ৰ তিনিমহীয়া বাৰ্তালোচনী উন্মোচন কৰে সভাপতি ডাঃ তাৰা প্ৰসাদ দাসে। সভাত উপস্থিত থাকে কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল বৰ্মন, সম্পাদক অৰুণ মহন্ত, নাট্যকাৰ, হাস্য-ব্যংগ লেখক প্ৰভাত গোস্বামী,সুচন্দ্ৰ নাৰায়ন চৌধুৰী, ডাঃ ধীৰেন্দ্ৰ নাথ কাকতি প্ৰমুখ্যে শাখাৰ গণ্যমান্য ব্যক্তি সকল। ড° সুলেখা চক্ৰৱৰ্তীয়ে এটি সুন্দৰ নৃত্যৰে সকলোকে আমোদ দিয়ে। শলাগৰ শৰাই আগবঢ়াই সাংগঠনিক সম্পাদক মৃগেন ভাগৱতীয়ে।

# আইডিবিআই বেংকৰ প্ৰথম ত্ৰৈমাসিকৰ লাভ ৫শতাংশ বৃদ্ধি

**গুৱাহাটী,২০ জুলাইঃ** আইডিবিআই বেংক লিমিটেডে উচ্চ সুতৰ দ্বাৰা উপাৰ্জন, শক্তিশালী ঋণ বৃদ্ধি আৰু সম্পদৰ মানদণ্ডৰ ধাৰাবাহিক উন্নতিৰ ফলত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰৈমাসিকত সামগ্ৰিক লাভ বছৰি ৫ শতাংশ বৃদ্ধিৰে ২,১১৫ কোটি টকা হোৱাৰ কথা সদৰি কৰি শনিবাৰে প্ৰতিবেদন দাখিল কৰিছে। বেংকটোৱে যোৱা বিত্তীয় বৰ্ষৰ একেটা ত্ৰৈমাসিকত ২,০০৭ কোটি টকাৰ মুঠ লাভ অৰ্জন কৰা দেখুৱাইছিল। আনহাতে ক্ৰমান্বয়ে পূৰ্বৱৰ্তী ত্ৰৈমাসিকৰ তুলনাত এই লাভ ৯ শতাংশ বৃদ্ধি পাইছে। মুম্বাইত অনুষ্ঠিত পৰিচালনা সঞ্চালক বৰ্ডৰ বৈঠকত ৩০ জুনত শেষ হোৱা ত্ৰৈমাসিকৰ বিত্তীয় ফলাফলত অনুমোদন জনোৱা হয়। বেংকৰ মুঠ সুতৰ উপাৰ্জন (এনআইআই) বছৰি ১০ শতাংশ বৃদ্ধি পাই ৩,১৬৬ কোটি টকাৰ পৰা ৩,৪৮৬ কোটি টকা হৈছে। আনহাতে কাৰ্যক্ষম লাভ ২,১৬৮ কোটি টকা হৈছে। বেংকে ৩.৬১ শতাংশ মুঠ সুতৰ ব্যৱধান আৰু ১.৮৯ শতাংশ সম্পদৰ ৰিটাৰ্ণ অৰ্জন কৰা বুলি জনাইছে। জমা ধনৰ ব্যয় ৪.৫৯ শতাংশলৈ হ্ৰাস পাইছে আৰু পুঁজিৰ ব্যয় ৪.৬৮ শতাংশলৈ হ্ৰাস পাইছে, যিয়ে বেংকৰ উন্নত কাৰ্যক্ষম দক্ষতা প্ৰতিফলিত কৰে। ব্যৱসায়িক দিশত, মুঠ জমা ধন বছৰি ১০ শতাংশ বৃদ্ধি পাহ ৩.২৬ লাখ কোটি টকা হৈছে। আনহাতে মুঠ অগ্ৰিম ঋণ ২২ শতাংশ বৃদ্ধি পাই ২.৫৯ লাখ কোটি টকা হৈছে। চিএএছএ অনুপাত আছিল ৪৩.৬৪ শতাংশ, য'ত বেংকটোৱে ইয়াৰ সামগ্ৰিক অগ্ৰিম ঋণৰ পৰ্টফলিঅ'ত কৰ্পৰেট আৰু খুচুৰা ঋণৰ অনুপাত ৩০:৭০ বৰ্তাই ৰাখিছে। সম্পদৰ মানদণ্ড অধিক শক্তিশালী হৈ উঠিছে কাৰণ গ্ৰছ এনপিএ অনুপাত এবছৰৰ আগৰ ২.৯৩ শতাংশৰ পৰা ২.৩০ শতাংশলৈ উন্নত হৈছে। আনহাতে নিট এনপিএ ০.১৬ শতাংশলৈ হ্ৰাস পাইছে। প্ৰভিজন কভাৰেজ অনুপাত(পিচিআৰ) ৯৯ শতাংশৰ ওপৰত অৰ্থাৎ ৯৯.৩১ শতাংশত বাহাল আছে আৰু মূলধন পৰ্যাপ্ততা অনুপাত ২৬.৯২ শতাংশলৈ উন্নত হৈছে।এই ত্ৰৈমাসিকৰ সময়ছোৱাত আইডিবিআই বেংকে অটল পেঞ্চন যোজনাৰ অধীনত পঞ্জীয়নৰ লক্ষ্য পূৰণ কৰাৰ বাবে বিত্তীয় সেৱা বিভাগৰ পৰা এপিৱাই এনুৱেল এৱাৰ্ড অৱ আল্টিমেট এচিভাৰ বঁটা লাভ কৰে। ডিজিটেল বেংকিং উদ্ভাৱনক উদগনি যোগাবলৈ দেশজুৰি আইডিবিআই ইনভেট ২০২৬ হেকাথন আৰম্ভ কৰিছে আৰু প্ৰতিষ্ঠানটোৰ এআইচালিত আই নেত্ৰা অডিট প্ৰণালীৰ বাবে ইণ্টাৰনেল অডিট এক্সেলেন্স এৱাৰ্ডছ ২০২৬ত স্বীকৃতিও লাভ কৰে।গুৱাহাটী মহানগৰীত আইডিবিআই বেংকৰ এই ধাৰাবাহিক উপাৰ্জন বৃদ্ধি, সম্পদৰ উন্নত মানদণ্ড আৰু স্বাস্থ্যকৰ মূলধনী অৱস্থানে এই অঞ্চলৰ খুচুৰা জমা কৰ্তা, এমএছএমই আৰু কৰ্পৰেট ঋণ লওঁতাসকলৰ মাজত আস্থা বৃদ্ধি কৰিব পাৰে। বেংকৰ ডিজিটেল উদ্ভাৱন আৰু বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ ওপৰত দিয়া গুৰুত্বই সমগ্ৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলত প্ৰযুক্তি-চালিত বেংকিং সেৱাৰ ক্ৰমবৰ্ধমান চাহিদাক সহায় কৰিব বুলি আশা কৰা হৈছে, য'ত ডিজিটেল গ্ৰহণযোগ্যতা আৰু ঋণৰ চাহিদা ধাৰাবাহিকভাৱে বৃদ্ধি পাই আহিছে।

# সতীৰ্থ সন্মিলন ৪৪ বছৰ অন্তত একত্ৰিত ১৯৮২ শিক্ষাবৰ্ষৰ সতীৰ্থ



**বাতৰি কাকত, বৰনদী, ২০ জুলাই ঃ** নলবাৰী জিলাৰ পানীগাঁওস্থিত মিলন হাইস্কুলত দেওবাৰে ১৯৮২ শিক্ষাবৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলৰ এখন সতীৰ্থ সন্মিলন অনুষ্ঠিত হৈ যায়। শিক্ষা, সাহিত্য আৰু ক্ৰীড়াৰ ক্ষেত্ৰত আগবঢ়া নিজ পকোৱা, পানীগাঁও আৰু সন্ধেলীৰ সমন্বয়ৰ মিলন চ'কৰ গাতে লাগি থকা মিলন হাইস্কুলত সুদীৰ্ঘ প্ৰায় ৪৪ বছৰৰ অন্তত কৰ্মসূত্ৰে বিভিন্ন প্ৰান্তত থাকিলেও আজি সতীৰ্থসকল তদানীন্তন বিদ্যালয়খনৰ শিক্ষাগুৰু (বৰ্তমান অৱসৰপ্ৰাপ্ত) সকলৰ শ্ৰীচৰণত এটি ভক্তিপূত সেৱা জনোৱা, শ্ৰদ্ধা জনোৱা আৰু এধানিমান আশীৰ্বাদ লোৱাৰ উদ্দেশ্যি একত্ৰিত হয় এই হাইস্কুলখনত। সতীৰ্থসকলৰ এই মিলনমেলাই এক আৱেগঘন আৰু আনন্দমুখৰ পৰিৱেশ সৃষ্টি কৰি তোলে। দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা এই সতীৰ্থ সন্মিলনৰ পুৱা ৯ বজাত বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক সম্পাদক তথা প্ৰধান শিক্ষক প্ৰয়াত শৰৎ চন্দ্ৰ শৰ্মা, প্ৰতিষ্ঠিপক সভাপতি প্ৰয়াত প্ৰভাত চন্দ্ৰ শৰ্মা আৰু সহযোগী প্ৰতিষ্ঠাপক প্ৰয়াত মমাত আলীৰ স্মৃতিসৌধত বন্তি প্ৰজ্বলনত প্ৰজ্বালক হিচাপে ভাগ লয় ক্ৰমে প্ৰাক্তন ছাত্ৰ তথা বিশিষ্ট চিত্ৰশিল্পী খচনুৰ আহমেদ , সাংবাদিক নগেন তালুকদাৰ আৰু ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ ৰূপক বৈশ্যই । ইয়াৰ পিচত শিলচৰ পাব্লিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক গোকুল চন্দ্ৰ দত্তই অসমীয়াৰ হিয়াৰ আমঠু বিশ্বকণ্ঠ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি পজ্বলন কৰে । বিদ্যালয়খনৰ চৌহদতে এটি গছপুলি বিশিষ্ট চিত্ৰশিল্পী খচনুৰ আহমেদৰ জৰিয়তে ৰোপন কৰি ১৯৮২ শিক্ষাবৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱত্তীৰ্ণ এই প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়খনত এটি স্মৃতি ৰাখি থৈ যায়। ইয়াৰ পিচত বিদ্যালয়খনৰ প্ৰয়াত শিক্ষাগুৰু আৰু সহপাঠী সকলৰ স্মৃতি তৰ্পণত বন্তি প্ৰজ্বালক হিচাপে ভাগ লয় বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ক্ৰমে প্ৰবীণ দত্ত আৰু অমূল্য নাথ শৰ্মাই । পিচত প্ৰতিষ্ঠাপক অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক থানেশ্বৰ সাউদ, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ক্ৰমে প্ৰবীণ দত্ত, অমূল্য নাথ শৰ্মা, সহকাৰী শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে গিৰিশ কুমাৰ সাউদ,মুনীন্দ্ৰ বৰ্মন, পদুমী মজুমদাৰ, অনিমা দত্ত আৰু অৱসৰপ্ৰাপ্ত কৰ্মচাৰী নৰপতি বৈশ্য, পদ্মা তালুকদাৰক চেলেং চাদৰ, ফুলাম জাপি সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনোৱাৰ লগতে বৰ্তমানৰ বিদ্যালয়খনৰ প্ৰধান শিক্ষক অলকেশ মজুমদাৰ , বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য মজিদ আলী আৰু বিদ্যালয়খনৰ অবৈতনিক চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী নৃপেন বৰ্মনকো ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। সম্বৰ্ধনা গ্ৰহণ কৰি অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰবীণ দত্তই ১৯৮২ বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলে আয়োজন কৰা এই সতীৰ্থ সন্মিলনখনৰ স্মৃতিয়ে শিক্ষাগুৰুসকলৰ আয়ুস বহুখিনি বঢ়োৱা বুলি ভাষণত উল্লেখ কৰে । লগতে দত্তই কয় শিক্ষক সকলে কোনো ছাত্ৰ-ছাত্ৰীৰ পৰা একো নিবিচাৰে , মাত্ৰ প্ৰতিগৰাকীৰ উজ্বল ভৱিষ্যত কামনাহে কৰে । ইয়াৰোপৰি সমাজৰ সুস্থ বতাহ বোৱাই সমাজৰ প্ৰতিগৰাকী লোককে নৈতিক চৰিত্ৰবান কৰি গঢ়ি তোলাৰ ক্ষেত্ৰত সমাজত আগভাগ ল'বলৈ আহ্বান জনায়। সম্বৰ্ধনা গ্ৰহণ কৰা প্ৰতিগৰাকী শ্ৰদ্ধাৰ শিক্ষাগুৰুৱে বহু তত্বগধুৰ ভাষণে একালৰ ছাত্ৰ-ছাত্ৰীসকলক আৱেগিক কৰি তোলে এই সতীৰ্থ সন্মিলনত। সতীৰ্থসকলৰ মাজত বিভিন্ন গীত-মাতৰ অনুষ্ঠানত কমলেশ্বৰ সাউদ, ৰীতা দাস, ৰুবুল দত্ত, হীয়া কাশ্যপ , ত্ৰিনয়না শৰ্মাকে আদি কৰি কেবাগৰাকী সতীৰ্থই বিভিন্ন গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰি তোলে । সমূহ কাৰ্যসূচীৰ আঁত ধৰা সতীৰ্থ অঞ্জন ৰায় চৌধুৰীয়ে শেষত শলাগৰ শৰাই আগবঢ়াই সতীৰ্থ সন্মিলনৰ সমূহ কাৰ্যসূচীৰ সফল সামৰণি মাৰে।

## টংলাৰ ৰাজ সৰকাৰৰ কৃতিত্ব অৰ্জন



**ষ্টাফ ৰিপৰ্টাৰ টংলা, ২০ জুলাই ঃ** ওদালগুৰি জিলাৰ শৈক্ষিক নগৰী টংলালৈ গৌৰৱ কঢ়িয়াই আনিলে মেধাৱী ছাত্ৰ ৰাজ সৰকাৰে ।সৰ্বভাৰতীয় নীট পৰীক্ষাত অৱতীৰ্ণ হৈ টংলাৰ চমুৱাপাৰা গাঁৱৰ মেধাবী ছাত্ৰ ৰাজ সৰকাৰে ৫৫৫ নম্বৰ লাভ কৰি সফলতা অৰ্জন কৰা বাবে পিতৃ - মাতৃ,গাঁওবাসী উৎফুল্লিত ।চমুৱাপাৰা গাঁৱৰ বাবুল সৰকাৰ আৰু বিনা সৰকাৰৰ পুত্ৰ ৰাজ সৰকাৰে কৃতিত্ব অৰ্জন কৰা বাবে বিভিন্ন দল সংগঠন , টংলা প্ৰেছ ক্লাব, ডিমাকুছি ই মিডিয়া ফৰাম , টংলা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকা,বিটিচিৰ পাৰিষদ অৰ্জুন দৈমাৰী আদিয়ে উষ্ম অভিনন্দন জ্ঞাপন কৰিছে

# ১৭৩৫ নং বালিকুৰি পশ্চিম কলনী পল্লী মণ্ডল প্ৰাঃ বিদ্যালয়ত চুৰি কাণ্ড সংঘটিত

**বাতৰি কাকত কলগাছিয়া, ২০ জুলাই ঃ** বৰপেটা জিলাৰ মন্দিয়া প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত ১৭৩৫ নং বালিকুৰি পশ্চিম কলনী পল্লী মণ্ডল প্ৰাথমিক বিদ্যালয়ত সংঘটিত হোৱা চুৰি কাণ্ডক কেন্দ্ৰ কৰি বিদ্যালয় খনত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী, অভিভাৱক -অভিভাৱিকা সকল আৰু শিক্ষক -শিক্ষয়িত্ৰী সকলৰ মাজত এক চাঞ্চলৰ সৃষ্টি হৈছে। বিদ্যালয় খনৰ প্ৰধান শিক্ষক শিকদাৰ খইমুদ্দিনে জনোৱা মতে যোৱা নিশা অব্যাহত থকা নেৰানেপাৰা বৰষুণৰ মাজত বিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰীৰ মধ্যাহ্ন ভোজনৰ কোঠালীৰ খিৰিকী ভাঙি ঘৰৰ ভিতৰত কোনোবা অজ্ঞাত চোৰে প্ৰৱেশ কৰি কোঠালীৰ ভিতৰত থকা দুখন চিলিং ফেন ভাঙি পেলায় আৰু ফেনৰ ভিতৰত থকা কয়েল, আৰু বৈদ্যুতিক তাঁৰ চুৰ কৰি লৈ যায়। উল্লেখযোগ্য যে, বিদ্যালয় খনৰ গাতে লাগি থকা ১৮ৰ নং বালিকুৰি পশ্চিম কলনী অংগনবাদী কেন্দ্ৰৰ খিৰিকী ভাঙি ঘৰৰ ভিতৰত সোমাই গেছ ছিলিণ্ডাৰৰ তাঁৰ কাটি ছিলিণ্ডাৰখন বাহিৰলৈ আনিব খোজে যদিও কষ্টকৰ ঠাইৰ বাবে বাহিৰ কৰিব পৰা নাই। ইয়াৰোপৰি কন কন ছাত্ৰ-ছাত্ৰীৰ বাবে ব্যৱহাৰিত শিক্ষন শিকণ সামগ্ৰী সমূহ চুৰ কৰি লৈ যায় ।অতি পৰিতাপৰ বিষয় যে, মানৱ সম্পদ গঢ়া পৱিত্ৰ শিক্ষানুষ্ঠানত এনেকুৱা চুৰি কাণ্ড সংঘটিত হোৱাত স্থানীয় ৰাইজে অধিক চিন্তিত হোৱা পৰিলক্ষিত হৈছে। অৱশ্যে পূৰ্বেও এই দুখন বিদ্যালয়ত চুৰি হোৱা বুলি প্ৰধান শিক্ষক গৰাকীয়ে সাংবাদিকক জানিবলৈ দিয়ে। এই সংক্ৰান্তত বালিকুৰি আৰক্ষী চকীত এখন এজাৰৰ দাখিল কৰিছে বুলি জানিব পৰা গৈছে। বিদ্যালয় কৰ্তৃপক্ষ ও স্থানীয় ৰাইজে এই সংক্ৰান্তত স্থানীয় প্ৰশাসনৰ দৃষ্টি আকৰ্ষণ বিচাৰিছে।

# নীট পৰীক্ষাত উজ্বলিল মেধাৱী ছাত্ৰ নিবিৰ বৰ্মন

**বাতৰি কাকত, জাগীৰোড, ২০ জুলাই ঃ** কঠোৰ পৰিশ্ৰম,ধৈৰ্য, একাগ্ৰতা আৰু অধ্যৱসায়ৰ জড়িয়তে যে সফলতাৰ আকাশ চুমিব পাৰি তাৰেই যেন পুনৰবাৰ প্ৰমাণ কৰিলে জাগী ভকতগাঁৱৰ এগৰাকী কৃৰ্তীমান ছাত্ৰই। সদ্যঘোষিত ২০২৬ ৰ সৰ্বভাৰতীয় নীট' পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ জাগী ভকতগাঁৱলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হয় নিবিৰ বৰ্মন নামৰ মেধাৱী ছাত্ৰজনে। পিতৃ, সফল ব্যৱসায়ী বুবুল বৰ্মন আৰু মাতৃ তথা শিক্ষয়িত্ৰী নিজৰা শইকীয়াৰ একমাত্ৰ সন্তান নিবিৰে 'নীট' পৰীক্ষাত অৱতীৰ্ণ হৈ ৪৮৬ নম্বৰ লাভ কৰি মৰিগাঁও জিলা তথা জাগী ভকতগাঁৱলৈ গৌৰৱ কঢ়িয়াই আনে। নিবিৰৰ এনে সফলতাই গাঁওবাসীৰ লগতে জাগীভকত গাঁও শাখা সাহিত্য সভাৰ সভাপতি মিনতি দেৱী, সম্পাদক হিমু বৰা, সামাজিক সংস্থা সুন্দৰমৰ অধ্যক্ষ জয়ন্ত সাগৰ শইকীয়া, সচিব ৰাজীৱ চহৰীয়া, সদৌ অসম কৃষক সংঘৰ মুখ্য সমন্বয়ক তুলসী ডেকা, কলং কপিলী শাখা কবি সন্মিলন সভাপতি ৰণ্টুমনি শইকীয়া, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ জাগীভকতগাঁও আঞ্চলিক সমিতিৰ লগতে জিলা সমিতিৰ উপদেষ্টা জ্যোতিৰ্ময় গোস্বামীয়ে কৃৰ্তীমান ছাত্ৰজনলৈ শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে। আনহাতে 'দৈনিক বাতৰি কাকত'ৰে হোৱা এক টেলিফোনিক বাৰ্তালাপত নিজৰ সফলতাৰ আৰত পিতৃ-মাতৃৰ লগতে শিক্ষাগুৰু তথা শুভাকাংক্ষী



বন্ধু-বান্ধবীৰ শলাগ লয় মেধাসম্পন্ন ছাত্ৰ নিবিৰে। লগতে ৰাইজৰ অকৃত্ৰিম মৰম,শ্নেহ আৰু ভক্তিভৰা আশীৰ্বাদ শিৰত লৈ অদূৰ ভৱিষ্যতে এগৰাকী সু-চিকিৎসক হৈ মানৱ কল্যানৰ হকে সেৱা কৰাৰ দুৰ্বাৰ আকাংক্ষাৰ কথাও সদৰী কৰে ছাত্ৰ নিবিৰ বৰ্মনে।

## ৰঙিয়া কৃষক শ্বহীদ ভৱনত এক্স ৰাই জেদ কথাছবিৰ কৰ্মশালা

**বাতৰি কাকত, মহেন্দ্ৰ কলিতা, ২০ জুলাই ঃ** ৰঙিয়া কৃষক শ্বহীদ ভৱনত দেওবাৰে উপস্থিত থাকে অসমীয়া কথাছবি এক্স ৰাই জেদ ৰঙিয়া বিশেষ প্ৰতিনিধি ৰঙিয়া কলাকুশলীসকল। কৃষক শ্বহীদ ভৱনত চলি থকা নটৰাজ নাট্যগোষ্ঠীৰ প্ৰশিক্ষাৰ্থীসকলে অসমীয়া চলচ্চিত্ৰৰ নব্বৈ বছৰীয়া যাত্ৰা, উত্থান-পতন সম্পৰ্কে গীত আৰু কথাৰ মাধ্যমেৰে উপস্থাপন কৰি উপস্থিত দৰ্শক তথা টীম এক্স ৰাই জেদক আহ্লাদিত কৰে। কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলে জ্যোতিপ্ৰসাদ আগৰৱালাৰ জয়মতী নিৰ্মাণৰ পৰা আৰম্ভ কৰি লক্ষ্যধৰ চৌধুৰী, ড° ভবেন্দ্ৰনাথ শইকীয়া, মুনীন বৰুৱা, অশোক কুমাৰ বিষয়া, জুবিন গাৰ্গ, ৰীমা দাস ইত্যাদি অসমীয়া কথাছবি নিৰ্মাতাসকলৰ অৱদান কৃতজ্ঞতাৰে সুঁৱৰি পৰিচালক হিমাংশু প্ৰসাদ দাসৰ মুক্তি পাবলগীয়া চম এক্স ৰাই জেদলৈ শুভেচ্ছা জ্ঞাপন কৰে। উক্ত কাৰ্যসূচীত উপস্থিত থাকে এক্স ৰাই জেদৰ প্ৰযোজক হেমন্ত কলিতা, অভিনেত্ৰী পল্লবী ফুকন, অভিনেতা চন্দন দাস, অপূৰ্ব বৰ্মন, প্ৰদীপ দত্ত, কুল কুলদ্বীপ, প্ৰদ্যুৎ বিকাশ, গৌৰৱজ্যোতি দাস, দিংকু, ইৰফান আৰু ছবি সম্পাদনাকাৰী হাৰ্দিক কাশ্যপ। ছবি পৰিচালক হেমন্ত কলিতাই মত প্ৰকাশ কৰে যে, বিগত সময়ৰ অসমীয়া কথাছবিসমূহক ৰঙিয়াৰ ৰাইজে যি ধৰণে আদৰি লৈছে, একেদৰে ৰঙিয়াৰ কেইবাগৰাকীও অভিনেতাই অভিনয় কৰা এই এক্স ৰাই জেদ কথাছবিখনো ৰাইজে আদৰি ল'ব।

## নীটত জুৰীয়াৰ পাঁচ শিক্ষাৰ্থীৰ সাফল্য বিধায়ক নুৰুল হুদাৰ সম্বৰ্দ্ধনা

**বাতৰি কাকত, ৰূপহীহাট, ২০ জুলাই ঃ** সদ্য ঘোষিত NEET-26 ৰ ফলাফলত জিলিকি উঠিল জুৰীয়া ৰূপহী হাটৰ - জুৰীয়াৰ ৫ শিক্ষাৰ্থীৰ চমকপ্ৰদ সাফল্য সমগ্ৰ জুৰীয়া অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। চিকিৎসক হোৱাৰ সপোন দেখা ৫ গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীক বিধায়ক নুৰুল হুদাৰ সম্বৰ্দ্ধনা। কৃতী ছাত্ৰ চাহিল মহম্মদ ইলাহী, মনিৰুল কবি, জুবেইৰ আহমেদ চৌধুৰীৰ ঘৰত উপস্থিত বিধায়ক। ছাত্ৰ-ছাত্ৰীসকলৰ কঠোৰ পৰিশ্ৰম আৰু অধ্যৱসায়ক ব্যক্তিগতভাৱে স্বীকাৰোক্তি বিধায়কগৰাকীৰ। চিকিৎসা সেৱাৰ জৰিয়তে সমাজলৈ অৱদান আগবঢ়াবলৈ আহ্বান জনালে বিধায়ক নুৰুল হুদাই।

# শিৱসাগৰত সাংস্কৃতিক মহাসভা অসমৰ কেন্দ্ৰীয় সাংস্কৃতিক উৎসৱ



**খাইৰুদ্দিন আহমেদ, শিৱসাগৰ, ২০ জুলাই ঃ** সাংস্কৃতিক মহাসভা অসমৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত শিৱসাগৰ বাসী ৰাইজৰ সহযোগত গত বছৰৰ দৰে এইবাৰো বিংশতিতম কেন্দ্ৰীয় সাংস্কৃতিক উৎসৱ অনুষ্ঠিত কৰিবৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। শিৱসাগৰ নগৰস্থ কে পি চাৰি আলি কালী প্ৰসাদ মেম'ৰিয়েল প্ৰেক্ষাগৃহৎ ২৫ জুলাই শনিবাৰে উৎসৱ ভাগি অনুষ্ঠিত হ'ব । এই উপলক্ষে শ্ৰদ্ধাঞ্জলি , মুকলি সভা, সম্বৰ্ধনা, স্মৃতিগ্ৰন্থ, সাংস্কৃতিক অনুষ্ঠান আদি সকলো দিশ সামৰি গুণগত মানদণ্ড অটুত ৰখাৰ লগতে ছাত্ৰ-ছাত্ৰী মন মগজু স্পন্দন আৰু বিকাশ সাধনত পুৱা ৯ বজাৰ পৰা ৰাজ্যিক ভিত্তিত তিনিটা শাখাত দ্বাদশ শ্ৰেণীলৈকে নিজৰ পচন্দত চিত্ৰাংকনক্ত দ্বাদশ শ্ৰেণী লৈকে দুটা শাখাত অসমীয়া গীতৰ আধাৰত একক সৃষ্টিশীল, এটা শাখাত দলীয় সৃষ্টিশীল নৃত্য আৰু ষষ্ঠ শ্ৰেণীলৈকে এটা শাখাত সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হক্সব । প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰী সকলক ২৩ জুলাই ভিতৰত যোগদান নিশ্চিত কৰিবৰ বাবে অনুৰোধ জনাইছে । তদুপৰি একালৰ শিৱসাগৰ জিলা খনৰ অধিকাংশ সচেতন মহলৰ শিক্ষা গুৰু, ৰাজহুৱা সমাজ জীৱনত তেখেতৰ অৱদান , পৰিচিত আৰু সকলোৰে সন্মানীয় পুৰোধা ব্যক্তি, শিৱসাগৰ মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ শচবৰ্তমান শিৱসাগৰ বিশ্ববিদ্যালয় ড° প্ৰকাশ কটকী দেৱক 'শিৱসাগৰ সমাজ ৰত্ন' বঁটা ২৫ জুলাই ২০২৬ তাৰিখ শনিবাৰে দিনৰ ২ বজাত জিলা সাংস্কৃতিক মহাসভাৰ সভাপতি প্ৰেম গগৈ দেৱৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা এক গাম্ভীৰ্য পূৰ্ণ মুকলি সভাত প্ৰদান কৰা হ'ব । স্মৰ্তব্য যে, সেইদিনা বিয়লি ৩-৩০ বজাৰ পৰা পুণৰ প্ৰতিযোগিতা সমূহ সমান্তৰাল ভাৱে অনুষ্ঠিত হ'ব। উক্ত মুকলি সভাত বহু গন্যমাণ্য ব্যক্তিৰ উপস্থিতিৰ লগতে সাংস্কৃতিক মহাসভা অসমৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পৱিত্ৰ কুমাৰ শৰ্মা, সন্মানীয় অতিথি জিলা আয়ুক্ত শ্ৰীযুত মৃদুল যাদৱ , বিশিষ্ট অতিথি আৰক্ষী অধীক্ষক শ্ৰীযুতা পাপৰি চেতিয়া, জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শক ড° সমীৰন বৰা উপস্থিত থকাৰ লগতে মুখ্যবক্তা শিৱসাগৰ প্ৰেছ ক্লাৱৰ সভাপতি, বিশিষ্ট নিৱন্ধকাৰ তথা গঞ্জগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই মুখ্যবক্তা হিচাপে বক্তব্য প্ৰদান কৰিব । সবিশেষ জানিবৰ বাবে ৮৪৮৬৭০৯৫৫৫, ৯৩৬৫৯১১০৫৬, ৯১০১১৭৩০১৪ যোগাযোগ কৰিব পাৰিব। সকলো কাৰ্যসূচী সাফল্য মণ্ডিত কৰি তুলিবৰ বাবে উদযাপন সমিতিৰ সভাপতি ডাঃ পি পি চেতিয়া (প্ৰবুদ্ধ প্ৰসাদ চেতিয়া) , কাৰ্যকৰী সভাপতি খাইৰুদ্দিন আহমেদ, ড° বন্তি বৰগোহাঁই ভূঞা আৰু প্ৰধান সম্পাদক ত্ৰৈলোক্য দত্তই আন্তৰিকতাৰে উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে ।

## নীটত ৫৩৬ নম্বৰ লাভ কৰি গৌৰৱ কঢ়িয়াই আনিলে ইউহানা পাৰবিনে

**বাতৰি কাকত, কচুগাওঁ, ২০ জুলাই ঃ** সদ্য ঘোষিত সৰ্বভাৰতীয় চিকিৎসা প্ৰৱেশিকা পৰীক্ষাত ৫৩৬ নম্বৰ লাভ কৰি গোসাঁইগাঁও মহকুমাৰ পদ্মবিল অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে ইউহানা পাৰবিনে। পাৰবিন গোসাঁইগাঁও মহকুমাৰ পদ্মবিলৰ মধ্যবিত্ত পৰিয়ালৰ মোঃ ইনছান আলী শেখ আৰু মাজিদা খাতুনৰ সুযোগ্যা কন্যা। কঠোৰ



পৰিশ্ৰম, অধ্যৱসায় আৰু একাগ্ৰতাৰ বলতেই তেওঁ এই উজ্জ্বল সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। ইউহানাৰ এই কৃতিত্বই কেৱল তেওঁৰ পৰিয়ালটোকেই নহয়, সমগ্ৰ পদ্মবিল অঞ্চল তথা গোসাইগাঁওবাসীকো গৌৰৱান্বিত কৰিছে। তেওঁৰ এই সফলতাত আত্মীয়-স্বজন, শিক্ষক-শিক্ষয়িত্ৰী, শুভাকাংক্ষী আৰু স্থানীয় ৰাইজে আন্তৰিক অভিনন্দন জ্ঞাপন কৰাৰ লগতে উজ্জ্বল ভৱিষ্যতৰ বাবে শুভেচ্ছা আৰু শুভকামনা জনাইছে। অঞ্চলটোত ইউহানা পাৰবিনৰ এই উল্লেখযোগ্য সাফল্যই আন বহু শিক্ষাৰ্থীকো উচ্চলক্ষ্য নিৰ্ধাৰণ কৰি অধ্যৱসায়েৰে আগবাঢ়ি বলৈ অনুপ্ৰেৰণা যোগাব বুলি উল্লেখ কৰিছে স্থানীয় সচেতন ৰাইজে।

# নীটত নগাঁৱৰ ডাছোৱানী ইনষ্টিটিউটৰ শিক্ষাৰ্থীৰ সাফল্য



**বাতৰি কাকত, নগাঁও, ২০ জুলাই ঃ** প্ৰত্যেক বছৰৰ দৰে এই বছৰো সদ্যঘোষিত সৰ্বভাৰতীয় মেডিকেল প্ৰৱেশ পৰীক্ষাত নগাঁৱৰ অগ্ৰণী শিক্ষানুষ্ঠান ডাছোৱানী ক্লাছেছৰ সফলতাৰ ধাৰা অব্যাহত ৰাখিবলৈ সক্ষম হৈছে। প্ৰতিষ্ঠানখনৰ পৰা এই বছৰত মুঠ অৱতীৰ্ণ হোৱা ১০০ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ১০০জনেই মেডিকেল প্ৰৱেশ পৰীক্ষাত সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। ইতিমধ্যে নীটত সফলতা লাভ কৰা সৰ্বমুঠ চৰ গৰাকী ছাত্ৰছাত্ৰীয়ে চৰকাৰী চিকিৎসা মহাবিদ্যালয়ত অধ্যয়নৰ সুবিধা লাভ কৰিব। ইপিনে নীটত সফলতা লাভ কৰা ছাত্ৰ-ছাত্ৰী সকলৰ ভিতৰত সৰ্বোচ্চ নাম্বাৰ লাভ কৰা কেইজনমান ছাত্ৰ-ছাত্ৰী হৈছে ক্ৰমে নাছিফ আহমেদ ৫৭৭(সাধাৰণ),ছামিম আলম ৫৪৪(সাধাৰণ), অকুৰ কলিতা ৫৩৪ (সাধাৰণ),অনন্যা ৰয় ৫৮৮) সাধাৰণঠ), হিতেশ ঘোষ ৪৮) (অ,বি,চি-এন,চি,এন (সাধাৰণ) আৰু বিনীত পুকায়স্থ ৫১১, (সাধাৰণ) নাম্বাৰ লাভ কৰিবলৈ সক্ষম হৈছে। শিক্ষানুষ্ঠান খনৰ পৰিচালক ড° প্ৰাঞ্জল কুমাৰ বৰাই জানিবলৈ দিয়া মতে ১৮ বছৰৰ অভিজ্ঞতাৰে শিক্ষাদান আগঢ়োৱা ডাছোৱানীৰ এই সাফল্যই জিলাখনলৈ এক সুনাম কঢ়িয়াই অনাৰ লগতে প্ৰতিষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক, অভিভাৱকসকলৰ মাজত এক আনন্দৰ পৰিৱেশ বিৰাজ কৰে।

# নীটত উত্তৰ-পূবৰ ভিতৰত দ্বিতীয় লীয়ন তালুকদাৰ

**বাতৰি কাকত, কুমুদ বৰ্মন, ২০ জুলাই ঃ** নলবাৰী জিলাৰ টিহুৰ শিয়ালমাৰীৰ চিকিৎসক দম্পতী ডাঃ মনোজ তালুকদাৰ আৰু ডাঃ বনশ্ৰী পাঠকৰ সু-সন্তান লীয়ন তালুকদাৰে সৰ্বভাৰতীয় নীট-ইউ জিত মুঠ ৬৮ৰ নম্বৰ আহৰণ কৰি সৰ্বভাৰতীয় ৰেংকত ২৪৩ সংখ্যক স্থান আহৰণ কৰাৰ লগতে উত্তৰ-পূব ভাৰতৰ দ্বিতীয় স্থান প্ৰাপ্তিৰে সফলতা লাভ কৰিছে। সৰুৰ পৰা চিকিৎসক পিতৃ-মাতৃক মানুহৰ সেৱা কৰা দেখি মনত চিকিৎসক হোৱাৰ সপোন পুহি ৰখা লীয়ন তালুকদাৰে কঠোৰ অধ্যয়ন আৰু পৰিশ্ৰমৰ ফলতে চিকিৎসা বিজ্ঞানত অধ্যয়ন কৰিবলৈ প্ৰৱেশ পৰীক্ষাত উত্তীৰ্ণ হোৱাত ঘৰখনৰ লগতে গাঁওখনতো আনন্দমুখৰ পৰিৱেশ সৃষ্টি হৈছে। আনফালে, ছাত্ৰগৰাকীৰ এই সাফল্যই শিয়ালমাৰী আৰু ইয়াৰ ওচৰৰ অঞ্চলসমূহৰ শিক্ষা ক্ষেত্ৰলৈ নতুন আশা আৰু অনুপ্ৰেৰণা কঢ়িয়াই আনিব বুলি আশা কৰা হৈছে। সমান্তৰালভাৱে চিকিৎসক হোৱাৰ সপোন দেখা অসংখ্য শিক্ষাৰ্থীৰ বাবে লীয়ন তালুকদাৰৰ এই কৃতিত্ব নিঃসন্দেহে অনুকৰণীয় দৃষ্টান্ত হিচাপে পৰিগণিত হৈছে। গুৱাহাটীৰ বীৰকুছি নাৰেংগীস্থিত মাৰিয়া পাব্লিক স্কুলৰ মেধাসম্পন্ন ছাত্ৰ লীয়নৰ এনে সাফল্যত বিভিন্ন ব্যক্তি, আত্মীয়-স্বজন, বন্ধুবৰ্গৰ লগতে ককা আইতা ক্ৰমে মাখিবাহাৰ নিবাসী অনাতাঁৰ আৰু দূৰদৰ্শন কেন্দ্ৰৰ



স্বীকৃতিপ্ৰাপ্ত গীতিকাৰ, ঔপন্যাসিক ৰামচৰণ পাঠক আৰু ইভা পাঠক, মোহিনী তালুকদাৰে আনন্দিত হৈ তেওঁক অভিনন্দন জনায়।

## ঘগ্ৰাপাৰত ৰে'লৰ খুন্দাত নিহত যুৱক

**বাতৰি কাকত, ঘগ্ৰাপাৰ, ২০ জুলাই ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰেল ষ্টেচনতশনিবাৰে সন্ধিয়া এগৰাকী যুৱকক ৰেলে মহতিয়াই নিয়ে । উক্ত যুৱকজন ঘগ্ৰাপাৰ আৰক্ষী থানাৰ অন্তৰ্গত গলিয়া গাৱৰ প্ৰণৱ কলিতা (পৰেশ) (৩৮) বুলি চিনাক্ত হৈছে। উল্লেখ্য যে বৃহস্পতিবাৰে নামনিমুৱা বন্দেভাৰত ৰেল গাড়ীখনে ঘগ্ৰাপাৰ ৰেল ষ্টেচনৰ কাষতে এগৰাকী যুৱকক মহতিয়াই নিয়াৰ ফলত লোকজনৰ শৰীৰটো ছিন্নভিন্ন হৈ পৰে । ঘটনাস্থলীত ৰেল কৰ্ত্তৃপক্ষই মৃত লোকজনৰ সন্ধান চলোৱাৰ পিছত আজি যুৱকজনক চিনাক্ত কৰিব সক্ষম হয়। নিশাটো নলবাৰী শ্বহীদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়ৰ মৰ্গত ৰাখি আজি মৰণোত্তৰ পৰীক্ষাৰ অন্তত ৰাজহুৱা বাবে অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। তেওঁৰ মৃত্যুত সদৌ নলবাৰী জিলা সাংবাদিক সন্থা,ঘগ্ৰাপাৰ প্ৰেছ ক্লাব, গলিয়া গাঁও উন্নয়ন সমিতি, নিমুৱা বুঢ়া গোঁসাই থান পৰিচালনা সমিতি, বৃহত্তৰ নলবাৰী গণ সেৱা সংস্থা আদিয়ে গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পিতৃ মাতৃ, সাংবাদিক ককায়েক ৰবীন্দ্ৰনাথ কলিতা সহ অনেক গুণ মুগ্ধক ইহসংসাৰত এৰি যায়।

## AFFIDAVIT

I, RINA BIBI, C/o - Jamal Uddin Khan, a resident of Vill- Shimutapu No-2, PO - Shimutapu, PS - Gossaigaon, Dist- Kokrajhar, Assam do hereby solemnly affirmed and declared by an affidavit before the Notary public, Govt of Assam at Gossaigaon on 14/07/2026 that My actual and correct name is RINA BIBI as per my Aadhaar card, PAN Card and other documents, But my name has been wrongly recorded in my SBI Bank Account vide A/C No. 38139733870 under Srirampur Branch as RINA BEGUM in place of RINA BIBI. That, RINA BIBI and RINA BEGUM are the same person having one identical person i.e. myself.

# ধুবুৰীত ড্ৰাগছ সহ চাৰিজন আটক

**ষ্টাফ ৰিপৰ্টাৰ, ধুবুৰী, ২০ জুলাই ঃ** ধুবুৰী আৰক্ষী ড্ৰাগছৰ বিৰুদ্ধে যিমানেই সষ্টম হৈছে তাৰ বিপৰীতে ড্ৰাগছ ব্যৱসায়ীয়েও সিমানেই চতুৰ হৈ পৰিছে। এইবাৰ নিজৰ ঘৰৰ ভিতৰতে নিচাজাতীয় ড্ৰাগছ সেৱন কৰাৰ ঘাটি খুলি লোৱাৰ লগতে চলাই গৈছে ড্ৰাগছৰ ৰমৰমীয়া বেহা। বিক্ৰী আৰু খোৱা একেলগে উপলব্ধ। আজি আবেলিৰ ভাগত ধুবুৰী আৰক্ষীৰ এক গোপন তথ্যৰ ভিত্তিত চহৰখনৰ ৬ নং ৱাৰ্ডত অভিযান চলাই ড্ৰাগছ সহ চাৰিজনকৈ লোকক আটক কৰিবলৈ সক্ষম হয়। ধৃত চাৰিজন নুৰ খান (৫০), জাহাংগীৰ আলম (৪৬), ছাইফুল ইছলাম (৩৪) আৰু মমিনুৰ ইছলাম (৫২)। ধৃত চাৰিজনৰ পৰা নিচাজাতীয় যুবা টেবলেট ৬০০টা আৰু নিচাজাতীয় কফ চিৰাফ জব্দ কৰিবলৈ সক্ষম হয়। পিছত আৰক্ষীয়ে চাৰিওজনক আটক কৰি ধুবুৰী সদৰ থানালৈ আনি অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে।

## মুখা নিৰ্মাণ আবৃত্তি-নাট কৰ্মশালাৰ সামৰণি

**বাতৰি কাকত, গোৰেশ্বৰ, ২০ জুলাই ঃ** তামুলপুৰ জিলাৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান গোৰেশ্বৰ মহাবিদ্যালয়ত , গোৰেশ্বৰ মহাবিদ্যালয়, চিফুং দ্যা আৰ্টিষ্ট আৰু পাখি প্ৰডাকচনৰ উদ্যোগত সাতদিনীয়াকৈ অনুষ্ঠিত মুখা নিৰ্মাণ, আবৃত্তি আৰু নাট কৰ্মশালাৰ দেওবাৰে সামৰণি পৰে । নামনি অসমত মুখা নিৰ্মাণ প্ৰাচুৰ্যতাৰ হেতু মুখা নিৰ্মাণ, কবিতা আবৃত্তি আৰু নাটকৰ সাম্যক জ্ঞান দিয়াৰ উদ্দেশ্যে পৰী শৰণীয়াৰ তত্বাৱধানত উপম শইকীয়া আৰু মিণ্টু বড়াই শতাধিক শিক্ষাৰ্থীক গোৰেশ্বৰ মহাবিদ্যালয়ত কৰ্মশালাত প্ৰশিক্ষণ দিয়ে। আজি সামৰণি অনুষ্ঠানত উপস্থিত থাকে গোৰেশ্বৰ বিধানসভা সমষ্টিৰ বিধায়ক ভিক্টৰ কুমাৰ দাস, গোৰেশ্বৰ মহাবিদ্যালয়ৰ ড° প্ৰতিভা পাটোৱাৰী আৰু ডাঃ নয়নজ্যোতি শৰ্মাই ভাষণ প্ৰদান কৰি শিক্ষাৰ্থী সকলক উৎসাহিত কৰে।

# দুই বছৰে বন্ধ ধুবুৰী-শিলিগুৰি এএছটিচি বাছ সেৱাঃ শীঘ্ৰে বাছ সেৱা পুনৰ আৰম্ভৰ দাবী ঃ আছু



**বাতৰি কাকত,ধুবুৰী, ২০ জুলাই ঃ** ধুবুৰীৰ পৰা শিলিগুৰিলৈ চলাচল কৰা অসম ৰাজ্যিক পৰিবহণ নিগমৰ নিজস্ব বাছ সেৱা প্ৰায় দুবছৰে বন্ধ হৈ থকাত যাত্ৰী সকলৰ মাজত তীব্ৰ অসন্তুষ্টিৰ সৃষ্টি হৈছে। চৰকাৰী বাছ সেৱা বন্ধ হৈ থকাৰ ফলত সাধাৰণ যাত্ৰীসকল ব্যক্তিগত বাহনৰ ওপৰত নিৰ্ভৰশীল হ'বলৈ বাধ্য হৈছে। এই পৰিপ্ৰেক্ষিতত সদৌ অসম ছাত্ৰ সন্থাৰ ধুবুৰী জিলা সমিতিয়ে অসমৰ মুখ্যমন্ত্ৰী, পৰিবহণ বিভাগৰ মন্ত্ৰী, ধুবুৰী জিলা আয়ুক্ত আৰু এএছটিচিৰ পৰিচালন সঞ্চালকৰ ওচৰত ধুবুৰীৰ পৰা শিলিগুৰিলৈ বাছ সেৱা অনতিপলমে পুনৰ আৰম্ভ কৰাৰ দাবী জনাইছে। এএছটিচিৰ ধুবুৰী আস্থানৰ অধীক্ষকে জনোৱা মতে, নিগমৰ নিজস্ব বাছ সমূহৰ অনলাইন ফিটনেছ পঞ্জীয়ন সম্পূৰ্ণ নোহোৱাৰ বাবেই পশ্চিমবংগ চৰকাৰে সেই বাহনসমূহ ৰাজ্যখনত চলাচলৰ অনুমতি দিয়া নাই। ধুবুৰীত নিগমৰ নিজস্ব বাছ উপলব্ধ আছে যদিও বাছ সমূহৰ অনলাইন ফিটনেছ পঞ্জীয়ন নথকাৰ বাবে পশ্চিমবংগলৈ অহা যোৱা কৰাৰ বাবে বাছ সেৱা আগবঢ়াব পৰা নাই। এই সমস্যা সমাধানৰ বাবে বহুবাৰ মন্ত্ৰী, বিষয়াক আবেদন-নিবেদন কৰা হৈছিল যদিও এতিয়ালৈকে কোনো ইতিবাচক ফল লাভ কৰা হোৱা নাই বুলি তেওঁ উল্লেখ কৰে। উল্লেখ্য যে, বৰ্তমান ধুবুৰীৰ পৰা এএছটিচিৰ নিজস্ব মাত্ৰ দুখন বাছ গুৱাহাটী অভিমুখে চলাচল কৰি আছে আৰু তাৰ বিপৰীতে দুখন বাছ বিকল হৈ পৰি আছে। কিন্তু শিলিগুৰিকে ধৰি ওচৰ-চুবুৰীয়া জিলাসমূহলৈ নিগমৰ কোনো নিজস্ব বাছ সেৱা উপলব্ধ নহয়। ফলত ধুবুৰী জিলাৰ যাত্ৰীসকলে চৰকাৰী পৰিবহণ সেৱাৰ সুবিধাৰ পৰা বঞ্চিত হোৱাৰ লগতে যাত্ৰাৰ ক্ষেত্ৰত বিভিন্ন অসুবিধাৰ সন্মুখীন হক্কবলগীয়া হৈছে। এই পৰিস্থিতিত ধুবুৰীৰ পৰা গুৱাহাটী, শিলিগুৰি আৰু ওচৰ-চুবুৰীয়া জিলাসমূহলৈ এএছটিচিৰ নিজস্ব বাছ সেৱা পুনৰ আৰম্ভ কৰিবলৈ চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰে, সেয়া এতিয়া ৰাইজে আগ্ৰহেৰে লক্ষ্য কৰি আছে।

# ওদালগুৰি জিলাৰ খৈৰাবাৰীত প্ৰাকৃতিক কৃষি বিষয়ক দুদিনীয়া প্ৰশিক্ষণ সফলভাৱে সম্পন্ন

**ওদালগুৰি,২০ জুলাই ঃ** ওদালগুৰি জিলাৰ খৈৰাবাৰী ব্লকৰ অন্তৰ্গত ৰঙাগাঁও এল.পি. স্কুলত ওদালগুৰি জিলা কৃষি বিভাগৰ অন্তৰ্গত কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সংস্থা (আটমা)ৰ উদ্যোগত "প্ৰাকৃতিক কৃষিৰ দ্বাৰা স্থায়ী কৃষি আৰু পুষ্টিকৰ খাদ্য সুৰক্ষা" শীৰ্ষক এটি দুদিনীয়া কৃষক প্ৰশিক্ষণ কাৰ্যসূচী সফলভাৱে অনুষ্ঠিত হয়। কাৰ্যসূচীখনত অঞ্চলটোৰ বহুতো কৃষকে উৎসাহেৰে অংশগ্ৰহণ কৰি প্ৰাকৃতিক কৃষি পদ্ধতিৰ প্ৰতি গভীৰ আগ্ৰহ প্ৰকাশ কৰে ।প্ৰশিক্ষণ কাৰ্যসূচীত প্ৰাকৃতিক কৃষিৰ মৌলিক ধাৰণা আৰু গুৰুত্ব, জৈৱিক আৰু প্ৰাকৃতিক কৃষিৰ মাজৰ পাৰ্থক্য, ৰাসায়নিক সাৰৰ অপকাৰিতা, সাৰৰ সুষম ব্যৱহাৰৰ প্ৰয়োজনীয়তা, মাটিৰ গুণাগুণ সংৰক্ষণ আৰু উন্নয়নৰ পদ্ধতিৰ লগতে স্থায়ী কৃষি আৰু পুষ্টিকৰ খাদ্য সুৰক্ষাৰ গুৰুত্বৰ ওপৰত বিস্তৃতভাৱে আলোকপাত কৰা হয়। বিশেষকৈ মাটিৰ জীৱবৈচিত্ৰ্য সংৰক্ষণ, উৎপাদন ব্যয় হ্ৰাস আৰু পৰিবেশ সংৰক্ষণৰ ক্ষেত্ৰত প্ৰাকৃতিক কৃষিৰ ভূমিকা সম্পৰ্কে কৃষকসকলক অৱগত কৰা হয় ।ইয়াৰ উপৰি , বীজামৃত, জীৱামৃত, নিমাস্ত্ৰ, ব্ৰহ্মাস্ত্ৰ, অগ্নাস্ত্ৰ আদি বিভিন্ন প্ৰাকৃতিক দ্ৰাৱণৰ প্ৰস্তুতি পদ্ধতি আৰু ব্যৱহাৰিক দিশসমূহ বিষয়ে সুস্পষ্টভাৱে ব্যাখ্যা কৰা হয়। নিম-ভিত্তিক এক্সট্ৰেক্ট আদি প্ৰাকৃতিক উপাদান ব্যৱহাৰ কৰি পোক-পতংগ আৰু ৰোগ নিয়ন্ত্ৰণৰ সলনি-বিকল্প পদ্ধতিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয় ।পুষ্টিকৰ খাদ্য সুৰক্ষা নিশ্চিত কৰাৰ ক্ষেত্ৰত মিশ্ৰিত খেতি পদ্ধতি, বহুস্তৰীয় কৃষি, গৃহস্থালীৰ কিচেন গাৰ্ডেন স্থাপন, আৰু প্ৰাকৃতিক পদ্ধতিৰে বায়'ফ'ৰ্টিফিকেচনৰ প্ৰাসংগিকতা সম্পৰ্কেও বিশদ আলোচনা কৰা হয়, যাৰ দ্বাৰা পৰিয়ালৰ পুষ্টিৰ প্ৰয়োজন পূৰণ কৰাৰ লগতে কৃষকৰ আয় বৃদ্ধি কৰিব পৰা যায় ।কাৰ্যসূচীৰ এক গুৰুত্বপূৰ্ণ অংশ হিচাপে জীৱামৃত, নিমাস্ত্ৰ, ব্ৰহ্মাস্ত্ৰ আৰু অন্যান্য প্ৰাকৃতিক পোক নিয়ন্ত্ৰণ দ্ৰাৱণ প্ৰস্তুতিৰ ওপৰত ব্যৱহাৰিক প্ৰশিক্ষণ অনুষ্ঠিত কৰা হয়। এই প্ৰশিক্ষণৰ জৰিয়তে কৃষকসকলে হাতে-কলমে শিকাৰ সুযোগ লাভ কৰি নিজ নিজ কৃষিক্ষেত্ৰত ইয়াৰ প্ৰয়োগ কৰিবলৈ উৎসাহিত হয় ।এই প্ৰশিক্ষণত প্ৰশিক্ষক হিচাপে উপস্থিত আছিল শ্ৰী সৌৰভ দত্ত, প্ৰাকৃতিক কৃষিৰ ডোমেইন এক্সপাৰ্ট, থলুৱা বহুমুখী সমবায় সমিতি লিমিটেড, ধনশিৰিঘাট, ওদালগুৰি। তেখেতে সহজ ভাষাত প্ৰশিক্ষণ আগবঢ়াই কৃষকসকলক বিষয়সমূহ স্পষ্টভাৱে বুজাই দিয়ে ।উক্ত কাৰ্যসূচীত খৈৰাবাৰী ভিচিডিচিৰ সভাপতি সমৰ বসুমতাৰীয়ে কয়- "বৰ্তমান সময়ত প্ৰাকৃতিক কৃষি হৈছে কৃষকৰ বাবে এক স্থায়ী আৰু লাভজনক বিকল্প। এই ধৰণৰ প্ৰশিক্ষণৰ জৰিয়তে কৃষকসকলে কম খৰচত অধিক উৎপাদন লাভ কৰাৰ লগতে স্বাস্থ্যসন্মত খাদ্য উৎপাদন কৰিব পাৰিব।" লগতে অনাগত দিনত এই ধৰণৰ আৰু অধিক প্ৰশিক্ষণ কাৰ্যসূচীৰ প্ৰয়োজনীয়তাৰ ওপৰত তেখেতে গুৰুত্ব আৰোপ কৰে। এই কাৰ্যসূচীত খৈৰাবাৰী ভিচিডিচিৰ সদস্য বিমল দৈমাৰী আৰু সঞ্জীৱ দেবনাথৰ লগতে মৃণালী দেৱী, বিটিএম, আটমা, খৈৰাবাৰী ব্লক উপস্থিত থাকে ।প্ৰশিক্ষণ কাৰ্যসূচীৰ দ্বিতীয় দিনৰ অন্তত অংশগ্ৰহণকাৰী সকলক প্ৰমাণপত্ৰ বিতৰণ কৰা হয়। আয়োজক পক্ষই আশা প্ৰকাশ কৰে যে এই প্ৰশিক্ষণে অঞ্চলটোৰ কৃষকসকলক প্ৰাকৃতিক কৃষিৰ প্ৰতি অধিক আগ্ৰহী কৰি তুলিব আৰু মাটিৰ গুণাগুণ উন্নয়ন, উৎপাদন ব্যয় হ্ৰাস আৰু স্থায়ী কৃষি ব্যৱস্থাৰ দিশত আগবঢ়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

## বিশেষ ৰঙিয়াৰ বাতৰি

# অভিনেত্ৰী বৰষাৰাণী বিষয়াই ৰঙিয়াত মুকলি কৰিলে এ কে বিউটি চেলুন এণ্ড একাডেমী

বিউটি চেলুন খনৰ অভিজ্ঞ বিউটিচিয়ান তথা দুটা স্বত্বাধিকাৰি পূৰবী ডেকাৰ তত্বাৱধানত আৰম্ভ হ'ল আধুনিক সৌন্দৰ্য চৰ্চাৰ অন্যতম এই কেন্দ্ৰ খন ।উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি বৰষাৰাণীয়ে কয় যে নাৰীসকল আত্মনিৰ্ভৰশীল হ'বলৈ আৰ্থিক স্বাধীনতাৰ প্ৰয়োজন এই ক্ষেত্ৰত পুৰবী ডেকাই লগতে তেওঁৰ দ্বাৰা প্ৰশিক্ষিত কেবাগৰাকীও যুৱতীক লৈ যি সপোন দেখিছে সেয়া অত্যন্ত প্ৰশংসনীয়।

# কাথপাৰাৰ সৰবৰহী যুৱক ৰাহিদ আলীৰ মৃত্যু

**খাইৰুদ্দিন আহমেদ শিৱসাগৰ ২০ জুলাই ঃ** শিৱসাগৰ নগৰৰ সমীপৰ কুকুৰাপহীয়া কাথপাৰা গাঁৱৰ অৱসৰপ্ৰাপ্ত চৰকাৰী কৰ্মচাৰী ৰছিদ আলীৰ দ্বিতীয় পুত্ৰ তথা ফৰিদ আলীৰ কনিষ্ঠ ভাতৃ ৰাহিদ আলীৰ আবেলি ৪ বজাত কাথপাৰাৰ নিজ বাসস্থানত মৃত্যু হয়। যোৱা কিছুদিন ধৰি বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ থকা ৰাহিদ অঞ্চলটোৰ এগৰাকী সৰবৰহী যুৱক আছিল। যুৱকজনৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে সমগ্ৰ কুকুৰাপহীয়া - কাথপাৰা অঞ্চলত শোকৰ ছাঁ পৰিছে। তেওঁৰ জানাজা স্থানীয় কৱৰস্থানত সম্পন্ন কৰা হয়। এগৰাকী কন্যাৰ পিতৃ ৰাহিদ আলীয়ে মৃত্যুৰ সময়ত পিতৃ - মাতৃ, এগৰাকী জ্যেষ্ঠ ভাতৃ, এগৰাকী ভগ্নীৰ সহিতে পত্নীৰ লগতে বহু আত্মীয় স্বজনক ইহ সংসাৰত এৰি থৈ যায়। যুৱকজনৰ মৃত্যুত কুকুৰাপহীয়া, কাথপাৰা, বানমুখ, জেঙনিকটীয়া অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে।

# ৰঙিয়া কৃষক শ্বহীদ ভৱনত উপস্থিত অসমীয়া কথাছবি এ' ৰাই জেদৰ

কৃষক শ্বহীদ ভৱনত চলি থকা নটৰাজ নাট্যগোষ্ঠীৰ প্ৰশিক্ষাৰ্থীসকলে অসমীয়া চলচ্চিত্ৰৰ নৱৈ বছৰীয়া যাত্ৰা, উত্থান-পতন সম্পৰ্কে গীত আৰু কথাৰ মাধ্যমেৰে উপস্থাপন কৰি উপস্থিত দৰ্শক তথা টীম এক্স ৰাই জেদক আহ্লাদিত কৰে। কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলে জ্যোতিপ্ৰসাদ আগৰৱালাৰ জয়মতী নিৰ্মাণৰ পৰা আৰম্ভ কৰি লক্ষ্যধৰ চৌধুৰী, ভবেন্দ্ৰনাথ শইকীয়া, মুনীন বৰুৱা, অশোক কুমাৰ বিষয়া, জুবিন গাৰ্গ, ৰীমা দাস ইত্যাদি অসমীয়া কথাছবি নিৰ্মাতাসকলৰ অৱদান কৃতজ্ঞতাৰে সুঁৱৰি পৰিচালক হিমাংশু প্ৰসাদ দাসৰ মুক্তি পাবলগীয়া এক্স ৰাই জেদলৈ শুভেচ্ছা জ্ঞাপন কৰে। উক্ত কাৰ্যসূচীত উপস্থিত থাকে এক্স ৰাই জেদৰ প্ৰযোজক হেমন্ত কলিতা, অভিনেত্ৰী পল্লবী ফুকন, অভিনেতা চন্দন দাস, অপূৰ্ব বৰ্মন, প্ৰদীপ দত্ত, কুল কুলদ্বীপ, প্ৰদ্যুৎ বিকাশ, গৌৰৱজ্যোতি দাস, দিংকু, ইৰফান আৰু ছবি সম্পাদনাকাৰী হাৰ্দিক কাশ্যপ। ছবি পৰিচালক হেমন্ত কলিতাই মত প্ৰকাশ কৰে যে, বিগত সময়ৰ অসমীয়া কথাছবিসমূহক ৰঙিয়াৰ ৰাইজে যি ধৰণে আদৰি লৈছে, একেদৰে ৰঙিয়াৰ কেইবাগৰাকীও অভিনেতাই অভিনয় কৰা এই এক্স ৰাই জেদ কথাছবিখনো ৰাইজে আদৰি ল'ব।

# গোমোঠা গাঁৱত অসম নাট্য সন্মিলন 'কলংপাৰ' শাখাৰ শিশু নাট কৰ্মশালা

**বাতৰি কাকত নৰে, ২০ জুলাই ঃ** অসম নাট্য সন্মিলন কলংপাৰ শাখাৰ ব্যৱস্থাপনাত গোমোঠা গাঁও প্ৰাথমিক বিদ্যালয়ত দহদিনীয়া শিশুনাট কৰ্মশালা অনুষ্ঠিত হৈছে। এই উপলক্ষে কাৰ্যসূচী অনুসৰি পুৱা বন্তিপ্ৰজ্বলনৰ লগতে সন্মিলনৰ পতাকা উত্তোলন কাৰ্যসূচীৰ শুভাৰম্ভ কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা সমাজকৰ্মী কমলাকান্ত বৰা আৰু কলংপাৰ শাখাৰ সভাপতি মাধৱ চন্দ্ৰ বৰাই ।ইয়াৰ পিছতে জনতাৰ শিল্পী বিষ্ণুপ্ৰসাদ ৰাভা,ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা,সুধাকণ্ঠ ভূপেন হাজৰিকা,প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা সমাজকৰ্মী থুলেশ্বৰ বৰা, অসম নাট্য সন্মিলন নগাঁও জিলা সমিতিৰ সভাপতি প্ৰশান্ত শৰ্মা,নাট্য সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক সুৰজ কুমাৰ শইকীয়া আৰু গোমোঠা গাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰত্নেশ্বৰ বৰাই। তাৰ পিছতেই বিদ্যালয়খনৰ চৌহদত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত নাহৰৰ পুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে নাট্যকৰ্মী সোনাৰাম বৰাই। তেওঁৰ লগতে স্কুলৰ চৌহদত অৱসৰপ্ৰাপ্ত শিক্ষক দুলাল চন্দ্ৰ শৰ্মা আৰু সমাজকৰ্মী সোনাৰাম বৰাই একোটাকৈ গছপুলি ৰোপণ কৰে ।ইয়াৰ অন্তত শিশুনাট কৰ্মশালাৰ শুভ উদ্বোধন কৰে বি.জে.পি নেতা তথা বিশিষ্ট সমাজকৰ্মী অনিল শইকীয়াই ।ভাষণত উদ্বোধক শইকীয়াই অসম নাট্য সন্মিলৰ 'কলংপাৰ' শাখাই যুৱ প্ৰজন্মক নাট্য সংস্কৃতিৰ প্ৰতি আকৃষ্ট কৰা বাবে শিশুনাট কৰ্মশালাৰ আয়োজন কৰাৰ পদক্ষেপক শলাগ লয় ।শাখাৰ সম্পাদক গোলাপ বৰা আৰু সহঃ সম্পাদক নিপুল বৰাই আঁত ধৰা অনুষ্ঠানত নাট্যকৰ্মী হেমকান্ত বৰুৱা,শিল্পী,কবি তথা লেখক গোলাপ বৰা,সূত জাতি উন্নয়ন পৰিষদৰ অধ্যক্ষ তৰুণ চন্দ্ৰ বৰা,অভিনেতা অতুল বৰা,বঢ়মপুৰ শ্বহীদ স্মৃতি আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দীপক চন্দ্ৰ বৰা,সমাজকৰ্মী নৰেন্দ্ৰনাথ বৰা,চন্দ্ৰকান্ত বৰা,অভিনেতা তথা পৰিচালক ৰাজেন ফুকন,ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ প্ৰশিক্ষণপ্ৰাপ্ত অভিনেত্ৰী সুস্মিতা শইকীয়া,সাংস্কৃতিক কৰ্মী দিলীপ দাস,প্ৰশিক্ষক শোণিত কুমাৰ বৰা প্ৰমুখ্যে বহু গণ্য মান্য ব্যক্তি উপস্থিত থাকে।

# উচ্চ শিক্ষা লাভ কৰি চাকৰিৰ পাছত দৌৰি নাথাকি ব্যৱসায়ৰে মানুহ হোৱাৰ সপোন নলবাৰী বালিকৰিয়াৰ যুৱক ৰতন বৰ্মন



**বাতৰি কাকত,ধমধমা,২০ জুলাই ঃ** বালিকৰিয়াৰ ৰতন বৰ্মন এজন উচ্চ শিক্ষিত যুৱক । শিক্ষা লাভ কৰি চাকৰিৰ পিছত বছৰ বছৰ ধৰি দৌৰি নাথাকি তেওঁ ব্যৱসায়িক ভাৱে স্বাৱলম্বী হোৱাৰ নিদৰ্শন দাঙি ধৰিছে । আজিৰ পৰা চাৰি বছৰ আগত তেওঁ বালিকৰিয়াৰ বুকুত 'অংকিতা কম্পিউটাৰ এণ্ড ফটোষ্টেট' নামেৰে বিভিন্ন ধৰণৰ অনলাইন সেৱা,উপহাৰ সামগ্ৰী,ফটো ফ্ৰম লগতে গ্ৰাহকৰ বিভিন্ন প্ৰয়োজনীয় সামগ্ৰীৰ এখন বিপনী গঢ় দিয়ে। অংকিতা কম্পিউটাৰ এণ্ড ফটোষ্টেটৰ প্ৰতি গ্ৰাহকৰ মৰম আৰু আশীৰ্বাদত বাবে মাত্ৰ দুই বছৰৰ ভিতৰতে তেওৰ উচ্চ শিক্ষিত লগতে কম্পিউটাৰ শিক্ষা গ্ৰহণ কৰি অহা ভাতৃ গগন বৰ্মনক লগত লৈ বালিকৰিয়াৰ বুকুত পোন প্ৰথম বাৰৰ বাবে ট্ৰেইনৰেল কম্পিউটাৰ ইডুকেচন চেণ্টাৰ নামেৰে এটা কম্পিউটাৰ শিক্ষাৰ প্ৰতিষ্ঠানৰ জন্ম দিয়ে । যাৰ বাবে আজি বালিকৰিয়া প্ৰায় সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে কম্পিউটাৰ শিক্ষাৰ লগত জড়িত হৈ পৰিছে । বৰ্তমান প্ৰতিষ্ঠানটোত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৫০ গৰাকীৰো অধিক । ৰতন বৰ্মনে নিজ ব্যৱসায়ৰ লগতে সাংস্কৃতিক ক্ষেত্ৰখনতো কিছু আগবঢ়া । সেই অঞ্চলৰ ল'ৰা-ছোৱালীসকলৰ লগত তেও বিভিন্ন ধৰণৰ সামাজিক,সাংস্কৃতিক কামৰ লগত জড়িত ।এতিয়ালৈ তেওঁ নিজে লিখা,সুৰ কৰা আৰু নিজে কণ্ঠদান কৰা ৫ টাকৈ গীত দৰ্শকৰ মাজলৈ আগবঢ়াই দিছে, ৬ খনৰো অধিক একাংকিতা নাট তেওঁ লিখিছে। তাৰ লগতে বিভিন্ন ধৰণৰ কবিতা লিখা,আবৃত্তি কৰাৰ উপৰিও এতিয়ালৈ বহুকেইখন নাটত তেওঁ অভিনয় কৰিছে। তেওঁ আৰু তেওঁৰ ভাতৃ গগন বৰ্মনক লগত লৈ ব্যাৱসায়িক ভাৱে বহুত সপোন দেখিছে ।ব্যৱসায়িক ক্ষেত্ৰখনত তেওঁলোকৰ বহুদূৰ আগবঢ়া ইচ্ছা ।

# ৰঙিয়াত প্ৰজ্ঞা আৰু সংগীতৰ সাংস্কৃতিক কৰ্মশালাৰ আয়োজন

কামৰূপ জিলাৰ অন্যতম স্বেচ্ছাসেৱী সামাজিক -সাংস্কৃতিক অনুষ্ঠান সংগীত গ্ৰুপ অৱ ক্ৰিয়েচন আৰু প্ৰজ্ঞা উত্তৰ কামৰূপ জিলা সমিতিৰ উদ্যোগত ৰঙিয়াৰ অসম ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানত গ্ৰীষ্মকালীন বিশেষ সাংস্কৃতিক কৰ্মশালাৰ আয়োজন কৰা হৈছে। ২০ জুলাইৰ পৰা অনুষ্ঠিত হোৱা সাংস্কৃতিক কৰ্মশালাত ভূপেন হাজৰিকাৰ গীতৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। প্ৰজ্ঞাই সুধাকণ্ঠৰ গীতৰ প্ৰচাৰ আৰু প্ৰসাৰৰ অংশ হিচাপে এই কৰ্মশালাত আয়োজন কৰা হৈছে বুলি প্ৰজ্ঞা উত্তৰ কামৰূপ জিলাৰ সভাপতি মনোজ কুমাৰ শৰ্মা আৰু সম্পাদক বসন্ত কলিতাই জানিবলৈ দিয়ে। ইফালে অভিনয় কৰ্মশালাৰ মূখ্য প্ৰশিক্ষক হিচাপে ৰাষ্টীয় বঁটাপ্ৰাপ্ত অভিনেতা, পৰিচালক, চিত্ৰ নাট্যকাৰ পংকজ পল্লৱ শৰ্মা উপস্থিত থাকিব। উল্লেখ্য যে চাৰিটাকৈ ৰাষ্ট্ৰীয় তথা আন্ত ৰাষ্ট্ৰীয় বটা লাভ কৰা অসমীয়া চলচ্চিত্ৰ "দিঠকত হেৰাল সপোন" ৰ চিত্ৰনাট্যকাৰ তথা পৰিচালক পংকজ পল্লৱ শৰ্মাই ইতিমধ্যে অসমৰ বিভিন্ন ঠাইত প্ৰশিক্ষণ প্ৰদান কৰি যোৱা বছৰ নিজৰ অভিনয় প্ৰশিক্ষণৰ ২৫ বছৰ অৰ্থাৎ ৰূপালী জয়ন্তী পাৰ কৰিছে। তেওঁ বিশেষকৈ শিশু সকলক বৌদ্ধিক আৰু মানসিকভাৱে আগবঢ়াই নিবলৈ চেষ্টা কৰাৰ লগতে প্ৰশিক্ষাৰ্থী সকলক লৈ সমাজ সচেতন মূলক বাটৰ নাটক আৰু চুটি ছবি নিৰ্মান কৰি আহিছে। কৰ্মশালাৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণকাৰী প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব ।প্ৰতিদিনে দিনৰ ১০.৩০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া অভিনয় কৰ্মশালাত অংশগ্ৰহণ কৰিবলগীয়া ইচ্ছুক প্ৰশিক্ষাৰ্থী সকলে নিজৰ নিজৰ নাম সমূহ পঞ্জীয়ন কৰিব লাগিব। ইচ্ছুক অভিনয় প্ৰশিক্ষাৰ্থীক সবিশেষ তথ্যৰ বাবে ৯৯৫৪২৯৩৬৬৮, ৬০০১০৩৬৫০৪ আৰু ৯১০১২৬৫০৪৮ নম্বৰত যোগাযোগ কৰিবলৈ বসন্ত কলিতা, কৰুণা দত্ত, চৈয়দ মোস্তফা আহমেদ, চাকিল আহমেদ,অঞ্জু কলিতা, মেঘালী ডেকা আৰু শংকৰ কলিতাই অনুৰোধ জনাইছে।

# ডিমাকুছিৰ টেংকিবস্তিত পুনৰ বন্যহস্তীৰ উপদ্ৰৱত একে নিশাই কেইবাটাও পৰিয়াল গৃহহাৰা



**ওদালগুৰি, টংলা, ২০ জুলাই ঃ** ৰাজ্যত অব্যাহত আছে হাতী-মানুহৰ সংঘাত , ভাৰত-ভূটান সীমান্তত দিনকদিনে বৃদ্ধি পাইছে হাতী-মানুহৰ ভয়াৱহ সংঘাত। কেইদিনমান পূৰ্বে ওদালগুৰি জিলাৰ বাদলাপাৰা চাহ বাগিচাত বন্যহস্তীৰ আক্ৰমণত নিহত হৈছিল বাটাম উড়িয়া নামৰ শ্ৰমিকজন । বিগত কেইমাহমানৰ পৰা ওদালগুৰি জিলাৰ ভূটান সীমান্তৱৰ্তী ডিমাকুছি , বামুনজুলি, বৰগীতল , বাদলাপাৰা, টেংকিবস্তি , ধৰমজুলি , নোনাইপাৰা , নালাপাৰা, ৰজাগড় , আটাৰীখাট, শুক্লাই, সোণাজুলি , ভূটিয়াচাংকে ধৰি বিভিন্ন অঞ্চলত সঘনাই বৃদ্ধি পাইছে বন্যহস্তীৰ উপদ্ৰৱ । বন্যহস্তীৰ উপদ্ৰৱৰ সমস্যা ৰোধৰ বাবে অসম বিধানসভাৰ বাজেট অধিৱেশনত ভেৰগাঁও বিধানসভা সমষ্টিৰ বিধায়ক মহেশ্বৰ বড়োৱে হাতী-মানুহৰ সংঘাত ৰোধ সম্পৰ্কৰ বিষয়ে উত্থাপন কৰিছে । পিছে ইয়াৰ পিছতেই পুনৰ বাদলাপাৰা আৰু টেংকিবস্তি আৰু ৰজাগড়ত কেইবাটাও পৰিয়ালৰ তামোল-নাৰিকলৰ গছৰ উপৰি খেতি পথাৰ ধ্বংস কৰাৰ লগতে বিদ্যালয় গৃহ ভাঙি লণ্ড-ভণ্ড কৰে। টেংকিবস্তিৰ কলবাৰীত জোনাকী বড়ো আৰু নগেন বড়ো নামৰ পৰিয়াল কেইটা বন্যহস্তীৰ আক্ৰমণৰ পৰা শিশু সহ কথমপি প্ৰাণ ৰক্ষা পৰে । ৩৩ নং নৰে চেৰফাং পৰিষদীয় সমষ্টিৰ অন্তৰ্গত টেংকিবস্তিৰ কলবাৰীত বন্যহস্তীয়ে একেদিনাই কেইবাটাও বাসগৃহ ভাঙি চুৰ-মাৰ কৰাৰ ফলত গৃহহাৰা হৈ পৰে জোনালী বড়ো নামৰ মহিলাগৰাকী । স্থানীয় বন বিভাগ আৰু নৰে চেৰফাং পৰিষদীয় সমষ্টিৰ পাৰিষদ পল টপ্পৰ ওপৰত ক্ষোভিত হৈ পৰিছে গৃহহৰা পৰিয়ালকেইটা , বন বিভাগ আৰু স্থানীয় এমচিএলএ পল টপ্পক খৱৰ জনোৱাৰ পিছতো ঘটনাস্থলীত উপস্থিত নোহোৱাৰ অভিযোগ তুলিছে পৰিয়াল কেইটাই । জিলাখনৰ ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলত ভয়ানক ৰূপত বৃদ্ধি পাইছে হাতী-মানুহৰ সংঘাত, কুম্ভকৰ্ণ নিদ্ৰাত বিয়াগোম বন বিভাগ কিম্বা বনমন্ত্ৰী জয়ন্ত মল্ল বৰুৱা । প্ৰতিদিনে উজাগৰি নিশা কটাবলগীয়া হৈছে ভূটান সীমান্তৰ অঞ্চলবাসীয়ে পূৰ্বতকৈ ক্ৰমান্বয়ে বৃদ্ধি পাইছে হাতী-মানুহৰ সংঘাত। উল্লেখযোগ্য যে ভেৰগাঁও বিধানসভা সমষ্টিত দুটা মাহতে তিনিজনকৈ নিৰীহ লোকে প্ৰাণ হেৰুৱাইছে , আনহাতে বামুনজুলি , ৰজাগড় , বাদলাপাৰা , টেংকিবস্তিকে ধৰি বিভিন্ন প্ৰান্তত প্ৰায় শতাধিক পৰিয়ালৰ ঘৰ-দুৱাৰ ভাঙি চুৰমাৰ কৰাৰ উপৰি কেইবাখনো বিদ্যালয় গৃহ ভাঙি লণ্ড-ভণ্ড কৰে যদিও গা-নলবিল বিয়াগোম বিভাগটোৰ । ৰাজ্যৰ বিয়াগোম বন বিভাগটো সম্পূৰ্ণ ৰূপে ব্যৰ্থ হৈছে হাতী-মানুহৰ সংঘাট ৰোধ কৰিবলৈ , যাৰ বাবে এতিয়া ভূটান সীমান্তৱৰ্তী অঞ্চলত ধাৰাবাহিকভাৱে বৃদ্ধি পাইছে হাতী-মানুহৰ সংঘাত । খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চললৈ নামি অহা বন্যহস্তীৰ জাকে দিনত চাহ বাগিচাৰ মাজত আশ্ৰয় লয় আৰু নিশা হক্সলেই গ্ৰামাঞ্চলত প্ৰৱেশ কৰি এফালৰ পৰা ধ্বংলীলা আৰম্ভ কৰে।কেইবাদিনো ধৰি স্থানীয় চাহ চাহ বাগিচাত বন্যহস্তীৰ বৃহৎ জাকে মুক্ত বিচৰণ কৰি থকাৰ বাবে আতংকিত হৈ আছে স্থানীয় ৰাইজ । বাৰে-বাৰে বিটিআৰ চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ বিয়াগোম বন বিভাগৰ উচ্চ পদস্থ বিষয়াক জনোৱাৰ পিছতো গা-নলবিল বন মন্ত্ৰী কিম্বা বিটিআৰ চৰকাৰৰ । আজিলৈকে হাতী-মানুহৰ সংঘাত কিছু পৰিমাণে হ'লেও ৰোধ কৰিবলৈ কোনো ধৰণৰ গুৰুত্বপূৰ্ণ ভূমিকা পালন নকৰিলে বিভাগীয় কৰ্তৃপক্ষই , এতিয়া ভূটান সীমান্তৱৰ্তী অঞ্চলত বিনিদ্ৰ ৰজনী কটাবলগীয়া হৈছে অঞ্চলবাসীয়ে । টেংকিবস্তিত নগেন বড়ো নামৰ লোকজনৰ প্ৰায় ডেৰ শতাধিক তামোল গছ , চেগুন গছ আৰু বামুনজুলিৰ আনোৱাৰা বেগমৰ তামোল গছ আদি ভাঙি লণ্ড-ভণ্ড কৰে , ইফালে নগেন বড়োক আক্ৰমণৰ লক্ষ্য কৰি চোচা লয় বন্যহস্তীয়ে । আনহাতে জোনালী বড়ো সন্তানৰ সৈতে শুই থকা অৱস্থাত বন্যহস্তীয়ে ঘৰ ভাঙি চুৰমাৰ কৰে কথমপি প্ৰাণ ৰক্ষা জোনালী বড়ো আৰু সন্তানৰ । চাজাম বড়ো গহন বড়ো , লোডা বড়ো , মৰমী বড়ো , পদ্মা বসুমতাৰী , ধনেশ্বৰ বসুমতাৰীৰ ঘৰ-দুৱাৰ ভাঙিচুৰমাৰ কৰে । হাতী-মানুহৰ ভয়াৱহ সংঘাত ৰোধ কৰিবলৈ সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ ওদালগুৰি জিলা সমিতিৰ সভাপতি শিৱদত তাঁতীয়ে স্থানীয় বিধায়ক মহেশ্বৰ বড়োৰ লগতে বন মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাক আহ্বান জনাইছে।





# মাজুলী

অঞ্জলিকা চক্ৰৱৰ্তী

পৃথিৱীৰ বৃহৎ নদী-দ্বীপ মাজুলী। ২০১২ চনত লোৱা চেটেলাইৰ জোখ অনুসৰি ইয়াৰ মাটি কালি ৫৪০ বৰ্গ কিলোমিটাৰ আৰু ২০১১ চনৰ গণনা অনুযায়ী ইয়াৰ বাসিন্দা প্ৰায় ১,৬৮,০০০ চন। প্ৰকৃতিৰ লীলাভূমি এই বৃহৎ নদী-দ্বীপটোক সত্ৰ মহানগৰী বুলিও জনাজাত। অতি পুৰণি কালৰ পৰাই ইয়াত বিভিন্ন জাতি-উপজাতিৰ লোকে বসবাস কৰি আহিছে। ইয়াৰ সাৰুৱা মাটিয়ে মানুহবোৰক সদায় হাত বাউলি মাতে। এই নদী-দ্বীপটোত বৰ্তমান বাইছটা জাতি-উপজাতিৰ মানুহ আছে। তেওঁলোক হ'ল — কোচ, সোণোৱাল কছাৰি, চুতীয়া, দেউৰী, আহোম, মিচিং, ব্ৰাহ্মিণ, কেওঁত, কৈৱৰ্ত, কলিতা-কায়স্থ, নেপালী, বেংগলী আদি বিভিন্ন জাতি-জনজাতিৰ সমাহাৰত গঢ়ি উঠিছে মাজুলি সংস্কৃতি। ১৭ শ শতিকাৰ শেষ ভাগত মিচিংসকল মাজুলিৰ এটি অংশত বসবাস কৰিবলৈ লৈছিল। বৰ্তমান তেওঁলোকৰ জনসংক্যা প্ৰায় চল্লিছৰ পৰা পঞ্চল্লিচ হাজাৰৰ ভিতৰত হ'ব। এই মিচিং জনজাতিৰ লোকসকল এতিয়া মাজুলি সংস্কৃতিত মুখ্য ভূমিকা প্ৰায় চল্লিছৰ পৰা পঞ্চল্লিছ হাজাৰৰ ভিতৰত হ'ব। এই মিচিং জনজাতিৰ লোকসকল এতিয় মাজুলি সংস্কৃতিত মুখ্য ভূমিকা গ্ৰহণ কৰি আহিছে যদিও তেওঁলোকে বৈষ্ণৱ ধৰ্ম গ্ৰহণ নকৰি এতিয়াও তেওঁলোকৰ পুৰণি পাগন ধৰ্মতে দিক্ষীত হৈ আছে।

হৰিনাম, কীৰ্তন, সত্ৰ-সংস্কৃতি, সাহিত্যৰে অসমৰ আকাশ-বতাহ হিল্লোলিত কৰি ৰখা এয়াই সত্ৰ মহানগৰী মাজুলী। নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱৰ পৰশত এই নদী দ্বীপটোত প্ৰাণ পাই উঠিছিল নৱ-বৈষ্ণৱ ধৰ্ম তথা সত্ৰীয়া সংস্কৃতি। শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ আদি আৰু মহা মহা সাধু-সন্তসকলৰ আশাসুধীয়া চেষ্টাৰ ফলত গঢ় লৈ উঠিছে অসংখ্য 'সত্ৰ'। যাৰ ফলস্বৰূপে মাজুলীক গুৰু, নাম, ভকতৰ একত্ৰ সমাহাৰে পৰিণত কৰিলে এক পুণ্যতীৰ্থত। সাধাৰণতে মাজুলীৰ জলবায়ু প্ৰদূষণ বিহীন। ই প্ৰকৃতিৰ বাবে যেনেদৰে উপযোগী ঠিক তেনেদৰে উপযোগী মানুহৰ কাৰ্যকলাপৰ বাবেও। সেই বাবেই হয়তো মহাপুৰুষসকলে এই নীৰৱ প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপুৰ শান্তিপূৰ্ণ নদী-দ্বীপটোকে সত্ৰ প্ৰতিস্থাৰ বাবে উপযুক্ত বুলি ধৰিবলৈ সত্ৰসমূহ প্ৰতিষ্ঠা কৰিছিল।

এই 'সত্ৰ তথা সত্ৰীয়া সংস্কৃতি' অসমীয়া জাতিৰ অপৰিহাৰ্য অংগ। মাজুলীত ব্ৰহ্মাসংহতি, নিকাসংহতি, কালসংহতি আৰু পুৰুষ সংহতি এই আটাইকেইটা সংহতিয়েই প্ৰতিষ্ঠিত। সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ এই মাজুলীতেই প্ৰতিষ্ঠিত হৈছিল ৬৫ খন সত্ৰ। তাৰোপৰি আধ্যাত্মিক, নৈতিক আৰু সামাজিক কল্যাণ সাধনৰ লক্ষ্যৰে অসমৰ চাৰিওদিশৰ বিভিন্ন প্ৰতিষ্ঠিত হৈছিল প্ৰায় ছয়শ খনৰো অধিক সত্ৰ। ব্ৰহ্মপুত্ৰৰ বাবে মাজুলীৰ ভূমিৰ পৰা বহু সংখ্যক সত্ৰ উতুৰাই লৈ গ'ল যদিও বৰ্তমান প্ৰায় ছয়শ খনৰো অধিক সত্ৰ। ব্ৰহ্মপুত্ৰৰ বানে মাজুলীৰ ভূমিৰ পৰা বহু সংখ্যক সত্ৰ উতুৰাই লৈ গ'ল যদিও বৰ্তমান প্ৰায় ত্ৰিশ-পইত্ৰিছখন সত্ৰৰ দ্বাৰা মাজুলী আজিও বিশ্ব প্ৰসিদ্ধ। কমলাবাৰী মৌজাৰ অন্তৰ্গত শ্ৰীশ্ৰী আউনী আটী সত্ৰ ঐতিহ্যমণ্ডিত চাৰি সত্ৰৰ ভিতৰত প্ৰথম ৰাজ সত্ৰ হিচাপে পৰিচিত। ইংৰাজী ১৬৫৩ খৃষ্টাব্দত এই সত্ৰ প্ৰতিষ্ঠা কৰা হৈছিল। এই সত্ৰৰ প্ৰথমজনা সত্ৰাধিকাৰ আছিল শ্ৰীশ্ৰী নিৰঞ্জন দেৱ গোস্বামী। অসমত 'সত্ৰ' প্ৰতিষ্ঠাৰ ক্ষেত্ৰত এইটোৱেই প্ৰথম পদক্ষেপ আছিল। জনা মতে আহোম ৰজা জয়ধ্বজ সিংহই এই ক্ষেত্ৰত পোন প্ৰথমে এই পদক্ষেপ গ্ৰহণ কৰিছিল। ৩৬০ বছৰীয়া অসমীয়া ইতিহাস বহন কৰি অহা শ্ৰীশ্ৰী আউনী আটী সত্ৰৰ আটী শব্দৰ অৰ্থ হৈছে 'ওখ ঠাই'। আউনী পাণৰলতা কাটি এডোখৰ ওখ ঠাইত এই সত্ৰখনি প্ৰতিষ্ঠা কৰা হৈছিল। ইয়াৰ ফলস্বৰূপেই এই সত্ৰৰ নাম 'আউনী আটী সত্ৰ' নামেৰে জনাজাত হৈছিল। শ্ৰীগোবিন্দ মহাপ্ৰভু এই সত্ৰৰ মূল বিগ্ৰহ বা উপাস্য দেৱতা। ইয়াৰ উপৰিও বংশীগোপাল, বাসুদেৱ, যাদৱ ৰায় আৰু মদন গোপাল নিত্য নৈমিত্তিকভাৱে এই সত্ৰত পূজিত হৈ আহিছে। এই সত্ৰৰ নিত্য চৈধ্য প্ৰসংগ ৰাতিপুৱা বৈৰাগ্য নামেৰে আৰম্ভ হৈ সন্ধ্যা ওজা কীৰ্তনেৰে সামৰণি মৰা হয়। সভাৰ মধ্যভাগত অৱস্থিত নামঘৰৰ মণিকূট, দুই ৰাজভঁৰাল, সত্ৰাধিকাৰ গৃহ, সংগ্ৰহালয় ইত্যাদি। সত্ৰাধিকাৰ সত্ৰৰ মুখ্যগৰাকী। শিক্ষা আৰু দীক্ষাৰগৰাকী সত্ৰাধিকাৰজনে ভক্তসকলক আধ্যাত্মিক আৰু নৈতিক শিক্ষাৰ জ্ঞান প্ৰদান কৰে। সত্ৰাধিকাৰজনৰ তলতে উত্তৰহটীয়া মধ্য ভাগত থকা ডেকাধিকাৰৰ স্থান আৰু ডেকাধিকাৰৰ তলতে প্ৰশিক্ষাৰ্থী হিচাপে পূবহটীয়া মধ্যভাগত থকা গোবিন্দপুৰীয়াৰ স্থান। শৰণ আৰু মন্ত্ৰদান কাৰ্য সত্ৰাধিকাৰে শিষ্যবৰ্গ তথা ভক্তক প্ৰত্যক্ষভাৱে প্ৰদান কৰে। আনহাতে দীক্ষাৰ অন্য এতি কাৰ্য 'ভজন' সত্ৰাধিকাৰজনৰ অনুমতিত সত্ৰৰ মুখ্য বৈষ্ণৱসকলে ভক্ত আৰু শিষ্যবৰ্গক প্ৰদান কৰে। জানিব পৰা মতে আউনীআটী সত্ৰত বৰ্তমান সময়ত প্ৰায় এঘাৰ লাখ শিষ্য আছে।



আউনীআটী সত্ৰৰ মুখ্য উৎসৱ বুলিলে সাধাৰণতে শৰৎকাল উদযাপিত কাতি মাহৰ পাল নামেই প্ৰধান বুলি জনা যায়। এই পালনাম কাতি মাহৰ ২৫ তাৰিখৰ পৰা ২৯ তাৰিখলৈকে পাঁচ দিনীয়া কাৰ্যসূচীৰে পালন কৰা হয়। পাল নাম চলি থকাকেইদিন মাজুলীৰ চৌদিশ হৰিনামেৰে মুখৰিত হৈ থাকে। এই সত্ৰৰ আন এটি উল্লেখনীয় উৎসৱ হৈছে 'কাতি বিহু'। এই বিহুত তুলসী গছ ৰোপণ কৰাৰ উপৰিও ২১ যোৰ আকাশবন্তি জ্বলাই হৰি নাম গোৱা হয়। গোটেই কাতিমাহটো আকাশবন্তি জলাই ৰাখি মাজুলীত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। আউনীআটী সত্ৰৰ আন এটি লেখত ল'বলগীয়া উৎসৱ হৈছে শৰত কাল উদ্‌যাপিত ৰাস উৎসৱ। তাৰোপৰি কৃষ্ণ জন্মাষ্টমী, বিহু আদি উৎসৱসমূহ সত্ৰৰ নিয়মানুসাৰে আৰম্ভণিৰে পৰা পালন কৰি অহা হৈছে। আউনীআটী সত্ৰক আন এটি উৎসৱে মুখৰিত কৰি ৰাকে সেয়া হৈছে প্ৰয়াত গুৰুসকলৰ তিথিৰ লগতে মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ আদি ধৰ্ম গুৰুসকলৰ মৃত্যু তিথি। নৃত্য-গীত আদিৰ ক্ষেত্ৰত আউনীআটী সত্ৰ বিশেষভাৱে চহকী। মাজুলীৰ ছপাশালৰ কথা উল্লেখ নকৰিলে আধৰুৱা হৈ ৰ'ব। সত্ৰৰ একাদশ সত্ৰাধিকাৰ শ্ৰীশ্ৰীদত্তদেৱে গোস্বামীয়ে সুদূৰ কলিকতাৰ পৰা ছপাশাল আনি মাজুলীত প্ৰতিষ্ঠা কৰিছিল। এই যন্ত্ৰৰ নাম দিয়া হৈছিল ধৰ্ম প্ৰকাশ যন্ত্ৰ। ১৮৭১ চনত 'আচামবিলাসীনি'ৰ সমসাময়িকভাৱে সত্ৰৰ তৎপৰতাত প্ৰকাশ হৈ ওলাইছিল 'আসাম দিপীকা' আৰু 'আসাম তৰা'। ড° শ্ৰীশ্ৰী পিতাম্বৰদেৱ গোস্বামীদেৱৰ তত্বাবধানত তিনিমহীয়া 'সংস্কৃতি পল্লৱ' পত্ৰিকাখনি পুনৰ প্ৰকাশৰ ব্যৱস্থা কৰিছে। পুনৰ প্ৰকাশৰ ব্যৱস্থা বুলি এই কাৰণতে কোৱা গৈছে যে উক্ত পত্ৰিকাখন ১৯০০ চনত প্ৰকাশ হৈ কিছু বছৰ পিছত বন্ধ হৈ গৈছিল। ইয়াৰ উপৰিও ধৰ্মীয় আৰু বুৰঞ্জীমূলক গ্ৰন্থৰাজি আৰু সমাজৰ পটভূমিত ৰচিত গ্ৰন্থও প্ৰকাশ হৈ ওলাই আছে। আউনীআটী সত্ৰত এটি সংগ্ৰহালয়ো আছে। এই সংগ্ৰহালয়ত বৰ কাঁহ, ভেৰী খাদ্য, ৰূপৰ ফুলদানী, সৰল কাঠৰ বিচনী, সৰল কাঠৰ পৰশ, ৰূপৰ মাইহং, গদাধৰ সিংহই ব্যৱহাৰ কৰা কাঁহী-বাটি, হাতীৰ হাঁতৰ ডবা-খোল, বৰটোপ, আহোম ৰজাৰ ব্যৱহৃিত হেং দাং, পালনামৰ নৌকা আদি দেখিবলৈ পোৱা যায়।

এইবাৰ আহিছো শ্ৰীশ্ৰীগড়মূৰ সত্ৰলৈ। মাজুলী মহকুমাৰ সদৰৰ ঠাই গড়মূৰ কেন্দ্ৰত এই সত্ৰ অৱস্থিত। ১৬৫৬ খ্ৰীষ্টাব্দত আহোম স্বৰ্গদেউ জয়ধ্বজ সিংহই শ্ৰীশ্ৰীজয়হৰিদেৱৰ দ্বাৰা এই সত্ৰখনি প্ৰতিষ্ঠা কৰিছিল। কথিত আছে যে আহোম স্বৰ্গদেউ প্ৰতাপ সিংহৰ দ্বাৰা নিৰ্মাণ কৰা লাদৈগড় দেৱাতল গড়ৰ মূৰত এই সত্ৰখনি প্ৰতিষ্ঠা কৰা হৈছিল বাবে এই সত্ৰ নামেৰে জনাজাত হ'ল। ইয়াত মূল বিগ্ৰহ হিচাপে বংশী গোপালৰ মূৰ্তি স্থাপন কৰা হয়। এই সত্ৰখনি ৩৫৭ বছৰি পুৰণি। মাজুলীৰ বানপানী গৰাখহনীয়া আদিয়ে এতিয়ালৈ চুব পৰা নাই এই সত্ৰক। পোনতে গড়মূৰ সত্ৰ ব্ৰহ্মাসংহতিৰ উদাস সত্ৰ হিচাপে চালিত আছিল যদিও বৰ্তমান ই উদাস ধৰ্ম পৰিহাৰ কৰি গৃহস্থী ধৰ্ম গ্ৰহণ কৰিছে। প্ৰয়াত শ্ৰীশ্ৰীপিতাম্বৰদেৱ গোস্বামীয়ে ১৯১৫ চন মাহত এই কাম চলিত কৰে. এই সত্ৰৰ উপাস্য দেৱতা হ'ল শ্ৰীশ্ৰী গোপাল মহাপ্ৰভু। তদুপৰি কেশৱ ৰায়, মোহন মুৰাৰী আদি বিগ্ৰহো এই সত্ৰত নিয়মিত পূজিত হয়। চৈধ্য প্ৰসংগ ইয়াতো প্ৰযোজ্য। এই সত্ৰৰ প্ৰাকৃতিক পৰিৱেশ অতি মনোমোহা। প্ৰায় ২৫০ বছৰ পুৰণি কেইজুপিমান বকুল গছে এই সত্ৰখনিক গুৰু গম্ভীৰ কৰি ৰাখিছে। ইয়াৰ উপৰিও শ্ৰীশ্ৰীউত্তৰ কমলাবাৰী সত্ৰ, শ্ৰীশ্ৰীনতুন কমলাবাৰী সত্ৰ, শ্ৰীশ্ৰীভোগপুৰ সত্ৰ, বেঙেনা আটী সত্ৰ, শ্ৰীশ্ৰীদক্ষিণ পাট সত্ৰ আদি উল্লেখযোগ্য। শ্ৰীশ্ৰীউত্তৰ কমলাবাৰী সত্ৰ খহনীয়াৰ কবলত পৰি বৰ্তমান তিতাবৰৰ মহিমাত স্থাপিত হৈছে। এইখন সত্ৰ ব্ৰাহ্মণীয় পৰম্পৰাৰ উদাস সত্ৰ। সত্ৰীয়া নৃত্য প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত এই সত্ৰৰ ভূমিকা যথেষ্ট গুৰুত্বপূৰ্ণ। ২০০৮ চনত ফ্ৰান্সৰ পেৰিচত 'উত্তৰ কমলাবাৰী সত্ৰৰ বৈষ্ণৱবৃন্দই সত্ৰীয়া নৃত্যৰ প্ৰচাৰ আৰু প্ৰদৰ্শনৰ বাবে মাজুলীক প্ৰতিনিধিত্ব কৰিছিল। শ্ৰীশ্ৰী নতুন কমলাবাৰী সত্ৰত প্ৰায় ১০০ গৰাকীমান ভকত-বৈষ্ণৱ মূল সত্ৰৰ পৰা ওলায় গৈ চৰকাৰী আবণ্টন প্ৰায় ৪৪০ বিঘা মাটিত টুনী নৈৰ পাৰত স্বাধীন আৰু পৃথক কৈ এখন সত্ৰ প্ৰতিষ্ঠা কৰে। শ্ৰীশ্ৰীঘনকান্ত গোস্বামীদেৱ এই সত্ৰৰ প্ৰথমজনা সত্ৰাধিকাৰ। সত্ৰীয়া নৃত্য প্ৰচাৰ আৰু সম্প্ৰসাৰণৰ লগতে ভাষা-সাহিত্য-সংস্কৃতিৰ চৰ্চাৰ ক্ষেত্ৰতো এই সত্ৰৰ ভূমিকা যথেষ্ট গুৰুত্বপূৰ্ণ।


মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱে ১৫২৮ খৃষ্টাব্দত শ্ৰীশ্ৰীভোগপুৰ সত্ৰখন প্ৰতিষ্ঠা কৰিছিল। ঐতিহ্য বহনকাৰী এই সত্ৰই ৪৮৫ বছৰ পূৰ্ণ কৰাৰ পাছতে স্থাপিত কালৰ পিছৰ পৰা এতিয়ালৈকে কোনো প্ৰাকৃতিক দুৰ্যোগৰ বাবে আন ঠাইলৈ স্থানান্তৰ কৰিবলগীয়া হোৱা নাই যদিও বৰ্তমান বানপানীৰ গৰাখহনীয়াৰ বাবে চিন্তনীয় বিষয় হৈ পৰিছে। এই সত্ৰৰ মূল উৎসৱসমূহৰ ভিতৰত অম্বুবাসী, তিনি বিহু, শংকৰদেৱ-মাধৱদেৱৰ তিৰোধান তিথি, গুৰু দুজনৰ জন্মোৎসৱ, প্ৰয়াত সত্ৰাধিকাৰ বুঢ়া দামোদৰ আতাৰ তিথি আদি পালন কৰা হয়। ভাৰতবৰ্ষৰ বিভিন্ন স্থানত এই সত্ৰই অংকীয়া ভাওনা প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে।

ইংৰাজীত ১৬৫৩ খৃষ্টাব্দত বেঙেনা আটী সত্ৰখন প্ৰতিষ্ঠা কৰা হয়। ৩৬০ বছৰীয়া পুৰণি সত্ৰখনৰ প্ৰতি ব্ৰহ্মপুত্ৰৰ আক্ৰোশ ভাৰ থকা বুলি অতীতৰে পৰা মুখে মুখে শুনা যায়। সঘনাই স্থান পৰিৱৰ্তন কৰাটো এই সত্ৰৰ নিয়মত পৰিণত হৈছে। বৰ্তমানো বৰেহ্মপুত্ৰ সত্ৰৰ নিচেই কাষলৈ সোমাই আহিছে। আহোম ৰজা স্বৰ্গদেউ জয়ধ্বজ সিংহৰ তত্বাৱধানত এই সত্ৰ মাজুলীৰ বুকুত স্থাপন কৰা হৈছিল। গৃহাশ্ৰমী এই 'বেঙেনা আটী' সত্ৰ পুৰুষ সংহতি ভুক্ত। এই সত্ৰৰ মূল উপাস্য দৈৱতা হ'ল শ্ৰীশ্ৰীবাসুদেৱ মূৰ্তি। বেঙেনা আটী সত্ৰতো নিত্য প্ৰসংগ ক্ৰমত চৈধ্য প্ৰসংগৰ তালিকা আছে। ফাকুৱা এই সত্ৰত উৎযাপিত সত্ৰসমূহৰ ভিতৰত উল্লেখযোগ্য উৎসৱ।


১৬৫৪ খৃষ্টাব্দত চাৰি সত্ৰৰ ভিতৰত দ্বিতীয় বুলি পৰিচিত দক্ষিণপাট সত্ৰ স্থাপিত হয়। এই সত্ৰৰ প্ৰথমজনা সত্ৰাধিকাৰ আছিল, শ্ৰীশ্ৰীবনমালি দেৱ গোস্বামী। সত্ৰৰ মূল বিগ্ৰহ হ'ল শ্ৰীশ্ৰী যাদৱ ৰায়। তদুপৰি বৃন্দাবন চন্দ্ৰ, ভুৱন মোহন, বৈকুণ্ঠ নাথ, কল্যাণ ৰায়, জগন্নাথ ৰায়, মদন গোপাল, লক্ষ্মীনাথ, গোপীনাথ, বাসুদেৱৰ মূৰ্তি আদি যথেষ্ট সংখ্যক শালগ্ৰাম এই দক্ষিণপাট সত্ৰতে বৈদিক ছআৰু তান্ত্ৰিক পদ্ধতিৰে পূজিত হৈ আহিছে। এই সত্ৰত দ্বাদশ প্ৰসংগ ক্ৰমৰ তালিকা আছে। শৰৎ কালত উৎযাপিত ৰাস উৎসৱেই এই সত্ৰৰ মূল উৎসৱ। অসমৰ সত্ৰসমূহৰ ভিতৰত প্ৰথম বৈদিক ক্ৰিয়াকাণ্ডৰ ব্যৱস্থাৰে ৰাস উৎসৱৰ পাতনি মেলিছিল এই সত্ৰই। অসমৰ বিভিন্ন প্ৰান্তত দক্ষিণপাট সত্ৰৰ মুঠ ৮/১০ খন শাখা সত্ৰ আছে। বৰ্তমান এই সত্ৰৰ সত্ৰাধিকাৰ পদ অলংকৃত কৰি আছে শ্ৰীশ্ৰীননী গোপাল দেৱ গোস্বামীয়ে। বৰ্তমান এই সত্ৰই ৩৬০ বছৰ অতিক্ৰম কৰিলে। বানপানী আৰু গৰাখহনীয়াৰ কৰলত পৰা এই ইতিহাস বহনকাৰী সত্ৰখনিয়ে প্ৰাকৃতিক দুৰ্যোগৰ ফলত কেইবাবাৰো স্থান সলনি কৰিছে। সত্ৰখনৰ ভৱিষ্যতৰ কথা চিন্তা কৰি যোৰহাটত চটাইত ইয়াৰ এটি প্ৰধান শাখা প্ৰতিষ্ঠা কৰা হৈছে।

১৬৬৩ খ্ৰীষ্টাব্দত প্ৰতিষ্ঠা কৰা হয় চামগুৰি সত্ৰ। পুৰুষ সংহতিভূক্ত এই গৃহাশ্ৰী 'সত্ৰখনত নিত্য চাৰি প্ৰসংগৰ লগতে শৰণ ভজন দি কাৰ্য আজি যুগ যুগ ধৰি চলি আহিছে। বিশেষকৈ 'মুখাশিল্প' নিৰ্মাণৰ ক্ষেত্ৰত এই সত্ৰই অসম তথা ভাৰততে নহয় আন্তৰ্জাতিক পৰ্যায়তো সুখ্যাতি লাভ কৰিবলৈ সক্ষম হৈছে। এই সত্ৰৰ বাৰ্ষিক উৎসৱসমূহৰ ভিতৰত ৰাস উৎসৱ, ফাকুৱা, জন্মাষ্টমী, গুৰু দুজনাৰে তিৰোভাৱ তিথিৰ লগতে প্ৰায়ত সত্ৰাধিকাৰসকলৰ তিথি উল্লেখযোগ্য। ইয়াৰ উপৰিও শ্ৰীশ্ৰীমাজুলী বৰ এলেঙী সত্ৰ, শ্ৰীবাহ-জেঙনি এলেঙী সত্ৰ, শ্ৰীশ্ৰী বৰ এলেঙী সত্ৰ, শ্ৰীশ্ৰীআহতগুৰি বৰ সত্ৰ, শ্ৰীশ্ৰীটকৌবাৰী এলেঙী সত্ৰ আদি কেইবাখনো সত্ৰ আছে। উক্ত সত্ৰকেইখনিও বানৰ খহনীয়াত পৰি নানান ঠাইলৈ স্থানান্তৰিত হৈছে। মাজুলী চাৰিওফালৰ পৰা জলেৰে আবৃত এটি বৃহৎ নদীদ্বীপ। এই ঠাইলৈ যাবলৈ হ'লে একমাত্ৰ জলপথেই হ'ল যাতায়াতৰ ব্যৱস্থা। ই গৱেষণাৰ বাবেও উপযুক্ত ঠাই। দেশী-বিদেশী পৰ্যটকেৰে ভৰ্তি এই মাজুলীৰ প্ৰাকৃতিক সৌন্দৰ্যও বৰ মনোমোহা। তদুপৰি ইয়াৰ চাৰিওফালে থকা পুখুৰী, খাল, দোং আদিত যথেষ্ট পৰিমাণে মাছ পোৱা যায়। মাজুলীৰ আন্তঃভাগৰ ঠাইবোৰ হৃদয় চুই যোৱাকৈ আকৰ্ষণীয়। বিভিন্ন ধৰণৰ প্ৰব্ৰজনকাৰী চৰাইৰ বাবে মাজুলী এখন বৃহত্তম বিচৰণ থলী। সেয়েহে মাজুলীক 'পক্ষীতীৰ্থ' আখ্যা দিয়া হয়। পূণ্যতীৰ্থ মাজুলীৰ পৰিৱেশ কাঁহ-ডবা, খোল-শংখ আৰু হৰিনামৰ ধ্বনিত মাংগলিকময় হৈ থকাৰ লগতে অনবৰতে হৈ থাকে শান্ত-সৌম্য, সৌন্দৰ্যময়।

কিন্তু দুখৰ বিষয় এনেহেন ঐশ্বৰ্য বিভূতিৰে পৰিপূৰ্ণ ঠাইখন দিনে দিনে ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ কবলত পৰি ধ্বংসৰ গৰাহলৈ অবনমিত হ'বলৈ ধৰিছে। জলসিঞ্চন বিভাগে কোটি কোটি টকা ব্যয় কৰি এই খহনীয়া ৰোধ কৰিবলৈ পৰা নাই। ঠিক তেনেদৰে ৰাস্তা-ঘাট নিৰ্মাণৰ ক্ষেত্ৰতো চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে বা আন আন বিষয়বোৰতো চৰকাৰে চকু নিদিয়া নহয় দিছে। সেয়াই যথেষ্ট নহয়। মাজুলীখনক সুৰক্ষা দিবলগীয়া হ'লে বৰ্তমানতকৈও অধিক প্ৰযুক্তি খতুবাব লাগিব। তাৰ বাবে দৰকাৰ হ'লে বিদেশৰ পৰা উপযুক্ত প্ৰযুক্তিবীদ অনাৰ ব্যৱস্থা কৰিব লাগিব। চৰকাৰ জাগ্ৰত হ'ব লাগিব। ইয়াৰ বাবে জনজাগৰণো হ'ব লাগিব। ভালদৰে লক্ষ্য কৰিলে দেখা যায় যে জনজাগৰণ হৈছে। গৰাখহনীয়াই যি ভয়ংকৰ ৰূপ ধাৰণ কৰি আহিছে তাৰ প্ৰতি ৰাইজ সজাগ হৈছে। গতিকে ৰাইজ, চৰকাৰ উভয়ে লগ লানি নিস্বাৰ্থভাৱে কামবোৰ কৰি গ'লে নিশ্বয় মাজুলীখনক ৰক্ষা কৰিব পৰা যাব। কোৱা বাহুল্য যে মধ্যভোগীৰ ৰমৰমীয়া বেহাও চলে কামবোৰত। সেইবিলাকেই অতি পৰিতাপৰ কথা। বিদেশী পৰ্যতকেৰে ভৰি থকা মাজুলীখনক লৈ আমি গৌৰৱ কৰো, পৃথিৱীৰ ভিতৰতে বৃহত্তম নদী দ্বীপবুলি আমি গৌৰৱ কৰো। বৰ্তমানলৈ আমাৰ গৌৰৱ কৰিবৰ থল আছে। কিন্তু উন্নয়নমূলক কামবোৰ ঠিকমতে নকৰিলে লাহে লাহে অসমীয়াৰ এই গৌৰৱ থলী মাজুলী এদিন নিঃচিহ্ন হৈ পৰিব। এনেকুৱা যাতে নহয় তাৰ বাবে আমি সকলোৱে একেলগে প্ৰস্তুত হ'ব লাগিব।



এই 'সত্ৰ তথা সত্ৰীয়া সংস্কৃতি' অসমীয়া জাতিৰ অপৰিহাৰ্য অংগ। মাজুলীত ব্ৰহ্মাসংহতি, নিকাসংহতি, কালসংহতি আৰু পুৰুষ সংহতি এই আটাইকেইটা সংহতিয়েই প্ৰতিষ্ঠিত। সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ এই মাজুলীতেই প্ৰতিষ্ঠিত হৈছিল ৬৫ খন সত্ৰ। তাৰোপৰি আধ্যাত্মিক, নৈতিক আৰু সামাজিক কল্যাণ সাধনৰ লক্ষ্যৰে অসমৰ চাৰিওদিশৰ বিভিন্ন প্ৰতিষ্ঠিত হৈছিল প্ৰায় ছয়শ খনৰো অধিক সত্ৰ। ব্ৰহ্মপুত্ৰৰ বাবে মাজুলীৰ ভূমিৰ পৰা বহু সংখ্যক সত্ৰ উতুৰাই লৈ গ'ল যদিও বৰ্তমান প্ৰায় ছয়শ খনৰো অধিক সত্ৰ। ব্ৰহ্মপুত্ৰৰ বানে মাজুলীৰ ভূমিৰ পৰা বহু সংখ্যক সত্ৰ উতুৰাই লৈ গ'ল যদিও বৰ্তমান প্ৰায় ত্ৰিশ-পইত্ৰিছখন সত্ৰৰ দ্বাৰা মাজুলী আজিও বিশ্ব প্ৰসিদ্ধ। কমলাবাৰী মৌজাৰ অন্তৰ্গত শ্ৰীশ্ৰী আউনী আটী সত্ৰ ঐতিহ্যমণ্ডিত চাৰি সত্ৰৰ ভিতৰত প্ৰথম ৰাজ সত্ৰ হিচাপে পৰিচিত। ইংৰাজী ১৬৫৩ খৃষ্টাব্দত এই সত্ৰ প্ৰতিষ্ঠা কৰা হৈছিল। এই সত্ৰৰ প্ৰথমজনা সত্ৰাধিকাৰ আছিল শ্ৰীশ্ৰী নিৰঞ্জন দেৱ গোস্বামী। অসমত 'সত্ৰ' প্ৰতিষ্ঠাৰ ক্ষেত্ৰত এইটোৱেই প্ৰথম পদক্ষেপ আছিল। জনা মতে আহোম ৰজা জয়ধ্বজ সিংহই এই ক্ষেত্ৰত পোন প্ৰথমে এই পদক্ষেপ গ্ৰহণ কৰিছিল। ৩৬০ বছৰীয়া অসমীয়া ইতিহাস বহন কৰি অহা শ্ৰীশ্ৰী আউনী আটী সত্ৰৰ আটী শব্দৰ অৰ্থ হৈছে 'ওখ ঠাই'।



# গোসাঁইগাঁৱত কৃষকক আনুষ্ঠানিকভাৱে বীজ আৰু ৰোপণ সামগ্ৰী বিতৰণ

**বাতৰি কাকত, গোসাঁইগাঁও, ২০ জুলাই** ঃ অসম কৃষি বিশ্ববিদ্যালয়ৰ উদ্যোগত আৰু কোকৰাঝাৰ জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ সহযোগিতাত গোসাঁইগাঁৱৰ আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰৰ প্ৰেক্ষাগৃহত মাহ শস্যৰ বীজ, ৰোপণ সামগ্ৰী আৰু বিভিন্ন গছপুলি বিতৰণৰ এক আনুষ্ঠানিক কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানৰ উদ্বোধন কৰি অসম কৃষি বিশ্ববিদ্যালয়ৰ সম্প্ৰসাৰণ শিক্ষাৰ সঞ্চালক মনোৰঞ্জন নেওগে কয় যে ভাৰতত বৰ্তমান মাহ জাতীয় শস্যৰ উৎপাদন দেশীয় চাহিদাৰ তুলনাত যথেষ্ট কম। দেশত প্ৰয়োজনীয় পৰিমাণৰ প্ৰায় ৫০ শতাংশহে উৎপাদন হয়, ফলত ম্যানমাৰ আৰু কানাডাৰ দৰে দেশৰ পৰা মাহ আমদানি কৰিবলগীয়া হৈছে। তেওঁ কয় যে এই পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় পালছ মিছনৰ অধীনত ২০৩০-৩১ চনৰ ভিতৰত মাহ শস্যৰ উৎপাদন ৩৫০ লাখ টনলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। লগতে ৰাজ্যৰ কৃষিমন্ত্ৰী পীযুষ হাজৰিকাৰ নিৰ্দেশনা অনুসৰি খেতিৰ পূৰ্বে কৃষকসকলক চৰকাৰীভাৱে বীজ আৰু ৰোপণ সামগ্ৰী বিতৰণৰ ব্যৱস্থা কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত ভাষণ দি কোকৰাঝাৰ জিলাৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে কয় যে বহু কৃষকে চৰকাৰী আঁচনিৰ সুবিধা লাভৰ ক্ষেত্ৰত মাটিৰ নথি নিজৰ নামত নথকাৰ বাবে সমস্যাৰ সন্মুখীন হয়। তেওঁ কৃষকসকলক নিজৰ ভূমিৰ নথি নিজৰ নামত হস্তান্তৰ কৰি প্ৰয়োজনীয় পঞ্জীয়ন সম্পূৰ্ণ কৰাৰ আহ্বান জনায়, যাতে চৰকাৰী সুবিধাসমূহ সহজে লাভ কৰিব পাৰে। পৰ্বতঝোৰা সমষ্টিৰ বিধায়ক আশ্ৰাফুল ইছলাম শেখে কৃষি উৎপাদন বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে কৃষকসকলক অধিক উৎপাদনশীল কৰি তোলাৰ লক্ষ্যৰে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। তেওঁ জনায় যে পৰ্বতঝোৰা সমষ্টিত এখন কৃষি বিদ্যালয় স্থাপনৰ বাবে কৃষিমন্ত্ৰীলৈ লিখিত আবেদন জনোৱা হৈছে। ইয়াৰ উপৰি এখন মহিলা কলেজ, মডেল কলেজ, মডেল বিদ্যালয় স্থাপন, বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নয়ন আৰু শিক্ষক নিযুক্তিৰ দাবীও উত্থাপন কৰা হৈছে। তেওঁ লগতে কৃষিভূমিৰ অধিকাৰী সকলো কৃষকে যাতে কৃষক আইডি লাভ কৰি চৰকাৰী আঁচনিৰ সুবিধা উপভোগ কৰিব পাৰে, তাৰ বাবে বিভাগক ব্যৱস্থা গ্ৰহণৰ আহ্বান জনায়। অনুষ্ঠানত পৰ্বতঝোৰা আৰু গোসাঁইগাঁও বিধানসভা সমষ্টিৰ প্ৰায় ১০০ জন কৃষকক মাহ শস্যৰ বীজ, ৰোপণ সামগ্ৰী, তামোল আৰু নাৰিকলৰ পুলি আদি বিভিন্ন গছপুলি বিতৰণ কৰা হয়। উক্ত অনুষ্ঠানত গোসাঁইগাঁও সমষ্টিৰ বিধায়ক শোভাৰাম বসুমতাৰী, বিটিচিৰ কৃষি সঞ্চালক বি. বি. নাৰ্জাৰী, কোকৰাঝাৰ জিলাৰ কৃষি বিষয়া আৰু শতাধিক কৃষক উপস্থিত থাকে

# হোজাইত খাদ্য সুৰক্ষা বিভাগৰ নিয়মীয়া অভিযানত নথিপত্ৰ, পৰিষ্কাৰ পৰিচ্ছন্নতাৰ লগতে খাদ্যৰ নমুনা সংগ্ৰহ

**বাতৰি কাকত হোজাই, ২০ জুলাই** ঃ খাদ্যৰ গুণগত মান উন্নত নিশ্চিত কৰাৰ উদ্দেশ্যে হোজাই জিলা খাদ্য সুৰক্ষা বিভাগে জিলাখনৰ বিভিন্ন প্ৰান্তত দৈনিক অভিযান অব্যাহত ৰাখিছে। জিলা খাদ্য সুৰক্ষা বিষয়া কস্তুৰী পুষ্টি আৰু প্ৰতিষ্ঠা চেতিয়াৰ নেতৃত্বত হোজাই, ডবকা, লংকা, লামডিং আদি চহৰ আৰু বজাৰৰ হোটেল, ৰেস্তোৰাঁ আৰু মিঠাইৰ দোকানসমূহত এই অভিযান চলোৱা হয়।অভিযানৰ সময়ত বিষয়াসকলে দোকানসমূহৰ লাইচেঞ্চ, বিল, অন্যান্য নথিপত্ৰ পৰীক্ষা কৰাৰ লগতে খাদ্যৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষালৈ প্ৰেৰণ কৰে। খাদ্য প্ৰস্তুত আৰু সংৰক্ষণৰ ক্ষেত্ৰত স্বাস্থ্যসন্মত পৰিৱেশ নথকা আৰু নথিপত্ৰ অসম্পূৰ্ণ থকা কেইবাখনো দোকানক তৎক্ষণাত চাফ-চিকুণ কৰিবলৈ আৰু কাগজ-পত্ৰ ঠিক কৰিবলৈ কঠোৰ নিৰ্দেশ দিয়া হৈছে বুলি কস্তুৰী পুষ্টিয়ে সংবাদ মাধ্যমৰ আগত জনায়।এই সন্দৰ্ভত জিলা খাদ্য সুৰক্ষা বিষয়াই কয় যে, ৰাইজক নিৰাপদ আৰু বিশুদ্ধ খাদ্য যোগান ধৰাটোৱেই হৈছে চৰকাৰ আৰু প্ৰশাসনৰ প্ৰধান লক্ষ্য। এই ক্ষেত্ৰত কোনো ধৰণৰ গাফিলতি সহ্য কৰা নহ'ব।সাধাৰণ ৰাইজে বিভাগৰ এই পদক্ষেপক শলাগ লৈছে। ৰাইজৰ মতে, এনেদৰে নিয়মীয়া অভিযানে বজাৰত ভেজাল আৰু অস্বাস্থ্যকৰ খাদ্য বিক্ৰী ৰোধ কৰাত সহায় কৰিব। ৰাইজৰ সুৰক্ষাৰ স্বাৰ্থত এনেদৰে সময়ে সময়ে অভিযান অব্যাহত ৰাখিবলৈ সচেতন মহলে দাবী জনায়।

# নলবাৰী জিলা কৃষি বিভাগ আৰু আটমাৰ বিশেষ পদক্ষেপ



**কুমুদ বৰ্মন টিহু ,২০ জুলাই** ঃ নলবাৰী জিলা কৃষি বিভাগ আৰু আটমা - কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণৰ তত্ত্বাবধানত নলবাৰী জিলা কৃষি বিভাগৰ অন্তৰ্গত ৭ টাকৈ উন্নয়ন খণ্ডত ২০২৬ - ২৭ বিত্তীয় বৰ্ষৰ এক বিশেষ উন্নত জাতৰ মুৰ্গী, হাঁহ আদিৰ পোৱালি বিতৰণ কাৰ্যসূচী সফলভাৱে বিতৰণ কৰা হয়। জিলাখনৰ পূব নলবাৰী, টিহু, পশ্চিম নলবাৰী, বৰভাগ, ঘগ্ৰাপাৰ, বৰক্ষেত্ৰী আৰু মধুপুৰ উন্নয়ন খণ্ডৰ নিৰ্বাচিত হিতাধিকাৰী কৃষকসকলৰ মাজত এই উন্নত গুণাগুণসম্পন্ন সোণালী প্ৰজাতিৰ মুৰ্গী পোৱালি আৰু হাঁহৰ পোৱালি আনুষ্ঠানিকভাৱে বিতৰণ কৰে নলবাৰী জিলা কৃষি বিষয়া দিবাকৰ ডেকা আৰু মহকুমা কৃষি বিষয়া জাকিৰ হুছেইনে । কেৱল কুকুৰা পোৱালিয়েই নহয়, বৰং কৃষকসকলে যাতে এইবোৰ বিজ্ঞানসন্মতভাৱে প্ৰতিপালন কৰি উপযুক্ত লাভ অৰ্জন কৰিব পাৰে, তাৰ বাবে আটমাৰ তৰফৰ পৰা উচ্চ মানৰ দানা,আৱশ্যকীয় প্ৰতিষেধক তথা ঔষধ পাতি আৰু পানী-দানা খুৱাব পৰা বিশেষ পাত্ৰ আদিও যোগান ধৰা হয়। বিভাগটোৰ উপ প্ৰকল্প সঞ্চালক ডাঃ বিনীতা শইকীয়াই এই সোণালী প্ৰজাতিৰ মুৰ্গী আৰু হাঁহ অত্যন্ত লাভজনক কাৰণ ই থলুৱা পৰিৱেশত সহজে খাপ খাই পৰে আৰু ইয়াৰ ৰোগ প্ৰতিৰোধ ক্ষমতা আন প্ৰজাতিতকৈ বহুখিনি শক্তিশালী বুলি সদৰি কৰে । তদুপৰি এই মুৰ্গীয়ে বছৰত প্ৰায় ১৮০ ৰ পৰা ২২০ টাকে কণী উৎপাদন কৰাৰ লগতে ইয়াৰ মাংসৰ চাহিদাও বজাৰত যথেষ্ট বেছি। এনে এক উন্নত তথা দ্বিমুখী উৎপাদনক্ষম প্ৰজাতি লাভ কৰি অঞ্চলটোৰ হিতাধিকাৰী কৃষকসকলে নিজৰ আৰ্থিক ভেটি সবল কৰিবলৈ আহ্বান জনায়। ইফালে চি এছ এছ আটমাৰ অধীনত জিলাখনত বৰ্তমান সময়ৰ দ্ৰুত জলবায়ু পৰিৱৰ্তনৰ সৈতে মোকাবিলা কৰিব পৰাকৈ কেনেদৰে আধুনিক প্ৰযুক্তিৰ সহায়ত কম খৰচতে উৎপাদন দুগুণ কৰিব পাৰি কৃষক আৰু পশুপালকসকলৰ বাৰ্ষিক আয় বৃদ্ধি কৰিব পাৰি সেই সম্পৰ্কে প্ৰশিক্ষণৰ ব্যৱস্থাও কৰা হয়। এই অনুষ্ঠানত টিহু উন্নয়ন খণ্ডৰ কৃষি প্ৰযুক্তি ব্যৱস্থাপক ডাঃ পবিত্ৰ দাস, ঘগ্ৰাপাৰৰ বি টি এম ডাঃ ঈশ্বৰ শৰ্মা, বিটিএম ক্ৰমে জিন্টু ৰাজবংশী, ডাঃ শুভলক্ষ্মী বৰা,হিমাক্ষী শৰ্মা, ডলিমণী পাটোৱাৰী, জৰ্না চৌধুৰী আৰু আব্দুল আজিজ উপস্থিত থাকে।

# নাজিৰাৰ লখিমী পুখুৰীৰ ৩৭ বছৰীয়া যুৱক সন্ধানহীন ঃ ব্যাপক চাঞ্চল্য

**বাতৰি কাকত, নাজিৰা, ২০ জুলাই** ঃ নাজিৰা আদৰ্শ আৰক্ষী থানাৰ অন্তৰ্গত লখিমী পুখুৰী জয়খামদাং খাট গাঁৱৰ ৩৭ বছৰীয়া এজন যুৱক যোৱা ১২ জুলাইৰ নিশা নিজা ঘৰৰ বাহিৰলৈ ওলাই যোৱাৰ পিছৰে পৰা সন্ধানহীন হৈ থকা ঘটনাই অঞ্চলটোত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। পৰিয়ালৰ সূত্ৰে জানিব পৰা মতে, সেই দিনা নিশা প্ৰায় ১২ বজাৰ পিছত ঘৰৰ পৰা ওলাই গৈছিল ৰমেন গগৈ নামৰ বিবাহিত যুৱকজন । পুৱা পৰিয়ালৰ লগতে স্থানীয় ৰাইজে অঞ্চলটোত বিচাৰ খোচাৰ কৰি থাকোঁতে লখিমী পুখুৰীৰ পাৰত ৰমেন গগৈয়ে পিন্ধি থকা চেণ্ডেলজোৰ দেখা পোৱাত লগে লগে স্থানীয় গাঁও প্ৰধান সহিতে পৰিয়ালৰ লোকে নাজিৰা আদৰ্শ আৰক্ষী থানাত লিখিত ভাৱে ঘটনাৰ বিষয়ে অৱগত কৰে। তাৰোপৰি এছ ডি আৰ এফৰ লোকে যোৱা দুদিন ধৰি লখিমী পুখুৰীত অনুসন্ধান চলাই যদিও কোনো সম্ভেদ লাভ কৰিবলৈ সক্ষম নহ'ল। ৰমেন গগৈ বিবাহিত যদিও প্ৰায় এবছৰে পত্নী গৰাকী পিতৃ গৃহতে আছে আৰু বৰ্তমান তেওঁ অকলশৰে বসবাস কৰি আহিছে।কোনো লোকে যদি যুৱকজনৰ কিবা সম্ভেদ লাভ কৰে তেনে সমীপৰ আৰক্ষী থানাৰ লগতে ভ্ৰাম্যভাষ ৯৩৬৫৪২৬০০২ অথবা ৯৮৫৯৫৫২৭৪৭ নম্বৰত ফোন যোগে জনাবৰ বাবে অনুৰোধ জনাইছে।

# শিৱসাগৰ পৌৰসভাৰ উপ-পৌৰপতি হিচাবে শপত গ্ৰহণ দিপু হাজৰিকাৰ

**খাইৰুদ্দিন আহমেদ শিৱসাগৰ২০ জুলাই** ঃ শিৱসাগৰ পৌৰসভাৰ কাৰ্যকাল অন্ত পৰিবলৈ মাজত মাথো মাত্ৰ আঠটা মাহ। অনাগত আঠটা মাহত শিৱসাগৰ চহৰৰ মৌলিক সমস্যা সমূহ পুৰণ কৰিবলৈ আপ্ৰাণ চেষ্টা চলাম। খোৱাপানী, ষ্ট্ৰিট লাইট, জাবৰ-জোথৰ, কৃত্ৰিম বানপানীৰ সমস্যাৰ সমাধানৰ ক্ষেত্ৰত শিৱসাগৰ পৌৰসভাই ইতিমধ্যেই বহুকেইটা ব্যৱস্থা গ্ৰহণ কৰিছে-- এই মন্তব্য শিৱসাগৰ পৌৰসভাৰ উপ-পৌৰপতি হিচাবে শপত গ্ৰহণ কৰা দিপু হাজৰিকাৰ। শিৱসাগৰ চহৰখন অসমৰ ভিতৰতেই আতকধুনীয়া কৰিম। এই ক্ষেত্ৰত ৰাইজৰ সহায়-সহযোগিতা লাগিব বুলি মন্তব্য কৰে। শতবৰ্ষ অতিক্ৰম কৰা শিৱসাগৰ পৌৰসভাৰ উপ পৌৰপতি হিচাপে দিপু হাজৰিকাই শপত গ্ৰহণ কৰে। শিৱসাগৰ চহৰৰ মাজমজিয়াৰ কালি প্ৰসাদ মেম'ৰিয়েল হলত অতিৰিক্ত জিলা আয়ুক্ত গৌৰীপ্ৰিয়া দেউৰীয়ে উপপৌৰপতি হিচাবে দিপু হাজৰিকাক শপত বাক্য পাঠ কৰোৱায়। এই শপত গ্ৰহণ অনুষ্ঠানৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা এক অনুষ্ঠানত মূখ্য অতিথি হিচাপে শিৱসাগৰ পৌৰসভাৰ কাৰ্যবাহী বিষয়া দেৱব্ৰত শৰ্মা, পৌৰপতি স্মৃতিৰেখা দত্ত, প্ৰাক্তন পৌৰপতি মৃদুস্মিতা সিনহা, সমাজকৰ্মীৰ ঘন গগৈ, প্ৰাঞ্জল কটকী, অধিবক্তা নিকুঞ্জ গগৈ আৰু চিৰঞ্জীৱ বেজবৰুৱাৰ লগতে বিজেপিৰ বিশ্বজ্যোতি হাজৰিকাই অংশগ্ৰহণ কৰে। নৱ নিৰ্বাচিত উপ পৌৰপতি দিপু হাজৰিকাক শিৱসাগৰ পৌৰসভাৰ পৰা উষ্ম আদৰণি জনোৱাৰ লগতে প্ৰায় ত্ৰিশ টাৰো অধিক অনুষ্ঠান-প্ৰতিষ্ঠানে সম্বৰ্দ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত ঘন গগৈ, প্ৰাঞ্জল কটকী আৰু চিৰঞ্জীৱ বেজবৰুৱাই শিৱসাগৰ পৌৰসভাৰ পৌৰপতি, উপ-পৌৰপতি আৰু সমূহ সদস্য-সদস্যাক অসমৰ ভিতৰতে শিৱসাগৰ চহৰখনক জাকত জিলিকাই তোলাৰ লগতে পৌৰকৰদাতা ৰাইজৰ অভাৱ-অভিযোগ সমূহ শীঘ্ৰে সমাধান কৰি ৰাইজৰ আস্থা বুটলিবলৈ আহ্বান জনায়। অনুষ্ঠানটো পৰিচালনা কৰে পৌৰসভাৰ ৱাৰ্ড সদস্য সমীৰ দত্তই। উল্লেখ্য যে, শিৱসাগৰ পৌৰসভা গঠন হোৱা পৰা বৰ্তমান সময়লৈকে অনুসূচীত জাতিৰ লোক হিচাপে দিপু হাজৰিকাই প্ৰথম বাৰৰ বাবে উপ পৌৰপতিৰ আসনখনত বহিবলৈ সক্ষম হয়।

# নগাঁৱৰ হয়বৰগাঁৱত বিনামূলীয়া দন্ত চিকিৎসা শিবিৰত ৩০০ ৰোগীক চিকিৎসা প্ৰদান

**বাতৰি কাকত নগাঁও, ২০ জুলাই** ঃ নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ জ্যেষ্ঠ দন্ত চিকিৎসক ডাঃ মিতালী গোস্বামীৰ নেতৃত্বত চিভিল হাস্পতালৰ পাঁচজনীয়া এটা স্বাস্থ্য বিভাগৰ দলে বৃহত্তৰ হয়বৰগাঁও অঞ্চলৰ প্ৰায় ৩০০ ৰোগীক চিকিৎসা সেৱা প্ৰদান কৰাৰ লগতে বিনামূলীয়া কৈ দৰৱপাতি বিতৰণ কৰে। নগাঁও জিলা স্বাস্থ্য বিভাগৰ সৌজন্যত হয়বৰগাঁও প্ৰেছ ক্লাব আৰু বাবা লোকনাথ বৈদিক বিকাশ জনকল্যাণ ন্যাসৰ উদ্যোগত হয়বৰগাঁও বাল্মিকী হিন্দী বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে এই চিকিৎসা শিবিৰত পুৱাৰে পৰাই ৰোগীৰ ভিৰ হোৱা পৰিলক্ষিত হয়। বিনামূলীয়া চিকিৎসা শিবিৰটি আৰম্ভ হোৱাৰ পুৰ্বেই হয়বৰগাঁও প্ৰেছ ক্লাৱৰ সম্পাদক মোস্তাফা কামালে আঁত ধৰা অনুষ্ঠানটোত বিশিষ্ট চিকিৎসক ডাঃ কামাল হাছান, বিশিষ্ট দন্ত চিকিৎসক ডাঃ মিতালী গোস্বামী,প্ৰেছ ক্লাৱৰ সভাপতি দিব্যজ্যোতি বৰুৱা, শিবিৰ তত্বাৱধায়ক ৰেখা শৰ্মা,বাবা লোকনাথ বৈদিক বিকাশ জনকল্যাণ ন্যাসৰ সভাপতি দুলাল পাল, সম্পাদক কাজল দত্তক প্ৰেছ ক্লাৱৰ তৰফৰ পৰা একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। পৰৱৰ্তী সময়ত দিনৰ দহ বজাৰ পৰা আৰম্ভ হোৱা বিনামূলীয়া দন্ত চিকিৎসা শিবিৰটি আনুষ্ঠানিক ভাৱে মুকলি কৰে চিকিৎসক ডাঃ কামাল হাছানে। উল্লেখযোগ্য যে, ইমান প্ৰখৰ ৰ'দৰ মাজতো হয়বৰগাঁও চামাদাৰপট্টীত অৱস্থিত বাল্মিকী হিন্দী বিদ্যালয়ত অনুষ্ঠিত হোৱা বিনামূলীয়া দন্ত চিকিৎসা শিবিৰত তিনি শতাধিক ৰোগীয়ে ভিৰ কৰা দেখা যায়। সকলোকে দাঁত মুখ বিশেষজ্ঞ চিকিৎসক ডাঃ মিতালী গোস্বামী আৰু তেওঁৰ সতীৰ্থ স্বাস্থ্য কৰ্মী সকলে চিকিৎসা সেৱা প্ৰদান কৰাৰ লগতে প্ৰয়োজনীয় দৰৱ পাতি যোগান ধৰি ৰাইজৰ মৰম বুটলিবলৈ সক্ষম হৈছে।

# নগাঁও লোকসভাৰ উপ-নিৰ্বাচন, তিৱা পৰিষদৰ নিৰ্বাচনৰ ৰণশিঙা বজালে মৰিগাঁও সমষ্টি বিজেপিয়ে

**মৰিগাঁও,২০ জুলাই** ঃ উৎকট গৰমকো আওকাণ কৰি মৰিগাঁও সমষ্টিৰ পাঁচ সহস্ৰাধিক বিজেপি নেতা কৰ্মীয়ে মৰিগাঁও বিহুতলিত নিৰ্বাচনী ৰণশিঙা বজালে আসন্ন নগাঁও লোকসভা নিৰ্বাচন আৰু তিৱা স্বায়ত্ত পৰিষদৰ নিৰ্বাচনৰ বিশাল ৰাজহুৱা সভাখন আয়োজন কৰে মৰিগাঁও সমষ্টিৰ বিজেপিয়ে। বন্তি প্ৰজ্বলন আৰু বন্দে মাতৰম পৰিৱেশনৰে শুভাৰম্ভ হোৱা সভাখনৰ মুখ্য বক্তা হিচাপে বিধায়ক ৰমাকান্ত দেউৰীয়ে ভাষণ প্ৰসংগত কয় যে, ৰাইজৰ আশীৰ্বাদৰ ফলতে তেওঁ তৃতীয়বাৰৰ বাবে মৰিগাঁৱত সমষ্টিৰ বিধায়ক নিৰ্বাচিত হৈছে। এইবাৰ নগাঁও লোকসভাৰ উপ-নিৰ্বাচনত অভিলেখ সংখ্যক ভোটদান কৰিব লাগিব ৰাইজে। কংগ্ৰেছ প্ৰাৰ্থিত্বকৈ কমেও ৯০ হাজাৰ অধিক ভোটদান কৰি মৰিগাঁও সমষ্টিবাসীয়ে অভিলেখ কৰিব লাগিব। তিৱা পৰিষদৰ নিৰ্বাচনৰ সন্দৰ্ভত তেওঁ কয়, এটা দুষ্ট চক্ৰই দুৰ্নীতি কৰি দুৰ্নাম আনিছে তিৱা পৰিষদৰ। কাৰ্যকাল ছমাহ বৃদ্ধি কৰাৰ পিছতো পুনৰ ছমাহ বৃদ্ধি কৰিবলৈ বৰ্তমানৰ তিৱা পৰিষদৰ কৰ্মকৰ্তা সকল উঠি পৰি লাগিছে। মন্ত্ৰীৰ ঘৰে ঘৰে অনুৰোধ জনাই ফুৰিছে। মুখ্যমন্ত্ৰীয়ে কোনো অৱস্থাতে এক্সটেনচন নিদিয়ে বুলি বিধায়ক গৰাকীক কোৱা বুলি উল্লেখ কৰি ৰমাকান্ত দেউৰীয়ে কয়, অচিৰেই নিৰ্বাচন হ'ব তিৱা পৰিষদৰ। দুৰ্নীতিৰ প্ৰসংগ উত্থাপন কৰি দেউৰীয়ে কয়, ৬০ কোটি টকীয়া কেলেংকাৰিত জড়িত খগেন চন্দ্ৰ বৰদলৈ।ভুৱা ৱৰ্ক অৰ্ডাৰ, ভুৱা দেয়কৰে ধন লুণ্ঠন অভিযানত লিপ্ত হৈছে বৰদলৈ। তেওঁৰ বিৰুদ্ধে উচ্চ পৰ্যায়ত তদন্ত হ'ব লাগে। তেওঁ কয়, তিৱা পৰিষদত নিকা লোকক প্ৰাৰ্থিত্ব দি পৰিষদত বিজয় লাভ কৰিব লাগিব আৰু বৰ্তমানৰ তিৱা পৰিষদৰ চক্ৰান্তকাৰীসকলক চিনাক্ত কৰিব লাগিব। তেওঁ কয়, আপোনালোকে বিজেপি আৰু মোক ভোট দি আপোনালোকৰ কৰ্তব্য পালন কৰিলে। এতিয়া আপোনালোকৰ উন্নয়নৰ কাম কৰাৰ দায়িত্ব মোৰ। বিধানসভা নিৰ্বাচনত মৰিগাঁও সমষ্টিৰ ৰৰ জন বিজেপি নেতাই ৰমাকান্ত দেউৰীৰ বিৰোধিতা কৰাৰ প্ৰসংগ উত্থাপন কৰি যুৱনেতা তথা মৰিগাঁও জিলাৰ অন্যান্য পিছপৰা শ্ৰেণীৰ সভাপতি শিৱাজী ডেকাই কয়, তেওঁলোক মৰিগাঁৱত কংগ্ৰেছী, জাগীৰোড আৰু গুৱাহাটীত বিজেপি। মধ্য অসমৰ শক্তিশালী নেতা ৰমাকান্ত দেউৰীয়ে তিৱা পৰিষদত প্ৰথম গণতান্ত্ৰিক নিৰ্বাচন পাতি পৰিষদলৈ সুস্থিৰতা আনিছিল। এইজন ব্যক্তিয়ে পথৰ পৰা তুলি আনি তিৱা পৰিষদৰ কৰ্মকৰ্তা পতা লোক সকলেই এতিয়া ৰমাকান্ত দেউৰীক পিছফালৰ পৰা আক্ৰমণ কৰিছে। জনপূৰ্ণ সভাখনত ভাষণ দি মৰিগাঁও জিলা বিজেপিৰ সভাপতি ৰামপ্ৰসাদ সৰকাৰ আৰু সহ-প্ৰভাৰী অৰ্জুন মজুমদাৰে আগন্তুক দুয়োটা নিৰ্বাচনতে বিজেপিৰ প্ৰাৰ্থীক জয়ী কৰিবলৈ আহ্বান জনায়। আদৰণি ভাষণ দি জিলা সম্পাদক জিতু বৰাই মৰিগাঁও নগৰত বন্ধ হৈ থকা বাছ আস্থান কেইটা মুকলি কৰা, মাণিপুৰত মিনি ষ্টেডিয়াম এটা বিধায়ক ৰমাকান্ত দেউৰীয়ে উদ্বোধন কৰা কথা সদৰি কৰে। সভাত মৰিগাঁও জিলা পৰিষদৰ সভানেত্ৰী প্ৰণতি কলিতা ডেকা, মৰিগাঁও পৌৰপতি যোগেশ তামুলী, আই টি ডি পিৰ অধ্যক্ষ মনক বৰদলৈ, তিৱা পৰিষদৰ কাৰ্যকৰী সদস্য মদন দেউৰী, বিজেপি নেতা নগেন দাস, যুৱনেতা প্ৰাণজিৎ হাজৰিকাৰ উপৰিও মৰিগাঁও জিলা বিজেপিৰ সম্পাদকদ্বয় নিৰ্মল কোঁৱৰ, জিতুমণি পাঠক, আঞ্চলিক পঞ্চায়ত, জিলা পৰিষদৰ সদস্য, পঞ্চায়তৰ প্ৰতিনিধি সকল, পৌৰসভাৰ ৱাৰ্ড কমিছনাৰ আৰু মণ্ডল বিজেপিৰ কৰ্মকৰ্তা সকলে যোগদান কৰে। মৰিগাঁও মণ্ডলৰ সভাপতি প্ৰতাপ বৰদলৈয়ে সভাখন সফল কৰাত বিশেষ ভূমিকা লয়। সভাৰ আৰম্ভণিতে তিৱা, বড়ো, বিহু নৃত্য দল, ক'লা সন্মত নৃত্য প্ৰদৰ্শনে দৰ্শক মণ্ডলীক মোহিত কৰে।।



সংবাদ মেল অনুষ্ঠিত কৰি অভিযোগ নস্যাৎ ক্ষীৰোদ লস্কৰ -জনাৰ্দ্দন শইকীয়াৰ

# ৰহা সমষ্টিত ভুৱা আঁচনিৰে লাখ লাখ টকা আত্মসাৎ কৰাৰ অভিযোগ

**বাতৰি কাকত কচুৱা, ২০ জুলাই** ঃ অনুসূচিত জাতি যুৱ পৰিষদৰ সভাপতি ৰুবুল দাসে গুইমাৰীত এখন সংবাদ মেল অনুষ্ঠিত কৰে । বিগত ২০২১--২৪ বৰ্ষত ৰহা বিধান সভা সমষ্টিৰ বিধায়ক পুঁজি বিতৰণত ব্যাপক বিসংগতি আৰু কেলেংকাৰী হোৱাৰ অভিযোগ তুলিছে ৰুবুল দাসে । ৰুবুল দাসে বিগত বৰ্ষত বিধায়ক শশীকান্ত দাসৰ কাৰ্যকালত বিধায়ক পুঁজি বিতৰণত ব্যাপক বিসংগতি আৰু কেলেংকাৰী সংঘটিত হোৱাৰ অভিযোগ কৰিছে । অভিযোগ অনুসৰি, শশীকান্ত দাসৰ ঘনিষ্ঠ ক্ষীৰোদ লস্কৰ আৰু জনাৰ্দন শইকীয়াই সমষ্টিটোৰ বহু অঞ্চলত বিধায়ক পুঁজিৰ অধীনস্থ শংকৰী কলা কৃষ্টি বিকাশ কেন্দ্ৰৰ আঁচনি ৰূপায়নত ব্যাপক খেলিমেলি কৰিছে । বিধায়কৰ ঘনিষ্ঠ দুয়ো ২৭ খন সমিতিৰ ভিতৰত ক্ষীৰোদ লস্কৰে ১৫ খন আৰু জনাৰ্দন শইকীয়াই ১২ খন সমিতিৰ সভাপতিৰ দ্বায়িত্ব লৈ বিধায়ক পুঁজিৰে নিৰ্মাণ কৰা শংকৰী কলা কৃষ্টি বিকাশ কেন্দ্ৰৰ আঁচনিত অনিয়ম কৰাৰ অভিযোগ উত্থাপিত কৰিছে । ৰুবুল দাসে ইয়াৰ এক তদন্তৰ দাবী কৰি দোষীক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে । ইফালে ৰুবুল দাসে অভিযোগ কৰা ক্ষীৰোদ লস্কৰ আৰু জনাৰ্দ্দন শইকীয়াই বাৰেগোগাত এখন সংবাদ মেল অনুষ্ঠিত কৰি সমূহ অভিযোগ নস্যাৎ কৰিছে । তেওঁলোকে কয় যে ৰুবুল দাসে ভিত্তিহীন অভিযোগ উত্থাপন কৰিছে । কিয়নো শংকৰী কলা কৃষ্টি বিকাশৰ নামত আৱন্টন হোৱা বিধায়ক পুঁজিৰ ধনেৰে ইতিমধ্যে নামঘৰ সমূহৰ উন্নয়নমূলক কাম-কাজ কৰি থকা হৈছে । ইতিমধ্যে বহুকেইটি উন্নয়নমূলক কাম-কাজ সম্পন্ন হৈছে বুলি তথ্য সহকাৰে দুয়োগৰাকীয়ে সদৰী কৰে । এই সংবাদ মেলখনত ৰহা সমষ্টিৰ অন্তৰ্গত নামঘৰ সমূহৰ নিৰ্মাণ সমিতিৰ বিষয়ববীয়া সকলো উপস্থিত থাকি ৰুবুল দাসৰ অভিযোগ খণ্ডন কৰে ।

# গড়গাঁও কলেজৰ উদ্যোগত বিনামূলীয়া চকু পৰীক্ষা শিবিৰ

**খাইৰুদ্দিন আহমেদ শিৱসাগৰ, ২০ জুলাই** ঃ গড়গাঁও মহাবিদ্যালয়, নাৰী উন্নতি নজিৰা, ডিব্ৰুগড়স্থিত ৰেনু আই কেয়াৰ আৰু সামাজিক উদ্যোগ "Sympathy to Empathy"-ৰ যৌথ উদ্যোগত চৰাইদেউ চাহ বাগিচাত এখন বিনামূলীয়া চকু পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰৰ জৰিয়তে প্ৰায় ৩০০ জন চাহ বাগিচাৰ শ্ৰমিক উপকৃত হয়।এই শিবিৰৰ আয়োজন কৰা হয় গড়গাঁও মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে সম্পন্ন কৰা এক প্ৰাথমিক স্বাস্থ্য সমীক্ষাৰ ভিত্তিত। সমীক্ষাত চাহ বাগিচাৰ বাসিন্দাসকলৰ মাজত চকুৰ সমস্যা আৰু হিম'গ্লবিনৰ অভাৱ 'ৰক্তহীনতা' মুখ্য স্বাস্থ্যজনিত সমস্যা হিচাপে চিহ্নিত হৈছিল। সমীক্ষা পৰিচালনা আৰু শিবিৰৰ সমন্বয়ত ছাত্ৰ স্বেচ্ছাসেৱক প্ৰজ্ঞানদীপ নাথ, প্ৰিয়াংশু টাই, ঋতুজ্যোৎস্না শইকীয়া, অনিন্দিতা গগৈ, সমীৰ বৰুৱা আৰু প্ৰকাশ কোঁৱৰে উল্লেখযোগ্য ভূমিকা পালন কৰে। ডিব্ৰুগড়স্থিত ৰেনু আই কেয়াৰে বিশেষজ্ঞ চিকিৎসক, প্ৰযুক্তিবিদ আৰু চিকিৎসা সহায় আগবঢ়ায়। নাৰী উন্নতি নজিৰাৰ আমিনা বেগমে শিবিৰ সফলভাৱে আয়োজন কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। লগতে স্থানীয় যুৱক অৰুণ প্ৰান্তান্তী আৰু সঞ্জয় দাসেও আন্তৰিক সহযোগিতা আগবঢ়ায়। এই কাৰ্যসূচী গড়গাঁও মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক সমন্বয়ক সুৰজিৎ শইকীয়াৰ তত্ত্বাৱধানত অনুষ্ঠিত হয়। তেওঁৰ সৈতে মহাবিদ্যালয়ৰ নিতালী কোঁৱৰ, নিলুৎপল চুতীয়া আৰু অংকিকা দত্তই ছাত্ৰ স্বেচ্ছাসেৱকসকলক অনুষ্ঠানটোৰ বাবে সহযোগিতা আগবঢ়ায়। উল্লেখ্য যে, সুৰজিৎ শইকীয়াৰ নেতৃত্বত চলি থকা "Sympathy to Empathy" প্ৰকল্পৰ অধীনত এই শিবিৰৰ আয়োজন কৰা হয়। এই প্ৰকল্পই বিগত দুবছৰ ধৰি চৰাইদেউ চাহ বাগিচা সম্প্ৰদায়ৰ কল্যাণৰ বাবে বিভিন্ন সামাজিক আৰু স্বাস্থ্যসেৱামূলক কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ সব্যসাচী মহন্তই এই যৌথ প্ৰচেষ্টাৰ শলাগ লৈ ভৱিষ্যততো দুৰ্বল আৰু সুবিধাবঞ্চিত জনগোষ্ঠীৰ বাবে এনে অধিক স্বাস্থ্যসেৱামূলক কাৰ্যসূচী আয়োজন কৰাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ অংগীকাৰ পুনৰ ব্যক্ত কৰে।

# শিৱসাগৰত দুই সৰবৰাহকাৰীসহ ৰচটা গৰু জব্দ

**খাইৰুদ্দিন আহমেদ শিৱসাগৰ ২০ জুলাই** ঃশিৱসাগৰ আৰক্ষীৰ অভিযানত গৰু সৰবৰাহকাৰীৰ বৃহৎ চক্ৰ জালত পৰে। এ এচ ০২ ডি চি ৮৪৫৪ নম্বৰৰ এখন মিনি ট্ৰাকত অবৈধভাৱে কঢ়িয়াই অনা অৱস্থাত ১২ টাকৈ গৰু জব্দ কৰে আৰক্ষীয়ে। শিৱসাগৰ আৰক্ষীৰ নগৰ উপ-পৰিদৰ্শক দেৱাশীষ শৰ্মাৰ নেতৃত্বত বনীয়াবাৰীত চলাইছিল এই সফল অভিযান। আখৈফুটীয়াৰ পৰা নগাঁও অভিমুখে আনি আছিল গৰু সমুহ । গৰু ভৰ্তি গাড়ী খনৰ পৰা গিয়াছউদ্দিন আহমেদ আৰু মফিদুল ইছলাম নামৰ দুই সৰবৰাহকাৰীক আটক কৰে আৰক্ষীয়ে। ধৃত দুই সৰবৰাহকাৰীয়ে জানিবলৈ দিয়া মতে গৰু সমূহ নগাঁৱৰ চফিকুল ইছলামে ৰিৰিয়াৰ বুটু নামৰ ব্যক্তিজনৰ পৰা আনিছিল । আৰক্ষীয়ে গৰু ভৰ্তি গাড়ীখনৰ লগতে দুই সৰবৰাহকাৰীক নিজৰ জিম্মাত লৈ গৰু সৰবৰাহকাৰী চক্ৰৰ মাষ্টাৰ মাইণ্ড বুটুৰ সন্ধানত অভিযান তীব্ৰ কৰি তুলিছে ।

## ধিঙত কৃষি মন্ত্ৰী পীযুষ হাজৰিকা

# ২২,৮১৮ হিতাধিকাৰীক মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযান চেক বিতৰণ




**ষ্টাফ ৰিপ'ৰ্টাৰ, নগাঁও, ২০ জুলাই ঃ** কৃষি, জলসিঞ্চন আৰু সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী তথা নগাওঁ জিলাৰ অভিভাৱক মন্ত্ৰী পীযুষ হাজৰিকাই আজি নগাঁৰৰ ধিঙত আয়োজিত এক কাৰ্যসূচীত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান (MMUA) আঁচনিৰ অধীনত ২২,৮১৮ গৰাকী হিতাধিকাৰীক আনুষ্ঠানিকভাৱে চেক বিতৰণ কৰে। এই উপলক্ষে ভাষণ প্ৰদান কৰি মন্ত্ৰীগৰাকীয়ে কয় যে এই আঁচনিৰ দহ হাজাৰ টকা মহিলাসকলক জীৱিকা অৰ্জন কৰিবলৈ আৰু অৰ্থনৈতিক স্বাধীনতা লাভ কৰিবলৈ প্ৰদান কৰা এক শক্তিশালী মাধ্যম। মন্ত্ৰীগৰাকীয়ে হিতাধিকাৰীসকলক এই ১০,০০০ টকাৰ প্ৰাৰম্ভিক মূলধন সঠিকভাৱে ব্যৱহাৰ কৰি ব্যৱসায় প্ৰতিষ্ঠা কৰিবলৈ আহ্বান জনায়, যাৰ জৰিয়তে তেওঁলোকে এই আঁচনিৰ পৰৱৰ্তী পৰ্যায়ৰ ২৫,০০০ আৰু ৫০,০০০ টকাৰ সাহাৰ্য লাভ কৰিবলৈ যোগ্য বিবেচিত হ'ব পাৰিব। মন্ত্ৰী হাজৰিকাই বৰ্তমানৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ অধীনত গ্ৰহণ কৰা প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ, উন্নত পথ আন্তঃগাঁথনি, দৰিদ্ৰ পৰিয়ালক বিনামূলীয়া ৰেচন আৰু বিদ্যালয়-মহাবিদ্যালয়ত শিক্ষাৰ্থীৰ বিনামূলীয়া নামভৰ্তিৰ দৰে বিভিন্ন কল্যাণকামী আঁচনিৰ বিষয়েও উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে কেনেকৈ এক সৰ্বাংগীণ উন্নয়নৰ সূচনা কৰিছে, সেই কথা তেওঁ বিশেষভাৱে আলোকপাত কৰে। তেওঁ লগতে ঘোষণা কৰে যে অহা মাহৰ পৰা আকৌ বিনামূলীয়া ৰেচন বিতৰণ প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব। বৰ্তমানৰ চৰকাৰখনে ভাষিক আৰু ধৰ্মীয় বৈষম্যৰ উৰ্ধত গৈ জনসাধাৰণক সম্পূৰ্ণ নিৰপেক্ষভাৱে চৰকাৰী সুবিধা প্ৰদান কৰি আহিছে আৰু কোনো এটা অঞ্চলেই উন্নয়নমূলক পদক্ষেপৰ পৰা বঞ্চিত হৈ থকা নাই বুলি তেওঁ কয়। ভাষণ প্ৰসংগত তেওঁ কয় যে মথাউৰি নিৰ্মাণ আৰু বান সুৰক্ষা ব্যৱস্থাই ধিং সমষ্টিৰ ৰাইজক বছৰত দুটা বা তাতকৈ অধিক খেতি কৰাত সহায় কৰিছে। বৰ্তমানৰ চৰকাৰৰ দিনত দুখীয়া অথচ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে চৰকাৰী চাকৰি লাভ কৰিবলৈ সক্ষম হোৱা বুলি উল্লেখ কৰি মন্ত্ৰী হাজৰিকাই কয় যে পূৰ্বৰ চৰকাৰৰ কাৰ্যকালত নিযুক্তি প্ৰক্ৰিয়াত চলি থকা দুৰ্নীতি এতিয়া সম্পূৰ্ণৰূপে নিৰ্মূল কৰা হৈছে। কৃষি বিভাগক লৈ নিজৰ পৰিকল্পনা ব্যক্ত কৰি মন্ত্ৰী হাজৰিকাই জনসাধাৰণক অসমৰ অৰ্থনৈতিক উন্নয়নত অৰিহণা যোগাবলৈ কৃষিক আকোৱালি লোৱাৰ বাবে আহ্বান জনায়। তেওঁ কৃষকসকলক কৃষি আৰু জলসিঞ্চন দুয়োটা বিভাগৰ পৰাই সম্ভৱপৰ সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। উক্ত সভাত বিধায়ক মেহবুব মুক্তাৰ আৰু ৰূপক শৰ্মা, নগাঁৰৰ জিলা উপায়ুক্ত আৰু অন্যান্য ব্যক্তি উপস্থিত থাকে। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীয়ে ভোমোৰাগুৰিত আয়োজিত আন এখন কাৰ্যসূচীত অংশগ্ৰহণ কৰি নগাঁও-বটদ্ৰৱা সমষ্টিৰ ৮১ টা পৰিয়ালক ভূমি পত্তা বিতৰণ কৰে। উক্ত কাৰ্যসূচীত তেওঁ কেইগৰাকীমান স্থানীয় হিতাধিকাৰীক মহিলা উদ্যমিতা আঁচনিৰ চেকও প্ৰদান কৰে। অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয় যে যিসকলে ভূমি পত্তা লাভ কৰিলে, তেওঁলোকে এতিয়াৰে পৰা কৃষক পঞ্জীয়নৰ বাবেও যোগ্য বিবেচিত হ'ব, যাৰ জৰিয়তে তেওঁলোকে এক পৰিচয় পত্ৰ লাভ কৰিব। এই পঞ্জীয়নে তেওঁলোকক চৰকাৰী বিভিন্ন আঁচনিৰ সা-সুবিধাসমূহ লাভ কৰাত সহায় কৰিব। তেওঁ ৰাইজক নিজৰ কৃষিভূমি সমূহ পেলাই নথৈ খেতি কৰিবলৈ আহ্বান জনায়। কৃষকৰ আয় বৃদ্ধি কৰাৰ বাবে নাৰিকল, তামোল, জালুক আদিৰ দৰে লাভজনক শস্যৰ সমান্তৰাল খেতি কৰাৰ গুৰুত্বৰ ওপৰত তেওঁ বিশেষভাৱে আলোকপাত কৰে।

## কাৰ্বিআংলং স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য

# বানাক্ৰান্তক তাৎক্ষণিক সহায়ৰ নিৰ্দেশ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২০ জুলাই ঃ** কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ড° তুলিৰাম ৰংহাঙে কাৰ্বি আংলঙত প্ৰচলিত বান পৰিস্থিতিক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰি পৰিষদখন ক্ষতিগ্ৰস্ত লোকসকলৰ সৈতে দৃঢ়তাৰে থিয় দিছে বুলি আশ্বাস দিয়ে। বানপীড়িত পৰিয়ালসমূহৰ সৈতে সংহতি প্ৰকাশ কৰি ড° ৰংহাঙে কয় যে বৰ্তমানৰ বানপানীয়ে ক্ষতিগ্ৰস্ত হোৱা সকলোৰে সৈতে মোৰ চিন্তা। স্বায়ত্তশাসিত পৰিষদৰ ছয় জন নিৰ্বাচিত সদস্যকে ভূমিৰ পৰিস্থিতিৰ জৰুৰী মূল্যায়ন কৰি তাৎক্ষণিক সহায় আগবঢ়াবলৈ নিৰ্দেশ দিছো। আমি আমাৰ জনসাধাৰণৰ কাষত থিয় দি যিমান পাৰি সোনকালে স্বাভাৱিক অৱস্থা ঘূৰাই আনিবলৈ সম্পূৰ্ণ প্ৰতিশ্ৰুতিবদ্ধ। ২৬ গৰাকী নিৰ্বাচিত এম এ চিকে নিজ নিজ সমষ্টিৰ অন্তৰ্গত বানপীড়িত অঞ্চল পৰিদৰ্শন কৰি স্থলভাগৰ পৰিস্থিতিৰ বুজ ল'বলৈ আৰু স্থানীয় প্ৰশাসনৰ সৈতে সমন্বয় স্থাপন কৰি ক্ষতিগ্ৰস্ত লোকসকলক সময়মতে সহায় আগবঢ়োৱাৰ বাবে নিৰ্দেশ দিয়ে। লগতে কেএএচিৰ প্ৰশাসনিক নিয়ন্ত্ৰণত থকা সংশ্লিষ্ট সকলো বিভাগ আৰু বিষয়াক সজাগ হৈ থাকিবলৈ আৰু সাহায্য আৰু পুনৰ্বাসনৰ প্ৰচেষ্টাত জিলা প্ৰশাসনক প্ৰয়োজনীয় সকলো সহায় আগবঢ়াবলৈ নিৰ্দেশ দিয়ে। জিলা প্ৰশাসনৰ পৰা যিকোনো অনুৰোধৰ শীঘ্ৰে সঁহাৰি জনোৱাৰ লগতে বানাক্ৰান্ত লোকসকলৰ কল্যাণৰ বাবে সকলো ধৰণৰ সাহায্য আগবঢ়াবলৈ আনুষংগিক বিভাগসমূহক নিৰ্দেশ দিয়া হৈছে।

# চাৰ্ভিচ ৰিভলভাৰেৰে নিজকে শেষ কৰিলে

উদ্ধাৰ কৰা হয়। কাৰ্যালয় কক্ষৰ ভিতৰত বিষয়াগৰাকীৰ মৃতদেহ উদ্ধাৰ হোৱাৰ লগে লগে সমগ্ৰ ত্ৰিপুৰা আৰক্ষী বিভাগ আৰু প্ৰশাসনৰ মাজত চাঞ্চল্যই বিৰাজ কৰিছে। উল্লেখ্য যে ত্ৰিপুৰাৰ আৰক্ষীৰ সঞ্চালক প্ৰধানগৰাকীৰ নাম অনুৰাগ ধানকৰ। জ্যেষ্ঠ বিষয়াগৰাকীয়ে নিজৰ চাৰ্ভিচ ৰিভলভাৰেৰে নিজকে গুলীয়াই আত্মহনন কৰে। ঘটনাৰ বিৱৰণী মতে, প্ৰথমে কাৰ্যালয়ৰ ভিতৰৰ পৰা এটা গুলীৰ শব্দ শুনা গৈছিল আৰু পৰৱৰ্তী সময়ত তেওঁক মৃত অৱস্থাত উদ্ধাৰ কৰা হয়। অৱশ্যে কি কাৰণত ইমান জ্যেষ্ঠ পদবীত থকা এজন বিষয়াই এনে চৰম পদক্ষেপ গ্ৰহণ কৰিবলগীয়া হ'ল, সেই বিষয়ে এতিয়ালৈকে কোনো স্পষ্ট তথ্য লাভ কৰা হোৱা নাই। ঘটনাৰ খবৰ পোৱাৰ লগে লগে আৰক্ষীৰ শীৰ্ষ পৰ্যায়ৰ বিষয়াসকল আৰু ফৰেনছিক বিশেষজ্ঞৰ দল ঘটনাস্থলীত উপস্থিত হৈছে। সমগ্ৰ কাৰ্যালয় কক্ষটো বৰ্তমান ছীল কৰি দিয়া হৈছে আৰু পুংখানুপুংখভাৱে তথ্য সংগ্ৰহ কৰা হৈছে। মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰাৰ লগতে ই এক আত্মহননৰ ঘটনা নে ইয়াৰ আঁৰত আন কিবা ৰহস্য লুকাই আছে, তাক নিশ্চিত কৰিবলৈ ত্ৰিপুৰা আৰক্ষীয়ে এক উচ্চস্তৰীয় তদন্ত আৰম্ভ কৰিছে।

# মন্দিৰাত অচিনাক্ত লোকৰ মৃতদেহ উদ্ধাৰ

**বাতৰি কাকত, নগৰবেৰা, ২০ জুলাই ঃ** কামৰূপ জিলাৰ ছমৰীয়া সমষ্টিৰ মন্দিৰা আৰক্ষী চকীৰ অন্তৰ্গত মন্দিৰা এন.চি গাঁৱৰ সমীপৰ জলজলী নৈত আজি এগৰাকী অচিনাক্ত লোকৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে, জলজলী নৈৰ পাৰত মৃতদেহটো প্ৰত্যক্ষ কৰাৰ পিছতে অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। ঘটনাস্থলীত উপস্থিত হৈ আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি তদন্ত আৰম্ভ কৰিছে। মৃতদেহটো জলজলী নদীৰ সোঁতেৰে ভাহি আহি নদীৰ পাৰত চপাত স্থানীয় লোকসকলে প্ৰথমে প্ৰত্যক্ষ কৰে। এই খবৰ বিয়পি পৰাৰ লগে লগে ঘটনাস্থলীত বহু লোকৰ সমাগম ঘটে।পাছত স্থানীয় ৰাইজে ঘটনাৰ খবৰ মন্দিৰা আৰক্ষী চকীত দিয়ে। খবৰ লাভ কৰিয়েই আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হয় আৰু স্থানীয় লোকৰ সহযোগত মৃতদেহটো উদ্ধাৰ কৰে।উদ্ধাৰ কৰা মৃতদেহটো অধিক তদন্তৰ বাবে আৰক্ষী চকীলৈ নিয়াৰ লগতে মৃত ব্যক্তিজনৰ পৰিচয় চিনাক্তকৰণৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে আৰক্ষীয়ে।জলজলী নদীত উদ্ধাৰ হোৱা এই অচিনাকী মৃতদেহৰ পৰিচয় এতিয়াও নিশ্চিত হোৱা নাই। মৃতদেহটো ক'ৰ পৰা ভাহি আহিল আৰু মৃত্যুৰ প্ৰকৃত কাৰণ কি-সেই সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে।

# উজনিৰ ৩ জিলাত বানৰ ভয়ংকৰ ৰূপ

জিলা আয়ুক্ত মৃদুল যাদৱ আৰু নাজিৰাৰ সমজিলা আয়ুক্ত প্ৰতিভা মেশ্ৰামো উপস্থিত থাকে। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ সহযোগত শিৱসাগৰ জিলা প্ৰশাসনে যোৱা নিশাৰে পৰাই নাজিৰা, আমগুৰি ৰাজহ চক্ৰ এলেকাকে ধৰি জিলাখনৰ বান-প্ৰভাৱিত অঞ্চলসমূহত আবদ্ধ লোকসকলক উদ্ধাৰৰ বাবে জৰুৰী অভিযান অব্যাহত ৰাখিছে। ইতিমধ্যে এছডিআৰএফ, এনডিআৰএফৰ কেইবাটাও উদ্ধাৰকাৰী দলক এই উদ্ধাৰ অভিযানত নিয়োজিত কৰা হৈছে। শিৱসাগৰৰ লগতে চৰাইদেউ জিলাৰ বিভিন্ন অংশত বানত আৱদ্ধ হৈ পৰা লোকসকলক উদ্ধাৰৰ বাবে ইতিমধ্যে জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ (ডি ডি এম এ)ৰ তত্বাৱধানত এছ ডি আৰ এফ, এন ডি আৰ এফৰ অভিযানকাৰী দলে অভিযান চলাই থকাৰ লগতে সেনা বাহিনীৰো সহায় লোৱা হৈছে।

# ৰাজহ সংগ্ৰহ-উন্নয়নমূলক কাম-কাজৰ পৰ্যালোচনা মুখ্য কাৰ্যবাহী সদস্যৰ

সকলো বিভাগৰ ৰাজহ সংগ্ৰহৰ কাম-কাজৰ পৰ্যালোচনা কৰে। চিইএম-এ বন ৰয়েল্টি, ভূমি ৰাজহ, ষ্টাম্প আৰু পঞ্জীয়ন, সাধাৰণ অৰ্থনৈতিক সেৱা, পথ আৰু পৰিবহণ, পেছাদাৰী কৰ, আৰু বজাৰ খণ্ডকে ধৰি মূল খণ্ডসমূহত ৰাজহ সংগ্ৰহ বৃদ্ধিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। তেওঁ সংশ্লিষ্ট সকলো বিভাগকে ৰাজহৰ পৰিসংখ্যাৰ নিয়মীয়াকৈ ট্ৰেজাৰীৰ সৈতে মিলন ঘটাবলৈ নিৰ্দেশ দিয়ে যাতে যিকোনো অমিল চিনাক্ত কৰিব পাৰে আৰু ৰাজহ লিকেজ বন্ধ কৰি সংগ্ৰহৰ উন্নতিৰ বাবে সময়মতে সংশোধনী ব্যৱস্থা গ্ৰহণ কৰে। ড° সময়মতে কাৰ্যকৰী কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ বিভাগসমূহক আঁচনিসমূহ ত্বৰান্বিতভাৱে ৰূপায়ণ কৰিবলৈ নিৰ্দেশ দিয়ে যাতে সকলো প্ৰকল্প নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সম্পূৰ্ণ হয় আৰু উদ্দেশ্যপ্ৰণোদিত সুবিধাসমূহ পলম নকৰাকৈ ৰাইজৰ মাজলৈ যায়। সভাত প্ৰস্তাৱিত পাম্পড ষ্ট'ৰেজ প্ৰজেক্ট, জল জীৱন মিছন, আৰ আই ডি এফৰ অধীনত পথ নিৰ্মাণ, পি ডব্লিউ ডি বিল্ডিং উইঙৰ অধীনত ল'ৰা-ছোৱালীৰ হোষ্টেল নিৰ্মাণৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়। ৰাজহুৱা কাম বিভাগ (পি ডব্লিউ ডি) আৰু জনস্বাস্থ্য অভিযান্ত্ৰিক (পি এইচ ই)ৰ পৰ্যালোচনাৰ সময়ত সংশ্লিষ্ট ঠিকাদাৰসকলেও উপস্থিত হৈ সভাখনক চলি থকা কামৰ অৱস্থাৰ বিষয়ে অৱগত কৰে। প্ৰকল্প ৰূপায়ণৰ ওপৰত নিবিড়ভাৱে নিৰীক্ষণ কৰাৰ লগতে নিৰ্ধাৰিত পদ্ধতি অনুসৰি ঠিকাদাৰৰ দায়বদ্ধতা ক্ষিপ্ৰতাৰে নিষ্কাশন কৰিবলৈ বিভাগসমূহক নিৰ্দেশ দিয়ে চি ই এমৰ। এই পৰ্যালোচনা বৈঠকত অসম বিধানসভাৰ উপ-সভাপতি ড° হাৰে্ব টেৰন, বিধায়ক সূৰ্য ৰংফাৰ, কেএএচিৰ উপ অধ্যক্ষ অভিজিত ক্ৰ', কাৰ্যবাহী সদস্য, এম এ চি আৰু কেএএচিৰ প্ৰশাসনিক নিয়ন্ত্ৰণত থকা সকলো বিভাগৰ মুৰব্বী উপস্থিত থাকে।

# চি জে পিৰ প্ৰতিবাদত স্তব্ধ সংসদ ভৱন

তেওঁলোকক ৰখাই দিয়ে। আৰক্ষীয়ে আটক কৰে কেইবাজনো প্ৰতিবাদকাৰীক। বাছেৰে লৈ গ'ল। শান্তিপূৰ্ণ আন্দোলনত আৰক্ষীয়ে দমনমূলক কাম কৰা বুলি অভিযোগ উত্থাপন কৰে চিজেপি নেতৃত্বই। নীট প্ৰশ্নকাকত ফাদিলৰ প্ৰতিবাদ আৰু কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীত সোমবাৰে সংসদ অভিযানৰ আহ্বান জনাইছিল চিজেপিয়ে। সেইদিনা ৰাতিপুৱা দিল্লীৰ যন্তৰ মন্তৰৰ পৰা শোভাযাত্ৰা উলিয়াই অনা হয়। যদিও আৰক্ষীয়ে কয় যে এই কাৰ্যসূচীৰ বাবে কোনো অনুমতি লোৱা হোৱা নাছিল। বৰষুণৰ পিছত বৰষুণৰ মাজতে বহু লোকে শোভাযাত্ৰাত যোগদান কৰে। জাতীয় পতাকা আৰু ভাৰতৰ সংবিধান কঢ়িয়াই লৈ ফুৰিছিল। একাংশ সংবাদ মাধ্যমে দাবী কৰিছে যে সোমবাৰৰ এই কাৰ্যসূচীত প্ৰায় ২০ হাজাৰ লোকে (যিসকলৰ অধিকাংশই ছাত্ৰ আৰু যুৱক) অংশগ্ৰহণ কৰিছিল। আৰক্ষীয়ে চিজেপিৰ প্ৰতিষ্ঠাপক অভিজিৎ দীপক আটক কৰি ৰখা বুলিও দাবী কৰে প্ৰতিবাদকাৰীসকলে। অৱশ্যে পিছত আৰক্ষীয়ে এই দাবী অস্বীকাৰ কৰে। দেশৰ সকলো সাংসদকে তেওঁলোকৰ আন্দোলনক সমৰ্থন কৰিবলৈ আহ্বান জনাইছে চিজেপিয়ে। সমাজবাদী পাৰ্টিৰ সাংসদ তথা অখিলেশ যাদৱৰ পত্নী ডিম্পল যাদৱে পুৱা চিজেপিৰ সংগসাদ অভিযান কাৰ্যসূচীত যোগদান কৰে। ডিম্পল আৰু অন্যান্য দলৰ নেতা-কৰ্মীক দিল্লী আৰক্ষীয়ে আটক কৰি ৰখাৰ দাবী আৰক্ষী অধীক্ষকৰ। আনহাতে, চৰকাৰে চিজেপি নেতৃত্বৰ সৈতে কথা পাতিবলৈ সন্মত হয়। দাবী কৰা হৈছে যে সোমবাৰে চিজেপিৰ সংগসাদ ভৱন অভিযানৰ সময়ত চৰকাৰে তেওঁলোকৰ সৈতে যোগাযোগ কৰিছিল। চিজেপিৰ মুখ্য মুখপাত্ৰ সৌৰভ দাস আৰু ইয়াৰে এজন মুখপাত্ৰ আশুতোষ ৰাংকাই কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাক তেওঁৰ বাসগৃহত সাক্ষাৎ কৰিবলৈ গৈছিল। মূলতঃ চিজেপিয়ে কেন্দ্ৰক তিনিটা দাবী উত্থাপন কৰিছে। তেওঁলোক হ'ল, সোণম ৱাংচুকক অনতিপলমে চিকিৎসালয়ৰ পৰা মুকলি কৰি দিব লাগে, কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে পদত্যাগ কৰিব লাগে আৰু আত্মহত্যা কৰা নীট প্ৰাৰ্থীক ক্ষতিপূৰণ হিচাপে ৰ কোটি টকা দিব লাগে। বৈঠকৰ অন্তত নাড্ডাই চৰকাৰক ধৰ্ণা কাৰ্যসূচী প্ৰত্যাহাৰ কৰিবলৈ অনুৰোধ জনায়।

# বিলাসীপাৰাৰ উদ্যোগপতি মালজী লালানীৰ মৃত্যু

**বাতৰি কাকত, বিলাসীপাৰা, ২০ জুলাই ঃ** বিলাসীপাৰা চহৰৰ বিশিষ্ট সমাজ সেৱক,উদ্যোগপতি মালজী লালানী ৭৩ বছৰ বয়সত চিৰপৰিচিত আৰু চিৰসাদৃত ব্যক্তি গৰাকী পৰলোকগমন কৰে। তেওঁৰ মৃত্যুত সমগ্ৰ বিলাসীপাৰা, ধুবুৰী জিলাখনৰ লোক শোকস্তব্ধ হৈ পৰিছে। পৰিয়াল সূত্ৰত জানিব পৰা গৈছে যে আজি পুৱা ৯ বজাত পুৱাৰ স্নান কাৰ্য সম্পন্ন কৰাৰ পাছতে আজি পেছমেকাৰ লগোৱা বুকুতখনত প্ৰচণ্ড বিষ অনুভৱ কৰে ।ততালিকে পৰিয়ালবৰ্গই পাৰ্শ্ববৰ্তী কোকৰাঝাৰ মেডিকেল কলেজ হাস্পতাল খনত ভৰ্তি কৰোৱায়। চিকিৎসালয় খনতে চিকিৎসাধীন অৱস্থাত দিনৰ ১১-৩০ বজাত শেষ নিশ্বাস ত্যাগ কৰে । মৃত্যুৰ আগলৈকে তেখেত প্ৰতিদিন সমাজৰ সকলো প্ৰকাৰৰ লোকৰ লগত সুখ-দুখৰ খবৰলৈ সাধ্য অনুযায়ী সকলো প্ৰকাৰৰ সহায়- সহযোগিতা কৰি জীৱনৰ পথত গতি কৰিছিল। তেওঁৰ মৃত্যুৰ সময়ত স্ত্ৰী-কন্যা, দুইপুত্ৰ আত্মীয়-স্বজন,নাতি-নাতনী আৰু বহ সংখ্যক গুণমুগ্ধক এৰি থৈ যায়। তেওঁৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ পাছতে শত-শত লোক তেখেতৰ বাসভৱনত গৈ উপস্থিত হৈ জনপ্ৰিয় ব্যক্তিজনলৈ বিভিন্ন দল-সংগঠনে ফুল-পুষ্পৰে শ্ৰদ্ধাৰ্ঘ নিবেদন কৰি তেখেতৰ বিদেহ আত্মা স্বৰ্গগামী হোৱাৰ কামনাৰে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনোৱা হয় ।লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ গভীৰ দুখ আৰু সমবেদনা জ্ঞাপন কৰে ।আজি গধূলি ৫ বজাত বিলাসীপাৰা মহাশ্মশানত তেখেতৰ শেষকৃত্য সম্পন্ন কৰা হয়।

## পানীৰ তলত ২৭ খন গাঁও

# কাৰ্বি আংলঙত বানত উটি যোৱা যুৱকৰ মৃতদেহ উদ্ধাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, নগাঁও, ২০ জুলাই ঃ** উজনি অসমৰ পিছত এইবাৰ বানৰ সংহাৰী ৰূপ মধ্য অসমত। বিশেষকৈ পাহাৰীয়া জিলা কাৰ্বি আংলং জিলাত বানে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। জিলাখনৰ প্ৰকৃতিৰ অনুপম সৌন্দৰ্যৰ আকৰ কান্তিলাংছ আৰু ভিৰবাৰ পাহাৰৰ পৰা বৈ অহা মুষলধাৰ বৰষুণৰ পানীয়ে বুৰাই পেলাইছে দেনগাওঁ, ডকমকা সহ কাষৰীয়া প্ৰায় ২৭ খনৰো অধিক কাৰ্বি গাওঁ। যোৱা নিশাৰে পৰা গাঁৱকেইখনত আৱদ্ধ হৈ পৰে শতাধিক লোক। জলবন্দী হৈ পৰে পোহনীয়া জীৱ-জন্তু। পূৰ্বে কোনোদিনে ভয়ংকৰ বান বিভীষিকা দেখা নাই কাৰ্বি আংলংবাসীয়ে। হঠাৎ পাহাৰৰ পৰা নামি অহা বৰষুণৰ পানীয়ে অস্বাভাৱিক বান-বিভীষিকাৰ সৃষ্টি কৰে। বানত এজন যুৱক নিখোঁজ হৈ পৰাত আজি পুৱাৰ ভাগত যুৱকজনৰ মৃতদেহ উদ্ধাৰ হয়। কালি দুপৰীয়া বানৰ পানীত মাছ ধৰিবলৈ যোৱাৰ সময়ত বানে উটুৱাই নিছিল যুৱকজনক। কাৰ্বি আংলং জিলাৰ ডকমকাত বানত উটি যোৱা যুৱকজনৰ মৃতদেহ আজি পুৱাৰ ভাগত এচডিআৰএফে উদ্ধাৰ কৰিছে। যুৱকজনৰ নাম ৰাহুল এক্কা বুলি জানিব পৰা গৈছে। কাৰ্বি আংলং জিলাত হঠাৎ বানে সংহাৰী ৰূপ ধাৰণ কৰাৰ সময়ত স্থানীয় প্ৰশাসনৰ ভূমিকাক লৈ সৰৱ হৈ পৰে স্থানীয় ৰাইজ। ৰাইজৰ অভিযোগ মতে, বানৰ সময়ত প্ৰশাসনে কোনো ধৰণৰ তৎপৰতা দেখুৱা নাই। ইপিনে ভয়ংকৰ বানৰ কবলত পৰা ডবকা-ডিফু সংযোগী ৩৬ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত এককাঁল পানী হোৱাৰ ফলত পথছোৱাদে যাতায়াত বন্ধ হৈ পৰিছে। ভয়ংকৰ বানে ডকমকাত ডিফু সংযোগী ৰাষ্ট্ৰীয় ঘাইপথৰ এছোৱা উটুৱাই লৈ যোৱাত সম্প্ৰতি পথছোৱাৰে সকলো ধৰণৰ যাতায়াত বন্ধ হৈ পৰে। হোজাই জিলা প্ৰশাসন আৰু কাৰ্বি আংলং জিলা প্ৰশাসনে পথছোৱা বন্ধ কৰি দিছে। ফলত ডিমাপুৰ, নাগালেণ্ড, মনিপুৰ অভিমুখী সকলো ধৰণৰ যাতায়াত ব্যাহত হৈ পৰিছে। ইপিনে ডবকাতো বানে সংহাৰী ৰূপ ধাৰণ কৰিছে। ডবকাৰ বুঢ়ীগংগা পাহাৰৰ পৰা বৈ অহা দেউৰীজান আৰু বোকাজান নৈৰ পানীত সূতাৰগাওঁ পঞ্চায়তৰ এক বিস্তৃৰ্ণ অঞ্চল বানত ডুব গৈছে। বিশেষকৈ ডবকা পৌৰসভা এলেকাৰ দুই নম্বৰ ৱাৰ্ড, সূতাৰগাওঁ পঞ্চায়তৰ কেবাখনো গাঁৱৰ ঘৰ-দুৱাৰ বানৰ কবলত পৰিছে। বিশেষকৈ ডবকা পৌৰসভা এলেকাত দেউৰীজান নৈৰ সোঁতত কোনো লোকে মাটি দি ভেটা দিয়াৰ ফলত পানী নামি অহাৰ সকলো পথ বন্ধ হৈ পৰিছে। প্ৰতি বছৰ বাৰিষাৰ সময়ত এই অঞ্চলৰ ৰাইজে বানত ককবকাই থাকিবলগীয়া হয়। আজি ডবকা ৰাজহ চক্ৰ বিষয়াই বিভিন্ন বিভাগৰ বিষয়া সকলক লৈ পৰিস্থিতি নিৰীক্ষণ কৰিছে। যোৱা দুদিনৰ পৰা হোৱা মুষলধাৰ বৰষুণৰ ফলত যমুনা নৈৰ পানী ফেনে ফুটুকাৰে বাঢ়িছে। ইপিনে কাৰ্বি আংলঙত বান সদৃশ পৰিস্থিতিৰ সৃষ্টি হোৱাত সেই পানীখিনিও আহি যমুনা নৈত পৰিছে। ফলত যমুনাৰ বানে যিকোনো সময়ত ভয়ংকৰ ৰূপ ধাৰণ কৰিব পাৰে। ফলত ডবকা চহৰৰ পৰা নাহৰগাওঁ সংযোগী যমুনা নৈৰ ওপৰত থকা শতিকা প্ৰাচীন দলংখনৰ ওপৰেদি সকলো ধৰণৰ যাতায়াত বন্ধ কৰা হৈছে। বান পৰিস্থিতি উন্নত হলে পুনৰ দলংখন মুকলি কৰি দিয়া হ'ব।

## চৰকাৰ ওপৰত ভাৰসা নাই

# খহনীয়াৰপৰা পৰিত্ৰাণ পাবলৈ চেঙাত নদীত পূজা-অৰ্চনা

**বাতৰি কাকত, বিশেষ নগৰবেৰা, ২০ জুলাই ঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত পূৱ মাজৰচৰ গাঁৱত গৰাখহনীয়াৰপৰা পৰিত্ৰাণ পোৱাৰ আশাত নদীত ভোগ (ছিন্নী) প্ৰদান কৰে গাঁওবাসীয়ে। চৰকাৰ, জলসম্পদ বিভাগৰ লগতে জনপ্ৰতিনিধিসকলৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ ব্যক্ত কৰি গাঁওবাসীয়ে নিজৰ সা-সম্পত্তি ৰক্ষাৰ্থে একমাত্ৰ আল্লাহক ভৰষা কৰি জল দেৱতাক সন্তুষ্ট কৰাৰ বাবে নদীত ভোগ অথবা ছিন্নী প্ৰদান কৰাৰ লগতে সমূহীয়া দোৱা প্ৰাৰ্থনা কৰে। ভুক্তভোগী লোকে ব্যক্ত কৰা মতে দীৰ্ঘদিন ধৰি মাজৰচৰ গাঁৱত অব্যাহত ব্ৰহ্মপুত্ৰৰ সুঁতিৰ গৰাখহনীয়াত গাঁওখনৰ পূব-দক্ষিণ প্ৰান্তৰ বৃহৎ এলেকা ইতিমধ্যে জাহ গৈছে। গাঁওখনৰ প্ৰায় তিনিশ পৰিয়াল ইতিমধ্যে গৃহহীন হৈ বিভিন্ন চৰ-চাপৰিত আশ্ৰয় লোৱাৰ উপৰিও সম্প্ৰতি গাঁওখনত থকা অৱশিষ্ট শতাধিক পৰিয়াললৈ ভাবুকি কঢ়িয়াই আনিছে। চলিত বৰ্ষতো গাঁওখনৰ প্ৰায় ২০-২৫ টা পৰিয়াল গৃহহীন হৈছে। দীৰ্ঘদিনীয়া খহনীয়াত গাঁওখনৰ এটা বৃহৎ অংশ সম্পূৰ্ণৰূপে নিঃশেষ হোৱাৰ পাছতো খহনীয়া প্ৰতিৰোধৰ বাবে কোনো ব্যৱস্থা গ্ৰহন নকৰাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় লোকে । বিগত সময়ছোৱাত কৃষি প্ৰধান অঞ্চলটোৰ শ শ হেক্টৰ কৃষিভূমি খহাই নিয়াত বহু পৰিয়াল ভূমিহীনত পৰিণত হৈছে । আনকি গাঁওবাসীৰ এনে দুৰ্যোগৰ পঁ্যনতম খবৰ লোৱা নাই জিলা প্ৰশাসনে। এনে পৰিস্থিতিত উপায়ন্তৰ হৈ এতিয়া খহনীয়াৰ পৰা পৰিত্ৰাণ পাবলৈ এনে পদক্ষেপ গ্ৰহণ কৰিছে গাঁওবাসীয়ে। স্থানীয় লোকে জনোৱা মতে, চেঙা সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক আব্দুৰ ৰহিম আহমেদে শেহতীয়াকৈ পূব মাজৰচৰ গাঁৱৰ গৰাখহনীয়াগ্ৰস্ত এলেকা পৰিদৰ্শন কৰি প্ৰাথমিক পৰ্যায়ত কিছু পাৰ্কুপাইন বহুওৱাৰ আশ্বাস প্ৰদান কৰিলেও সেয়া আজিও বাস্তৱায়িত হোৱা নাই । শীঘ্ৰে বিধায়ক আব্দুৰ ৰহিম আহমেদক নিজৰ প্ৰতিশ্ৰুতি পূৰণৰ লগতে অঞ্চলটোৰ খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে ভুক্তভোগী ৰাইজে।

# শিক্ষক বিক্ৰম কুমাৰ চন্দক জিলিকনি সমাজ প্ৰেমী সন্মান

**বাতৰি কাকত, হাওৰাঘাট, ২০ জুলাই ঃ** কাৰ্বিআংলং জিলাৰ বিশিষ্ট সমাজসেৱক তথা হাওৰাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কৃতি সহকাৰী শিক্ষক বিক্ৰম কুমাৰ চন্দক চলিত বৰ্ষৰ মৰ্যাদাপূৰ্ণ 'জিলিকনি সমাজ প্ৰেমী সন্মান-২০২৬' প্ৰদান কৰা হৈছে। সাহিত্য-সাংস্কৃতিক অনুষ্ঠান 'জিলিকনি সাহিত্য মঞ্চ'ৰ প্ৰথম বাৰ্ষিক অধিৱেশনৰ মুকলি সভাত তেওঁক এই সন্মানীয় বঁটা প্ৰদান কৰা হয়। 'প্ৰজ্ঞাৰ সাধনাৰে জিলিকাব খোজো লুইতৰ দুই পাৰ' মূল মন্ত্ৰৰে দীক্ষিত সাহিত্য মঞ্চৰ এই বৰ্ষীয় অধিৱেশনখনি আজি গোলাঘাটৰ ঐতিহ্যমণ্ডিত তুলেশ্বৰীবৰুৱা মইনাপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অতি সফলতাৰে অনুষ্ঠিত হৈ যায় ।সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য আৰু নিঃস্বাৰ্থ সেৱাৰ স্বীকৃতিস্বৰূপে বিক্ৰম কুমাৰ চন্দক এই বঁটাৰে বিভূষিত কৰা হৈছে। উল্লেখ্য যে শিক্ষকতাৰ দৰে পবিত্ৰ বৃত্তিৰ সৈতে জড়িত থাকিও চন্দই হাওৰাঘাট অঞ্চলৰ বিভিন্ন সামাজিক, সাংস্কৃতিক তথা জনকল্যাণমূলক কাম-কাজৰ সৈতে দীৰ্ঘদিন ধৰি জড়িত হৈ আহিছে। ইয়াৰ পূৰ্বেও তেওঁ সমাজসেৱাৰ বাবে 'দিগদৰ্শন' আৰু 'দৈনিক সংবাদ গোষ্ঠী'ৰ পৰা 'মানৱ দৰদী বঁটা'কে ধৰি কেইবাটাও সন্মান লাভ কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছিল। শেহতীয়াকৈ তেওঁ কাৰ্বি আংলংৰ যুৱ সাংবাদিক তথা উদীয়মান কবি খগেশ্বৰ দাসৰ 'মোৰ কবিতাই এদিন আকাশ চুব' নামৰ কাব্যগ্ৰন্থখনিৰ মুখ্য প্ৰকাশক হিচাপে দায়িত্ব পালন কৰি সাহিত্যৰ প্ৰসাৰত এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। ইয়াৰ উপৰি, দৰিদ্ৰ আৰু আৰ্ত শিক্ষাৰ্থীক সদায় সহায়ৰ হাত আগবঢ়াই অহা চন্দৰ এই সন্মানে সমগ্ৰ কাৰ্বি আংলং তথা হাওৰাঘাট অঞ্চললৈ আনন্দৰ জোৱাৰ আনিছে। অঞ্চলটোৰ বুদ্ধিজীবী মহলে তেওঁৰ এই প্ৰাপ্তিত গভীৰ সন্তোষ প্ৰকাশ কৰাৰ লগতে কৃতি শিক্ষকগৰাকীক উষ্ম অভিনন্দন জ্ঞাপন কৰিছে।

# ধুবুৰী-কোকৰাঝাৰসহ ৫ জিলাৰ স্বাস্থ্য ব্যৱস্থাৰ পৰ্যালোচনা মন্ত্ৰী সিংহলৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২০ জুলাই ঃ** ৰাজ্যৰ স্বাস্থ্যসেৱাক অধিক শক্তিশালী, জনমুখী আৰু তৃণমূল পৰ্যায়লৈ অধিক ফলপ্ৰসূভাৱে সম্প্ৰসাৰিত কৰাৰ লক্ষ্যৰে ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ, কোকৰাঝাৰ, চিৰাং আৰু বঙাইগাঁও জিলাৰ স্বাস্থ্য ব্যৱস্থাক লৈ আজি এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা সভা অনুষ্ঠিত হয়। স্বাস্থ্য মন্ত্ৰী অশোক সিংহলৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত উক্ত জিলাকেইখনৰ বিধায়কসকল, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ শীৰ্ষ বিষয়া, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ বিষয়াসকলে অংশগ্ৰহণ কৰে। সভাত জিলাকেইখনৰ স্বাস্থ্যসেৱাৰ সামগ্ৰিক অৱস্থা, চিকিৎসা আন্তঃগাঁথনি, চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ উপলব্ধতা, বিভিন্ন চৰকাৰী স্বাস্থ্য আঁচনিৰ ৰূপায়ণ আৰু জনসাধাৰণক আগবঢ়োৱা চিকিৎসা সেৱাৰ মানদণ্ডৰ ওপৰত বিস্তৃত আলোচনা কৰা হয়। সভাত স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে প্ৰসূতি মাতৃ আৰু নৱজাতকৰ সুৰক্ষাক সৰ্বাধিক গুৰুত্ব আৰোপ কৰি প্ৰতিটো বিধানসভা সমষ্টিতে চিকিৎসকৰ জৰিয়তে চি-ছেকচন (Cesarean Section) অস্ত্ৰোপচাৰ সেৱা আৰম্ভ কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। তেওঁ কয় যে, জটিল প্ৰসৱৰ ক্ষেত্ৰত গৰ্ভৱতী মহিলাসকলক দূৰ-দূৰণিৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰিবলগীয়া পৰিস্থিতি হ্ৰাস কৰাৰ লগতে সময়মতে উন্নত চিকিৎসা নিশ্চিত কৰিবলৈ প্ৰতিটো সমষ্টিতে এই সেৱা উপলব্ধ হোৱাটো অত্যন্ত প্ৰয়োজনীয়। ইয়াৰ উপৰিও মাতৃ আৰু শিশু মৃত্যুৰ হাৰ অধিক হ্ৰাস কৰা, বিপদাশংকাপূৰ্ণ গৰ্ভধাৰণ আগতীয়াকৈ চিনাক্ত কৰি উপযুক্ত চিকিৎসা নিশ্চিত কৰা, বিনামূলীয়া ডায়েলাইচিছ সেৱাৰ সুবিধা অধিক সংখ্যক ৰোগীৰ কাষলৈ লৈ যোৱা আৰু বিভিন্ন স্বাস্থ্য সূচকৰ উন্নতি সাধনৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। লগতে চিকিৎসক, নাৰ্ছ, স্বাস্থ্যকৰ্মী আৰু বিভাগীয় বিষয়াসকলক নিষ্ঠা, দায়িত্ববোধ আৰু সমন্বয়ৰে কাম কৰি চৰকাৰৰ স্বাস্থ্যসেৱাক অধিক ফলপ্ৰসূ আৰু জনমুখী কৰি তুলিবলৈ আহ্বান জনায়। সভাত ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যসূচী (RBSK), ৰাষ্ট্ৰীয় কিশোৰ স্বাস্থ্য কাৰ্যসূচী (RKSK), বিদ্যালয় স্বাস্থ্য ক্লাব আৰু 'যক্ষ্মামুক্ত ভাৰত' অভিযানৰ অগ্ৰগতিৰো বিস্তৃত পৰ্যালোচনা কৰা হয়। শিশু আৰু কিশোৰ-কিশোৰীৰ স্বাস্থ্য সুৰক্ষা, বিদ্যালয়ভিত্তিক স্বাস্থ্য সজাগতা, যক্ষ্মা নিৰ্মূল অভিযানৰ অগ্ৰগতি আৰু অন্যান্য জনস্বাস্থ্য আঁচনিসমূহ অধিক ফলপ্ৰসূভাৱে ৰূপায়ণৰ ক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপসমূহৰ বিষয়েও আলোচনা কৰা হয়। সভাত উপস্থিত জনপ্ৰতিনিধিসকলে নিজ নিজ সমষ্টিৰ স্বাস্থ্য খণ্ডৰ বিভিন্ন সমস্যা, চিকিৎসা আন্তঃগাঁথনিৰ সীমাবদ্ধতা, বিশেষজ্ঞ চিকিৎসকৰ অভাৱ, অত্যাধুনিক সা-সঁজুলিৰ প্ৰয়োজনীয়তা আৰু গ্ৰাম্যাঞ্চলত স্বাস্থ্যসেৱা অধিক শক্তিশালী কৰাৰ ওপৰত আলোচনা কৰে। আজিৰ এই সভাখনত বিৰোধী দলৰ দলপতি ৱাজেদ আলী চৌধুৰীৰ লগতে বিধায়ক জীৱেছ ৰয় শ্চবিলাসীপাৰা), বেবী বেগম (ধুবুৰী), মূহিবুৰ হক (দক্ষিণ শালমাৰা-মানকাচৰ), আব্দুছ চবহাৰ আলী সৰকাৰ (গৌৰীপুৰ), সেউলি মহিলাৰী (কোকৰাঝাৰ), ৰূপম ৰায় (বাওখুংগ্ৰী), আশ্ৰাফুল ইছলাম শেখ (পৰ্বতঝোৰা) আৰু ভূপেন ৰায় (অভয়াপুৰী) উপস্থিত থাকি অঞ্চলভিত্তিক স্বাস্থ্য সমস্যাসমূহ আৰু জনসাধাৰণৰ প্ৰয়োজনীয়তাৰ বিষয়ে মন্ত্ৰীগৰাকীৰ অৱগত কৰে। সভাত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ আয়ুক্ত-সচিব ডাঃ পি. অশোক বাবু, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ মিছন সঞ্চালক ডাঃ লক্ষ্মনন এছ, কাৰ্যবাহী সঞ্চালক ডাঃ অভিজিৎ শৰ্মাসহ বিভাগটোৰ কেইবাজনো জ্যেষ্ঠ বিষয়াই চৰকাৰী স্বাস্থ্য আঁচনিসমূহৰ ৰূপায়ণ, চিকিৎসা আন্তঃগাঁথনিৰ উন্নয়ন, মানৱ সম্পদ শক্তিশালীকৰণ আৰু তৃণমূল পৰ্যায়ত গুণগত স্বাস্থ্যসেৱা নিশ্চিত কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ ওপৰত বিস্তৃত পৰ্যালোচনা আগবঢ়ায়। সভাৰ অন্তত স্বাস্থ্যসেৱাৰ মান অধিক উন্নত কৰাৰ লক্ষ্যৰে বিভিন্ন কাৰ্যসূচী সময়সীমাৰ ভিতৰত ৰূপায়ণৰ ক্ষেত্ৰত সংশ্লিষ্ট বিষয়াসকলক প্ৰয়োজনীয় নিৰ্দেশ প্ৰদান কৰা হয়। উল্লেখযোগ্য যে ইয়াৰ পাছতেই ৰাজ্যত শেহতীয়াকৈ সৃষ্টি হোৱা বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰৰ স্বাস্থ্য মন্ত্ৰী অশোক সিংহলে অসম চিকিৎসা মহাবিদ্যালয়, যোৰহাট চিকিৎসা মহাবিদ্যালয়, লগতে যোৰহাট, চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ জিলা প্ৰশাসনৰ সৈতে ভিডিঅ' কনফাৰেঞ্চযোগে এখন জৰুৰী বৈঠক অনুষ্ঠিত কৰে। বৈঠকত তেওঁ সংশ্লিষ্ট সকলো বিভাগক সৰ্বক্ষণ সষ্টম আৰু সজাগ হৈ থাকিবলৈ নিৰ্দেশ দিয়ে। লগতে বানপীড়িত অঞ্চলসমূহত প্ৰয়োজনীয় ঔষধৰ পৰ্যাপ্ত মজুত নিশ্চিত কৰা, জৰুৰীকালীন চিকিৎসা সেৱাৰ বাবে বিশেষ মেডিকেল টীম গঠন কৰি সাজু কৰি ৰখা, স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰা, বিশুদ্ধ খোৱাপানী আৰু পৰিচ্ছন্নতাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে যিকোনো স্বাস্থ্যজনিত জৰুৰী পৰিস্থিতি তৎকালে মোকাবিলা কৰি বানাক্ৰান্ত লোকসকলক সকাহ আৰু প্ৰয়োজনীয় চিকিৎসা সেৱা প্ৰদান নিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ প্ৰদান কৰে।

# ফিফা বিশ্বকাপৰ পুৰুষ মহিলাৰ দুয়োটা খিতাপ দখল স্পেইনৰ

## বিশ্বকাপৰ খিতাপ জয় কৰি নতুন ইতিহাস ৰচিলে স্পেইনে

**নিউয়ৰ্ক, ২০ জুলাই ঃ** স্পেইনৰ পুৰুষ ফুটবল দলে ফাইনাল খেলত আৰ্জেণ্টিনাক ১-০ গ'লত পৰাস্ত কৰি ২০২৬ চনৰ ফিফা বিশ্বকাপৰ খিতাপ দখল কৰিছে। নিউয়ৰ্কৰ নিউ জাৰ্চি ষ্টেডিয়ামত অনুষ্ঠিত এই ফাইনেল মেচখনৰ ১০৬ মিনিটত ফেৰান টৰেছে স্পেইনৰ হৈ জয়সূচক গ'লটো দিয়ে। এই জয়েৰে স্পেইনে একেৰাহে ৩৮ খন মেচত অপৰাজিত হৈ থাকি বিশ্ব অভিলেখ গঢ়িছে। একে সময়তে পুৰুষ আৰু মহিলা — দুয়োটা ফিফা বিশ্বকাপৰ খিতাপ দখল কৰা স্পেইন বিশ্বৰ প্ৰথমখন দেশ হিচাপে পৰিগণিত হৈছে। (স্পেইনৰ মহিলা দলে ২০২৩ চনত মহিলা বিশ্বকাপ জিকিছিল)। সমগ্ৰ প্ৰতিযোগিতাখনৰ ৮ খন মেচত স্পেইনে মাত্ৰ ১ টা গ'লৰ সন্মুখীন হৈছিল। স্পেইনে একেৰাহে দ্বিতীয়বাৰৰ বাবে ইউৰো কাপ আৰু বিশ্বকাপ দুয়োটা খিতাপ নিজৰ





নামত কৰিবলৈ সক্ষম হৈছে। এই ঐতিহাসিক জয়ে সমগ্ৰ স্পেইনৰ লগতে বিশ্বজুৰি থকা স্পেনিছ ফুটবল অনুৰাগীসকলৰ মাজত আনন্দৰ জোৱাৰ তুলিছে।

# বিশ্বকাপ ফাইনেলত স্পেইনৰ হাতত পৰাজয়ৰে মেছিৰ বিদায়!

**নিউয়ৰ্ক, ২০ জুলাই ঃ** নিউ জাৰ্ছিৰ মেটলাইফ ষ্টেডিয়ামত অনুষ্ঠিত ২০২৬ ফিফা বিশ্বকাপৰ এক চূড়ান্ত ৰোমাঞ্চকৰ ফাইনেল খেলত স্পেইনে আৰ্জেণ্টিনাক ১-০ গ'লত পৰাস্ত কৰি নতুন বিশ্ব চেম্পিয়নৰ খিতাপ দখল কৰে। অতিৰিক্ত সময়ৰ ১০৬ নম্বৰ মিনিটত স্পেইনৰ ফুটবলাৰ ফেৰান টৰেছে বিজয়ী গ'লটো দিয়ে।অতিৰিক্ত সময়ত ফেৰান টৰেছৰ গ'লেৰে স্পেইনে তেওঁলোকৰ দ্বিতীয়টো ফিফা বিশ্বকাপ খিতাপ অৰ্জন কৰে। ৯৩ মিনিটত এঞ্জো ফাৰ্নান্দেজে দ্বিতীয়খন হালধীয়া কাৰ্ড পাই খেলপথাৰ ত্যাগ কৰাৰ পিছত আৰ্জেণ্টিনা ১০ জনীয়া দললৈ হ্ৰাস পায়। মেছিয়ে সমগ্ৰ প্ৰতিযোগিতাত ৮টা গ'ল আৰু ৪টা এছিষ্টেৰে 'ছিলভাৰ বল' জয় কৰে। ইয়াৰ উপৰিও আলজেৰিয়াৰ বিৰুদ্ধে হেট্ৰিক কৰাৰ পিছত তেওঁ বিশ্বকাপৰ ইতিহাসত হেট্ৰিক কৰা বয়োজ্যেষ্ঠ ফুটবলাৰ হিচাপে পৰিগণিত হয়।১০ বছৰ পূৰ্বে (২০১৬ চনত) এই একেখন মেটলাইফ ষ্টেডিয়ামতে কোপা আমেৰিকা ফাইনেলত পৰাজিত হৈ লিয়নেল মেছিয়ে আন্তঃৰাষ্ট্ৰীয় ফুটবলৰ পৰা অৱসৰৰ কথা ঘোষণা কৰিছিল। কিন্তু পিছলৈ উভতি আহি তেওঁ আৰ্জেণ্টিনাক ২০২১ চনৰ কোপা আমেৰিকা আৰু ২০২২ চনৰ কাটাৰ বিশ্বকাপ জিকোৱাত মুখ্য ভূমিকা পালন কৰিছিল। এই পৰাজয়ৰ পিছত মেছিয়ে এতিয়ালৈকে অৱসৰৰ স্পষ্ট ঘোষণা কৰা নাই যদিও, অনুৰাগীসকলৰ মতে আৰ্জেণ্টিনাৰ জাৰ্চিত এইখন মেছিৰ অন্তিমখন খেল হ'ব পাৰে। মেছিৰ অবিহনেও আৰ্জেণ্টিনা ফুটবল দল এক শক্তিশালী আৰু একত্ৰিত দল হিচাপে ভৱিষ্যতে আগবাঢ়ি যাব বুলি আশা প্ৰকাশ কৰা হৈছে।

# কিলিয়ান এমবাপেক গোল্ডেন বুট, স্পেইনৰ ৰড্ৰিক গোল্ডেন বল প্ৰদান



**নিউয়ৰ্ক, ২০ জুলাইঃ** নিউয়ৰ্কৰ নিউ জাৰ্ছি ষ্টেডিয়ামত অনুষ্ঠিত চূড়ান্ত খেলখনত স্পেইনে আৰ্জেণ্টিনাক ১-০ গ'লত পৰাস্ত কৰি ২০২৬ চনৰ ফীফা বিশ্বকাপৰ খিতাপ দখল কৰে। সমগ্ৰ প্ৰতিযোগিতাখনত উৎকৃষ্ট প্ৰদৰ্শন আগবঢ়োৱা শ্ৰেষ্ঠ খেলুৱৈসকললৈ বিশেষ বঁটাসমূহ প্ৰদান কৰা হয়। স্পেইনৰ ৰড্ৰিক গোল্ডেন বল (শ্ৰেষ্ঠ খেলুৱৈ), ফ্ৰান্সৰ কিলিয়ান এমবাপে (৮খন খেলত ১০টা গ'ল)ক গোল্ডেন বুট (সৰ্বাধিক গ'লদাতা), স্পেইনৰ উনাই ছিমন (৮খন খেলৰ ৭খনতেই ক্লিন শ্বীট)ক গোল্ডেন গ্লভ (শ্ৰেষ্ঠ গ'লৰক্ষক), স্পেইনৰ পাউ কুবাৰ্ছীক প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ উদীয়মান খেলুৱৈ, ফ্ৰান্সৰ মাইকেল অলিছে (৭ টা এছিষ্ট)ক সৰ্বাধিক এছিষ্টকাৰী খেলুৱৈৰ বঁটা প্ৰদান কৰা হয় । এইবাৰৰ বিশ্বকাপত স্পেইন চেম্পিয়ন (প্ৰথম স্থান) হোৱাৰ বিপৰীতে আৰ্জেণ্টিনা ৰানাৰ্ছ-আপ (দ্বিতীয় স্থান), ইংলেণ্ড (ফ্ৰান্সক ৬-৪ গ'লত পৰাস্ত কৰি) তৃতীয় স্থান আৰু ফ্ৰান্স চতুৰ্থ স্থান লাভ কৰে। উল্লেখ্য যে স্পেইনে সমগ্ৰ প্ৰতিযোগিতাখনত ৮খন খেলৰ ভিতৰত মাত্ৰ ১টা গ'ল খাই শ্ৰেষ্ঠ প্ৰতিৰক্ষাৰ ৰেকৰ্ড গঢ়ে। কিলিয়ান এমবাপেই সৰ্বাধিক ১৪টা গ'ল অৱদান (১০টা গ'ল আৰু ৪টা এছিষ্ট) আগবঢ়ায়। এই বিশ্বকাপত ৪জন খেলুৱৈয়ে হেট্ৰিক কৰে। ইয়াৰ ভিতৰত আছে লিয়নেল মেছি, জনাথন ডেভিদ, ওছমান ডেম্বেলে আৰু বুকায়ো ছাকা।

# ১৬ বছৰৰ পাছত পুনৰ বিশ্ব চেম্পিয়ন স্পেইন

## ফিফা বিশ্বকাপৰ ফাইনেলত আৰ্জেণ্টিনাক ১-০ গ'লত

**নিউয়ৰ্ক, ২০ জুলাইঃ** ফিফা বিশ্বকাপ ২০২৬-ৰ চূড়ান্ত যুঁজত স্পেইনে আৰ্জেণ্টিনাক ১-০ গ'লত পৰাস্ত কৰি দ্বিতীয়বাৰৰ বাবে বিশ্ব চেম্পিয়ন হোৱাৰ গৌৰৱ অৰ্জন কৰিছে। নিউয়ৰ্কৰ মেটলাইফ ষ্টেডিয়ামত অনুষ্ঠিত এই ঐতিহাসিক ফাইনেলত স্পেইনৰ তৰুণ দলে অনবদ্য ফুটবল শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰে। অতিৰিক্ত সময়ত স্পেইনৰ ফেৰান টৰেছে কৰা একমাত্ৰ গ'লটোৱেই মেচখনৰ ভাগ্য নিৰ্ণয় কৰে। স্পেইনৰ ডিফেন্সে লিয়নেল মেছি আৰু আৰ্জেণ্টিনাৰ আক্ৰমণক সমূলঞ্চে নিষ্ক্ৰিয় কৰি ৰাখে। সমগ্ৰ মেচখনত আৰ্জেণ্টিনাই টাৰ্গেটিত এটা গ'লৰ শ্বটো মাৰিব নোৱাৰিলে। অতিৰিক্ত সময়ত (৯০+২ মিনিট) আৰ্জেণ্টিনাৰ মিডফিল্ডাৰ এনজো ফাৰ্নাণ্ডেজে দ্বিতীয়খন হালধীয়া কাৰ্ড (ৰেড কাৰ্ড) পাই খেলপথাৰ ত্যাগ কৰিবলগীয়া হয়, যাৰ ফলত আৰ্জেণ্টিনাই ১০ জন খেলুৱৈৰে খেলিবলগীয়া হয়। স্পেইনে সমগ্ৰ খেলখনত ৬৪.৬ শতাংশ



বল নিজৰ দখলত ৰাখি সংগঠিত আৰু আক্ৰমণাত্মক ক্ৰীড়া শৈলী প্ৰদৰ্শন কৰে। ২০১০ চনৰ পাছত স্পেইনৰ এইটো দ্বিতীয়টো বিশ্বকাপ খিতাপ। এই ঐতিহাসিক বিজয়েৰে স্পেইনৰ তৰুণ তাৰকা লামিন ইয়ামালৰ এক নতুন যুগৰ সূচনা হোৱাৰ বিপৰীতে মেছিৰ ধাৰাবাহিকভাৱে দ্বিতীয়বাৰ বিশ্বকাপ জয়ৰ সপোন ভংগ হয়।

# স্পেইনে ৮ খন মেচত মাত্ৰ এটা গ'ল হেৰুৱাই বিশ্বকাপত আধিপত্য স্পেইনৰ

## আৰ্জেণ্টিনাৰ খেলুৱৈ এনজো ফাৰ্নাণ্ডেজক ৰেফাৰীয়ে 'ৰেড কাৰ্ড'

**নিউ জাৰ্ছি, ২০ জুলাই ঃ** নিউ জাৰ্ছিৰ মেটলাইফ ষ্টেডিয়ামত অনুষ্ঠিত ২০২৬ৰ ফিফা বিশ্বকাপৰ ফাইনেলত আৰ্জেণ্টিনাক ১-০ গ'লত পৰাস্ত কৰি স্পেইনে দ্বিতীয়বাৰৰ বাবে বিশ্বকাপৰ খিতাপ দখল কৰে। অতিৰিক্ত সময়ত ফেৰান টৰেছে দিয়া একমাত্ৰ গ'লটোৰে স্পেইনে এই ঐতিহাসিক বিজয় সাব্যস্ত কৰে ।নিকো উইলিয়ামছৰ



হেডাৰৰ পৰা বল পাই খেলৰ অতিৰিক্ত সময়ত স্পেইনৰ ফৰৱাৰ্ড ফেৰান টৰেছে বিজয়ী গ'লটো দিয়ে। সমগ্ৰ প্ৰতিযোগিতাত চমকপ্ৰদ প্ৰদৰ্শন কৰা স্পেইনে ৮খন মেচত মাত্ৰ এটা গ'ল হেৰুৱাই সমগ্ৰ টুৰ্নামেণ্টত নিজৰ আধিপত্য বজাই ৰাখে। ৩৯ বছৰীয়া লিয়নেল মেছিৰ বাবে এইখন অন্তিম বিশ্বকাপ আছিল। স্পেইনৰ সুসংগঠিত ডিফেন্স আৰু বল দখলৰ বাবে আৰ্জেণ্টিনাৰ আক্ৰমণ একেবাৰেই নিস্তেজ হৈ পৰে। খেলৰ শেষৰফালে অসদাচৰণৰ বাবে আৰ্জেণ্টিনাৰ খেলুৱৈ এনজো ফাৰ্নাণ্ডেজক ৰেফাৰীয়ে 'ৰেড কাৰ্ড' দেখুৱাই পথাৰৰ পৰা উলিয়াই দিয়ে। আৰ্জেণ্টিনাৰ গ'লৰক্ষক এমিলিয়ানো 'ডি বু' মাৰ্টিনেজে হাতৰ আঘাত সত্ত্বেও ১১ টা সুন্দৰ ছেভ কৰি স্পেইনক সহজে গ'ল দিয়াৰ পৰা বাধা দিছিল। এই জয়েৰে স্পেইনৰ মেনেজাৰ লুইছ দে লা ফুৱেন্তেৰ নেতৃত্বত দলটোৱে একেৰাহে ৩৮ খন মেচত অপৰাজিত হৈ থকাৰ অভিলেখ গঢ়িলে।

# বিশ্বকাপৰ ফাইনেলত অধিক সময় বল থাকিল স্পেইনৰ দখলত



**নিউয়ৰ্ক/নিউ জাৰ্চী, ২০ জুলাই ঃ** বিশ্ব ফুটবলৰ ফাইনেলত আৰ্জেণ্টিনাক ১-০ গ'লত পৰাস্ত কৰি স্পেইনে ২০২৬ চনৰ ফিফা বিশ্বকাপৰ খিতাপ দখল কৰিছে। এক অতি প্ৰতিদ্বন্দ্বিতামূলক খেলৰ অতিৰিক্ত সময়ত ফেৰান টৰেছে স্পেইনৰ হৈ জয়সূচক গ'লটো দিয়ে। সমগ্ৰ খেলখনত বল নিজৰ দখলত ৰাখি স্পেইনে আৰ্জেণ্টিনাৰ তাৰকা ফুটবলাৰ লিয়নেল মেছিক একপ্ৰকাৰ নিষ্ক্ৰিয় কৰি ৰাখিবলৈ সক্ষম হয়। অতিৰিক্ত সময়ত পেড্ৰ' পৰো আৰু নিকো উইলিয়ামছৰ সুন্দৰ পাছৰ সহায়ত ফেৰান টৰেছে স্পেইনৰ হৈ একমাত্ৰ আৰু নিৰ্ণায়ক গ'লটো কৰে। অতিৰিক্ত সময়ত আৰ্জেণ্টিনাৰ খেলুৱৈ এঞ্জ' ফাৰ্নাণ্ডেজে ৰেড কাৰ্ড পাই খেলপথাৰ ত্যাগ কৰিবলগীয়া হয়, যাৰ ফলত আৰ্জেণ্টিনা ১০ জনীয়া খেলুৱৈৰে খেলিবলৈ বাধ্য হয়। স্পেইনৰ ১৯ বছৰীয়া ডিফেন্স খেলুৱৈ পাউ কুবাৰ্ছিয়ে প্ৰতিযোগিতাৰ 'শ্ৰেষ্ঠ যুৱ খেলুৱৈ' বঁটা লাভ কৰে। সেইদৰে, অধিনায়ক ৰড্ৰিয়ে সমগ্ৰ টুৰ্ণামেণ্টত উৎকৃষ্ট প্ৰদৰ্শনেৰে দলৰ বিজয়ত মুখ্য ভূমিকা পালন কৰে। এই জয়েৰে স্পেইনে দ্বিতীয়বাৰৰ বাবে বিশ্বকাপ খিতাপ অৰ্জন কৰাৰ লগতে বৰ্তমান ইউৰোপিয়ান চেম্পিয়নশ্বিপ আৰু অলিম্পিকৰো চেম্পিয়ন হৈ নিজৰ আধিপত্য বজাই ৰাখিলে।

# খেলুৱৈসকলৰ ত্যাগ আৰু দলীয় প্ৰচেষ্টাৰ বাবেই আজি আমি বিশ্ব চেম্পিয়ন

**নিউয়ৰ্ক, ২০ জুলাই ঃ** সোমবাৰে অনুষ্ঠিত ফিফা বিশ্বকাপ ২০২৬-ৰ চূড়ান্ত খেলখনত স্পেইনে অতিৰিক্ত সময়ত আৰ্জেন্টিনাক ১-০ গ'লত পৰাস্ত কৰি ঐতিহাসিক বিজয় সাব্যস্ত কৰে। এই সপোনাতীত জয়ৰ জৰিয়তে স্পেইনে তেওঁলোকৰ দ্বিতীয়টো ফিফা বিশ্বকাপ খিতাপ দখল কৰিবলৈ সক্ষম হয়। মেচখনৰ মূল সময়ত কোনো দলে গ'ল কৰিব নোৱাৰাত খেলখন অতিৰিক্ত সময়লৈ বৃদ্ধি পায়। শেষত বিকল্প খেলুৱৈ ফেৰান টৰেছে স্পেইনৰ হৈ একমাত্ৰ নিৰ্ণায়ক গ'লটো দিয়ে। স্পেনিছ দলটোৰ শক্তিশালী আত্মৰক্ষা আৰু অনুশাসনমূলক প্ৰদৰ্শনে আৰ্জেন্টিনাৰ অধিনায়ক লিয়নেল মেছিক সমগ্ৰ খেলখনত ৰোধ কৰি ৰাখিবলৈ সমৰ্থ হয়। দলৰ মুখ্য প্ৰশিক্ষক লুইছ ডি লা ফুৱেন্তে এই সফলতাক লৈ অত্যন্ত আনন্দিত হৈ কয়-মই মোৰ খেলুৱৈসকলক লৈ অতিশয় গৌৰৱান্বিত। খেলৰ আগতে মই তেওঁলোকক মনত পেলাই দিছিলোঁ যে আমাৰ ইতিহাসৰ সৈতে এক সাক্ষাৎ আছে। খেলুৱৈসকলৰ ত্যাগ আৰু দলীয় প্ৰচেষ্টাৰ বাবেই আজি আমি এই খিতাপ জিকিবলৈ সক্ষম হ'লোঁ। প্ৰশিক্ষকগৰাকীয়ে প্ৰতিভাবান যুৱ খেলুৱৈ লামিন ইয়ামালৰো প্ৰশংসা কৰি কয় যে দলৰ স্বাৰ্থত তেওঁ কৰা ত্যাগে স্পেইনক বিশ্ববিজয়ী কৰাত ডাঙৰ অৱদান আগবঢ়ালে। ইফালে আৰ্জেন্টিনাৰ প্ৰশিক্ষক লিয়নেল স্কালোনিয়ে খেলৰ পিছত স্বীকাৰ কৰে যে স্পেইন জয়ৰ সম্পূৰ্ণ যোগ্য আছিল, যদিও তেওঁ নিজৰ দলৰ প্ৰদৰ্শনক লৈ গৌৰৱ প্ৰকাশ কৰে।



**প্ৰক্ষা প্ৰিয়া দাস,** পঞ্চম শ্ৰেণী,কেন্দ্ৰীয় বিদ্যালয় -নাৰেংগী

# বিশ্বকাপৰ ফাইনেলত পৰাজয়ৰ পাছত অৰ্জেণ্টিনাৰ প্ৰশিক্ষক স্কেলোনিৰ ভৱিষ্যতক লৈ অনিশ্চয়তা

## ডিচেম্বৰ মাহত শেষ হ'ব স্কেলোনিৰ চুক্তিৰ ম্যাদ

**নিউয়ৰ্ক, ২০ জুলাই ঃ** ২০২৬ৰ বিশ্বকাপৰ ফাইনেলত স্পেনৰ হাতত ১-০ গ'লত পৰাজিত হোৱাৰ পিছত অৰ্জেণ্টিনাৰ মুখ্য প্ৰশিক্ষক লিয়নেল স্কেলোনিয়ে দলটোৰ দায়িত্বত থকাৰ সন্দৰ্ভত অনিশ্চয়তা প্ৰকাশ কৰিছে। মেচখনৰ অতিৰিক্ত সময়ৰ ১০৬ মিনিটত ফেৰান টৰেছে দিয়া গ'লৰ সহায়ত স্পেনে বিশ্ব খিতাপ দখল কৰে। মেচৰ পৰৱৰ্তী সংবাদমেলত ভাবুক হৈ পৰে ৪৮ বছৰীয়া প্ৰশিক্ষকগৰাকী। অহা ডিচেম্বৰ মাহত স্কেলোনিৰ চুক্তিৰ ম্যাদ শেষ হ'ব। তেওঁ ফুটবল ফেডাৰেচনৰ সভাপতিৰ সৈতে আলোচনা কৰি নিজৰ ভৱিষ্যতৰ বিষয়ে সিদ্ধান্ত ল'ব বুলি জনায়। স্কেলোনিয়ে উল্লেখ কৰে যে এনে এটা শক্তিশালী আৰু সফল দল পুনৰ গঠন কৰাটো অত্যন্ত কঠিন। ৩৯ বছৰীয়া লিয়নেল মেছিৰ উপৰিও দলৰ বহুসংখ্যক অভিজ্ঞ খেলুৱৈৰ পৰৱৰ্তী বিশ্বকাপত অংশগ্ৰহণ সন্দৰ্ভত প্ৰশ্ন উত্থাপন হৈছে। স্পেইনে জয়ৰ যোগ্য খেল প্ৰদৰ্শন কৰা বুলি স্বীকাৰ কৰি স্কেলোনিয়ে নিজৰ খেলুৱৈসকলক আৰু বিশ্বজুৰি থকা অৰ্জেণ্টিনাৰ সমৰ্থকসকলক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে আমি শেষ মুহূৰ্তলৈকে চেষ্টা কৰিছিলো। ইমান সফলতাৰ পিছত মনটোক পুনৰ সাজু কৰা আৰু এনে এটা দল পুনৰ সৃষ্টি কৰাটো অতি জটিল। উল্লেখ্য যে, লিয়নেল স্কেলোনিৰ নেতৃত্বত অৰ্জেণ্টিনাই ২০২১ আৰু ২০২৪ চনৰ কোপা আমেৰিকা তথা ২০২২ চনৰ বিশ্বকাপ জয় কৰি দেশখনৰ ফুটবল ইতিহাসৰ আটাইতকৈ সফল প্ৰশিক্ষক হিচাপে পৰিগণিত হৈছে।

এ বি পাব্লিকেশ্যনৰ হৈ অনিল বৰ্মনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, গুৱাহাটী-১৬ত মুদ্ৰিত। কাৰ্যালয় ঃ পেঞ্চনপাৰা ৰোড, গোস্বামী ছাৰ্ভিচ, গুৱাহাটী-৩, ফোন ঃ ২৬৬০২৬০ , বিজ্ঞাপন ঃ লক্ষ্যধৰ ডেকা, ৯৮৬৪৪-৯১৫৯৫ ■ কোকৰাঝাৰ কাৰ্যালয়, জে ডি ৰোড, ফোন ঃ ৯৪৩৫৪-৮৩৮৩৬। তেজপুৰ কাৰ্যালয় ঃ তুলিকা কাৰ্ফ, অপূৰ্ব বৰা ৯৮৫৪২-১১৩০৪, ৯০৮৫০-৭১৩০৪, চাৰ্কুলেচন ঃ অৰুণ শৰণীয়া (৯৭০৭৬-৮৩১১২)
Owner, Publisher & Printer Anil Barman, Published from Pension Para Road, Goswami Service, Silpukhuri, Guwahati-781003 and Printed at Pee Gee India, MIE, Kalapahar, Guwahati-781016. Editor: Anil Barman. Phone : 0361-2660260 ■ Fax : 0361-2665919 ■ batorikakot@rediffmail.com
■ মুখ্য সম্পাদক ঃ ভুৱনেশ্বৰ শৰ্মা ■ সম্পাদকঃ অনিল বৰ্মন